লেনিন শতবৰ্ষ গ্ৰন্থমালা

# লেনিনে যেনেকৈ পৰিকল্পনা কৰিছিল

ছোভিয়েত গাও অঞ্চলৰ কথা।

লিখক :
এম. ছুখানভ

ছোভিয়েত দেশ প্ৰকাশনী
কলিকতা

# AS LENIN PLANNED IT

*(Notes on the Soviet countryside)*

*BY*

M. SUKHANOV

***Assamese***

1969

Price : 50 Paise

বেচ ঃ ৫০ পইচা

ছোভিয়েত ইউনিয়নৰ কলিকতাস্থিত বাতৰি যোগনিয়াৰ
বিভাগৰ দ্বাৰা ১ উড ষ্ট্ৰীট, কলিকতা-১৬ৰপৰা
প্ৰকাশিত আৰু পূৰ্বোদয় প্ৰেছ, ১০ কৈলাস
বোস ষ্ট্ৰীট, কলিকতা-৬ৰপৰা মুদ্ৰিত।

# সূচী


| | | | |
|---|---|---|---|
| ১ | ভূমিকা | ... | ৫ |
| ২ | পুৰণি পৃথিৱীৰপৰা পোৱা উত্তৰাধিকাৰ | ... | ৯ |
| ৩ | মাটিৰ সমস্যা কেনেকৈ সমাধান কৰা হ'ল | ... | ১৭ |
| ৪ | যি পথটো কৃষকসকলে বিচাৰিছিল | . | ২৮ |
| ৫ | নতুন পদ্ধতিৰ প্ৰকৃত প্ৰকাশ | .. | ৩৯ |
| ৬ | বৈপ্লৱিক পৰিবৰ্তন | ... | ৪৮ |
| ৭ | যৌগীকৰণ কৰাৰ কাৰণ কি | ... | ৬২ |
| ৮ | যন্ত্ৰপাতিৰদ্বাৰা কায়িকশ্ৰমৰ স্থান গ্ৰহণ | ... | ৭৬ |
| ৯ | ভূমিৰ ৰূপান্তৰ | ... | ৯০ |
| ১০ | বিজ্ঞান আৰু কৃষিৰ অগ্ৰগতি | ... | ১০৯ |
| ১১ | পৰিকল্পিত বিকাশ নে স্বতঃস্ফূৰ্ত বিকাশ | ... | ১২৬ |
| ১২ | উদ্দীপনা : চোভিয়েত কৃষকৰ কাৰণে ইয়াৰ অৰ্থ আছে নে ? | ... | ১৩৮ |
| ১৩ | উৎপাদন আৰু শ্ৰম : সমস্যা আৰু তাৰ সমাধান | .. | ১৫৫ |

১৪ আজিৰ যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপাম ·· ১৬৭
১৫ আমাৰ দৈনন্দিন আহাৰ ·· ১৭৯
১৬ উদ্বৃত্ত আত্মসাংকৰণ ব্যৱস্থাৰপৰা
চুক্তিবদ্ধ ব্যৱস্থালৈ ··· ১৮৫
১৭ সময়ৰ পৰীক্ষা ··· ১৯৪
১৮ ছোভিয়েত গাওঁ : কালি আৰু আজি ··· ২০৩
১৯ চহৰ আৰু গাওঁ ·· ২১২
২০ সমাজ, ৰাষ্ট্ৰ আৰু কৃষক ··· ২৩০
২১ ঘটনাৰ গঢ ··· ২৩৮

# ১
# ভূমিকা

ছোভিয়েত কৃষি-অৰ্থনীতিত ঘটা পৰিবৰ্তনবোৰৰ প্ৰতি বিশ্বই সকলো সময়তে গভীৰ মনোযোগ দি আহিছে।

ছোভিয়েত গাওঁ অঞ্চলৰ জীৱন সম্পৰ্কে এই মনোযোগ সম্পূৰ্ণ স্বাভাৱিক। কাৰণ কৃষকসকলৰ অনুকূলে কৃষি-সমস্যা সমাধান কৰা আৰু, যৌথ আৰু ৰাষ্ট্ৰীয় পামৰ দৰে কৃষি-অৰ্থনীতিৰ অভূতপূৰ্ব ব্যৱস্থাৰ সৃষ্টি আৰু বিকাশ ঘটোৱা সৰ্বপ্ৰথম দেশখন হৈছে ছোভিয়েত ইউনিয়নেই। ইয়াতে সৰু সৰু ব্যক্তিগত মালিকানাই ব্যাপক বাস্তহুৱা মালিকানাক ঠাই এৰি দিয়ে; ইয়াতে সৰু-সুৱা কৃষকসকল যৌথ পামৰ সদস্যত পৰিণত হয়।

ইয়াৰ আগতে বহু পুৰুষ ধৰি ৰুছ কৃষকসকলে মাটি, মুক্তি আৰু মানুহৰ দৰে জীয়াই থকাৰ অধিকাৰৰ কাৰণে নেৰানেপেৰা সাহসিকতাপূৰ্ণ, কিন্তু ব্যৰ্থ সংগ্ৰাম চলাই

আহিছিল। একমাত্র শ্রমিকশ্রেণীৰ সৈতে মৈত্রী আৰু শ্রমিকশ্রেণীৰ নেতৃত্বৰ যোগেদিহে তেওঁলোকৰ সংগ্রাম সফল হয়। তেওঁলোকক মাটি দিয়া, ১৯১৭ চনৰ অক্টোবৰৰ সমাজতান্ত্রিক বিপ্লৱৰ বিজয়ৰ ফলত তেওঁলোকৰ আশা-আকাঙ্ক্ষা পূৰণ হল।

মাটি-মালিকসকলৰ দখলৰ মাটি বাজেয়াপ্ত কৰাৰ ফলত কৃষকসকলৰ নতুন জীৱনৰ-পথ খুলি যায়, দ্বিতীয় নিশ্চিত পদক্ষেপটো হৈছে সৰু সৰু ব্যক্তিগত খেতি ব্যৱস্থাৰ ব্যাপক যৌথ পামৰ অৰ্থনীতিলৈ সংক্ৰমণ।

ছোভিয়েতৰ গাঁৱত বৈপ্লৱিক পৰিবৰ্তন সৰা সহজ কথা নাছিল। ব্যাপ্তি আৰু বিষয়বস্তুৰ ফালৰ পৰা অতুলনীয় এই পৰিবৰ্তনবোৰক সমাজতন্ত্ৰৰ পথ-প্ৰদৰ্শকসকলে ৰূপ দিছিল।

নৱ-জীৱনৰ নিৰ্মাতা এই লোকসকল কিহৰদ্বাৰা প্ৰভাৱিত হৈছিল? কোন নীতিয়ে তেওঁলোকৰ কাম-কাজবোৰ পৰিচালনা কৰিছিল? ই আছিল তেওঁলোকৰ ব্যক্তিগত ইচ্ছা নে, সমাজবিকাশৰ বাস্তৱ প্ৰয়োজন? যৌথ ব্যৱস্থা প্ৰৱৰ্তনে সমাজ আৰু কৃষকক কি দিলে?

সমবায়বোৰত কাম কৰা ছোভিয়েত কৃষকৰ মাজত শ্ৰম-উৎসাহদান ব্যৱস্থা বুলি কিবা আছেনে? যৌথ পাম আমাৰ যুগৰ কাৰণে উপযোগী নে? শ্ৰমিক শ্ৰেণী আৰু যৌথ কৃষকসকলৰ মাজত সম্পৰ্ক কি? ৰাষ্ট্ৰীয় আৰু যৌথ পামবোৰৰ মাজত কি সম্পৰ্ক?

এইবোৰৰ আৰু ছোভিয়েতৰ গাঁৱলীয়া জীৱন সম্পৰ্কিত আৰু বহু প্ৰশ্নৰ উত্তৰ পশ্চিমীয়া লিখকসকলে লিখা কিতাপত পোৱা যায়। পাৰ্থক্য আছে যদিও, উক্ত কিতাপবোৰে অৱধাৰিতভাৱে এই ধাৰণা ৰাখি যায় যে এই লিখকসকলে প্ৰকৃত অৱস্থা অনুধাৱন আৰু উপলব্ধি কৰাতকৈ আজিৰ দিনৰ বাস্তৱ অৱস্থাক অপ্ৰচলিত পুৰণিকলীয়া সাঁচতে ঠেলি হেঁচি ভৰাবলৈ বেছি পচন্দ কৰে। বৃটিছ আলোচনী "ছোভিয়েত ষ্টাডিজ"ৰ সম্পাদক আৰু শ্লেছিঙ্গাৰৰ মতে, আন এখন আলোচনী "ইষ্টাৰ্ন ইউৰোপে" উপস্থাপিত কৰা ছোভিয়েত যুক্তৰাষ্ট্ৰৰ কৃষি-বিকাশ সম্পৰ্কিত বিকৃত ছবিখনে ইয়াকে দেখুৱাইছে যে ইয়াৰ লিখকসকলে বাস্তৱ ঘটনাবোৰক তেওঁলোকৰ পূৰ্বেই হোৱা ধাৰণাৰ সৈতে মিল ৰাখি গঢ় দিবলৈ চেষ্টা

কৰে, এই কাৰ্যই প্ৰকৃততে কি ঘটিব লাগিছে তাক বুজাত আৰু এই সম্পৰ্কে পুঙ্খানুপুঙ্খ বিশ্লেষণ কৰাত তেওঁ-লোকক বাধা দিয়ে।

মোৰ কাম হৈছে ছোভিয়েতৰ গাওঁ সম্পৰ্কে পাঠক-সকলক কোৱা সত্যৰ আলোকত ইয়াৰ অতীত আৰু বৰ্তমানক দেখুওৱা, আৰু ছোভিয়েত গাওঁ অঞ্চলৰ বাস্তৱ অৱস্থা দাঙি ধৰা। ই সৰ্বব্যাপী অনুশীলন নহয় ছোভিয়েত গাওঁ অঞ্চল গঢ়াত অংশগ্ৰহণকাৰী আৰু প্ৰত্যক্ষদৰ্শী এজনৰ বিৱৰণীহে।

২

# পুৰণি পৃথিৱীৰপৰা পোৱা উত্তৰাধিকাৰ

কেইদিনমানৰ আগতে কিতাপ কেইখনমানৰ ওপৰত চকু ফুৰাওঁতে ফৰাসী বুৰঞ্জীবিদ চ. ল'দক্সিনস্কীৰ এনে এটা বিবৃতি চকুত পৰিল যাৰ প্ৰতিবাদ কৰা দৰ্কাৰ। তেওঁ দাবী কৰিছে যে, জাৰতন্ত্ৰী চৰকাৰৰ কৃষি-নীতিয়ে, বিশেষকৈ স্তোলিপিন কৃষি সংস্কাৰে গাওঁ অঞ্চলৰ অৰ্থনীতিৰ পুনৰ্জীৱন দিছিল আৰু কৃষকসকলৰ অৱস্থাৰ লেখত লবলগীয়া উন্নতি সাধিছিল।

প্ৰকৃততে, স্তোলিপিন কৃষি সংস্কাৰে পাছে পাছে তীব্ৰ সামাজিক স্তৰ-বিন্যাসকো লৈ আহিছিল। তাৰ ফলত শোষণৰ ফলত দুখীয়া হৈ পৰা বিপুল সংখ্যাৰ খেতিয়ক আৰু কৃষি-শ্ৰমিক আৰু, কুলাক নামে জনাজাত সংখ্যাত কম গাওঁ অঞ্চলৰ বুৰ্জোৱাসকলৰ সমাবেশ ঘটিছিল। জিলা

পৰিষদবোৰে সংগ্ৰহ কৰা পৰিসংখ্যান তথ্যৰ ওপৰত ভিত্তি কৰি লিখা "কৃষকসকলৰ অৱস্থাৰ উন্নতি নে অৱনতি ঘটিব লাগিছে?" নামৰ প্ৰবন্ধটোত লেনিনে স্তোলিপিন সংস্কাৰৰ পৰা গাওঁ অঞ্চলে কি "বৰ" লাভ কৰিলে ঠিক তাকেই দেখুৱাইছিল। ১৯০৭ চনৰ পৰা ১৯১২ চনৰ ভিতৰৰ ছ বছৰত চাৰি নিযুত কৃষক পৰিয়ালে নিজৰ অৱস্থাৰ উন্নতি সাধে, ৭,৬০০,০০০টা পৰিয়াল আগতকৈ দুখীয়া হয় আৰু ৮,৪০০,০০০টা পৰিয়াল আগৰ দৰে চৰম দাৰিদ্ৰ্যৰ মুখামুখি অৱস্থাতে থাকি যায়। এনেবোৰ তথ্য আছে যিবোৰে দেখুৱাইছে যে স্তোলিপিনৰ আইন বিধিবদ্ধ কৰাৰ পাচত ৰুছ কৃষকসমাজৰ বিপুল সংখ্যাগৰিষ্ঠ সংখ্যাৰ জীৱনধাৰণৰ মানৰ ক্ৰমান্বয়ে অৱনতি হয়। সংস্কাৰটোৱে গ্ৰাম্য-অৰ্থনীতিত পুঁজিবাদক প্ৰেৰণা যোগালে, কিন্তু কৃষি-দাস প্ৰথাৰ (ছাৰ্ফডম) অৱশিষ্টবোৰ বিলোপ কৰাৰ কাৰণে একোকে নকৰিলে। আটাইবোৰ বিৰোধকে ই সম্পূৰ্ণ আগৰ দৰেই এৰি গল।

পুৰণি পৃথিবীৰ পৰা নতুন ৰুছিয়াই উত্তৰাধিকাৰ ৰূপে যি অতি তীব্ৰ সমস্যাবোৰ লাভ কৰিলে তাৰ ভিতৰত

আছিল অৰ্থনৈতিক ক্ষেত্ৰত অতিপাত পশ্চাৎপদতা, নিদাৰুণ দাৰিদ্ৰ্য আৰু ৰুছ গাওঁ অঞ্চলত প্ৰাদুৰ্ভাব থকা প্ৰায় পূৰ্ণ নিৰক্ষৰতা। এইখিনি কলেই যথেষ্ট হব যে দুহাজাৰ বছৰৰো আগতে প্ৰচলন আৰম্ভ কৰা খেতিত জবকা ব্যৱহাৰ প্ৰথা আৰু শস্য দোৱা কাঠিৰ দৰে কৌটিকলীয়া সঁজুলিবোৰৰ প্ৰচলন জাৰতন্ত্ৰী ৰুছিয়াত বৰ ব্যাপক আছিল। কাঠৰ নাঙল আৰু দীঘলনালীয়া কাচিৰো ( ছাইদ ) ব্যাপক প্ৰচলন আছিল। ১৯১০ চনৰ লোক গণনাত কৃষকসকলৰ খেতিৰ সঁজুলিৰ হিচাপ তলত দিয়া ধৰণে দিয়া হৈছিল :

| | | |
|---|---|---|
| কাঠৰ নাঙল আৰু দীঘল নালৰ কাচি | ... | ৭·৮ নিযুত |
| কাঠৰ মৈ | ... ... | ১৭·৭ নিযুত |
| লোৰ নাঙল | ... ... | ৪ ২ নিযুত |

বীজ বপন আৰু শস্য দোৱা যন্ত্ৰ আছিল দুৰ্লভ দৰ্শন।

দন নদীৰ পাৰৰ ডাঙৰ ইউক্ৰেনীয় গাওঁ এখনত মোৰ জন্ম হৈছিল আৰু তাতে মই ডাঙৰ-দীঘল হৈছিলো। মধ্য-এচিয়াতকৈ ইয়াত খেতিয়কৰ মাটি আছিল বেছি আৰু ভাল। মোৰ ককাদেউতাক মজলীয়া কৃষকৰূপে ধৰা হৈছিল; কিন্তু বিংশ শতাব্দীৰ খেতিৰ যন্ত্ৰপাতি বুলিবলৈ তেওঁৰ মাত্ৰ

লোৰ নাঙলখনহে আছিল। আধুনিক কৃষি সঁজুলি তেওঁ ঢুকি পোৱাৰ বাহিৰত আছিল। বীজ সিঁচা হৈছিল হাতেৰে, গম দোৱা হৈছিল দীঘল কাচিৰে আৰু মৰা হৈছিল শিলৰ জাঁতেৰে। এনে অৱস্থাত বেছি উৎপাদনৰ কথাই উঠিব নোৱাৰে। বেয়াকৈ চহোৱা মটিৰ খেতিও বেয়া হৈছিল। কৃষকসকলে পেটে-ভাতে খাই জীৱনধাৰণ কৰিছিল। সকলো সময়তে তেওঁলোকে অনাবৃষ্টিৰ আতঙ্কত দিন কটাইছিল। অনাবৃষ্টিৰ ফলত শশ পৰিয়াল ধ্বংস হৈ গৈছিল। নিঃকিন হৈ পৰা খেতিয়কসকলে সৌভাগ্যৰ অন্বেষণত ঘৰবাৰী এৰিছিল।

বিপ্লৱৰ ঠিক আগতে ৰুছিয়াত বিশ নিযুতৰ বেছি কৃষক পৰিয়াল আছিল। সম্পত্তি-মৰ্য্যাদাৰ ফালৰ পৰা তেওঁলোক নিম্নৰূপে বিভক্ত আছিল ঃ

| | | |
|---|---|---|
| দুখীয়া কৃষক | ... | ১৩ নিযুত |
| মজলীয়া কৃষক | ... | ৪ নিযুত |
| কুলাক | .. | ৩ নিযুত |

কৃষক পৰিয়ালবোৰৰ ভিতৰত ছয় নিযুত ঘোঁৰা নাছিল ; ৬,৮০০,০০০ৰ কৃষি যন্ত্ৰপাতি নাছিল ; তিনি নিযুতে কোনো খেতিকে নকৰিছিল।

প্ৰতি বছৰে দুই নিযুত দুখীয়া কৃষকে ইউক্ৰাইন আৰু ৰুছিয়াৰ দক্ষিণাঞ্চলত থকা কুলাক আৰু মাটি-মালিক-সকলৰ জমিদাৰিত কৃষিশ্ৰমিক হিচাপে কাম কৰিবলৈ ঘৰবাৰী এৰি গৈছিল। কাৰণ নিজৰ পৰিয়ালৰ প্ৰয়োজন-কণো পূৰাবৰ পক্ষে যথেষ্ট উৎপাদন কৰিব তেওঁলোকে নোৱাৰিছিল।

বেছিভাগ কৃষকেই ক্ষুধাতুৰ আৰু নিঃকিন হৈ পৰিছিল কাৰণ তেওঁলোকৰ খেতিৰ মাটি আছিল অতি কম অথবা তেওঁলোকৰ কোনো মাটিয়েই নাছিল। আৰু এই কাণ্ডবোৰ ঘটিছিল বিপুল সম্ভাৱনা আৰু বিশাল মাটি থকা দেশ এখনত। জাৰতন্ত্ৰী ৰুছিয়াত ৩০,০০০জন বৃহৎ মাটি মালিকৰ হাতত ১৮৯,০০০,০০০ একৰ মাটি আছিল। অৰ্থাৎ প্ৰতিখন জমিদাৰিত গড়ে ৫,৪০০ একৰকৈ মাটি আছিল। আনফালেদি দাৰিদ্ৰ্য জৰ্জৰিত ১০,৫০০,০০০খন কৃষি পামৰ মাজত মাটি আছিল ১৯৭,৫০০,০০০ একৰ; অৰ্থাৎ প্ৰতিখন পামৰ কাৰণে পৰিছিল গড়ে প্ৰায় ১৯ একৰকৈ। বহু মাটি-মালিকৰ হাজাৰ হাজাৰ একৰ মাটি আছিল। উদাহৰণ স্বৰূপে, ৰুকাভিছনিকভ নামৰ এজনৰ জমিদাৰিৰ

মাটি আছিল ২,৬০০,০০০ একৰ আৰু ৰাজকুমাৰ গোলিৎছিনৰ আছিল ২,৭০০.০০০ একৰৰ বেছি। বেছিভাগ কৃষকৰে আছিল প্ৰায় ৬ একৰকৈ।

জাৰতন্ত্ৰী ৰুছিয়াক আগুৰি ধৰা অতি গভীৰ সমস্যা-বোৰৰ অন্যতম আছিল কৃষি সমস্যা। দেশৰ মুঠ জনসংখ্যাৰ ৮০ শতাংশৰো বেছিৰ অতি গুৰুত্বপূৰ্ণ স্বাৰ্থবোৰৰ সৈতে ই জড়িত আছিল। ২৬ বছৰ বয়সত লিখিবলৈ আৰম্ভ কৰা "ৰুছিয়াত ধনতন্ত্ৰৰ বিকাশ" নামৰ কিতাপখনত লেনিনে তৃতীয়া কৃষকবোৰৰ ভৱিষ্যৎহীন অৱস্থাৰ কথা প্ৰকাশ কৰে আৰু উন্নততৰ ভৱিষ্যতৰ কাৰণে কৰা সংগ্ৰামত শ্ৰমিকশ্ৰেণী আৰু কৃষকসমাজৰ মাজৰ মৈত্ৰীৰ প্ৰয়োজনৰ কথা বিশ্লেষণ কৰে।

লেনিনে প্ৰায়ে এই বিষয়টোলৈ ঘূৰি আহিছিল। নিজে প্ৰতিষ্ঠা কৰা বলছেভিক পাৰ্টিৰ কৃষিসম্পৰ্কিত কৰ্মসূচী সম্প্ৰসাৰণ কৰিবলৈ তেওঁ বহু সময় দিছিল। ১৯০৩ চনত গ্ৰহণ কৰা পাৰ্টিৰ কৰ্মসূচীত দাবী কৰা হয় যে, কৃষি-দাস প্ৰথা বিলোপ কৰাৰ সময়ত মাটিমালিকসকলে যিবোৰ মাটি অধিকাৰ কৰিছিল তাক কৃষকসকলক ঘূৰাই দিয়া

হওক। ১৯০৫ চনত পার্টিয়ে অভিজাত সম্প্ৰদায়ৰ হাতত থকা বিৰাট বিৰাট জমিদাৰিবোৰ বাজেয়াপ্তকৰণকে ধৰি কৃষকসকলৰ আটাইবোৰ দাবী সমৰ্থন কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে। সেই বছৰৰে ডিচেম্বৰ মাহত কৰ্মসূচীখনৰ আৰু বিকাশ সধা হয়ঃ আটাইবোৰ জমিদাৰিকে বাজেয়াপ্ত কৰাৰ কৃষকসকলৰ বৈপ্লৱিক দাবীবোৰ ই সমৰ্থন কৰে। ১৯১৭ চনৰ এপ্ৰিল মাহত গৃহীত পাৰ্টিৰ সিদ্ধান্তত আটাইবোৰ মাটিমালিকৰ দাবি জমিদাৰি ততালিকে আৰু সম্পূৰ্ণৰূপে বাজেয়াপ্তকৰণ, বিলম্ব নকৰাকৈ এই জমিদাৰিবোৰ কৃষক-সকললৈ হস্তান্তৰকৰণ আৰু মাটিৰ ওপৰত ব্যক্তিগত মালিকানাৰ বিলুপ্তি সাধনৰ দাবী কৰা হয়।

এই আটাইবোৰ ঘটনাই দেখুৱাইছে যে জন্ম মুহূৰ্তৰ পৰাই বলছেভিক পাৰ্টিয়ে কৃষকসমাজৰ কাৰণে সকলো সময়তে উৎকণ্ঠা প্ৰদৰ্শন কৰি আহিছে। এই কথা বুজা গৈছিল যে শ্ৰমিকশ্ৰেণীৰ নেতৃত্বত, ইয়াৰ আৰু শ্ৰমজীৱী কৃষক সমাজৰ দৃঢ় মৈত্ৰীয়েহে ইয়াৰদ্বাৰা পূৰণি ৰুছিয়াৰ সমাজজীৱন নতুন সমাজতান্ত্ৰিক পথেদি গঢ়ি তোলাৰ অতি গুৰুত্বপূৰ্ণ কৰ্তব্য সম্পাদন সম্ভৱ কৰিব।

কিন্তু প্ৰয়াস একত্ৰিত কৰি শ্ৰমিক আৰু কৃষকসকলে মাত্ৰ শাসনক্ষমতা গ্ৰহণেই নহয়, অতীতৰ ভয়ঙ্কৰ উত্তৰাধিকাৰৰ বিনাশ সাধি ৰুছিয়াৰ বুৰঞ্জীৰ এখন নতুন পৃষ্ঠা ৰচনা কৰিবলগীয়াত পৰিছিল। তেওঁলোকৰ প্ৰথম সাফল্যবোৰৰ এটা আছিল ভূমি সমস্যাৰ সমাধান।

৩

# মাটিৰ সমস্যা কেনেকৈ সমাধান কৰা হল

আমাৰ ওচৰ-চুবুৰীয়াজনে জাৰ শাসন উৎখাৎ হল বুলি মোৰ নিজা গাঁৱলৈ খবৰ আনিলে। চাৰিওফালে বতাহ যেন দুখ-কষ্ট আৰু আশঙ্কাৰ খবৰেৰে ভৰা। খাদ্যবস্তুৰ গুদামটোৰ ওচৰত, স্থানীয় পৰিচালনা দপ্তৰৰ চৌপাশে আৰু গাঁৱৰ সীমা মূৰিয়লিত জুমে জুমে মানুহবিলাক থিয় হৈ কথা পাতিছিল। সেইবিলাক আছিল যুদ্ধত আঘাত পোৱাৰ কাৰণে সৈন্যদলৰ পৰা মুক্তি পোৱা সৈনিক আৰু বয়স বা বেমাৰৰ কাৰণে সৈন্যদলত ভৰ্তি হোৱাৰ পৰা ৰেহাই পোৱা খেতিয়ক। তেওঁলোক সকলোৰে মাজে মাজে ৰাস্তাত বাধা দি দৌৰি ফুৰিছিল গাঁৱৰ লৰাবোৰ। আমাৰ ওচৰচুবুৰীয়াজন বজাৰৰ পৰা ঘৰলৈ ঘূৰি আহোঁত, ঘোঁৰাটো ৰাখি চাৰিচকৰীয়া যানখনৰ পৰা নামিলে আৰু মানুহজুমৰ ফালে এবাৰ চালে। তেওঁ মোক দেখিলে

তাৰু আঙুলি জোকাৰি মোক মাতিলে। তাৰ পাছত, খুব যতনেৰে ভাঁজ কৰি থোৱা কাগজৰ এতাও মোৰ হাতত দি কলে, "এইখন পঢ়া।"

এইখন আছিল জাৰ দ্বিতীয় নিকলাছৰ সিংহাসন ত্যাগৰ ইস্তাহাৰ।

মই এইখন পঢ়িলো আৰু তাৰ পাছতেই আহিল গম্ভীৰ নীৰৱতা। তাৰ পাছত প্ৰতিজন মানুহেই নিজৰ কাৰণে একোটাকৈ চুৰট পকালে আৰু চুৰটবোৰ হুপিলে। ডাঙৰ পৰিয়াল আৰু কম পৰিমাণ মাটি থকা, তেওঁলোকৰে মাত্ৰ এজনেহে এটা দীৰ্ঘনিশ্বাস পেলালে। নদীখনৰ সিপাৰে বিস্তৃত হৈ থকা চন্দ্ৰৰে ঢুকি পোৱা মানে বিশাল মাটিমালিকৰ জমিদাৰিখনলৈ এবাৰ তাৎপৰ্য্যপূৰ্ণ-ভাৱে দৃষ্টিপাত কৰি তেওঁ কলে "এইবাৰ আমাৰ দিন আহিব।" তেওঁ নিশ্চয় গোটেইজুম মানুহৰে উমৈহতীয়া মনোভা কে ব্যক্ত কৰিছিল। কাৰণ মাটিডোখৰ চাবলৈ সকলোৱে মুখ ঘূৰালে। গাঁৱৰ খেতিয়ক বেছিভাগৰে সৰু সৰু একোভাগ খেতিৰ মাটি আছিল। তেওঁলোকৰ পৰিয়ালবোৰে পেটে ভাতে খাই জীৱনধাৰণ কৰি আছিল।

'এছ আৰ' নামেই বেছিকৈ পৰিচিত সমাজতান্ত্ৰিক বিপ্লৱীসকলক অস্থায়ী চৰকাৰত স্থান দিয়াৰ কথা জনাৰ পাচত, "দিনটো" যে সোনকালেই আহিব এই আশা গাওঁবাসীৰ মনত আৰু বাঢ়ি গল।

স্থানীয় দোকানীজনে ব্যাখ্যা কৰিলে "এছ আৰ-সকল কৃষক সকলৰ পক্ষে। তেওঁলোকে আটাইখিনি মাটি ৰাষ্ট্ৰায়ত্ত কৰি মাটি চহোৱা মানুহবোৰৰ হাতত তুলি দিব বিচাৰে।"

গাওঁখনে বাট চাই থাকিল, কিন্তু সেই বহুপ্ৰত্যাশিত দিনটো আৰু নাহিল। যি আহিল সি হৈছে এছ আৰ মন্ত্ৰী মাছলভে মাটিমালিকসকলৰ জমিদাৰিবোৰ ৰক্ষাৰ উদ্দেশ্যে আইনৰ খচৰা এটা দাখিল কৰা খবৰটো। তাৰ পাচতে এটা জনৰব শুনা গল—অস্থায়ী চৰকাৰৰ আদেশত, ব্যৱস্থা নিজৰ হাতত গ্ৰহণ কৰি মাটিমালিকসকলৰ জমিদাৰিবোৰ বাজেয়াপ্ত কৰাৰ এছ আৰে তোলা বুলি কোৱা দাবীবোৰ কাৰ্য্যকৰী কৰাৰ সিদ্ধান্ত লোৱা গাওঁ এখনৰ বিৰুদ্ধে শাস্তি-দানকাৰী পুলিছ বাহিনী এটা পঠোৱা হৈছে। তাত বেত আৰু গুলীৰে কৃষকসকলৰ আগত এছ আৰৰ নীতি ব্যাখ্যা কৰা হৈছে।

অভিজ্ঞতাই দেখুৱালে যে এছ আদৰ কথা আৰু কাম সম্পূৰ্ণ বেলেগ বস্তু।

একমাত্ৰ ছোভিয়েত শাসনব্যৱস্থাইহে কৃষি সমস্যাৰ এটা সমাধান আনিলে। নৱীন ছোভিয়েত প্ৰজাতন্ত্ৰখনৰ প্ৰথম আদেশনামা কেইটাৰ এটা আছিল মাটি সম্পৰ্কিত আদেশনামাটো। ইয়াক ৰচনা কৰিছিল লেনিনে। অক্টোবৰ বিপ্লৱ সফল হোৱাৰ কেইঘণ্টামানৰ পাচতে ছোভিয়েতসমূহৰ দ্বিতীয় কংগ্ৰেছত ই গৃহীত হয়। বলছেভিক পাৰ্টিৰ কৃষি সম্পৰ্কিত কৰ্মসূচীৰ মৌলিক ধাৰাবোৰ ই প্ৰতিফলিত কৰে, আটাইবোৰ জমিদাৰিৰ বাজেয়াপ্তকৰণ ঘোষণা কৰে মাটিৰ ওপৰত ব্যক্তিগত মালিকানা বিলোপ কৰে আৰু ক্ষতিপূৰণ নোলোৱাকৈ মাটি কৃষকসকলৰ হাতত তুলি দিয়ে। কেইজনমানৰ সম্পদৰ উৎস হৈ থকাৰ ঠাইত মাটি হৈ পৰিল সৰ্বসাধাৰণৰ কল্যাণৰ উৎস।

তথাপিও এম. বেন আৰু এল. নওটনৰ দৰে পশ্চিমীয়া ছোভিয়েতবিদসকলে অক্টোবৰ বিপ্লৱৰ বহু আগতে কৃষি সমস্যাৰ সমাধান কৰা হৈছিল বুলি দাবী কৰে। যেতিয়া-

লোকে ইয়াকো দাবী কৰে যে বিপ্লৱৰ সময়ত আটাইবোৰ জমিদাৰিৰ মাটিৰ ৯০ শতাংশৰ বেছি সৰু সৰু খেতিয়ক পৰিয়ালক দিয়া হৈ গৈছিল।

মই সেই সময়ৰ ঘটনাবোৰ দেখিছিলো। মই কব পাৰো যে অক্টোবৰ বিপ্লৱৰ আগ মুহূৰ্তত মোৰ মাটিৰ মালিকজন আগতকৈ দুখীয়া হোৱা নাছিল আৰু তেওঁৰ প্ৰতিবেশী গাঁৱলীয়া লোক সকলো আগতকৈ ধনী হোৱা নাছিল। সমগ্ৰ দেশ জুৰি অৱস্থা এনে ধৰণৰে আছিল। ১৯১৭ চনৰ লোক-পিয়লত দেখুৱা মতে ইউৰোপীয় ৰুছিয়াৰ ৩৮ খন অঞ্চলত ১৫,০০০,০০০ টাৰো বেছি পৰিয়ালৰ মাটি আছিল মাত্ৰ ১০৮,৪৪২,০০০ দেছিয়াতিনা (এক দেছিয়াতিনা = ২ ৭৫ একৰ) অৰ্থাৎ প্ৰতিখন পামত গড়ে সাত বা আঠ দেছিয়াতিনাকৈ। আনফালেদি ৭৮,৮০০ জন বৃহৎ মাটিমালিকৰ মাটি আছিল মুঠতে ২৩,৪৪৭,০০০ দেছিয়াতিনা; অৰ্থাৎ প্ৰতিখন জমিদাৰিত গড়ে প্ৰায় ৩০০ দেছিয়াতিনাকৈ।

খেতিয়কসকলে এই ধৰণৰ অৱস্থা মানি লোৱা নাছিল। তেওঁলোকে কৃষি সমস্যাৰ বৈপ্লৱিক পৰিবৰ্তন দাবী

কৰিছিল। অস্থায়ী চৰকাৰে ৯০০টা কৃষি অভ্যুত্থানৰ কথা নথিভুক্ত কৰে। ভালেকেইখন জিলাত কৃষকসকলে মাটি মালিকসকলৰ জমিদাৰি দখল কৰিছিল।

পশ্চিমীয়া বুৰঞ্জীবিদসকলৰ ওচৰত এই প্ৰশ্ন কৰা সম্পূৰ্ণ স্বাভাৱিক যে: অক্টোবৰ বিপ্লৱৰ আগতেই যদি কৃষি সমস্যাৰ সমাধান হৈ গৈছিল তেন্তে "কৃষকসকলক এশিকনি দিবলৈ" আৰু পুৰণিকলীয়া সামন্ততান্ত্ৰিক ব্যৱস্থা ৰক্ষা কৰিবলৈ ৰণাঙ্গনৰ পৰা অশ্বাৰোহী বাহিনীবোৰক ঘূৰাই অনাৰ কাৰণে অস্থায়ী চৰকাৰৰ স্বৰাষ্ট্ৰ মন্ত্ৰী নিকিতিনে প্ৰস্তাৱ কৰিবলৈ বাধ্য হোৱাৰ দৰে গণ-কৃষক আন্দোলনে প্ৰসাৰ লাভ কৰাৰ কাৰণ কি। বলপ্ৰয়োগ কৰি কৃষক-সকলৰ সেই আন্দোলনবোৰ দমন কৰা হৈছিল।

অক্টোবৰ বিপ্লৱে কৃষকৰ মাটিৰ অধিকাৰ ঘোষণা কৰে আৰু তাক বাস্তৱ ৰূপ দিয়ে।

মাটি সম্পৰ্কিত আদেশনামাই কৃষকসকলক ১৫০,০০০,০০০ হেক্টৰ মাটি বিনা খাজানাই ব্যৱহাৰ কৰিবলৈ দিয়ে। তেওঁলোকক মাটিমালিকক বছেৰেকত ৭০০ ০০০,০০০ ৰুবলমানকৈ দিবলগীয়া হোৱা খাজানাৰ

পৰা, মাটি কিনা আৰু মাটিৰ খাজানাৰ কাৰণে খৰচ কৰিব-লগীয়া বিৰাট ধনৰ পৰা আৰু কৃষক মাটি বেঙ্কৰ ওচৰত থকা ১,১০০০ নিযুত সোণৰ ৰুবলৰ ঋণৰ পৰাও অব্যাহতি দিয়া হল।

মাটিমালিকানাৰ পুৰণিকলীয়া ৰূপবোৰ সমূলে ধ্বংস কৰা আৰু গাওঁ অঞ্চলত গঢ়ি উঠিবলৈ ধৰা উৎপাদিকা শক্তিবোৰৰ কাৰণে পথ কৰি দিয়া অৰ্থনীতিৰ ফালৰ পৰা আছিল অপৰিহাৰ্য্য।

মোৰ লগৰীয়া গাৱলীয়া ৰাইজৰ বহুকলীয়া সপোন অৱশেষত বাস্তৱত পৰিণত হল। মাটিমালিকৰ সম্পত্তিত পৰিশ্ৰম কৰা শ্ৰমিকসকলে নিজৰ দেশৰ মাটিৰ মালিক হল।

কৃষকসকলৰ নিস্বাৰ্থ প্ৰকৃত বন্ধু কোন তাক তেওঁলোকক আন যিকোনো কাম বা বস্তুতকৈ মাটি সম্পৰ্কিত আদেশ-নামাখনেই বেছিকৈ দেখুৱালে। ছোভিয়েত ৰাষ্ট্ৰ আৰু শ্ৰমিক শ্ৰেণীক তেওঁলোকে তেওঁলোকৰ স্বাৰ্থৰ কাৰণে সংগ্ৰাম কৰা আৰু তেওঁলোকক বুজিব পৰা নিৰ্ভৰযোগ্য নেতা হিচাপে পালে। আদেশনামাখনে শ্ৰমিক শ্ৰেণী আৰু

কৃষক সমাজক ঘনিষ্ঠতৰ কৰিলে। ই তেওঁলোকৰ মৈত্ৰী দৃঢ়তৰ আৰু অবিচ্ছেদ্য কৰিলে।

অন্যান্য হাজাৰ হাজাৰ গাঁৱৰ দৰেই আমাৰ গাওঁখনৰ শ্ৰমজীৱী খেতিয়কসকলেও অক্টোবৰ বিপ্লৱৰ সাফল্যক স্বাগত জনালে।

সকলো ঠাইৰ মানুহেই আনন্দত উত্‌ফুল্ল হৈ উঠিল। সাধাৰণ মানুহৰ মনোভাৱ কেনে হৈছিল, তাক কৃষকসকলে লেনিনলৈ দিয়া চিঠিবোৰৰ পৰাই বুজিব পাৰি। কুৰ্স্ক অঞ্চলৰ গাওঁ এখনৰ কৃষকসকলে লিখা চিঠি এখনৰ পৰা এয়া এডোখৰ উদ্ধৃতি দিয়া হল: "আমি লক্ষ্য কৰিছো যে আপুনি প্ৰকৃততে দুখীয়া কৃষকসকলৰ মুক্তিৰ পক্ষে। সমাজতন্ত্ৰৰ কাৰণে প্ৰকৃত যোদ্ধা হৈছে বলছেভিক পাৰ্টি। বলছেভিকসকলনো কোন তাক প্ৰথমতে আমি জনা নাছিলো। যেতিয়া তেওঁলোকৰ বিষয়ে জানিব পাৰিলো তেতিয়া ওলাই পৰিল যে আমি আটাইবোৰ কৃষকেই বলছেভিক।" তামবোভ অঞ্চলৰ কৃষকসকলে এনে ধৰণে লিখিলে। "পাৰ্টি মেম্বাৰ নহলেও আমি মনেপ্ৰাণে কমিউনিষ্ট।" ৰিয়াজান অঞ্চলৰ ৰাচিন নামৰ গাওঁখনৰ

খেতিয়কসকলে নিম্নোক্ত সিদ্ধান্তটো লৈ লেনিনলৈ পঠিয়ালে: "আমি, ৰাচিন গাঁৱৰ নাগৰিকসকলে আমাৰ ছোভিয়েত চৰকাৰৰ নীতিক স্বাগত জনাওঁ। ইয়াক ৰক্ষাৰ কাৰণে থিয় দিবলৈ আমি সকলো সময়তে সাজু আছো।"

নিজৰ অতি মৰমৰ কিবা এটাৰ দৰে কৃষকসকলে ছোভিয়েত শাসনক আদৰি ললে। নতুন ব্যৱস্থাৰ সুফল তেওঁলোকে অবিলম্বে অনুভৱ কৰিলে: মাটিমালিকানাৰ প্ৰথা তুলি দিয়া হল, তেওঁলোকক নিজৰ মঙ্গল আৰু আগতকৈ ভাল খাদ্যৰ কাৰণে কাম কৰিবলৈ সুযোগ দিয়া হল, প্ৰকৃত স্বাধীনতা তেওঁলোকে উপভোগ কৰিবলৈ পালে আৰু উপলব্ধি কৰিলে যে তেওঁলোকৰ প্ৰয়োজন আৰু ইচ্ছাৰ প্ৰতি সন্মান দেখুওৱা হয়, বিবেচনা কৰা হয়।

কৃষিব্যৱস্থাৰ পুনৰ্গঠনে গাঁৱৰ সামাজিক গাঁথনিৰ পৰিবৰ্তন সাধিলে: মজলীয়া কৃষকৰ অনুকূলে দুখীয়া কৃষকৰ সংখ্যা ততালিকে কমি গল। কুলাকসকলৰ সংখ্যাও হ্ৰাস পালে।

| | বিপ্লৱৰ আগতে | বিপ্লৱৰ পাচত (১৯২৭) |
|---|---|---|
| কৃষকপৰিয়ালৰ মুঠ সংখ্যা (নিযুত হিচাপত) | ২০ | ২৫ |
| দুখীয়া কৃষকৰ সংখ্যা (শতকৰা হিচাপত) | ৬৫ | ৩৫ |
| মজলীয়া কৃষকৰ সংখ্যা (শতকৰা হিচাপত) | ২০ | ৬১ |
| কুলাকৰ সংখ্যা (শতকৰা হিচাপত) | ১৫ | ৫ |

গাওঁ অঞ্চলৰ জীৱনধাৰাৰ দ্রুত উন্নতি ঘটিল। বহু পামত কাম কৰা শ্রমিক আৰু দুখীয়া কৃষক মজলীয়া কৃষক হৈ পৰিল। প্রতিটো কৃষক পৰিয়ালৰ ভাগত পোৱা মাটিৰ গড় পৰিমাণ প্রায় দুগুণ বাঢ়িল (সাতৰ পৰা ১৩ হেক্টৰলৈ।) পামগনেপতি দানা শস্যৰ উৎপাদনো বৃদ্ধি পালে। সম্পত্তিৰ পাৰ্থক্য আগতকৈ কমি গল। তথাপি কিন্তু গাওঁবোৰত দুখীয়া কৃষকৰ অস্তিত্ব থাকি গল।

দাৰিদ্র্য আছিল জাৰতন্ত্রী ৰুছিয়াৰপৰা পোৱা বৃহত্তম অপ্রীতিকৰ পৰিণাম। ভাগত পোৱা মাটিত কাম কৰিবলৈকো বহু কৃষকৰ সা-সঁজুলি নাছিল। দ্রুত বিকাশমান শিল্পৰ তুলনাত কৃষি পিচ পৰি থাকিল। ই জনসাধাৰণৰ খাদ্যৰ আৰু লঘুশিল্পৰ কেঁচামালৰ ক্রমবর্দ্ধমান চাহিদা পূৰণ কৰিবলৈ অক্ষম হল।

সমাজতান্ত্রিক সমাজৰ সমগ্র জীৱনে, ইয়াৰ অধিকতৰ বিকাশৰ স্বার্থই এই পশ্চাৎপদ অৱস্থাৰপৰা দেশখনক তুলি অনাৰ আশু সমাধান বিচাৰিলে।

# ৪
# যি পথটো কৃষকসকলে বিচাৰিছিল

কৃষিব্যৱস্থাৰ পুনৰ্গঠনে চোভিয়েতৰ গাওঁ অঞ্চলত যি সালসলনি ঘটালে তাৰ প্ৰধান ফল এটা সৰু শব্দ 'কোলখোজ' ( যৌথ পাম )ৰ ভিতৰতে কেন্দ্ৰীভূত হৈছে। ই অকলেই ৰুচ কৃষকৰ আটাইবোৰ আশা-আকাঙ্ক্ষা, উন্নততৰ জীৱনৰ কাৰণে অন্বেষণ আৰু, দাৰিদ্ৰ্য আৰু অজ্ঞতাৰপৰা মুক্ত পাবলৈ কৰা দৃঢ়প্ৰতিজ্ঞাক প্ৰতিফলন কৰিছে।

নিজৰ অকণমান মাটিডোখৰ বৃহৎ যৌথ পাম এখনৰ সভ্যপদৰ সৈতে বিনিময় কৰাটো তেওঁৰ পক্ষে সহজ নাছিল। এই এখোজ আগবাঢ়িবলৈকে খেতিয়কসকলে— আৰু এওঁলোকেই আছিল ৰুছিয়াৰ জনসংখ্যাৰ গৰিষ্ঠ অংশ —যুগ যুগ ধৰি চলি অহা তেওঁলোকৰ তেজ-মঙহত পৰিণত

হোৱা জীৱনধাৰা এটা এৰিব নগীয়া হৈছিল। দাৰিদ্র্য আৰু দুখকষ্টেৰে ভৰা হলেও এই জীৱনধাৰাই তেওঁলোকৰ অভ্যাসত পৰিণত হৈছিল। ক্ষুদ্ৰ মালিক এজন হোৱাৰ ঠাইত তেওঁলোক হব লাগিব পৃথিবীত কেতিয়াও নেদেখা-সুশুনা ৰাজহুৱা মালিকানা আৰু যৌথ শ্ৰমৰ ভিত্তিত গঢ়া সঙ্ঘ এটাৰ সদস্য।

বহু বুৰঞ্জীবিদ, অর্থনীতিবিদ আৰু ৰাজনীতিবিদ নিশ্চিত আছিল যে সমাজতান্ত্ৰিক ধাৰাত গাওঁ অঞ্চলৰ পুনর্গঠন ব্যর্থতাত পর্য্যবসিত হব। তেওঁলোকৰ মতে, কৃষক হৈছে স্বভাৱৰ ফালৰ পৰাই ব্যক্তিস্বাতন্ত্ৰ্য মনোবৃত্তি-সম্পন্ন ক্ষুদ্ৰ মালিক, যৌথ ধৰণৰ শ্ৰম সম্পৰ্কে ই সম্পূর্ণ আচহুৱা।

কৃষক যে এজন মালিক তাত কোনো সন্দেহ নাই; তেওঁ হৈছে যি তেওঁৰ মাটিত উৎপন্ন হয়, যাক তেওঁ বজাৰত বিক্ৰী কৰে তাৰ মালিক। কিন্তু যেহেতু উৎপাদন কৰে সেয়ে তেওঁ এজন শ্ৰমজীৱীও। কৃষকৰ এই দ্বৈত প্ৰকৃতিৰ ওপৰত লেনিনে বিশেষ গুৰুত্ব দিছিল। শ্ৰমজীৱী ৰূপে তেওঁ সমাজতন্ত্ৰ আৰু শ্ৰমিক শ্ৰেণীৰ ওচৰ চাপে। নতুন

আৰু উন্নততৰ জীৱন গঢ়াত ইয়াক তেওঁ প্ৰকৃত আৰু নিৰ্ভৰযোগ্য মিত্ৰ বুলি ভাবে। ক্ষুদ্ৰ মালিক ৰূপে তেওঁ নিজৰ পামখনকে ধৰি থাকে আৰু গাওঁ অঞ্চলৰ বৈপ্লৱিক পৰিবৰ্তনবোৰ সম্পৰ্কে অতি সচেতন হয়।

যৌথ শ্ৰম পদ্ধতিলৈ পৰিবৰ্তনৰ কালছোৱাত নিদাৰুণ যন্ত্ৰণাদায়ক সন্দেহ থকা সত্ত্বেও কৃষকসকলে অক্টোবৰ বিপ্লৱৰ আগতে এই পদ্ধতিবোৰ বিচাৰিছিল। এইকথা অকল ৰুছিয়াৰ ক্ষেত্ৰতে প্ৰযোজ্য নহয়। বাস্তৱ জীৱনে নিজে আৰু সৰ্বপ্ৰথমে অৰ্থনৈতিক বিকাশৰ প্ৰয়োজনে তেওঁলোকক দুঃসাহসিক অভিযানত আগুৱাবলৈ বাধ্য কৰে।

উনবিংশ শতাব্দীত, ইউৰোপ আৰু উত্তৰ আমেৰিকাত "ফেলানজ" নামে বিদিত উৎপাদক আৰু ভোক্তা সংস্থা-বোৰৰ আবিৰ্ভাৱ হোৱা দেখা যায়। মহান ফৰাচী ইউটোপিয়ান (স্বপ্ন ৰাষ্ট্ৰত বিশ্বাসী) সমাজতন্ত্ৰী আৰু বৈজ্ঞানিক সাম্যবাদৰ অগ্ৰদূত চাৰ্লছ ফুৰিয়াৰৰ গ্ৰন্থাৱলীত এই সংস্থাবোৰৰ বিশদ ব্যাখ্যা কৰা হয়। ফুৰিয়াৰৰ "কেলানজ" আৰু যৌথ পামৰ মাজত অৱশ্যে পাৰ্থক্য বিৰাট। যৌথ পামৰ কামকাজবোৰ ছোভিয়েত ব্যৱস্থাৰ

সৈতে সঙ্গতিপূৰ্ণ, সমাজতান্ত্ৰিক বিন্যাস, পৰিকল্পিত সমাজতান্ত্ৰিক অৰ্থনীতিৰ এইবোৰ অপৰিহাৰ্য্য অংশ। আনফালেদি 'ফেলান্‌জ' আছিল স্বাৰ্থপৰতা আৰু শোষণৰ একাধিপত্য পৰিবেষ্টিত বিশ্বৰ বিৰুদ্ধে থিয় দিয়া উৎসাহী লোকসকলৰ স্বেচ্ছাপ্ৰণোদিত সংগঠন। তেওঁলোকে সৰলমতীয়াভাৱে ধৰি লৈছিল যে যৌথ শ্ৰমত তেওঁলোকৰ অংশগ্ৰহণে পৃথিবীৰ পৰিবৰ্তন সাধিব।

১৮৪০ চনত মাৰ্কিন যুক্তৰাষ্ট্ৰত ব্ৰুক ফাৰ্ম ফেলান্‌জ স্থাপন কৰা হয়। ইয়াৰ বহু সদস্যৰ ভিতৰত এজন আছিল সুবিখ্যাত মাৰ্কিন লিখক নেথানিয়েল হথন। তেওঁ সাধাৰণ খেতিয়কৰ দৰে পথাৰত কাম কৰিছিল। 'ব্ৰুক ফাৰ্ম'ত কটোৱা কালছোৱা সম্পৰ্কে "ডি ব্লাইথ্‌ডেল ৰোমান্স"ত তেওঁ এটা বৰ্ণনা দিছিল। ফেলান্‌জৰ উদ্দেশ্য আছিল স্বাৰ্থপৰ প্ৰতিযোগিতা ব্যৱস্থাৰ ঠাইত ভ্ৰাতৃপ্ৰতিম সহযোগিতাৰ ব্যৱস্থা স্থাপন কৰা। এই কল্পনাত হথৰ্নে প্ৰথমতে নিজকে পাহৰি গৈছিল, পাচত কিন্তু উপলব্ধি কৰিলে যে অযৌক্তিক বিশ্বত যুক্তিসম্পন্ন সংগঠিত ঐক্যৰ প্ৰকৃততে কোনো স্থান নাই; অনতিবিলম্বেই সাধাৰণ স্বাৰ্থ-

পৰতাই ইয়াক ডুবাই দিব আৰু নিজৰ আইন ইয়াৰ ওপৰত জাপি দিব।

তেওঁৰ ভৱিষ্যৎবাণী সোনকালেই বাস্তৱত পৰিণত হল। স্বাৰ্থপৰ প্ৰতিযোগিতাৰ চৰিত্ৰ লাভ কৰি 'ফেলান্‌জ' বোৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ সাধাৰণ উপাদান হৈ পৰিল। পুঁজিবাদী সমাজত যি কোনো প্ৰকাৰৰ সমবায় উদ্যোগেই অনিবাৰ্য্যভাৱে পুঁজিবাদী প্ৰতিষ্ঠানত পৰিণত হব বোলা লেনিনৰ সুবিখ্যাত তত্ত্বটোকে ক্ৰুক ফাৰ্মৰ পৰিণতিয়ে প্ৰমাণ কৰিলে। সমাজতন্ত্ৰত ঘটনা ঘটে আন ধৰণে। ইয়াত ব্যক্তিগত মালিকানাই ৰাষ্ট্ৰায়ত্ত মালিকানাক স্থান এৰি দিয়ে আৰু ইয়াত সমবায় উদ্যোগ অৰ্থনীতিৰ এটা সমাজতান্ত্ৰিক ৰূপ।

লেনিনে কৃষি সমবায়বোৰক গাওঁ অঞ্চলক ধ্বংস আৰু দাৰিদ্ৰ্যৰ পৰা উদ্ধাৰৰ একমাত্ৰ পথ বুলি ভাবিছিল। বিপ্লৱৰ আগৰ আৰু পাচত লিখা গ্ৰন্থাৱলীত তেওঁ তৰ্কাতীত-ভাৱে দেখুৱাইছে যে অৰ্থনীতিৰ ফালৰপৰা সুফলপ্ৰদ নোহোৱা আৰু মাটিক যথোচিতভাৱে কামত লগোৱাত বাধা দিয়া সৰু সৰু পামবোৰৰ বিলোপ অনিবাৰ্য্য। বুৰ্জোৱা

বিকাশৰ সমগ্ৰ ধাৰা আৰু বাস্তৱ জীৱনে সৰু সৰু পাম-বোৰৰ ঠাইত যে ব্যাপক যৌথ পাম স্থাপন কৰা দৰ্কাৰ তাক দেখুৱাইছে। লেনিনে লিখি গৈছে সৰু সৰু পাম-বোৰ দাৰিদ্ৰ্যতে ডুব গৈ থাকিব। এই কাৰণেই কৃষক-সকলৰ মাজত মাটি সমানে ভগাই দিয়াৰ তেওঁ নীতিগতভাৱে বিৰোধী আছিল। সিঁচৰতি হৈ থকা কৃষিভিত্তিক অৰ্থনীতি অৰ্থনৈতিকভাৱে ক্ষতিকাৰক। ই সামাজিক বিকাশৰ প্ৰয়োজনবোৰ পূৰণ কৰিব নোৱাৰে। সেয়ে, মাটিৰ ওপৰত কৃষক আৰু মাটিমালিকৰ মালিকানা উভয় প্ৰকাৰৰ মালিকানাকে ধৰি, মাটি মালিকানাৰ এই আটাই-বোৰ দিন উকলি যোৱা ৰূপৰে বিলোপ সধা অৰ্থনৈতিক প্ৰয়োজন হৈ পৰে।

তেনেহলে, মাটি সম্পৰ্কিত আদেশনামাত মাটি সমানে বিতৰণৰ কৃষকসকলৰ দাবীবোৰ অন্তৰ্ভুক্ত কৰা হল কিয়? এই প্ৰশ্নৰ উত্তৰ লেনিনে এনে ধৰণে দিছিল: "একমত নহলেও গণতান্ত্ৰিক চৰকাৰত আমি জনসাধাৰণৰ সিদ্ধান্ত আওকাণ কৰিব নোৱাৰো। কাৰ্য্যক্ষেত্ৰত আদেশনামা প্ৰয়োগ কৰি আৰু স্থানীয়ভাৱে তাক কাৰ্য্যকৰী কৰি বাস্তৱ

অভিজ্ঞতাৰ মাজেদি কৃষকসকলে নিজেই উপলব্ধি কৰিব প্ৰকৃত সত্য কি ?”

সমভাৱে বিতৰণৰ নীতি গ্ৰহণ কাৰ্য্যটো হৈছে কৃষক-সকলক দিয়া এটা সুবিধা। সৰ্বহাৰাৰ ৰাষ্ট্ৰই যে তেওঁলোকৰ ইচ্ছাৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰে ইয়াৰদ্বাৰা তেওঁলোকক তাকে দেখুওৱা হৈছে।

লেনিনে কোনো কামকে সময়ৰ আগতে লৰালৰিকৈ নকৰিছিল। সামাজিক অগ্ৰগতিৰ কাৰণে প্ৰস্তাৱ কাৰ্য্যকৰী কৰা প্ৰয়োজন হলেও, সেই প্ৰস্তাৱ যদি তেতিয়াও কৃষক-সকলৰ উপলব্ধিৰ অতীত হয়, তেন্তে তাক তেওঁলোকৰ ওপৰত জাপি দিয়াৰ যি কোনো প্ৰচেষ্টাৰে লেনিনে দৃঢ়ভাৱে বিৰোধিতা কৰিছিল। সেইবুলি ভালেমান ছোভিয়েত-সম্পৰ্কে বিশেষজ্ঞই দাবী কৰাৰ দৰে লেনিনে যৌথ কৰ্ম-পদ্ধতিৰ পথেদি কৃষিব্যৱস্থাৰ পুনৰ্গঠনৰ চিন্তাধাৰাৰ পৰা বিচ্যুত হৈছিল বা সুসময়ৰ আশাত তাক আপাততঃ মুলতুৱি ৰাখিছিল বুলিও কব নোৱাৰি।

কৃষকসকলে কি ধৰণে আগুৱাব লাগিছে তাৰ ওপৰত লেনিনে সকলোসময়তে চকু ৰাখিছিল। কৃষকসকলৰ আশা-

আকাঙ্ক্ষা আৰু সমস্যা সম্পৰ্কে তেওঁ সদায়ে সচেতন আছিল আৰু গাঁৱলীয়া জীৱন সম্পৰ্কে অনুশীলন কৰিবলৈ বিভিন্ন অঞ্চলৰ কৃষকসকলৰ ওচৰৰ পৰা অহা দূতসকলৰ লগত দেখা কৰিবলৈ আৰু গাওঁ অঞ্চল পৰিদৰ্শন কৰিবলৈ সময় খৰচ কৰাত তেওঁ কেতিয়াও অসন্মত নহৈছিল। স্বদেশত ক্ষুধা, দাৰিদ্র্য আৰু অত্যাচাৰৰ হাত সাৰিবলৈ যি সকলে আগতে বিদেশলৈ গৈছিল গৈ আৰু, পাচত জন্মভূমিলৈ উভতি আহিবলৈ বিচাৰে তেওঁলোকৰ সৈতে লেনিনে পত্ৰ-বিনিময় কৰিছিল। লেনিনে কৃষকসকলৰ কংগ্ৰেছ আৰু সন্মিলনত ভাষণ দিছিল, গাঁও অঞ্চললৈ দিয়া আৰ্থিক আৰু বৈষয়িক সাহায্য সম্পৰ্কে আইন আৰু প্ৰস্তাৱ ৰচনা কৰিছিল, কৃষকসকলৰ মাজত থকা নিৰক্ষৰতা আৰু অজ্ঞানতাৰ বিৰুদ্ধে সংগ্ৰামৰ পথ বিশদভাৱে নিৰ্দ্ধাৰণ কৰিছিল, গাওঁ অঞ্চলত শিক্ষা আৰু কৃষিভিত্তিক সংস্কৃতিৰ বিস্তৃতিৰ কাৰণে অৱদান যোগাইছিল। কৃষকসকলৰ পাম, ৰাষ্ট্ৰায়ত্ত পাম, কমিউন, আৰ্তেল, কৃষি সম্পৰ্কিত সংস্থা আৰু ছোভিয়েত শাসন ক্ষমতা লাভ কৰাৰ প্ৰথম বছৰ কেইটাত কৃষকসকলে গঢ়ি তোলা অন্যান্য সংগঠনবোৰৰ অৱস্থা সম্পৰ্কে

নিয়মিতভাৱে চৰকাৰৰ ওচৰত ৰিপোর্ট দাখিল কৰিবলৈ তেওঁ আটাইবোৰ স্থানীয় সংগঠনক বাধ্য কৰিছিল।

গাৱঁলীয়া জীৱনৰ এটা দিককো লেনিনে আওকাণ কৰা নাছিল।

শ্ৰমিক শ্ৰেণীৰ বিপ্লৱী হৈও লেনিনে কিয় কৃষকসমাজৰ কাৰণে ইমান সময় আৰু প্ৰয়াসে ব্যয় কৰিছিল? তাৰ কাৰণ হৈছে এই যে মুক্তিৰ কাৰণে কৰা শ্ৰমিকশ্ৰেণীৰ সংগ্ৰামৰ সৈতে সমাজৰ সকলো নিপীড়িত আৰু শোষিত মানুহৰ সংগ্ৰাম ঘনিষ্ঠভাৱে যুক্ত। এই সংগ্ৰামত কৃষক-সকল শ্ৰমিকশ্ৰেণীৰ নিকটতম সহযোগী আৰু বন্ধু।

সেই সময়ত ৰুছিয়াত সক্ৰিয় হৈ থকা বহু ৰাজনৈতিক পাৰ্টিৰ ভিতৰত কেইবাটায়ো নিজক কৃষকৰ পাৰ্টিৰূপে পৰিচয় দিছিল। কিন্তু, শ্ৰমিকশ্ৰেণীৰ পাৰ্টিটোৱেহে কৃষকে যুগ যুগ ধৰি দেখি অহা মাটি পোৱাৰ সপোন বাস্তৱত পৰিণত কৰিবলৈ আৰু তেওঁলোকক দাৰিদ্ৰ্য আৰু অজ্ঞানতা নিৰ্মূল কৰিবলৈ সক্ষম কৰিলে।

গাওঁ অঞ্চলত সমাজতন্ত্ৰ প্ৰতিষ্ঠা বহুলাংশে নিৰ্ভৰ কৰিছিল লেনিনৰ সমবায় পৰিকল্পনা কাৰ্য্যকৰী কৰাৰ

ওপৰত। মাৰ্ক্সবাদৰ ওপৰত ভিত্তি কৰি এই পৰিকল্পনাত বিবেচনা কৰা হৈছিল যে কৃষকসকলৰ দ্বাৰা স্বেচ্ছাপ্ৰণোদিত যৌথ কৃষি ব্যৱস্থা গ্ৰহণ তেওঁলোকৰ অৱস্থা উন্নয়নৰ একমাত্ৰ উপায়। পৰিকল্পনাটোৰ প্ৰধান উদ্দেশ্য আছিল সমবায় স্থাপনৰ যোগে সমাজতান্ত্ৰিক পথেদি গাওঁ অঞ্চলৰ পুনৰ্গঠন কৰা। উৎপাদনৰ যন্ত্ৰপাতি আৰু উপায়বোৰ ৰাজহুৱা সম্পত্তিত পৰিণত হোৱা ছোভিয়েত ব্যৱস্থাত ই অৰ্থনীতিৰ সমাজতান্ত্ৰিক ৰূপ গ্ৰহণ কৰে। সমবায়বোৰে কৃষকসকলক শ্ৰমৰ নতুন যৌথ ৰূপলৈ আগুৱাই নিব। সমবায়ৰ আটাইতকৈ সৰল ৰূপবোৰ গঠন কৰাৰ যোগেদি সংক্ৰমণৰ কাম আৰম্ভ কৰিব লাগিব, সৰ্বপ্ৰথমে ভোক্তা, সৰবৰাহ আৰু মাৰ্কেটিং ( বজাৰকৰা ) সমবায়বোৰ আৰু তাৰ পাচত উৎপাদক সমবায়বোৰ আৰু এইবোৰৰ উচ্চতম ৰূপ যৌথ পামবোৰ। সমবায় পৰিকল্পনাত ৰাষ্ট্ৰৰ পৰা গাওঁ অঞ্চলক আৰ্থিক কাৰিকৰী আৰু সাংস্কৃতিক, সকলো ধৰণৰ সাহায্য দিয়াৰ কথা বিবেচনা কৰা হয়।

লেনিনে কৈছিল যে কৃষকসকলে কামৰ মাজেদি যৌথ কৃষি ব্যৱস্থাৰ সুযোগ-সুবিধাবোৰ সম্পৰ্কে নিসন্দেহ হব।

একমাত্ৰ তেতিয়াহে কৃষকসকলক ক্ৰমান্বয়ে আৰু স্বেচ্ছায় যৌথ পামলৈ অনা সম্ভৱ হব।

লেনিনৰ সমবায় পৰিকল্পনা কেনেকৈ কাৰ্য্যকৰী কৰা হৈছিল।

৫

# নতুন পদ্ধতিৰ প্ৰকৃত বিকাশ

ছোভিয়েতে শাসনক্ষমতা লাভৰ প্ৰথম দিন কেইটাৰ পৰাই গাওঁ অঞ্চলজুৰি ব্যাপকভাৱে সমবায়বোৰ স্থাপন কৰা হৈছিল। ক্ৰেতা সমিতি, ঋণ সঙ্ঘ, বিক্ৰী আৰু ক্ৰয়কৰা সমবায় আৰু কৃষিজাত দ্ৰব্য প্ৰচেছিং সংস্থাবোৰ কাঠফুলাৰ দৰে অতি দ্ৰুততাৰে গঢ়ি উঠে। ১৯১৮ চনৰ আৰম্ভণিত সমবায় আছিল ৫৪৯০০টা। ১৯২০ চনৰ ভিতৰত এই সংখ্যা হলগৈ ৮২০০০। এইবোৰত প্ৰায় ২৬,০০০,০০০ কৃষক সঙ্ঘবদ্ধ হয়। ৰাষ্ট্ৰৰ সমৰ্থনত স্থানীয় আৰু সদৌ ইউনিয়ন সমবায় কেন্দ্ৰ স্থাপন কৰা হয়ঃ বিক্ৰয়, ক্ৰয় আৰু বীজ, শস্য আৰু ৰুটিৰ দ্ৰব্য প্ৰচেছিংৰ সমবায় সমূহৰ কেন্দ্ৰীয় ইউনিয়ন; ফল আৰু শাক-পাচলি উৎপাদক সকলৰ কেন্দ্ৰীয় সঙ্ঘ; সদৌ ৰুছ ক্ৰয় ইউনিয়ন ইত্যাদি।

কৃষকসকলে ব্যক্তিগত মালিকানাৰ দোকানবোৰতকৈ সমবায়ৰ দোকানবোৰত বস্তু কম দামত কিনিব পাৰিছিল। সমবায়বোৰে কৃষকসকলক তেওঁলোকৰ উৎপন্ন বস্তুৰ কাৰণে দামো ভাল দিছিল। সমবায়বোৰে কৃষকসকলৰ উপকাৰ সাধিছিল; আন ফালেদি, সমবায়বোৰৰ যোগেদি কৃষকসকলে নগৰবোৰক খাদ্য যোগোৱাৰ গুৰুত্বপূৰ্ণ সমস্যা সমাধানত ৰাষ্ট্ৰক সহায় কৰিছিল। এনেকৈ তেওঁলোকৰ ব্যক্তিগত স্বাৰ্থ সমগ্ৰ সমাজৰ স্বাৰ্থৰ সৈতে যুক্ত আছিল।

সমবায়বোৰৰ উচ্চতম ৰূপ যৌথ পামবোৰ ছোভিয়েত ৰাষ্ট্ৰৰ জন্মৰ সৈতে প্ৰায় একেলগে গঢ়ি উঠে। এইবোৰ প্ৰধানতঃ আছিল দুখীয়া কৃষক আৰু পামৰ শ্ৰমিকসকলৰ সংগঠন। ১৯১৭ চনৰ বিপ্লৱৰ মাহতে অৰ্থাৎ অক্টোবৰত আস্ত্ৰাখান অঞ্চলৰ প্ৰিছিবিনো গাঁৱৰ কৃষকসকলে প্ৰথম যৌথ পামটো স্থাপন কৰিছিল। সেই একে বছৰতে কৃষকসকলে মস্কো ত্বেৰ, কছত্ৰোমা, প্ৰেত্ৰোগ্ৰাদ, তামবভ্ আদি অঞ্চলত আৰ্তেল আৰু কমিউন স্থাপন কৰিছিল। ১৯১৮ চনত ৰুছ ফেডাৰেছনৰ কৃষি সম্পৰ্কিত গণ কমিছাৰিয়েতত ১৫৭৯ খন যৌথ পাম ৰেজিষ্ট্ৰী কৰা হয়।

সেই সময়ত নৱীন ছোভিয়েত প্ৰজাতন্ত্ৰখনে বৰ দুখ-কষ্টৰ মাজেদি আগবাঢ়িছিল। প্ৰথম বিশ্বযুদ্ধই দেশখনক ধ্বংস বৰ দুবাৰদলিত এৰি গৈছিল। তাৰ পাচতে হোৱা গৃহযুদ্ধই অৰ্থনীতিৰ বিকাশ ঘটোৱা বৰ কঠিন কৰি তুলিছিল, আৰু ইতিমধ্যে ৰাষ্ট্ৰৰ ধনভাণ্ডাৰৰ ভীষণ নাটনি পৰিছিল। তথাপি অৱশ্যে, যৌথ পামবোৰক সহায় কৰিবলৈ সম্ভৱপৰ সকলো কামকে কৰা হৈছিল। ৰাষ্ট্ৰই এইবোৰক গৰু ঘোঁৰা, পামৰ সা-সঁজুলি আৰু ঋণ যোগাইছিল। ১৯১৮ চনত গণকমিছাৰসকলৰ পৰিষদে কৃষি সমবায়বোৰৰ বিকাশৰ কাৰণে এক হাজাৰ নিযুত ৰুবলতকৈ বেছি ধন বৰাদ্দ কৰিছিল।

যৌথ খেতিলৈ, যৌথ শ্ৰমলৈ কৃষকসকলক কিহে আনিলে? কোনো কোনো পশ্চিমীয়া বুৰঞ্জীবিদে কয় যে একমাত্ৰ দমননীতি আৰু বলপ্ৰয়োগৰ ফলতহে ই ঘটিছিল। প্ৰথম যৌথ পামকেইখন যিসকলে গঠন কৰিছিল তেওঁলোকৰ উত্তৰ কিন্তু আছিল নিম্নোক্ত ধৰণৰ। এই বিষয়ত বহু ঐতিহাসিক দলিল আছে। তাৰ ভিতৰত ১৯১৯ চনত ত্বেৰ অঞ্চলৰ ওস্তাছেভ জিলাৰপৰা

অহা কৃষক প্ৰতিনিধিসকলৰ সাধাৰণ সভাৰ সিদ্ধান্তখনো আছে। তাৰ একাংশত কোৱা হৈছে: "কুলাকসকলৰ শোষণৰ বিৰুদ্ধে আমি দুখীয়া কৃষক আৰু শ্ৰমজীৱী লোকসকলে ব্যক্তিগতভাৱে যে আমাৰ নিঃশেষিত জীৱনৰ উন্নতি কৰিব আৰু আমাক নিজকে ৰক্ষা কৰিব নোৱাৰো তাক বুজিছো।……আমি স্পষ্টভাৱে ঘোষণা কৰো যে একমাত্ৰ যৌথ কৃষি ব্যৱস্থাৰ কাৰণে গঠিত কৃষি সংস্থাত যোগ দিয়াৰ মাজেদিহে আমাৰ মুক্তিলাভ আৰু শ্ৰমজীৱী ৰাইজ সকলোৰে কল্যাণসাধন সম্ভৱ।"

উৎপাদকসকলৰ সমবায়বোৰৰ গঠন আছিল বহু ধৰণৰ, স্বাভাৱিকভাৱেই তাৰে বহুত আছিল ত্ৰুটিপূৰ্ণ। যৌথ শ্ৰম আৰু ৰাজহুৱা সম্পদৰ ওপৰত ভিত্তি কৰি ব্যাপক উৎপাদন কেনেকৈ কৰিব তাক দেখুৱাই দিবলৈ কৃষক-সকলৰ সমুখত কোনো মডেল নাছিল। তেওঁলোকেই আছিল যৌথ কৃষি উদ্যোগৰ পথপ্ৰদৰ্শক।

উৎপাদকসকলৰ সমবায়বোৰৰ অঙ্কুৰ আছিল ছুপ্ৰিয়াগাবোৰ। এইবোৰ আছিল কিছুমান দুখীয়া কৃষক, মাজে সময়ে মজলীয়া কৃষকসকলৰ অস্থায়ী সংগঠন;

বীজ সিঁচা আৰু শস্য দোৱা কামৰ কাৰণে তেওঁলোকে নিজৰ নিজৰ খেতিৰ গৰু-ঘোঁৰা আৰু সা-সঁজুলিবোৰ একত্ৰিত কৰিছিল। খেতিৰ মাটিত যৌথভাৱে কাম কৰিবলৈ তজ নামে খ্যাত এবিধ স্থায়ী সংগঠন আছিল। আৰ্তেল আৰু কমিউনবোৰ আছিল তাতকৈ উচ্চতৰ ৰূপৰ উৎপাদকৰ সমবায়। তজৰ দৰে উৎপাদনৰ উপায়বোৰ ব্যক্তিগত মালিকানাত নাৰাখি (পথাৰত যৌথ কামৰ সময়ছোৱাতহে এইবোৰ একত্ৰিত কৰা হৈছিল), আৰ্তেল আৰু কমিউনত উৎপাদনৰ প্ৰধান প্ৰধান উপায়বোৰ (প্ৰধান প্ৰধান খেতিৰ সঁজুলি, খেতিৰ কামত লগোৱা গৰু ঘোঁৰা, পামৰ, ঘৰবোৰ) সামাজিকীকৰণ কৰা হৈছিল আৰু পামৰ সকলো কাম কৰা হৈছিল যৌথ শ্ৰমৰদ্বাৰা। সদস্যসকলৰ মাজত আৰ্তেলৰ আয় বিলোৱা হৈছিল কৰা কামৰ অনুপাতত। আনফালে, তজে ইয়াৰ সদস্যসকলক দিছিল কৰা কাম আৰু অংশৰ (যৌথ কৃষিকৰ্মৰ কাৰণে দিয়া সা-সঁজুলিৰ সংখ্যা আৰু প্ৰকৃতি) অনুপাতত। যৌথ আৰু ব্যক্তিগত মালিকানা উভয়ৰ ভিত্তিত তজ সংগঠিত কৰা হৈছিল। তেতিয়াও ব্যক্তিগত মালিকানাই ইয়াত

গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল। আনফালেদি আৰ্তেল গঠন কৰা হৈছিল সম্পূৰ্ণৰূপে ৰাজহুৱা সম্পত্তিৰ ওপৰত ভিত্তি কৰি। লগে লগে ই সদস্যসকলৰ ব্যক্তিগত স্বাৰ্থও ৰক্ষা কৰিছিল। তেওঁলোকৰ ব্যক্তিগত কল্যাণ যে যৌথ অৰ্থনীতিৰ অৱস্থাৰ ওপৰত নিৰ্ভৰ কৰে আৰু পামৰ আয়ৰ লগে লগে যে সদস্যসকলৰো আয় বাঢ়ে এই ঘটনা ড্টাৰপৰাই ইয়াক ব্যাখ্যা কৰিব পাৰি। তাৰ উপৰি, প্ৰতিজন কৃষকে নিজৰ ব্যক্তিগতসহায়ক পাম, গৰু-ঘোঁৰা, হাঁহ-কুকুৰা, সৰুসুৰা কৃষিসঁজুলি আৰু ঘৰটো ৰাখিব পাৰিছিল। সমাজতান্ত্ৰিক পথত উৎপাদন আৰু বিতৰণ-ব্যৱস্থাত তজ আছিল আৰ্তেলতকৈ পিচপৰা। আন-ফালেদি, কমিউনবোৰ বাস্তৱ অৱস্থাৰ পৰা বিচ্যুত হৈছিল। উৎপাদনৰ উপায় আৰু ইয়াৰ সদস্যসকলৰ ব্যক্তিগত পাম উভয়কে ই সামাজিকীকৰণ কৰিছিল। প্ৰতিজন সদস্যই কিমান কাম কৰিলে তাৰ বাচবিচাৰ নকৰি কমিউন সদস্যসকলৰ মাজত ইয়াৰ আয় সমানে ভাগ কৰি দিছিল। এই সমানকৰণ নীতিয়ে এটা অতি গুৰুত্বপূৰ্ণ প্ৰেৰণা—সামাজিক উৎপাদন বিকাশৰ কৃষকৰ বৈষয়িক প্ৰেৰণা দুৰ্বল

কৰে আৰু প্ৰকৃতপক্ষে ইয়াক শূন্যত পৰিণত কৰে। ই কমিউনৰ অৰ্থনীতি আৰু ইয়াৰ সদস্যসকলৰ কল্যাণ পঙ্গু কৰি পেলায়।

একমাত্ৰ উৎসাহতে নহয়, উৎসাহৰ সহায়ত বৈষয়িক প্ৰেৰণাদানৰ নীতিৰ ওপৰত ভিত্তি কৰি নতুন জীৱন গঢ়া উচিত বোলা লেনিনৰ তত্ত্বটোৰ সত্যতা অভিজ্ঞতাই সমৰ্থন কৰিছে।

কৃষকসকললৈ কমিউনতকৈ আৰ্তেল বেছি ওচৰৰ আছিল। বিপ্লৱৰ পাচৰ প্ৰথম কেইবছৰত ই মুখ্য ভূমিকা গ্ৰহণ কৰা সত্ত্বেও, ১৯২১ চনত সমগ্ৰ যৌথ অৰ্থনীতিৰ ১৫ শতা শতকৈ বেছি ইয়াৰ ভিতৰত নপৰিছিল। তাৰ পাছৰ বছৰকেইটাত আটাইবোৰ কমিউন ক্ৰমান্বয়ে কৃষি-আৰ্তেললৈ পুনৰ্গঠন কৰা হল।

অভিজ্ঞতা নথকাৰ কাৰণে প্ৰথম উৎপাদকৰ সমবায়বোৰৰ বহু ভুল-ত্ৰুটি থকা সত্ত্বেও, অবিলম্বে এইবোৰে কৃষক-সকলৰ সমৰ্থন লাভ কৰিলে। কাৰণ এইবোৰে কামৰ মাজেদি কৃষকসকলক যৌথ শ্ৰমৰ সুযোগ সুবিধাবোৰ দেখুৱালে। ইয়াৰ ফলত শস্য উৎপাদন বাঢ়ি গল আৰু

ব্যক্তিগত পামতকৈ জীৱনধাৰণৰ মান বহুখিনি ওপৰলৈ উঠিল। ত্বেৰ অঞ্চলৰ দুখীয়া কৃষকসকলে ১৯১৮ চনৰ আগষ্টত প্ৰতিষ্ঠা কৰা যৌথ পাম ছগ্নাছিয়ে (সমন্বয়) তাৰে এটা উজ্জ্বল নিদৰ্শন। প্ৰথম বছৰটোতে ইয়াৰ সদস্যসকলৰ ২০০,০০০ ৰুবল আয় হয়।

১৯১৮ চনত ৰুছিয়াৰ ১৫৭৯ খন যৌথ পাম আছিল। ১৯১৯ চনত সি হল ৬,১৮৮, ১৯২০ চনত ১০,৫০৯, আৰু ১৯২৭ চনত হলগৈ ১৪,৮০০খন।

কৃষকসকলৰ প্ৰথম সমবায়বোৰৰ লগে লগে কৃষকৰ মাটিবাৰী নথকা ঠাইবোৰত ৰাষ্ট্ৰায়ত্ত পামবোৰৰো আবিৰ্ভাৱ হব ধৰিলে। ১৯২১ চনৰ ভিতৰত দেশখনত ৫,৩৫৬খন ৰাষ্ট্ৰায়ত্ত পাম আছিল।

সেইসময়ত গাওঁঅঞ্চলৰ অৰ্থনীতিত যৌথ আৰু ৰাষ্ট্ৰীয় পামবোৰে গৌণ ভূমিকাহে গ্ৰহণ কৰিছিল। ১৯২৭ চনত দেশৰ কৃষি পামবোৰৰ ভিতৰত ০.৮ শতাংশহে আছিল যৌথপাম। আৰু গোটেই দেশখনে উৎপাদন কৰা ১০,০০০,০০০ মান টন শস্যৰ ভিতৰত ৰাষ্ট্ৰীয় আৰু যৌথ পামবোৰৰ উৎপাদন ৫৮০,০০০ টনতকৈ বেছি নাছিল।

অৱশ্যে, অর্থনীতিৰ উপৰি, প্ৰথম ৰাষ্ট্ৰীয় আৰু যৌথ পাম কেইখনৰ অস্তিত্বৰ যৌক্তিকতা দেখুৱাবলৈ অন্যান্য দিকো আছিল – যেনে নৈতিক আৰু শিক্ষা সম্পৰ্কিত দিক দুটা। ১৯১৯ চনত কৃষি কমিউন আৰু আৰ্তেলবোৰৰ কংগ্ৰেছত ভাষণ দিওঁতে লেনিনে বিশেষ গুৰুত্ব দি কৈছিল যে এইবোৰৰ কাম হৈছে কাৰ্য্যক্ষেত্ৰত কৃষকসকলক দেখুওৱা যে," যদিও এতিয়াও ইয়াৰ বিকাশ কম আৰু দুৰ্বল, তথাপি ই কৃত্ৰিম বা উষ্ণ গৃহৰ বিকাশ নহয়। ই হৈছে নতুন সমাজতান্ত্ৰিক ব্যৱস্থাৰ বিশুদ্ধ বিকাশ।"

অশেষ দুখ কষ্ট আৰু ভুল-ত্ৰুটিৰ বিৰুদ্ধে সংগ্ৰাম কৰি, প্ৰথম যৌথ আৰু ৰাষ্ট্ৰীয় পাম কেইখনে এনে এটা পথ দেখুৱাই থৈ যায় যি পাচত সমগ্ৰ কৃষক সমাজৰ পক্ষে সমাজতন্ত্ৰৰ ৰাজপথত পৰিণত হয়।

৬
# বৈপ্লৱিক পৰিবৰ্তন

যৌথ পামৰ সংখ্যা প্ৰতি বছৰে স্থিৰভাৱে বাঢ়ি যাবলৈ ধৰিলে। ক্ৰমান্বয়ে কৃষকসকলৰ ব্যাপকতৰ অংশক আকোৱালি লোৱা যৌথ-পাম আন্দোলনৰ প্ৰাণ-শক্তিৰ ইয়ে আছিল সৰ্বশ্ৰেষ্ঠ প্ৰমাণ। প্ৰকৃত সংস্কাৰক, সংগঠক আৰু আন্দোলনৰ মূল শক্তি কমিউনিষ্টসকলে ইয়াৰ নেতৃত্ব দিছিল। ১৯২৭ চনৰ ডিচেম্বৰ মাহত বহা ছোভিয়েত কমিউনিষ্ট পাৰ্টিৰ পঞ্চদশ কংগ্ৰেছে সেই সময়ৰ অৱস্থাৰ মূল্যায়ন কৰে আৰু গাওঁ অঞ্চলৰ ভৱিষ্যৎ সামাজিক বিকাশৰ প্ৰধান কামটো নিৰ্দ্ধাৰণ কৰে। সি হৈছেঃ সৰু সৰু কৃষি পামবোৰ বৃহৎ সমাজতান্ত্ৰিক কৃষি উদ্যোগ যৌথ পামবোৰলৈ ৰূপান্তৰিত কৰা।

ই আছিল এটা সময়োচিত সিদ্ধান্ত। সেই সময়ৰ ভিতৰত নতুন ব্যৱস্থাৰ সুযোগ-সুবিধাবোৰ উপলব্ধি কৰিব পৰা কৃষকসকলৰ মনৰ গঠন আৰু স্বাৰ্থৰ সৈতে ই আছিল

সঙ্গতিপূৰ্ণ। তাৰ ফলো পোৱা গল যথেষ্ট দ্ৰুততাৰে। ছোভিয়েত শাসন প্ৰতিষ্ঠাৰ দহ বছৰৰ পাচত ১৯২৭ চনত যি ক্ষেত্ৰত যৌথ পাম আছিল ১৪,৮০০ খন। সেই ক্ষেত্ৰত ১৯২৯ চনৰ ১ জুলাইৰ ভিতৰত সি হলগৈ ৫৭,০০০ খন। ইয়াৰ ভিতৰত এক নিযুতৰো বেছি কৃষি পাম লগ লাগে। ১৯২৯ চনৰ জুলাইৰ পৰা ডিচেম্বৰ মাহৰ ভিতৰত প্ৰায় ৩,৪০০,০০০ খন পৃথক পৃথক ব্যক্তিগত পাম স্বইচ্ছাই একত্ৰিত হয়। এনেকৈ ছোভিয়েত কৃষকসমাজে ব্যক্তিগত শ্ৰমৰ পৰা সামাজিক শ্ৰমলৈ দ্ৰুততাৰে আগ বাঢ়ে।

১৯২৯ চনত, যেতিয়া যৌথপামসমূহ ব্যাপকভাৱে সংগঠিত হবলৈ ধৰিলে তেতিয়া দেশৰ গ্ৰামাঞ্চলত আমূল পৰিবৰ্তনে দেখা দিলে। এতিয়া কেৱল দুখীয়া খেতিয়ক সকলেই নহয়। মজলীয়া কৃষকসকলেও সেইবোৰত যোগদান কৰিলে। গোটেইবোৰ গাঁও আৰু জিলাই যৌথ-পামবিলাকত যোগ দিবলৈ ধৰিলে।

শ্ৰমৰ নতুন যৌথ ৰূপ প্ৰতিষ্ঠাৰ কাৰণে কমিউনিষ্ট পাৰ্টিয়ে একালেদি যেনেকৈ কৃষকসকলৰ আন্দোলনক সক্ৰিয়-ভাৱে সমৰ্থন জনালে, আনফালে যৌথপামবিলাকত

স্বচ্ছাকৃতভাৱে অন্তৰ্ভূক্তিৰ নীতিৰ ওপৰত জোৰ দিলে আৰু ওপৰৰ পৰা এই আন্দোলনক 'নির্দেশ দিয়াৰ' প্ৰচেষ্টাৰ বিৰুদ্ধে সতর্ক কৰি দিলে। পার্টিয়ে বিচাৰিলে—দেশখনৰ বিভিন্ন অঞ্চলত যৌথীকৰণৰ কাৰণে তৎপৰতাৰ ভিন ভিন মাত্ৰাৰ প্ৰতি বিশেষ মনোযোগ দিয়া দৰকাৰ।

১৯৩০ চনৰ প্ৰথমভাগতে কমিউনিষ্ট পার্টিৰ কেন্দ্ৰীয় কমিটিয়ে যৌথীকৰণৰ হাৰ সম্পৰ্কে আৰু যৌথ কৃষিকাৰ্য্যলৈ উত্তৰণ সহজ কৰাৰ কাৰণে ৰাষ্ট্ৰৰ ব্যৱস্থা গ্ৰহণ সম্পৰ্কে এটি সিদ্ধান্ত ললে। ছোভিয়েত ইউনিয়নৰ টেৰিটৰীক তিনিটা গ্ৰুপৰ ৰিজিয়নত বিভক্ত কৰা হল। প্ৰথম গ্ৰুপত থাকিল সবাতোকৈ গুৰুত্বপূৰ্ণ দানাশস্য উৎপাদন অঞ্চল (ৰিজিয়ন)—উত্তৰ ককেছাছ আৰু মধ্য আৰু নিম্ন ভলগা—য'ত আধিক বিশাল যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপাম আছিল, বেছিসংখ্যক ট্ৰেক্টৰ আৰু অন্যান্য কৃষি যন্ত্ৰপাতি আছিল আৰু যৌথীকৰণৰ অধিক অভিজ্ঞতা আছিল; এই অঞ্চল সমূহত প্ৰধানতঃ যৌথীকৰণ ব্যৱস্থা সম্পূৰ্ণ কৰাৰ কথা ১৯৩১ চনৰ ভিতৰতে। দ্বিতীয় গ্ৰুপৰ দানাশস্য উৎপাদন অঞ্চল—উক্ৰাইন, মধ্য কৃষ্ণ ভূমি অঞ্চল, ছাইবেৰিয়া, উৰাল অঞ্চল

আৰু কাজাখস্তানে সম্পূর্ণ কৰিব লগা হৈছিল ১৯৩২ চনৰ বসন্তকালৰ ভিতৰত। তৃতীয় গ্রুপত অন্তর্ভুক্ত হৈছিল আন সকলো ৰিজিয়ন, টেৰিটৰি আৰু প্রজাতন্ত্র, যি এই দায়িত্ব সম্পূর্ণ কৰিব লগা হৈছিল ১৯৩৩ চনৰ শেহভাগত।

সিদ্ধান্তত প্রস্তাৱ কৰা হল যে, কৃষকসকলে যৌথীকৰণৰ প্রাথমিক ৰূপ হিছাপে আর্টেল পছন কৰে, কিয়নো ই যৌথপামৰ একোজন সদস্য অর্থাৎ কালিৰ ব্যক্তিগত কৃষকৰ নিজ স্বার্থৰ লগত সমষ্টিগত সামাজিক স্বার্থৰ সফলভাৱে সংমিশ্রণ ঘটায়।

এই আর্টেল পছন কৰাৰ কথাই দেখুৱাই দিয়ে গ্রামাঞ্চলত বৈপ্লবিক ৰূপান্তৰ সাধনৰ জটিল সমস্যা সমাধান কৰাত এক মিতাচাৰী আৰু বাস্তৱবাদী দৃষ্টিভঙ্গী। জনগণৰ ঐতিহাসিক অভিজ্ঞতাৰ কথা বিবেচনা কৰি সেই দৃষ্টিভঙ্গীয়ে সূচায় ব্যক্তিগত সম্পত্তিৰ অস্তিত্বই সৃষ্টি কৰা লাখ লাখ লোকৰ যুগ-জোৰা ৰীতিৰ কথা। এই ৰীতিবিলাকলৈ লক্ষ্য নকৰি নোৱাৰি আৰু সেইবিলাক নির্দেশনামাৰ মাধ্যমেৰে নিশ্চিহ্ন কৰিব নোৱাৰি। সেই দৃষ্টিভঙ্গীয়ে পুৰণি ৰীতি অতিক্রম কৰাৰ কাৰণে, শ্রমৰ প্রতি নতুন এক সমাজ-

তান্ত্রিক মনোভাব গঢ়ি তোলাৰ কাৰণে আৰু কৃষকসকলক সমাজতান্ত্রিক সমাজৰ সক্রিয় নির্মাতাত পৰিণত কৰাৰ কাৰণে অনুকূল পৰিবেশ সৃষ্টি কৰিলে। এই ৰূপৰ সঠিক বাছনিয়ে যৌথ কৃষিপাম আন্দোলনৰ সাফল্য সুনিশ্চিত কৰিলে।

ব্যাপক আকাৰৰ যৌথীকৰণ ব্যৱস্থা বিকশিত হল অভূতপূর্ব হাৰত। ১৯৩০ চনৰ ভিতৰত সমস্ত কৃষক পৰিয়ালৰ ২৩.৬ শতাংশই যৌথ কৃষিপামত যোগদান কৰিলে; অথচ ১৯২৯ চনত ইয়াৰ পৰিমাণ আছিল মাথোন ৩.৯ শতাংশ। ভল্‌গা অঞ্চল, উত্তৰ ককেছাছ আৰু উক্রাইনীয় স্তেপভূমিৰ দৰে দেশৰ নানান অংশত যৌথপাম সমূহে কৃষক সম্প্রদায়ৰ শতকৰা ৭০ ভাগৰো অধিকক ঐক্যবদ্ধ কৰিছিল।

এনেকুৱা এক প্রচণ্ড গতিশীল আন্দোলন দোষ-ক্রটী আৰু এনেকি ভুল-ভ্রান্তিৰপৰা মুক্ত হব পৰা নাছিল। কোনো কোনো জিলাত স্থানীয় পার্টি আৰু ছোভিয়েত কর্মী সকলে গ্রামাঞ্চলত সমাজতান্ত্রিক অগ্রগতি ত্বৰান্বিত কৰাৰ তেওঁলোকৰ আকাঙ্ক্ষাৰে পার্টিৰ নির্দেশ আৰু স্বেচ্ছাকৃত যৌথীকৰণৰ লেনিনবাদী নীতি আওকাণ কৰিছিল।

আৰ্টেলৰ পৰিবৰ্তে কমিউন সংগঠিত কৰাৰ ঘটনাও হৈছিল। স্থানীয় অৱস্থাক সঘনে অগ্ৰাহ্য কৰা হৈছিল।

ছোভিয়েত ৰাষ্ট্ৰৰ শত্ৰুবিলাকে বিশ্বাস কৰিছিল যে, স্থানীয় সংগঠনবিলাকৰদ্বাৰা নীতিৰ এই ভুল-ভ্ৰান্তি আৰু বিকৃতিৰ ফলত কৃষকসকল ছোভিয়েত শাসনক্ষমতাৰপৰা বিচ্ছিন্ন হৈ যাব। যৌথীকৰণ ব্যৰ্থতাত পৰ্য্যবসিত হোৱাটোকে চাবলৈ তেওঁলোকৰ যি কল্পনাপ্ৰসূত আকাঙ্ক্ষা তাৰেপৰাই উদ্ভৱ হৈছিল তেনেবোৰ আশা। ৰুছ মুজিক-ৰ "ৰহস্যময় আত্মা" সম্বন্ধে নিজৰ দ্বাৰাই নিযুক্ত বিশেষজ্ঞসকলে বাস্তৱ সত্যৰ ফালে তেওঁলোকৰ চকু মেলি চাব পৰা নাছিল কিম্বা চাব নুখুজিছিল। বাৰুছ স্পিনোজা-ৰ কথা শব্দান্তৰত অৰ্থ প্ৰকাশ কৰি কব পৰা যায় যে অজ্ঞতা কোনো যুক্তি নহয়। ঘটনাৰ প্ৰকৃত অৱস্থাৰ স্বীকৃতিয়ে পশ্চিমৰ বুৰঞ্জী-বিদসকলক এই কথা লক্ষ্য কৰিবলৈ সমৰ্থ কৰিলেহেঁতেন যে, ছোভিয়েত শাসনক্ষমতা শ্ৰমিক শ্ৰেণী আৰু কৃষক সমাজৰ সময়-পৰীক্ষিত মৈত্ৰীৰ ওপৰত প্ৰতিষ্ঠিত, এক অভিন্ন লক্ষ্যৰ কাৰণে সংগ্ৰামত তীখাৰ দৰে সুদৃঢ় এই মৈত্ৰী, যি জাৰতন্ত্ৰ আৰু ভূস্বামীসকলৰ শৃঙ্খলৰপৰা মুক্ত

হবলৈ কৃষকসকলক সমৰ্থ কৰি তুলিলে আৰু যি কৃষক সমাজৰ কাৰণে অত্যাৱশ্যকৰূপে গুৰুত্বপূৰ্ণ যুগ-জোৰা ভূমি সমস্যাৰ এক সমাধান দিলে। কোনো ব্যক্তিগত পাৰ্টি আৰু ছোভিয়েত শ্ৰমিকৰ ভুল-ভ্ৰান্তিৰ ফলত, সেইবিলাক যিমানেই গুৰুতৰ নহওক লাগিলে, এনে মৈত্ৰী ক্ষুণ্ণ হোৱা নাছিল কিম্বা বিচ্ছিন্ন হৈ পৰা নাছিল, কিয়নো সেই ভুল-ভ্ৰান্তিৰ লগত কমিউনিষ্ট পাৰ্টি আৰু ছোভিয়েত ৰাষ্ট্ৰৰ চৰকাৰী নীতিৰ লগত কোনো সম্বন্ধ নাছিল। পাৰ্টিয়ে সেই ভুল ত্ৰুটীবোৰ প্ৰকাশ্য কৰি দিছিল আৰু দৃঢ়তাৰে তাক নিন্দা কৰিছিল আৰু সেইবিলাক শুধৰাবলৈ থৰতকীয়া আৰু চূড়ান্ত ব্যৱস্থা গ্ৰহণ কৰিছিল। ১৯৩০ চনৰ ১৪ মাৰ্চৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ সিদ্ধান্তই স্থানীয় পাৰ্টি সংগঠনসমূহক যৌথীকৰণৰ বেলিকা বলপ্ৰয়োগ পদ্ধতিৰ অৱসান ঘটাবলৈ বাধ্য কৰিলে, যি যৌথীকৰণ সম্পাদন কৰা উচিত—সম্পূৰ্ণে স্বেচ্ছাকৃত ভিত্তিত যৌথ কৃষিপামবোৰৰ মাজলৈ কৃষকসকলক টানি অনাৰ লেনিনবাদী নীতিৰ যোগেদি, আৰু যিসকল কৰ্মীয়ে তেওঁবিলাকৰ ভুল সংশোধন কৰিবলৈ ব্যৰ্থ হয় তেওঁলোকক বহিষ্কাৰ কৰিবলৈকো সেই

সিদ্ধান্তই বাধ্য কৰিলে। ইয়াৰ অলপ পাছতে লোৱা আন এটি সিদ্ধান্তৰ বলত, যৌথ কৃষিপাম আৰু খেতিয়ক সকলক দুবছৰৰ কাৰণে গৰু-ম'হৰ ওপৰত থকা কৰৰপৰা অব্যাহতি দিয়া হল। যৌথ কৃষিপামক দিয়া হল বিনা-মূলীয়া বীজ। গ্ৰামাঞ্চললৈ প্ৰেৰিত হল অধিকসংখ্যক ট্ৰেক্টৰ আৰু অন্যান্য যন্ত্ৰপাতি।

১৯৩০ চনৰ শৰৎকালৰপৰা যৌথীকৰণ বৃদ্ধি পালে দ্ৰুতগতিৰে। যিসকল কৃষক যৌথীকৰণ বিৰোধী প্ৰচাৰৰ বশীভূত হৈছিল আৰু যৌথ কৃষিপাম এৰি গৈছিল, তেওঁলোক আকৌ হাজাৰে হাজাৰে উভতি আহিল অশেষ উদ্দীপনা লৈ। যিসকলে সন্দেহৰ ভাব পোষণ কৰিছিল, সেইসকলেও তেওঁলোকক অনুসৰণ কৰিলে।

যৌথ কৃষি ব্যৱস্থাৰ সুযোগ-সুবিধা আৰম্ভণিৰে পৰাই সুস্পষ্টভাৱে প্ৰকাশ পাইছিল। কেৱল তেওঁবিলাকৰ ব্যক্তিগত সা-সঁজুলি একত্ৰিত কৰিয়েই যৌথপামৰ কৃষক সকলে তেওঁলোকৰ পামবিলাকৰ দক্ষতা বৃদ্ধি কৰিবলৈ সমৰ্থ হৈছিল। যৌথ কৃষিত শস্যৰ উৎপাদন আছিল ব্যক্তিগত খেতিয়কৰ উৎপাদনতকৈ ১০-১৫ শতাংশ বেছি। কৃষক-

সকলৰ কল্যাণো বৃদ্ধি পাইছিল। মধ্য ক'লা মাটি অঞ্চলত চলোৱা এক নিৰ্বাচিত তদন্তৰপৰা জনা যায় যে যৌথপামৰ জনমূৰি কৃষকৰ মুঠ আয়ৰ পৰিমাণ যিক্ষেত্ৰত ১১৯.৫৮ ৰুবল, সেই ক্ষেত্ৰত ব্যক্তিগত কৃষকৰ জনমূৰি আয় হৈছিল ৬৬.৬১ ৰুবল।

বলপ্ৰয়োগৰদ্বাৰা নহয়, বাস্তৱ জীৱনৰ যুক্তিয়েইহে কৃষকসকলক আনিছিল যৌথপামৰ মাজলৈ। এই কথা পশ্চিমৰ চকুতো নপৰাকৈ নাছিল। **ডেইলি হেৰল্ড** কাকতৰ এজন সংবাদদাতাই ১৯২৯ চনৰ ছেপ্টেম্বৰ মাহত নিম্ন ভল্গা আৰু উত্তৰ ককেশাছ অঞ্চল পৰিদৰ্শন কৰিছিল। তেওঁ যৌথাকৰণ কেনেভাৱে সম্পন্ন কৰা হৈছে তাক চাবলৈ আহিছিল। তেওঁ ইয়াৰ মূল বৈশিষ্ট্য গ্ৰামাঞ্চলত সহযোগিতাৰ ভাবধাৰাৰ অনুপ্ৰবেশ বুলি আৰু পুৰণি জীৱন-পদ্ধতি অনুসৰণ কৰি চলিবলৈ কৃষকসকল, বিশেষকৈ দুখীয়া খেতিয়কসকল অপাৰগ হোৱাৰ বৰ্দ্ধমান প্ৰমাণ বুলি বৰ্ণনা কৰিছিল।

এয়া আছিল প্ৰকৃত অৱস্থাৰ এক বাস্তৱসন্মত আৰু নিৰ্ভুল মূল্যায়ন, অৱশ্যে এটা মাথোন তাৎপৰ্য্যপূৰ্ণ শুধৰণি

যোগ দিব লগা আছে ঃ মণ্ডলীয়া কৃষকসকলেও পুৰণি পদ্ধতি মানি চলিবলৈ সুনিশ্চিতভাৱে অস্বীকাৰ কৰিছিল। ১৯৩০ চনত যৌথ কৃষিপাম সমূহে যোগান ধৰিলে দেশৰ বিক্ৰয়-যোগ্য শস্যৰ অৰ্দ্ধেকৰো বেছি। ৰাষ্ট্ৰীয় পামসমূহৰে সৈতে এই যৌথপামবোৰ প্ৰধান খাদ্য উৎপন্নকাৰী হৈ পৰিল।

যৌথ পামৰ সংখ্যা নিয়মিতভাৱে বাঢ়ি যায় আৰু চতুৰ্থ দশকৰ শেষলৈ কৃষকসমাজৰ প্ৰায় সকলোকে ঐক্যবদ্ধ কৰা হয়।

ৰাষ্ট্ৰায়ত্ত পাম, ৰাষ্ট্ৰায়ত্ত কৃষি উদ্যোগবোৰে ছোভিয়েতৰ গাওঁ অঞ্চলৰ বিকাশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। ছোভিয়েত ৰাষ্ট্ৰই তেওঁলোকৰ সমুখত দুটা কৰ্তব্য ৰাখে ঃ উচ্চ মানসম্পন্ন কিন্তু সস্তাদামৰ কৃষিজাত দ্ৰব্য নগৰবোৰত সৰবৰাহ কৰা আৰু সৰু সৰু ব্যক্তিগত পামৰ পৰা বৃহৎ আকাৰৰ যৌথ পামলৈ ৰূপান্তৰ সহজ কৰা।

আৰম্ভণিৰে পৰা ৰাষ্ট্ৰায়ত্ত আৰু যৌথ পামবোৰৰ মাজত কমৰেডসুলভ সাহায্য আৰু সহযোগিতাৰ ভিত্তিত গঢ়ি উঠা সু-প্ৰতিবেশীসুলভ সম্পৰ্ক বিৰাজ কৰিছিল। ৰাষ্ট্ৰায়ত্ত

পামবোৰে যৌথ পামবোৰক মাটি চহোৱাৰ সময়ত সহায় কৰিছিল, উচ্চ ফলনশীল জাতৰ বীজ যোগান ধৰিছিল আৰু কেনেকৈ ভাল খেতি পাব পাৰি, পালিত পশু-পক্ষীৰ উৎপাদন শক্তি বৃদ্ধি কৰিব আৰু যৌথ শ্ৰম সংগঠিত কৰিব লাগে তাৰ পৰামৰ্শ দিছিল।

যৌথ পামবোৰত কাম কৰিবৰ কাৰণে তেওঁলোকে যন্ত্ৰ-আৰু-ট্ৰেক্টৰ দল গঠন কৰিছিল। ১৯২৮ চনত এনে দলবোৰৰে এটাৰ পৰা প্ৰথম যন্ত্ৰ আৰু ট্ৰেক্টৰ কেন্দ্ৰটো (এম টি এছ) গঢ়ি উঠে। ৰাষ্ট্ৰায়ত্ত পামবোৰে খেতিয়ক সকলক যৌথ কৃষিব্যৱস্থা স্থাপন আৰু বিকাশ ঘটোৱাত সহায় কৰিছিল। আজি তেওঁলোকৰ প্ৰধান কাম হৈছে যৌথ পামৰ উৎপাদনৰ বিকাশ সধা আৰু উন্নত কৰা।

যৌথ আৰু ৰাষ্ট্ৰাযত্ত পাম, সামাজিক কৃষি-ব্যৱস্থাৰ এই দুয়োটা ৰূপৰ নিজস্ব বৈশিষ্ট্য আছে।

যৌথ পাম হৈছে পাম ব্যৱস্থাপকমণ্ডলী আৰু ইয়াৰ সভাপতিৰদ্বাৰা পৰিচালিত কৃষকসকলৰ এটা স্বেচ্ছা-প্ৰণোদিত সমবায় সংগঠন। যৌথ পামৰ সৰ্বোচ্চ পৰিচালক সংস্থা সাধাৰণ সভাৰদ্বাৰা এওঁলোক নিৰ্বাচিত হয়। যৌথ

পামৰ সম্পত্তি আৰু উৎপাদন যৌথ কৃষকসকলৰ এজমালী সম্পত্তি। সমবায় বা যৌথ-সম্পত্তিৰ ওপৰত ভিত্তি কৰি যৌথ পামবোৰ গঠিত। একমাত্ৰ ৰাজহুৱা সম্পত্তি আৰু ৰাষ্ট্ৰই চিৰস্থায়ীভাৱে ব্যৱহাৰ কৰিবলৈ খেতিয়কসকলক দিয়া মাটিখিনিহে বাদ দিয়া হয়। কামৰ দিন অনুসৰি যৌথ পামৰ আয় বিতৰণ কৰা হয়; প্ৰতিখন পামৰ অৰ্থনৈতিক অৱস্থাৰ সৈতে সামঞ্জস্য ৰাখি ইয়াৰ মূল্য নিৰ্দ্ধাৰণ কৰা হয়। ১৯৬৭ চনত যৌথ পামবোৰত বস্তুৰে পাৰিশ্ৰমিক নিদি—গেৰাণ্টিযুক্ত মজুৰিৰে দিয়াৰ প্ৰথা প্ৰবৰ্তন কৰা হল।

ৰাষ্ট্ৰায়ত্ত পামবোৰ হৈছে ৰাষ্ট্ৰীয় কৃষি উদ্যোগ, যাৰ সা-সঁজুলি আৰু উৎপাদন ৰাষ্ট্ৰৰ মালিকানাধীনত, সমগ্ৰ ৰাইজৰ মালিকানাধীনত। পামৰ মেনেজাৰজনক ৰাষ্ট্ৰই নিযুক্ত কৰে যদিও, ৰাষ্ট্ৰায়ত্ত পামৰ শ্ৰমিকসকলেও পামৰ কাম-কাজত গুৰুত্বপূৰ্ণ ভূমিকা লয়। শ্ৰমিকসকলৰ সভাবোৰে চলিত, বছেৰেকীয়া আৰু দীৰ্ঘম্যাদী উৎপাদন পৰিকল্পনা সম্পৰ্কে আলোচনা কৰে। স্থায়ী উৎপাদন সম্পৰ্কিত সম্মিলনবোৰৰ পামৰ সকলো বিষয়তে চূড়ান্ত

সিদ্ধান্ত গ্ৰহণৰ অধিকাৰ আছে। এই কাৰ্য্য ছোভিয়েত কমিউনিষ্ট পাৰ্টিৰ ২২তম কংগ্ৰেছত ( ১৯৬১ ) গৃহীত পাৰ্টি কৰ্মসূচীৰ মূল বিষয়ৰ সৈতে সঙ্গতিপূৰ্ণ। তাত বিশেষ গুৰুত্ব দি কোৱা হৈছে যে ৰাষ্ট্ৰায়ত্ত প'ম পৰিচালনাত সমাজ-তান্ত্ৰিক গণতন্ত্ৰ আৰু বেছিকৈ পালন কৰা হব আৰু, অৰ্থনৈতিক, সাংস্কৃতিক আৰু দৈনন্দিন সমস্যাবোৰৰ বিষয়ে সিদ্ধান্ত লোৱাত শ্ৰমিক, কৰ্মচাৰী, সাধাৰণ সভা আৰু উৎপাদন সন্মিলনবোৰৰ ভূমিকা বৃদ্ধি কৰা হব।

ৰাষ্ট্ৰায়ত্ত পামবোৰৰ শ্ৰমিক আৰু কৰ্মচাৰীসকলে মজুৰি পায় আৰু পৰিকল্পনাতকৈ বেছি উৎপাদন কৰিলে তাৰ কাৰণে বানচ পায়। শ্ৰমিকসকলৰ ব্যক্তিগত স্বাৰ্থ আৰু সামাজিক উৎপাদনৰ স্বাৰ্থ এক কৰাৰ কাৰণে ৰাষ্ট্ৰায়ত্ত পামবোৰৰ মজুৰি ব্যৱস্থাৰ প্ৰণালীবদ্ধভাৱে উন্নতি সধা হৈছে। "উৎপাদন আৰু শ্ৰম : সমস্যা আৰু তাৰ সমাধান" নামৰ অধ্যায়টোত এই বিষয়ে সবিস্তাৰে আলোচনা কৰা হব।

ছোভিয়েত যুক্তৰাষ্ট্ৰত যৌথ ব্যৱস্থা প্ৰবৰ্তনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ বৈশিষ্ট্যটো হৈছে এই যে ইয়াক বাস্তৱ ৰূপ দিয়া

হৈছে বৰাই-বুজাই আৰু সমুখত দৃষ্টান্ত স্থাপন কৰি, ছোভিয়েতৰ বাস্তৱ অৱস্থা সম্পৰ্কে "বিশেষজ্ঞ" কিছুমান পশ্চিমীয়া লোকে কোৱাৰ দৰে কেৱলমাত্ৰ প্ৰশাসনিক ব্যৱস্থা আৰু দমন নীতিৰে নহয়।

৭

# যৌথীকৰণ কৰাৰ কাৰণ কি ?

এই প্ৰশ্নৰ উত্তৰ বহুত আৰু বিভিন্ন ধৰণৰ ; বিশেষকৈ পাশ্চাত্য জগতত, য'ত যৌথীকৰণ সমস্যাই বহু দিনৰ পৰা বুৰঞ্জীবিদ আৰু অৰ্থনীতিবিদসকলৰ মনোযোগ আকৰ্ষণ কৰি আহিছে। তেওঁলোকৰ এটা উত্তৰ হৈছে এই যে— বৃহদাকাৰ কৃষি উৎপাদনৰ শ্ৰেষ্ঠত্ব সম্পৰ্কে থকা মাৰ্ক্সবাদী মতবাদৰ প্ৰতি অন্ধ আনুগত্যই কৃষি পুনৰ্গঠনৰ কাৰণ।

সকলোৰে জানে যে মতান্ধতা ( ডগমা ) এটা অপৰিবৰ্তনীয় ধাৰণা, যি বিশেষ ঐতিহাসিক অৱস্থাক উপেক্ষা কৰে।

সৰু পামবোৰৰ তুলনাত ব্যাপক আৰু বৃহত্তৰ কৃষি উদ্যোগসমূহৰ সুযোগ-সুবিধাবোৰৰ বিষয়ে আলোচনা কৰিবলৈ অথবা, বৃহত্তৰ পামৰ লগত প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰাৰ কাৰণে ব্যক্তিগত সম্পত্তিয়ে প্ৰাধান্য বিস্তাৰ কৰা সমাজত সৰু-সুৰা পাম কেনেকৈ দেৱলীয়া হয় তাক দেখুৱাই

তথ্য দাখিল কৰিবলৈ এই কিতাপখনৰ আকাৰে লিখকক নিদিয়ে। মাৰ্ক্সবাদী মতান্ধতা—মাৰ্ক্সবাদী তত্ত্বৰ ঠাইত মতান্ধতা শব্দটোকে কিছুমান বুৰঞ্জীবিদে ব্যৱহাৰ কৰে—বাস্তৱ ঘটনা আৰু অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি ৰচিত। এই কথা যে পশ্চিমীয়া বুৰঞ্জীবিদ আৰু অৰ্থনীতিবিদসকলে জানে তাত সন্দেহ নাই।

কমিউনিষ্টসকলে সকলো সময়তে কৈ আহিছে যে ক্ষুদ্ৰ ক্ষুদ্ৰ কৃষি অৰ্থনীতিয়ে গাওঁ অঞ্চলক দাৰিদ্ৰ্যৰ পৰা ৰক্ষা কৰিব নোৱাৰে, একমাত্ৰ ব্যাপক আৰু বৃহৎ সমাজতান্ত্ৰিক কৃষি ব্যৱস্থাইহে গাওঁ অঞ্চলত অৰ্থনৈতিক আৰু সাংস্কৃতিক অগ্ৰগতি ঘটাব পাৰে। তেওঁলোকৰ বক্তব্যৰ সত্যতা বাস্তৱ কাৰ্য্যাবলীয়ে সমৰ্থন কৰিছে। বিপ্লৱে ছোভিয়েত কৃষকসকলৰ জীৱনত গভীৰ পৰিবৰ্তন ঘটালে : তেওঁলোক হল সমানাধিকাৰ সম্পন্ন নাগৰিক, নিজৰ মাটিৰ মালিক। অৱশ্যে, গাঁৱলীয়া জীৱনৰ প্ৰধান প্ৰধান সামাজিক আৰু অৰ্থনৈতিক সমস্যাবোৰ ই আপোনাআপুনি সমাধান কৰিব পৰা নাছিল। শুৰবিন্যাসকৰণে কমকৈ হলেও কৃষকসকলক ধনী আৰু দুখীয়া, এই দুভাগত বিভক্ত কৰি ৰাখিবলৈ

ধৰিলে। পামবোৰৰ উৎপাদন, বিশেষকৈ দানা শস্যৰ উৎপাদন অতি ধীৰ গতিত বিকাশ লাভ কৰিবলৈ ধৰিলে। হাড় ভঙা খাটনিয়েও আনকি উচ্চ হাৰৰ উৎপাদন সুনিশ্চিত কৰিব, গাওঁ অঞ্চলৰ অৰ্থনীতি দৃঢ় কৰিব বা কৃষকসমাজৰ জীৱনৰ উন্নতি সাধিব নোৱাৰিলে। ক্ষুদ্ৰ পৰ্য্যায়ৰ কৃষি অৰ্থনীতিয়ে প্ৰকৃততে ইয়াৰ সামৰ্থ্যকে নিঃশেষ কৰি পেলাইছিল।

ক্ষুদ্ৰ ক্ষুদ্ৰ আৰু সিঁচৰতি হৈ থকা ব্যক্তিগত পামবোৰ দ্ৰুত বিকাশমান সমাজতান্ত্ৰিক শিল্পৰ তুলনাত বহুখিনি পিচ পৰি থাকিল। অলপ আগবাঢ়িছিল যদিও এই কৃষি ব্যৱস্থাই দেশৰ ৰুটি আৰু অন্যান্য খাদ্যৰ প্ৰয়োজন পূৰণ কৰিব নোৱাৰিলে। কৃষিজাত দ্ৰব্যৰ মুঠ উৎপাদনে যুদ্ধৰ আগৰ মান চেৰাই গৈছিল যদিও, ১৯২৭ চনত হোৱা দানা শস্যৰ মুঠ উৎপাদন ১৯১৩ চনৰ মানৰ ৯৭ শতাংশহে মাত্ৰ হৈছিল। বেচিবপৰা দানা শস্যৰ উৎপাদন হৈছিল যুদ্ধৰ আগৰ উৎপাদনৰ মাত্ৰ ৩৭ শতাংশ : এনে কম পৰিমাণৰ বিক্ৰয়যোগ্য উদ্বৃত্ত আছিল, আধা স্বাভাৱিক, দুখীয়া আৰু মজলীয়া কৃষকৰ পামবোৰৰ প্ৰাধান্যৰ ফল।

বিপ্লৱৰ আগতে সমগ্ৰ বিক্ৰয়যোগ্য দানা শস্যৰ ৭০

শতাংশৰ বেছি বৃহৎ মাটি-মালিক আৰু কুলাকসকলে উৎপাদন কৰিছিল। বিপ্লৱে মাটি মালিকৰ মাটিৰ ওপৰত মালিকানা বিলোপ কৰিলে আৰু কুলাকসকলৰ হাতত থকা মাটিৰ পৰিমাণ ৫০,০০০,০০০ হেক্টৰ কমালে। এই মাটি শ্ৰমজীৱী কৃষকসকলৰ হাতত তুলি দিয়া হল। তাৰফলত তেওঁলোকে দানা শস্যৰ উৎপাদন বঢ়াবলৈ সক্ষম হল। কিন্তু কৃষকসকলে দানা শস্যৰ বেছি ভাগ নিজেই ভোগ কৰি মাত্ৰ ১১ শতাংশহে বজাৰত বিক্ৰীৰ কাৰণে এৰিছিল। সেয়ে দেশজুৰি দানা শস্যৰ সৰবৰাহ হৈছিল কম। দানা শস্যৰ উৎপাদকৰ ভূমিকাৰ পৰা মাটি মালিক সকলক নিৰ্মূল কৰা হৈছিল, আগতে যিমান গম উৎপাদন কৰিছিল তাৰ এক তৃতীয়াংশহে কুলাকসকলে উৎপাদন কৰিছিল আৰু, ৰাষ্ট্ৰীয় আৰু যৌথ পামবোৰৰ উৎপাদনৰ পৰিমাণ আছিল নগণ্য।

সাধাৰণভাৱে দানাশস্যৰ নাটনিৰ লগে লগে দক্ষিণ ইউক্ৰাইন আৰু উত্তৰ ককেছাছত খেতি নোহোৱাত ১৯২৮ চনত দেশৰ খাদ্যাৱস্থা বিশেষকৈ বেয়া হয়। দেশবাসীক খাদ্য আৰু শিল্পক কেঁচামাল সৰবৰাহৰ ক্ষেত্ৰত দেশখনে কঠোৰ অভিজ্ঞতা লাভ কৰে।

উৎপাদিত দ্ৰব্য সৰবৰাহ নকৰি ছোভিয়েত চৰকাৰক ধ্বংস কৰিবলৈ ১৯২৮ চনত কুলাকসকলে দ্বিতীয়বাৰ চেষ্টা কৰে। (প্ৰথমবাৰ চেষ্টা কৰা হৈছিল ১৯:৮ চনত, যেতিয়া শ্ৰমিক আৰু কৃষকসকলৰ এই নৱপ্ৰতিষ্ঠিত ৰাষ্ট্ৰখনে বিদেশী হস্তক্ষেপ আৰু অভ্যন্তৰীণ প্ৰতি-বিপ্লৱৰ বিৰুদ্ধে মৰোজীওঁ সৌঁ আধিকৈ সংগ্ৰাম চলাইছিল)। কুলাকসকলৰ ভঁৰালত বিপুল পৰিমাণৰ দানাশস্য জমা আছিল। কিন্তু অনাহাৰত থকা ছোভিয়েত ৰাষ্ট্ৰখনক তাক বেচাতকৈ গেলিপচি যাবলৈ দিয়াটোকে তেওঁলোকে পছন্দ কৰিছিল। মজলীয়া কৃষক-সকলে বেচিবলৈ চেষ্টা কৰিলেও তেওঁলোকৰ ওপৰত অত্যাচাৰ চলাইছিল।

গেলা-পচা গমেৰে প্ৰকাণ্ড প্ৰকাণ্ড গাঁতবোৰ ভৰি পৰিছিল, আৰু হাতত বন্দুক লৈ কুলাকসকল তাৰ কাষে কাষে জোপ লৈ থাকিছিল গমবোৰ ৰক্ষা কৰি ক্ষুধাতুৰ মানুহক দিবলৈ যিসকলে যুদ্ধ কৰিছিল তেওঁলোকৰ কাৰণে —এয়ে আছিল ১৯২৮ চনৰ গাওঁ অঞ্চলৰ জীৱনৰ প্ৰতীক-স্বৰূপ চিত্ৰ।

খাদ্য পোৱা যাব ক'ত, খাদ্যৰ কাৰণে দেশৰ চাহিদা

কেনেকৈ পূৰণ কৰা যায় – এয়ে আছিল সেই সময়ৰ সৰ্ব প্ৰধান সমস্যা।

ডাঙৰ ডাঙৰ জমিদাৰি আৰু কুলাকসকলৰ পামবোৰৰ ওপৰত ভিত্তি কৰা আগৰ কৃষি-ব্যৱস্থালৈ ঘূৰি যোৱাটো আছিল চিন্তাৰ অতীত কথা।

সকলোৱে জানে যে জাৰতন্ত্ৰী ৰুছিয়াৰ কৃষি-ব্যৱস্থা ৰক্ষা কৰা হৈছিল পাশবিকৰূপে কৃষকৰ শ্ৰম শোষণ কৰি। সেই সময়ত ৰুছ গাওঁবোৰত সকলো সময়তে ক্ষুধা আৰু দাৰিদ্ৰ্য বিৰাজ কৰিছিল। আন্দ্ৰেই ছ্‌চিনগাৰিয়েভে ৰুছ কৃষক-সমাজৰ অতীৱ দুৰৱস্থাৰ এটা বৰ্ণনা দিছিল। এওঁ আছিল বুৰ্জোৱা কনষ্টিটিউছনেল ডেমক্ৰেটিক পাৰ্টিৰ (কেডেটছ) এজন মুখিয়াল সদস্য, অস্থায়ী চৰকাৰৰ মন্ত্ৰী আৰু ৰাজতন্ত্ৰৰ একনিষ্ঠ সমৰ্থক। গাওঁ অঞ্চলত চিকিৎসক হিচাপে কাম কৰোতে এওঁ ভৰনেজ অঞ্চলৰ নভঝিভতিনয়ে আৰু মাখো-ভাংকা নামৰ গাওঁ দুখনৰ বিষয়ে কিতাপ এখন লিখিছিল। তাৎপৰ্য্যপূৰ্ণভাৱে কিতাপখনৰ নাম দিয়া হৈছিল "মৰণোন্মুখ গাওঁ"। তেওঁ লিখিছে যে, এই গাওঁ দুখন শোচনীয় দাৰিদ্ৰ্যত ভুগিছিল আৰু এনে দুখ কষ্টত ডুব গৈ আছিল যে

"কোনো শব্দেৰেই তাৰ তীব্ৰতা প্ৰকাশ কৰা সম্ভৱ নহয়, কোনো কল্পনাই তাক ঢুকি নাপায়।" দ্বিতীয় সংস্কৰণৰ পাতনিত (প্ৰথম সংস্কৰণ প্ৰকাশিত হৈছিল ১৯০৭ চনত) তেওঁ লিখিছে: "কিতাপখন লিখাৰ পাচৰ যোৱা ছ বছৰৰ ভিতৰত ভালৰ ফালে কোনো পৰিবৰ্তন ঘটা নাই। বৰং নিসন্দেহে কব পাৰি যে ইযাত জীৱন বেয়াৰ ফালেহে পৰিবৰ্তিত হৈছে ই সেই সৰশেষ স্তৰত উপনীত হৈছেহি যাৰ পাচত আছে সম্পূৰ্ণ বিলুপ্তি।" জাৰতন্ত্ৰৰ অধীনত থকা বেছি ভাগ কৃষকৰ ক্ষেত্ৰতে ই আছিল সত্য।

সেযে যি জগতত দুজনমান উপকৃত হয় কিন্তু সৰ্ব-সাধাৰণেই দুখ-কষ্ট ভোগ কৰে সেই জগতলৈ ঘূৰি যোৱাৰ কোনো পথ নাছিল।

খাদ্য সমস্যা সমাধানৰ আন এটা উপায় অপেক্ষা কৰি-ছিল। ই আহিছিল যৌথীকৰণৰ ৰূপত। অবাস্তৱ কামনাৰদ্বাৰা অথবা মতান্ধ বিশ্বাসৰ ভিত্তিত ই সৃষ্ট নহয়। ইযাৰ আবিৰ্ভাব ঘটে বাস্তৱসন্মত ঐতিহাসিক প্ৰয়োজনত।

অক্টোবৰ বিপ্লৱৰ পাচত দেশখনে ৰাষ্ট্ৰায়ত্ত মালিকানাৰ ভিত্তিত নতুন সমাজতান্ত্ৰিক অৰ্থনীতি গঢ়ি তোলা কামৰ

সমুখীন হয়। এই অৰ্থনীতিয়ে মানুহৰদ্বাৰা মানুহক সকলো প্ৰকাৰৰ শোষণ বন্ধ কৰে। এই ঐতিহাসিক কৰ্তব্যৰ সৈতে সঙ্গতি ৰাখি ছোভিয়েত প্ৰজাতন্ত্ৰখনে ইয়াৰ শিল্প গঢ়ি তোলাৰ আৰু বিকশিত কৰাৰ কাম আৰম্ভ কৰে। অৰ্থনীতিৰ দুটা প্ৰধান শাখা ৰাষ্ট্ৰায়ত্ত মালিকানাৰ ভিত্তিত গঢ়া বৃহৎ কেন্দ্ৰীভূত শিল্প আৰু ক্ষুদ্ৰ ক্ষুদ্ৰ ব্যক্তিগত কৃষি-ব্যৱস্থাৰ মাজত এটা প্ৰত্যক্ষ বিৰোধ আছিল। বৃহৎ শিল্প গঢ়ি উঠিছিল পৰিকল্পিত ধাৰা অনুযায়ী, আনফালেদি সৰু সৰু পাম উৎপাদনবোৰ প্ৰভাবিত হৈছিল বজাৰ দৰ উঠা-নমাৰদ্বাৰা। সমাজতান্ত্ৰিক শিল্পত মানুহৰদ্বাৰা মানুহৰ শোষণৰ কোনো স্থান নাই। ইপিনে সৰু সৰু কৃষিভিত্তিক অৰ্থনীতিৰ প্ৰকৃতিয়েই হৈছে শোষণৰ আদি কাৰণৰ জন্ম দিয়া। সমাজতান্ত্ৰিক অৰ্থনীতিয়ে প্ৰত্যেককে কাম কৰাৰ আৰু সমান কামৰ কাৰণে সমান মজুৰি লাভৰ সমান সুযোগ দিয়ে। অকল কামৰ পৰিমাণেৰেই নহয় সম্পত্তি-মৰ্য্যাদাৰ দ্বাৰাও কৃষকৰ আয় নিৰ্দ্ধাৰিত হৈছিল: গাওঁ অঞ্চলত তেতিয়াও কৃষকসকলৰ মাজত স্তৰবিন্যাস ৰৈ গৈছিল। সৰ্বশেষত, বৃহৎ শিল্পত আধুনিক যন্ত্ৰপাতিৰ

ব্যৱহাৰৰ ফলত অগ্ৰগতি দ্ৰুততৰ হয়, আনফালেদি সিঁচৰতি হৈ থকা সৰু সৰু ব্যক্তিগত পামবোৰে আধুনিক উচ্চ উৎপাদন-ক্ষমতাসম্পন্ন যন্ত্ৰপাতিৰ ব্যৱহাৰ আৰু পামবোৰৰ বৈজ্ঞানিক পৰিচালনা প্ৰণালী প্ৰবৰ্তনত বাধা দিয়ে। কৃষিজাত উৎপাদন বৃদ্ধি কৰাত এইবোৰ আছিল অক্ষম আৰু এইবোৰে বজাৰৰ পণ্য সৰবৰাহ কৰিছিল নগণ্য পৰিমাণৰ।

দেশৰ অৰ্থনৈতিক অগ্ৰগতি কৃষিয়ে ব্যাহত কৰিছিল। যিমান সোনকালে সম্ভৱ ইয়াৰ পশ্চাৎপদ চৰিত্ৰৰ বিলোপ সাধিব লাগিব; কিন্তু তাক কৰিব লাগিব এনেভাৱে যাতে কৃষিজাত দ্ৰব্যৰ কাৰণে হোৱা ক্ৰমবৰ্দ্ধমান চাহিদা পূৰণ হয়, আৰু তাৰ লগে লগে কৃষকসকলৰ সুখ-সমৃদ্ধিৰ অবিচলিত বিকাশ সুনিশ্চিত হয়। যৌথীকৰণ তাকে কৰাৰ পথৰূপে প্ৰমাণিত হয়।

তীব্ৰ শ্ৰেণীসংগ্ৰাৰ মাজেদি গাওঁ অঞ্চলৰ যৌথীকৰণ সম্পাদন কৰা হয়। প্ৰচণ্ডভাৱে বাধা দিয়া কুলাকসকলৰ বিৰুদ্ধে এই সংগ্ৰাম হৈছিল বিশেষভাৱে তিক্ত। পশ্চিমৰ কিছুমান বুৰঞ্জীবিদে কুলাকসকলক ছোভিয়েত শাসনৰ প্ৰতি তিক্তবিৰক্ত হোৱা উচ্চতম সাংস্কৃতিক মানৰ কৃষক

বুলি অভিযোগ কৰে। অন্যান্য অভিমতো অৱশ্যে আছে। বিপ্লৱৰ বহুকাল আগতে উনবিংশ শতাব্দীৰ ৰুছ কবি আই-ভান নিকিতিনে কুলাকসকলক সকলো সময়তে “অইনৰ সম্পত্তিলোভী” পশুৰূপে বৰ্ণনা কৰিছে। প্ৰথমৰে পৰা কুলাকসকলক ছোভিয়েত শাসন আৰু নতুন বিশ্বৰ নিৰ্মাতা-সকলৰ বিৰোধী কৰি তোলা এই বৰ্বৰ প্ৰবৃত্তিটো যৌথী-কৰণৰ বছৰ কেইটাত আৰু বেছি তীব্ৰ হৈ উঠে। তেতিয়াও ভাৰা কৰা কৃষি-শ্ৰমিকসকলৰ ওপৰত শোষণ চলাই যোৱা কুলাকসকলে ভালকৈ জানিছিল যে যৌথ পামবোৰে চিৰ-কাললৈ তেওঁলোকৰ আইনৰ শ্ৰম শোষণ বন্ধ কৰিব আৰু নিজৰ জীৱন ধাৰণৰ কাৰণে তেওঁলোকক কাম কৰিবলৈ বাধ্য কৰিব।

যিবোৰ শক্তি ইতিমধ্যে অপ্ৰচলিত হৈ পৰিছিল সেই-বোৰেই ভৱিষ্যতৰ পথ ৰচনা কৰা নতুন সামাজিক ৰূপবোৰক তীব্ৰ বাধা দিছিল। এই মৰণোন্মুখ শক্তিয়ে প্ৰৰোচনা মূলক উৰাবাতৰিৰপৰা গাওঁঅঞ্চলৰ সক্ৰিয় ছোভিয়েত আৰু পাৰ্টি কৰ্মীসকলক হত্যাকৰালৈকে সকলো প্ৰকাৰৰ উপায়কে প্ৰয়োগ কৰিছিল। যুক্তিসন্মতভাৱেই এই আঁকোগোজা

শক্তিটোৰ ধ্বংস আছিল অনিবাৰ্য্য ; ব্যাপক যৌথীকৰণৰ প্ৰক্ৰিয়াৰ মাজেদি ইয়াৰ ধ্বংস অবধাৰিত কৰি তোলা হৈছিল। যৌথপাম আন্দোলনে যি অৰ্থনৈতিক ভিত্তিয়ে ৰুছিয়াৰ অতি বেছি শোষণকাৰী শ্ৰেণীবোৰৰ অন্যতম কুলাকসকলৰ জন্ম দিছিল আৰু লালনপালন কৰিছিল তাক ধ্বংস কৰে। শ্ৰেণী হিচাপে কুলাকসকলক নিৰ্মূল কৰাৰ কামটো সৰ্বসাধাৰণ কৃষক ৰাইজে সম্পাদন কৰে। কৃষক-সকলৰ সভা সমিতি আৰু গাওঁ ছোভিয়েতসমূহৰ পূৰ্ণাঙ্গ অধিবেশনবোৰত কুলাকসকলক তেওঁলোকৰ সম্পত্তিৰপৰা বঞ্চিত কৰাৰ সিদ্ধান্তবোৰ লোৱা হৈছিল।

নতুন শাসনব্যৱস্থাৰ প্ৰতি কুলাকসকলৰ মনোভাবে তেওঁলোকৰ ভবিষ্যৎ নিৰ্দ্ধাৰণ কৰিছিল। যৌথীকৰণৰ প্ৰতি বিশেষভাৱে বৈৰীভাবাপন্ন কুলাকসকলক দেশৰ দূৰ-দূৰান্তৰৰ ঠাইবোৰলৈ নিৰ্বাসিত কৰা হৈছিল ; কম প্ৰতিৰোধ কৰা-সকলক মাত্ৰ অঞ্চল বা জিলাৰ পৰা উলিয়াই দিয়া হৈছিল ; আৰু যিসকল কুলাকে পৰিবৰ্তনক বাধা দিয়া নাছিল তেওঁ-লোকক গাঁৱতে থাকিবলৈ দিয়া হৈছিল আৰু বিশ্বস্ত কাৰোবাক জামিনস্বৰূপে পোৱা গলে আনকি যৌথ পামত

ভৰ্তি হবলৈকো দিয়া হৈছিল। ১৯৩০ চনৰ পৰা ১৯৩২ চনৰ ভিতৰত নিৰ্বাসিত কৰা কুলাক পৰিয়ালৰ সংখ্যা ২৪০,৭৫৭ স্পৰ্শ কৰিছিল গৈ। এই সংখ্যাটো মুঠ কৃষক পৰিয়ালৰ এক শতাংশতকৈ কম আৰু আটাইবোৰ কুলাক পামৰ প্ৰায় এক চতুৰ্থাংশ। শাৰীৰিকভাৱেই কুলাকসকলক নিশ্চিহ্ন কৰি পেলোৱাৰ কোনো কথাই উঠা নাছিল।

ছোভিয়েত ৰাষ্ট্ৰই নিৰ্বাসিত কুলাকসকলক ঋণ, খেতিৰ সা-সঁজুলি আৰু জন্তুৰে সাহায্য কৰিছিল। অকল ১৯৩০ চনতে এই উদ্দেশ্যে প্ৰায় ৮, ০০০,০০০ ৰুবল আৰু ১৫,০০০টা ঘোঁৰা বিলোৱা হৈছিল। কুলাকসকলে য'ত য'ত বসবাস কৰিবলৈ লৈছিল, তাত তেওঁলোকক বাস গৃহ দিয়া হৈছিল ; তেওঁলোকৰ প্ৰত্যক্ষ অংশ গ্ৰহণত নতুন নতুন যৌথ পাম গঢ়ি তোলা হৈছিল। বহু কুলাক শ্ৰম শিল্পত কাম কৰিবলৈ গৈছিল। কুলাকসকলক পুনৰ শিক্ষা দিয়াত আৰু সং শ্ৰমিক ৰূপে গঢ়ি তোলাত এই সকলোবোৰে লেখত লব লগীয়া ভূমিকা গ্ৰহণ কৰিছিল। নিজক সং শ্ৰমজীৱী ৰূপে প্ৰমাণ কৰা ভূতপূৰ্ব কুলাকসকলক ১৯৩৪ চনৰ মে' মাহত ভোটৰ অধিকাৰ দিয়া হল। ১৯৩৬ চনত সকলো ভূতপূৰ্ব

কৃষকক ভোটৰ অধিকাৰ ঘূৰাই দিয়া হল। তাৰে এহুতে দ্বিতীয় বিশ্ব যুদ্ধৰ সময়ত জাৰ্মান ফেচিষ্টসকলৰ বিৰুদ্ধে আত্মত্যাগী যুদ্ধ চলাইছিল আৰু ৰণাঙ্গনত সন্মান লাভ কৰিছিল।

মাটিমালিকসকলকো ছোভিয়েত ৰাষ্ট্ৰখনে একেধৰণে ক্ষমাশীল ব্যৱহাৰ কৰিছিল। ই মাটিমালিকসকলৰ মাটিৰ ওপৰত মালিকানাৰ বিলোপ সাধিছিল, কিন্তু তেওঁলোকক সমাজৰ হৈ কাম কৰিবলৈ সুযোগ দিছিল, বুঢাবসৰ কাৰণে অক্ষম হৈ পৰাসকলক পেঞ্চন দিয়া হৈছিল। ৰুছ ফেডাৰেছনৰ কৃষি বিষয়ৰ গণ কমিছাৰিয়েটৰ ১৯১৮ চনৰ ১৬ ছেপ্টেম্বৰৰ আদেশনামা এখনে স্থানীয় ভূমি সক্ৰান্ত বিভাগবোৰক প্ৰতি বিপ্লৱী কামকাজবোৰত যোগ নিদিয়া অতীতৰ মাটিমালিকসকলক মাটি দিবলৈ অনুমতি দিলে। এমাহৰ পাচত গণ কমিছাৰিয়েটে প্ৰস্তাৱ আগ বঢ়ালে যে সম্পত্তিচ্যুত কৰা সকলো অক্ষমলোকে জীৱনধাৰণৰ উপায় হিচাপে পেঞ্চনৰ কাৰণে স্থানীয় গণ আদালত বা সামাজিক নিৰাপত্তাৰ গণ কমিছাৰিয়েটৰ ওচৰত আবেদন কৰক। ভূতপূৰ্ব মাটিমালিকসকলৰ নগণ্য সংখ্যাৰ কেইজন-

মানহে যে সংভাবে জীবিকা অৰ্জনৰ সুযোগ গ্ৰহণ কৰিছিল সি ছোভিয়েত শাসনব্যৱস্থাৰ দোষ নহয়। শ্ৰমিক আৰু কৃষকসকলৰ ৰাষ্ট্ৰথনৰ প্ৰতি পূবৰ মাটিমালিকসকলৰ বেছি ভাগৰে দৃষ্টিভঙ্গী আছিল বৈৰীভাবাপন্ন। পুৰণা ব্যৱস্থা পুনৰস্থাপনৰ আশাত তেওঁলোকে প্ৰতিবিপ্লৱ আৰু বিদেশী হস্তক্ষেপ সমৰ্থন কৰিছিল।

যৌথীকৰণৰ ফলত সমাজতান্ত্ৰিক ব্যৱস্থাই নগৰ আৰু গাওঁ উভয় অঞ্চলতে বিজয় লাভ কৰিলে। ইয়াৰ কাৰণে নতুন বৈষয়িক আৰু কাৰিকৰী ভিত্তি এটা নিৰ্মাণৰ প্ৰয়োজন দেখা দিলে।

৮

# যন্ত্ৰপাতিৰ দ্বাৰা কায়িক শ্ৰমৰ স্থান গ্ৰহণ

ফৰাচী বুৰঞ্জীবিদ চাৰ্লছ বুভিযেৰে ভাবিছিল যে এই কালছোৱাত যৌথী কৰণ কৰাটো হৈছিল অতি অপৰিপক্ক কাম। ছোভিয়েত ইউনিয়নৰ ইয়াৰ কাৰণে প্ৰযোজনীয় কাৰিকৰী ভিত্তিৰো অভাব বুলি তেওঁ ভাবিছিল।

ই সঁচায়ে কায়িক পৰিশ্ৰমৰ পৰা ব্যাপক যান্ত্ৰিক উৎপাদনলৈ অবিলম্বে সংক্ৰমণ কাৰ্য্যকৰী কৰাৰ কাৰণে প্ৰয়োজনীয় বেছিভাগ বস্তুৰে ছোভিয়েত ইউনিয়নৰ নাই, কিন্তু কৃষি খাতে আধুনিক শিল্পগত পথেদি বিকাশ লাভ কৰিব পাৰে তাৰ কাৰণে ছোভিয়েত ৰাষ্ট্ৰখনে প্ৰতিষ্ঠাৰ প্ৰথম দিন কেইটাৰ পৰাই প্ৰযোজনীয় ভিত্তি নিৰ্মাণ কৰিববলৈ আৰম্ভ কৰে। ১৯১৯ চনৰ ফেব্ৰুয়াৰী মাহত সদৌ-ইউনিয়ন কেন্দ্ৰীয় কাৰ্য্যকৰী কমিটিৰ সভাত গৃহীত

সমাজতান্ত্রিক কৃষি গঢ়ি তোলা সম্পৰ্কিত অন্তবিধি আৰু তাক কাৰ্য্যকৰী কৰাৰ ব্যৱস্থাবোৰত গাওঁ অঞ্চলৰ অৰ্থনীতিত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ শেহতীয়া বিকাশবোৰ প্ৰযোগ কৰাৰ কথা বিবেচিত হয়। যি সময়ত দেশখন প্ৰতিবিপ্লৱী আৰু বিদেশী হস্তক্ষেপকাৰীসকলৰ বিৰুদ্ধে তীব্ৰ সংগ্ৰামত লিপ্ত আছিল, যি সময়ত দেশৰ অৰ্থনীতি ধ্বংসৰ মুখত উপনীত হৈছিল, সেই সময়তে লেনিনে দেশখনত ১০০,০০০ ট্ৰেক্টৰ আৰু যন্ত্ৰপাতিচালক থকাৰ সপোন দেখিছিল।

তাৰ পাছৰ বছৰত, ছোভিয়েত সমূহৰ অষ্টম সদৌ ৰুছ কংগ্ৰেছত, লেনিনে ছোভিয়েত প্ৰজাতন্ত্ৰখনৰ বৈদ্যুতিকীকৰণৰ কাৰণে সুবিখ্যাত 'গোৱেলৰো' পৰিকল্পনাখন আগ বঢ়ায়। এইখনেই আছিল আধুনিক ব্যাপক উৎপাদনৰ কাৰণে নতুন কাৰিকৰী ভিত্তিত, কৃষিকে ধৰি জাতীয় অৰ্থনীতি পুনৰ্গঠনৰ কাৰণে দীৰ্ঘম্যাদী বিজ্ঞানভিত্তিক কৰ্মসূচী।

১৯২৩ চনৰ আগভাগত ছোভিয়েত চৰকাৰে ট্ৰেক্টৰ উৎপাদন আৰম্ভ কৰাৰ এটা সিদ্ধান্ত গ্ৰহণ কৰে, এই সিদ্ধান্তত লেনিনগ্ৰাদৰ ক্ৰাছনী পুতিলোভেৎছ্ আৰু

খাৰকভ ৰেলইঞ্জিনৰ কাৰখানাকে ধৰি বিভিন্ন কাৰখানাত বছেৰেকত ৩,৪০০ টাকৈ ট্ৰেক্টৰ উৎপাদন কৰিবলৈ স্থিৰ কৰা হয়। এয়ে আছিল ট্ৰেক্টৰ শিল্পৰ প্ৰথম পদক্ষেপ। চৰকাৰে ইয়াৰ সীমিত সঙ্গতিৰ পৰাই বিদেশৰ পৰা ট্ৰেক্টৰ কিনিবলৈ বিশেষ ধন বৰাদ্দ কৰে। কিন্তু ই সমস্যা সমাধানৰ কোনো পথ নাছিল।

শিল্প সম্প্ৰসাৰণ সম্পাদন অপৰিহাৰ্য্য হৈ উঠে। ৰাষ্ট্ৰই ইয়াৰ ধনভঁৰালৰ বেছিভাগ ধনেই ধ্বংস হৈ যোৱা উদ্যোগবোৰ পুনৰ্নিৰ্মাণ আৰু নতুন নতুন কলকাৰখানা গঢ়াৰ কাৰণে বৰাদ্দ কৰিলে। উৎপাদনৰ উপায় উৎপাদন কৰা গধুৰ শিল্প নিৰ্মাণৰ ওপৰত বেছি জোৰ দিয়া প্ৰথম পাঁচবছৰীয়া পৰিকল্পনা কালত (১৯২৮-১৯৩৩) শিল্প সম্প্ৰসাৰণৰ বিশেষ অগ্ৰগতি ঘটে। স্তালিনগ্ৰাদ, খাৰকভ আৰু চেলিয়াবিন্স্ক ট্ৰেক্টৰ কাৰখানা, ছাৰাতোভ কম্বাইন হাৰ্ভেষ্টাৰ কাৰখানা, ৰস্তভ, গোমেল আৰু তাছখন্দ কৃষি যন্ত্ৰপাতিৰ কাৰখানা আদিৰ দৰে বৃহৎ উদ্যোগবোৰ আছিল প্ৰথম কাৰখানাবোৰৰ কেইটামান। ব্যাপক যৌথীকৰণ যেতিয়া তীব্ৰতমভাৱে চলোৱা হৈছিল, সেই সময়ত ১৯৩০

চনত ট্ৰেক্টৰ উৎপাদন কৰা ছোভিয়েতৰ সৰ্বপ্ৰথম কাৰখানা ষ্টালিনগ্ৰাদ ট্ৰেক্টৰ কাৰখানাটোৰ উৎপাদন আৰম্ভ হয়।

ক্ৰমান্বয়ে ট্ৰেক্টৰে পথাৰত ঘোঁৰাৰ ঠাই দখল কৰি লয়। ১৯২৮ চনত, ব্যাপকভাৱে যৌথীকৰণৰ কাম আৰম্ভ কৰাৰ আগতে ছোভিয়েত পামবোৰত ২৭,০০০টা ট্ৰেক্টৰ আছিল। এই সংখ্যা ১৯৪০ চনত ৫৩১,০০০ লৈ আৰু ১৯৬৬ চনত ১,৭০০,০০০ লৈ বাঢ়িল।

১৯১৬ চনত কৃষি কামত বিদ্যুৎ শক্তি ব্যৱহাৰ কৰা হৈছিল ২৩,৯০০,০০০ অশ্বশক্তি; ১৯৬৬ চনত সি হলগৈ ২৫০,১০০,০০০ অশ্বশক্তি। আজি প্ৰতি ১০০ হেক্টৰ খেতিৰ মাটিৰ কাৰণে বিদ্যুৎ শক্তি পোৱা যায় ১০০ অশ্বশক্তি, প্ৰাক বিপ্লৱ যুগত সি আছিল ২০ অশ্বশক্তি। এই বাৰছোৱাত প্ৰতিজন পাম শ্ৰমিকৰ ভাগত পৰা বিদ্যুৎ-শক্তিৰ পৰিমাণ ০.৫ অশ্বশক্তিৰ পৰা ৭৭ অশ্বশক্তিলৈ অৰ্থাৎ ১৫ গুণৰ বেছি বাঢ়িল। পৰিসংখ্যানৰ ফালৰ পৰা হিচাপত ধৰা নহয় যদিও, প্ৰায় ৬০,০০০,০০০ হেক্টৰ মাটি জুৰি ঘাঁহ-বন পোক-পতঙ্গৰ বিৰুদ্ধে অবিৰাম ৰাসায়নিক

যুদ্ধ চলোৱা কৃষি-বিমানবোৰৰ সামৰ্থ্যৰ কথাও বিবেচনা কৰা দৰ্কাৰ।

কৃষিকামত নিয়োগ কৰা শক্তিৰ চৰিত্ৰৰ ক্ষেত্ৰতো বৈপ্লৱিক পৰিৱৰ্তন সধা হৈছে। ইয়াত ব্যৱহাৰ কৰা মুঠ শক্তিৰ ৯৮ শতাংশই এতিয়া যন্ত্ৰই যোগায়। নাঙল আদি টনা জন্তুবোৰেই পামৰ একমাত্ৰ গতিদায়ক শক্তি হৈ থকা দিন আৰু নাই।

তুলনামূলকভাৱে কম সময়ৰ ভিতৰতে গাওঁ অঞ্চললৈ পঠোৱা আধুনিক যন্ত্ৰপাতিৰ বিপুল সৰবৰাহে যৌথ পাম ব্যৱস্থাৰ কাৰণে এটা শিল্পগত ভিত্তি স্থাপন কৰে। এই যন্ত্ৰপাতিবোৰ সকলো যৌথ কৃষকে পায়। সমগ্ৰ দেশ জুৰি ছোভিয়েত কৃষিৰ যান্ত্ৰিকীকৰণ সম্পাদন কৰা হয়। ৰাষ্ট্ৰই স্থাপন কৰা যন্ত্ৰ আৰু ট্ৰেক্টৰ কেন্দ্ৰবোৰে যান্ত্ৰিকীকৰণত বিৰাট সহায় কৰে। এই কেন্দ্ৰবোৰে ঠিকাচুক্তি ভিত্তিত যৌথ পামবোৰক কাম কৰি দিয়ে। এইবোৰে মাটি চহায়, শস্য দায়, যন্ত্ৰচালক, ড্ৰাইভাৰ আৰু অন্যান্য শিল্পগত কাম সম্পৰ্কে কৃষকসকলক শিক্ষা দিয়ে; কৃষি সম্পৰ্কিত জ্ঞানৰ প্ৰসাৰ ঘটায়, বেছি ফলদায়ক বিজ্ঞানভিত্তিক কৃষিব্যৱস্থাৰ

কাৰণে অপ্ৰচলিত কৃষিগত প্ৰথাবোৰ এৰি দিবলৈ কৃষক-সকলক বুজায় আৰু যন্ত্ৰৰদ্বাৰা উৎপাদনৰ ভিত্তিত ব্যাপক যৌথ অৰ্থনীতি কেনেকৈ সংগঠন আৰু পৰিচালনা কৰিব লাগে তাক শিকায়।

এই কেন্দ্ৰবোৰে কৃষকসকলৰ উদ্যোগ আৰু ৰাষ্ট্ৰই যোগান ধৰা সাংগঠনিক আৰু কাৰিকৰী সাহায্যৰ সম্পূৰ্ণ সমন্বয় ঘটায়।

১৯৫৭ চনত এম-টি-এছ-ক মেচিন আৰু মেৰামতী কেন্দ্ৰ হিছাপে পুনৰ্গঠন কৰা হ'ল আৰু ইয়াৰ যন্ত্ৰপাতিবিলাক বিক্ৰী কৰা হ'ল সেই সময়ৰ সাংগঠনিক আৰু অৰ্থনৈতিক দুয়োফালে যথেষ্ট অভিজ্ঞতা থকা যৌথপামবিলাকৰ ওচৰত।

শিল্পৰ ক্ষেত্ৰতো ছোভিয়েত গাওঁবিলাক দৃঢ়ভাৱে শক্তিশালী হৈ উঠিছে। হালবোৱা, বীজ সিঁচা আৰু শস্য চপোৱা আদি প্ৰায়বিলাক প্ৰধান প্ৰধান পথাৰৰ কাম মেচিনৰদ্বাৰা কৰা হয়। তথাপিতো এতিয়াও কৃষি ক্ষেত্ৰত সৰ্বত্ৰ যান্ত্ৰিকীকৰণৰ সাফল্য অৰ্জন কৰিবলৈ বাকী আছে। আলু ৰোৱা, শাৰীবদ্ধভাৱে শাকপাচলিৰ খেতি

কৰা আৰু খেৰ আদি দ'ম কৰি থোৱা তথা অন্যান্য পথাৰৰ কাম আৰু বাৰীৰ কামকাজৰ ক্ষেত্ৰত এতিয়াও সম্পূৰ্ণ যান্ত্ৰিকীকৰণ হোৱা নাই। পশুপালনৰ ক্ষেত্ৰতো বহুখিনি যান্ত্ৰিকীকৰণ কৰিবলৈ বাকী আছে।

কৃষিত আৰু বিশেষকৈ পশু প্ৰজননত প্ৰয়োজনীয় যন্ত্ৰপাতি আৰু পামৰ সা-সৰঞ্জামৰ অভাৱ এতিয়াও কিয় আছে? এই প্ৰশ্নৰ উত্তৰ দিবলৈ হলে জাৰতান্ত্ৰিক ৰুছিয়াৰ অসাধাৰণ কাৰিকৰী আৰু অৰ্থনৈতিক পশ্চাদ-পদতাৰ কথা সদায় মনত ৰাখিব লাগিব। কৃষি যান্ত্ৰিকী-কৰণ কৰাৰ উদ্দেশ্যে চোভিয়েত ৰাষ্ট্ৰই গোটেই অৰ্থনীতিৰ পুনৰ্গঠন সম্পন্ন কৰিব পৰা এটা শিল্প প্ৰতিষ্ঠা কৰিব লগা হৈছিল। আৰু নাৎসী আক্ৰমণৰ ফলত হোৱা বিৰাট ক্ষয়ক্ষতিৰ কথাও পাহৰিব নালাগিব। যুদ্ধৰ কালছোৱাত যুদ্ধকালীন উৎপাদনৰ কাৰণে হেজাৰ হেজাৰ শিল্প প্ৰতিষ্ঠান পুনৰ্গঠন কৰা হ'ল; বহুতো কাৰখানা ধ্বংস হৈ গ'ল। যৌথপাম আৰু ৰাষ্ট্ৰীয় পামবিলাকৰ ট্ৰেক্টৰসমূহৰ সংখ্যা ১৯৪০ চনৰ ৫৩১ হেজাৰখনৰ পৰা কমি আহি ১৯৪৫ চনত ৩৯৭ হেজাৰখন পালেহি আৰু ইয়াৰ বেছিভাগেই শোচনীয়-

ভাৱে মেৰামতী কৰা অৱস্থাত আছিল। সমগ্ৰ অৰ্থনীতি টোকেই নতুনকৈ নিৰ্মাণ কৰিব লগা হৈছিল। শিল্প প্ৰতিষ্ঠানবিলাক পুনৰ নিৰ্মাণ কৰিব লগা হৈছিল আৰু ট্ৰেক্টৰ শিল্পৰ পুনৰ উত্থান কৰিব লগা হৈছিল।

কৃষিক্ষেত্ৰত বিনিয়োগ আৰু তাৰ যান্ত্ৰিকীকৰণ অযৌক্তিকভাৱে চমুৱাই দিয়াৰ দৰে পামৰ উন্নতি কমি অহাৰ অন্যান্য অন্তৰ্মুখী হেতু আছে যিটো ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ ২৩তম কংগ্ৰেছত যথাযথ-ভাৱেই দোষাৰোপ কৰা হৈছিল।

এই সকলোবিলাক আহুকাল আৰু বাধাবিপত্তি অতিক্ৰম কৰি দেশখনে বৰ্তমানৰ পাঁচ বছৰৰ সময়-ছোৱাত গাঁও অঞ্চলবিলাকৰ শিল্পভিত্তি শক্তিশালী কৰি তুলিবৰ কাৰণে সুদূৰ-প্ৰসাৰী আঁচনি তৈয়াৰ কৰিছে। ১৯৬৬ আৰু ১৯৭০ চনৰ ভিতৰত গাঁওবিলাকে পাব ১,৭৯০,০০০ খন ট্ৰেক্টৰ, ১,১১০,০০০ খন মটৰ গাড়ী ৫৫০,০০০ খন কম্বাইন আৰু নানা ৰকমৰ অন্যান্য যন্ত্ৰপাতি। অব্যৱহাৰ্য্য যন্ত্ৰপাতি লেখত নধৰাকৈয়ো ৰাষ্ট্ৰীয় আৰু যৌথপামবিলাকৰ ট্ৰেক্টৰৰ সংখ্যা হ'বগৈ ২,৪৯০,০০০ খন।

এই সংখ্যা ১৯৬৫ চনতকৈ শতকৰা ৫০ ভাগ বেছি আৰু এই একে সময়ছোৱাৰ ভিতৰতে শস্য চপোৱা কম্বাইনৰ সংখ্যা শতকৰা ৫০ ভাগ আৰু লৰীৰ সংখ্যা শতকৰা ৩৭ ভাগ বাঢ়ি যাব।

ছোভিয়েত কৃষিত কাৰিকৰী উন্নতি দেখিবলৈ পোৱা যায় পামৰ যন্ত্রপাতি আদিৰ মৌলিক উন্নতিৰ ক্ষেত্রত আৰু ব্যাপক যান্ত্রিকীকৰণ তথা অটোমেচন প্রবর্তন কৰাৰ ক্ষেত্রত। আগৰ প্ৰতি ঘণ্টাত ৩-৪ কিলোমিটাৰ শক্তি সম্পন্ন ট্রেক্টৰৰ ঠাইত বৰ্তমানৰ ৫-৯ কিলোমিটাৰ উচ্চ শক্তি সম্পন্ন ট্রেক্টৰৰ বেছি উৎপাদনক্ষমতা আছে। হাই-স্পীড মাল্টি-বো কম্বাইনড প্লেনটাৰছ আৰু ৰিপাৰেৰে (শস্য কটা) সৈতে উচ্চ শক্তিসম্পন্ন (প্রতি ঘণ্টাত ৯-১৫ কিলোমিটাৰ) ট্রেক্টৰ নিৰ্মাণ হৈ আছে। জনপ্রিয় চিকে-৪ গ্ৰেইন-কম্বাইনখনত নতুন কৌশল প্রয়োগ কৰা হৈছে যাৰ দ্বাৰা মেচিনটোৱে স্বয়ংক্রিয়ভাৱে পথাৰৰ গঠন সম্পৰ্কে বিচাৰ কৰি চাব পাৰে আৰু শস্য সংগ্ৰহৰ সময়ত নিৰ্দিষ্ট সমতাত শস্য চপাব পাৰে, এটা লঘু আৰু সুন্দৰ চিগনেল ব্যৱস্থাই মেচিনৰ প্ৰধান প্ৰধান অংশবিলাক পৰীক্ষা কৰে

সঘনাই বতাহ হোৱাৰ ফলত মাটি খহি যোৱা অঞ্চলত চহোৱাৰ কাৰণে অৰভূমি ওলট-পালট কৰাত বাধা দিয়া মেচিনৰ লগত বহল-নাঙল আৰু বিশেষ ধৰণৰ শস্য সিঁচা মেচিন সংযোগ কৰি দিয়া হয়।

পানী ছটিওৱা যন্ত্র আৰু অন্যান্য জলসিঞ্চনৰ আহিলা-পাতিবিলাক আধুনিকীকৰণ কৰা হৈছে। পশুপালন পাম-বিলাক ব্যাপকভাৱে যান্ত্রিকীকৰণ কৰাৰ উদ্দেশ্যে যন্ত্রপাতিৰ উৎপাদন বঢোৱাৰ ক্ষেত্রত বিশেষ গুৰুত্ব আৰোপ কৰা হৈছে।

কৃষিকাৰ্য্যত বৃহৎ পৰিসৰত অটোমেচন প্রৱর্তন কৰা হৈছে। শস্য পৰিষ্কাৰ আৰু শুকোৱাবৰ কাৰণে বহুমুখী-কাৰ্য্য কেন্দ্রবিলাকত আৰু লগে লগে জলসিঞ্চনৰ কামকাজত তথা পশুপালন পামবিলাকতো অটোমেচন প্রবর্তন কৰা হৈছে। ট্রেক্টৰসংলগ্ন যন্ত্রপাতিবিলাক আৰু স্বয়ংচালিত কম্বাইন পৰিচালনা কৰিবৰ কাৰণে, বোজা অনুসৰি ট্রেক্টৰৰ গতিবেগ নিয়মীয়া কৰি ৰাখিবৰ কাৰণে আৰু দৃঢতাৰে সৈতে এঢলীয়া মাটিত চলাবৰ কাৰণে, আন আন ভালেমান গুৰুত্বপূর্ণ প্রক্রিয়াবোৰ আৰু কামৰ মাজতে, সর্বাধুনিক স্বয়ংক্রিয় কৌশল প্রয়োগ কৰা হৈছে।

অহা কেইবছৰমানৰ ভিতৰত ৰাষ্ট্ৰীয় আৰু যৌথপাম-বিলাকে বুজন সংখ্যক অন্যান্য আধুনিক যন্ত্ৰপাতি পাব। ছোভিয়েত বিজ্ঞানীসকলে কৃষি কাৰ্যত ব্যাপক ভাৱে যান্ত্ৰিকীকৰণৰ কাৰণে বহু যন্ত্ৰপাতি নিৰ্মাণ কৰিছে। এই যন্ত্ৰপাতি-বিলাক দেশৰ নানান ধৰণৰ কৃষি কাৰিকৰীবিদ্যাৰ আৰু নানান মাটি তথা জলবায়ুৰ অৱস্থাৰ উপযোগীকৈ নিৰ্মাণ কৰা হৈছে। কৃষিৰ সকলোবিলাক শাখাতেই ব্যাপকভাৱে যান্ত্ৰিকীকৰণ সফল কৰি তুলিবলৈ হলে বৃহৎ জাতীয় পৰিসৰত ৮৫১ ধৰণৰ যন্ত্ৰপাতি আৰু সা-সঁজুলি প্ৰৱৰ্তন কৰিব লাগিব। ছোভিয়েতৰ কলকাৰখানাবিলাকে ইতিমধ্যেই পামৰ প্ৰয়োজনীয়সংখ্যক যন্ত্ৰপাতিৰ ( ৪৫১ ) আধাতকৈও বেছি নিমাণ কৰিছে ঃ কিছুমান নিৰ্মাণৰ পথত আৰু আনাবিলাক এতিয়াও কৰিবলৈ বাকী আছে।

যন্ত্ৰকৌশল যিমানেই আধুনিক হয় সিমানেই হয় তাৰ অৰ্থনৈতিক উপকাৰিতা। ছোভিয়েত চৰকাৰৰ এটা সিদ্ধান্তৰ ভিত্তিত পামৰ যন্ত্ৰপাতিৰ দাম যথেষ্ট পৰিমাণে কমাই দিয়া হল ১৯৬৮ চনৰ জানুৱাৰীৰ পৰা।

নতুন পাঁচ বছৰীয়া পৰিকল্পনাত ৮০খন নতুন কৃষি

যন্ত্ৰপাতিৰ শাল আৰু কাৰখানা নিৰ্মাণৰ কাৰণে চাৰিশ কোটি ৰুবলৰো অধিক ধন বৰাদ্দ কৰাৰ কথা ধৰা হৈছে।

যৌথ আৰু ৰাষ্ট্ৰীয় পামবিলাকৰ বৈদ্যুতিকীকৰণৰ কাম ক্ষিপ্ৰ গতিত আগবাঢ়িছে। ১৯৭০ চনত এই পামবিলাকে ৬০০-৬৫০ কিলোৱাট বৈদ্যুতিক শক্তি পাব (১৯৬৫ ৰ তুলনাত তিনিগুণ বৃদ্ধি) আৰু এই শক্তি প্ৰধানতঃ আহিব ৰাষ্ট্ৰীয় বিদ্যুৎ কেন্দ্ৰৰ পৰা। ১৯৬৭ চনত সকলো যৌথ আৰু ৰাষ্ট্ৰীয় পামৰ বৈদ্যুতিকীকৰণ সমাধা হৈ গৈছে।

কৃষি ক্ষেত্ৰত যান্ত্ৰিকীকৰণৰ লগে লগে গাওঁ অঞ্চলবিলাকে কাৰিকৰী শিক্ষাপ্ৰাপ্ত বহু কৰ্মী পাব। ১৯৬৬ চনত যৌথ আৰু ৰাষ্ট্ৰীয় পামবিলাকে উচ্চ অথবা বিশেষ মাধ্যমিক শিক্ষাপ্ৰাপ্ত ৬৩ হাজাৰৰো অধিক ইঞ্জিনিয়াৰ আৰু কাৰিকৰ, ৩০ লাখৰো অধিক ট্ৰেকটৰ আৰু কম্বাইন পৰিচালক আৰু ড্ৰাইভাৰ নিয়োগ কৰিছিল। এই সংখ্যা ১৯৫০ চনৰ তুলনাত দুগুণ বেছি। কৃষক আৰু পামকৰ্মীৰ মুঠ সংখ্যাৰ লগত ওপৰোক্ত সংখ্যাৰ অনুপাত পাঁচৰ পৰা শতকৰা ১২ ভাগলৈ বাঢ়ি গৈছে।

যৌথ আৰু ৰাষ্ট্ৰীয় পামবিলাকৰ পক্ষে শিল্প শক্তিৰ এটা

নির্ভৰযোগ্য উৎস হ'ল সমগ্ৰ ছোভিয়েত অৰ্থনীতি আৰু সবাতোপৰি কৃষকসহ সমগ্ৰ ছোভিয়েত জনগণৰদ্বাৰা নিৰ্মিত গধুৰ শিল্প।

যৌথ আৰু ৰাষ্ট্ৰীয় পামবোৰে যে এক প্ৰগতিশীল কৃষি ব্যৱস্থা বুজায়, সেই কথা আন এটা অৱস্থানৰ পৰা দেখা যায়। পশ্চিমীয়া বিশেষজ্ঞসকলৰ মতে আধুনিক কৃষিপামৰ যন্ত্ৰপাতিবোৰ যুক্তিযুক্তভাৱে ব্যৱহাৰ কৰিবলৈ হলে ১৬০ হেক্টাৰৰ কম যাতে নহয় এনে শস্য পথাৰৰ প্ৰয়োজন হয়। বৰ্তমান ছোভিয়েত কৃষি বিকাশ চিহ্নিত হৈছে বৃহৎ পৰিসৰ যান্ত্ৰিকীকৰণৰদ্বাৰা, আৰু এইদৰেই বিৰাট পৰিসৰ শস্য পথাৰত ( গড়ে প্ৰতি যৌথপামত ২৮০০ হেক্টাৰ আৰু প্ৰতি ৰাষ্ট্ৰীয় পামত ৭৫০০ হেক্টাৰ ) খেতি কৰাৰ ওপৰত সঠিক-ভাৱে নিভৰশীল যৌথ আৰু ৰাষ্ট্ৰীয় পাম ব্যৱস্থাৰ সকলো-বিলাক সা সুবিধা আছে যিবোৰ পামৰ যন্ত্ৰপাতিবোৰ অতি সুদক্ষভাৱে ব্যৱহাৰ কৰাৰ মাজেদি লাভ কৰা যায়।

যদিও চাৰ্লচ বওভিযাৰে যৌথীকৰণৰ সময় হোৱা নাই বুলি কৈছে তেওঁ যৌথপামৰ খেতিক কৃষি উৎপাদন যান্ত্ৰিকীকৰণৰ আৰু উন্নীতকৰণৰ মৌলিক উপায় বুলি

ভাবে। কৃষিৰ যান্ত্ৰিকীকৰণ প্ৰবৰ্ত্তন কৰি আৰু শস্য আহৰণৰ পৰিমাণ স্থিৰভাৱে বৃদ্ধি কৰি যৌথপাম কৃষি ব্যৱস্থাই আমাৰ দিনৰ মূল সমস্যাবোৰৰ এটা সমাধান কৰাত সহায় কৰে।

৯

# ভূমিৰ ৰূপান্তৰ

ছোভিয়েত কৃষিপামৰ খেতিৰ পথাৰবোৰৰ সীমা নেদেখি—একো একোডোখৰে বিৰাট ঠাই জুৰি আছে। অক্টোবৰ বিপ্লৱৰ পিছত খেতিৰ মাটিৰ পৰিমাণ আগতকৈ ১০০,০০০,০০ হেক্টৰ অধিক কৰা হৈছে আৰু ১৯৬৭ চনত দেশৰ ২২৪ ০০০,০০০ হেক্তৰ মাটি খেতিৰ পথাৰে জুৰি লৈছে। ৰুচিয়াত অক্টোবৰ বিপ্লৱৰ আগৰ সমগ্ৰ কালছোৱাত যিমান মাটি খেতিৰ উপযোগী আছিল। ছোভিয়েতৰ হাতলৈ ক্ষমতা অহাৰ ৫০ বছৰৰ ভিতৰতে প্ৰায় সমান পৰিমাণৰ মাটি খেতিৰ পথাৰত পৰিণত কৰা হৈছে।

নতুন মাটি ভাঙি উলিওৱাৰ কাৰণে ৰুছিয়াৰ খেতিয়কে কিমান কষ্ট কৰিবলগীয়া হৈছিল তাক বুজিবলৈ দূৰ অতীতলৈ উভতি চাব নালাগে। আনকি যোৱাটো

শতিকাতে বটা-বকৰাণি ভাঙি খেতিৰ মাটি উলিওৱা কাম বৰ শামুকীয়া গতিত চলিছিল, সহজতে খেতি কৰিব পৰা ঠাইবোৰতহে খেতি কৰা হৈছিল। ছাইবেৰিয়া আৰু কাজাখস্থানৰ বিস্তীৰ্ণ তৃণাঞ্চল, মধ্য এছিয়াৰ মৰু-অঞ্চল আৰু বীয়েল'ৰুছিয়া, লিথুৱানিয়া, লাৎভিয়া, এস্তোনিয়া আৰু উত্তৰ-পশ্চিম ৰুছিয়াৰ জলাহ অঞ্চল তেনেকৈয়ে পৰি আছিল।

এই মাটিবোৰত যি বিৰাট সম্পদ লুকাই আছিল তাক কামত লগাবলৈ ৰুছিয়াৰ কৃষকৰ হাতত নাছিল কোনো সঁজুলি, নাছিল একো উপকৰণ। অ'ত ত'ত সিঁচৰতি হৈ পৰি থকা সৰু সৰু খেতিৰ পথাৰ, মান্ধাতাকলীয়া কাঠৰ খেতিৰ সঁজুলি লৈ খেতিয়কে তেওঁলোকৰ দুখ লগাকৈ তাকৰীয়া মাটি কেইডৰাকেই চহাই লৈ খেতি কৰিব নোৱাৰে, জলাহ পিটনি বা মৰু-অঞ্চল ভাঙি খেতি কৰাটো দূৰৰ কথা। সহায়-সাৰথি কৰিবলৈকো কেওঁ নাই। যাৰ যিকণ সমল আছে তাৰ ওপৰতেই ভাৰসা কৰি ভাগ্যক ধিয়াই আশা পালি বহি থকা আৰু প্ৰকৃতিৰ ইচ্ছাৰ ওপৰতে সম্পূৰ্ণৰূপে নিৰ্ভৰ কৰাই আছিল সেইদিনৰ খেতিয়কৰ দশা।

আজিও তো প্ৰকৃতিক জয় কৰাটো আশা হৈয়ে আছে। বাৰম্বাৰ দবে সৰ্বনাশীয়া ঘটনাবোৰে আমাৰ দেশৰ বহু অঞ্চলত প্ৰায়ে খেতিৰ ফল নিৰ্ণয় কৰিছে। কিন্তু আধুনিক বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতি প্ৰকৃতিৰ সৰ্বনাশী প্ৰভাৱ হ্ৰাস কৰাত, আৰু কোনো কোনো ক্ষেত্ৰত প্ৰশমিত কৰাত সফলকাম হৈছে। সমাজতান্ত্ৰিক কৃষি-ব্যৱস্থাই ছোভিয়েতৰ খেতিয়কক অনুপযোগী প্ৰাকৃতিক পৰিৱেশৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰিবৰ কাৰণে অফুৰন্ত সুযোগ দিছে। ছোভিয়েত খেতিয়কে প্ৰকৃতিক নতুনকৈ গঢ়িব বলৈ খেতি আৰু মানুহৰ প্ৰয়োজন অনুসৰি তাক কামত লগাবলৈ শিকি পেলাইছে।

সৰহভাগ ছোভিয়েত কৃষিপামৰে প্ৰাকৃতিক আৰু বতৰৰ পৰিৱেশ যেনে হব লাগিছিল সমূলি তেনে নহয়। দেশৰ খেতিৰ পথাৰৰ শতকৰা ১ ভাগতহে লগাৰ জোখাৰে বৰষুণ হয় (বছৰি ৭০০ মি. মি ৰ অধিক), কিন্তু আমেৰিকাৰ যুক্তৰাজ্যত খেতিৰ পথাৰৰ শতকৰা ৬০ ভাগতে যথেষ্ট পৰিমাণে বৃষ্টিপাত হয়। ছোভিয়েত কৃষি-পামৰ শতকৰা ৪০ ভাগত লগাতকৈ কম বৰষুণ হয় (বছৰি

৪০০ মি. মি. ৰ কম ), আমেৰিকাৰ যুক্তৰাজ্যত হয় শতকৰা ১১ ভাগ খেতিৰ মাটিত। ককেছীয় কৃষ্ণ-সাগৰ উপকূলৰ অনতি-গ্ৰীষ্মমণ্ডল আৰু মধ্য এছিয়াত বছৰত দুটা কি তিনিটা খেতি হয়। উক্ত অঞ্চলটো ছোভিয়েত ইউনিয়নৰ এটা সামান্য অংশ মাথোন। কিন্তু আনহাতে ইউৰোপৰ ভালেকেইখন ৰাষ্ট্ৰ লগ লগালে যিমান ঠাই হব সিমানমান ঠাই জুৰি থকা ছাইবেৰিয়াৰ বিশাল অঞ্চলত কৰা শস্য পকিবলৈ নৌ পাওঁতেই শীতকালৰ বৰফ পৰিবলৈ আৰম্ভ কৰেই। পছিমফালে মাটিৰ পৰা অলাগতিয়াল পানীখিনি উলিয়াই পেলাব লগীয়া হয়। ইফালে পূব অঞ্চলত পানীৰ অভাৱত মাটি চিডাল ফটা দিয়ে।

মাটি জাতীয় সম্পদৰ অফুৰন্ত উৎস, কৃষি উৎপাদনৰ ভেটি। ছোভিয়েত শাসন-ব্যৱস্থাই পাটত উঠিয়েই দেশৰ খেতিৰ মাটি সম্বন্ধে বৰ আগ্ৰহেৰে ভাবিবলৈ আৰম্ভ কৰে আৰু, খেতিৰ মাটিৰ ( ছইল ) উৎকৰ্ষ সাধন কৰাত আৰু যি মাটিত যি খেতি যিমান পৰিমাণে হব লাগে—তাক কৰাৰ ব্যৱস্থা লয়। এই ব্যৱস্থাৰ এটা পৰিষ্কাৰ উদাহৰণ হ'ল ১৯১৮ চনত জলসিঞ্চনৰ কাৰণে ৫০,০০০,০০০ ৰুবল

আগবঢাই লেনিনে স্বাক্ষৰ কৰা ঘোষণা। সেই সময়ত চালুকীয়া সাধাৰণতন্ত্ৰ খনক জুয়ে আগুৰি ধৰি আছিল, ভিতৰত ই হস্তক্ষেপকাৰী আৰু অভ্যন্তৰীণ প্ৰতিবিপ্লৱী শক্তিবোৰক পিছ হঁোহকাই পঠাবৰ কাৰণে যুঁজি থাকিব লগীয়া অৱস্থাত আছিল। শত্ৰুৰ বিৰুদ্ধে চলি থকা সংগ্ৰামৰ চূড়ান্ত পৰ্য্যায়তো ছোভিয়েত ৰাষ্ট্ৰখনে খেতিয়কক যন্ত্ৰপাতি আৰু কঠীয়াৰ যোগান ধৰিবলৈ উপায় উলিয়াই লৈছিল। ১৯১৮ চনৰ সেই দুৰ্যোগ-বিপদৰ বছৰটোত দেশে যোতিয়া প্ৰতি টুকুৰা ধাতু দেশৰ সম্পদ ৰক্ষা কৰাত নিয়োজিত কৰিছিল, তেতিয়াও চাৰিশ কাৰখানাত খেতিৰ যন্ত্ৰপাতি সাজি গাঁৱত যোগান ধৰা হৈছিল।

হস্তক্ষেপকাৰী আৰু হোৱাইট্ গাড্‌বোৰক পৰাস্ত কৰি ছোভিয়েত চৰকাৰে দেশৰ শোচনীয়ভাৱে দুদশাগ্ৰস্ত অৱস্থাৰ পৰা শিল্প আৰু কৃষিক পুনৰ থানথিত লগোৱা কামত হাত দিয়ে। ১৯২০ চনত লালফৌজৰ সৈন্যসকল তেওঁলোকৰ নিজ নিজ গাঁৱলৈ উভতি আহি কান্ধত নাঙল ললে। তেওঁলোকৰ সমুখত কৰ্তব্য মহৎ আৰু কঠিন। ১৯২২ চনত ছোভিয়েতত খেতিৰ মুঠ মাটি আছিল

৭৭,৭০০,০০০ হেক্তৰ ১৯১৩ চনৰ পৰিমাণতকৈ ই ৪০,০০০,০০০ হেক্তৰ কম। অৱশ্যে খেতিয়কৰ জেগাবোৰ অকল খেতিয়কৰ গাতেই জাপি দিয়া হোৱা নাছিল— শ্ৰমিক শ্ৰেণী আৰু ছোভিয়েত ৰাষ্ট্ৰয়ো ইয়াৰ ভাগ লৈছিল। নগৰবাসীৰা গাঁৱলৈ যোগান ধৰা যন্ত্ৰপাতিৰ সংখ্যা বঢ়াই দিয়া হৈছিল। ফলত ১৯২৩ চনত বিপ্লৱৰ আগৰ কালতকৈ দুগুণ বেছি লোহাৰ ফাল আৰু দুগুণৰো বেছি কঠীয়া সিঁচা কল গাওঁবোৰে পাব পাৰিছে। ১৯২৫ চনত দেশৰ খেতিৰ মাটিৰ পৰিমাণ বাঢ়ি ১০৪,৩০০,০০০ হেক্তৰ হয়।

কৃষিত যৌথপাম ব্যৱস্থাৰ প্ৰৱৰ্তন সফলকাম হোৱাৰ লগে লগে, খেতিৰ পথাৰো দ্ৰুতগতিত বাঢ়িবলৈ ধৰিলে। যৌথ কৃষিপাম ব্যৱস্থাৰ ব্যাপক প্ৰৱৰ্তনৰ দুবছৰৰ পিছত খেতিৰ মাটিৰ পৰিমাণ হয়গৈ ১৩৪,০০০,০০০ হেক্তৰ, আৰু ১৯৪০ চনত, ১৫০,৬০০,০০০ হেক্তৰ। হিটলাৰৰ আক্ৰমণৰ পিছত, ১৯৪৫ চনত খেতিৰ মাটিৰ পৰিমাণ কমি ১১৩,৮০০,০০০ হেক্তৰ হয়গৈ। কিন্তু ১৯৫৩ চনত যুদ্ধৰ আগৰ পৰিমাণতকৈ ৭,০০০,০০০ হেক্তৰ পৰিমাণৰ মাটি বেছি হয়। সেই

সময়ৰ পৰাই খেতিৰ মাটিৰ পৰিমাণ ক্ৰমাগতভাৱে বাঢ়িয়ে আছে।

নতুন মাটি উলিয়াই খেতিৰ উপযোগী কৰি গৈ থকা হৈছে। যোৱা ষষ্ঠ দশকটোত দেশৰ পূৰ্বাঞ্চলত ন-মাটি ভাঙি আৰু পতিত মাটি চহাই উলিওৱা হৈছে। ১৯৫৩ চনত ইয়াৰ পৰিমাণ আছিল ৪৫,৮০০,০০০ হেক্তৰ; ১৯৬৪ চনত হৈছে ৮৯,০০০,০০০ হেক্তৰ; সেই কালছোৱাৰ ভিতৰতে বিক্ৰয়যোগ্য শস্যৰ পৰিমাণ তিনিগুণ বাঢ়িছে।

ন-মাটি আৰু ছনপৰা মাটি কৃষিজাত উৎপাদনৰ অতিৰিক্ত উৎস হৈ উঠিছে।

নন অঞ্চলৰ উন্নয়ন কৰোতে ছোভিয়েত ইউনিয়নে ভোগ কৰা কষ্টৰ বিষয়ে পাশ্চাত্যজগতত প্ৰচুৰ লিখা হৈছে। ভাঙি উলিওৱা ন-মাটিৰ কৃষিপামবোৰ জহান্নামে যাব বুলি ভৱিষ্যদ্বাণী কৰা হৈছিল; পিছে সেইবোৰ বাঢ়িহে উঠিছে আৰু দিনকদিনে সি নতুন নতুন সফলতা লাভ কৰিছে। অৱশ্যে কামবোৰ যে হেলাৰঙে হৈ উঠিছিল তেনেটোও নহয়। ক্ৰুটী-বিচ্যুতিয়ে দেখা দিছিল, আৰু দুৰ্ভাগ্যক্ৰমে ভুলো কৰা হৈছিল। উদাহৰণ স্বৰূপে, স্থানীয় অৱস্থা

যথেষ্টভাৱে বিবেচনা নকৰাকৈয়ে, বাকৰি মাটিত খেতি কৰা হৈছিল; ভালেমান বছৰ একেৰাহে বসন্তকালৰ শস্যকে কৰা হৈছিল; অনাবাদী মাটি আৰু বাৰমহীয়া ঘাঁহনি মাটিত শস্য ৰোপণ কৰা হৈছিল। এই আটাইবোৰ ভুলকেই ধৰা পেলাই শুধৰাই লোৱাও হৈছিল অৱশ্যে।

উত্তৰ কাজাখস্তান আৰু পশ্চিম ছাইবেৰিয়াৰ ন মাটি-বিলাকৰ খেতিবাতি কৰি তাৰ উন্নয়ন সাধন কৰাৰ সমস্যা আলোচনা কৰিবলৈ ৎসেলিনোগ্ৰাদত লেনিন কৃষি-বিজ্ঞান একাডেমিৰ এক বিশেষ অধিৱেশন পাতি সেই সেই অঞ্চলৰ কাৰণে যুক্তিপূৰ্ণ কৃষি পদ্ধতি প্ৰয়োগৰ পন্থা নিৰ্দ্ধাৰণ কৰা হয়।

ভালেমান বৈজ্ঞানিক পৰামৰ্শ কামত খটুওৱা হয়। কাজাখস্তানৰ বহু অঞ্চলত চেপেটা নাঙলৰ প্ৰৱৰ্তন কৰা হয়। বাৰমহীয়া ঘাঁহ গজিবৰ কাৰণে বেছি মাটি লগোৱা হৈছে আৰু পতিতকৈ ৰখা হৈছে। ন মাটিৰ উৰ্বৰতা পুনৰুদ্ধাৰ আৰু বৃদ্ধি কৰিবৰ কাৰণে সকলোপ্ৰকাৰে চেষ্টা কৰা হৈছে। আৰু মানুহৰ শ্ৰমৰ প্ৰতিদান উদাৰহাতে দিয়া হৈছে। ১৯৬৬ চনত কাজাখ সাধাৰণতন্ত্ৰৰ যৌথ কৃষিপাম আৰু

ৰাষ্ট্ৰীয় পাম সমূহে ৰাষ্ট্ৰক ১৭,০০০,০০০ টন খাদ্যশস্য বিক্ৰী কৰিছে। ই ১৯৫০ চনৰ খেতিৰ ৮গুণ। পিছৰ বছৰতো আকৌ উইভেনদীকৈ খেতি হয়।

নতুনকৈ উলিওৱা অঞ্চলবোৰত আধুনিক যন্ত্ৰপাতিৰে সুসজ্জিত আৰু আধুনিক ঘৰদুৱাৰেৰে সুশোভিত হাজাৰ হাজাৰ ৰাষ্ট্ৰীয় কৃষিপাম সংগঠিত কৰা হৈছে। সিদিনালৈকে পতিত মাটি হৈ থকা অঞ্চলবোৰত এই ৰেলৰ আলিয়ে ৰাজ-আলিয়ে ছাটি ধৰিছে, বিজুলী তাঁৰ, ফোনৰ তাঁৰে কটাকটি হৈ আছে। ছোভিয়েতৰ শ্ৰমিক, কৃষক আৰু বিজ্ঞানীৰ যত্নৰ ফলত লাখ লাখ হেক্টৰ মাটিয়ে জীপ পাইছে আৰু এই মাটিৰ সম্পদ মানুহৰ সেৱাত নিয়োজিত কৰা হৈছে।

ছোভিয়েত মধ্য এচিয়াৰ নিচিনাকৈ পানীৰ সমস্যাটো ইমান তীব্ৰভাৱে ছোভিয়েত ইউনিয়নৰ অন্য কোনো ঠাইতে নাই। বুঢ়ালোকৰ মুখত শুনা আগৰ দিনৰ কথা এষাৰ ইয়াত এতিয়াও মানুহৰ মুখে মুখে: "পানীৰ ওৰ পৰিল য'ত, জীয়নটোৰো মূৰ মৰিল ত'ত।" মৰুভূমিৰ তাপমাত্ৰা ৫০ চেণ্টিগ্ৰেডলৈ উঠে, ইফালে বালিৰ তাপমাত্ৰা উঠে ৮০° চেণ্টিগ্ৰেডলৈ। এনে তাপত প্ৰ'টিন থাকিব নোৱাৰে—

যি প্ৰটিন হ'ল প্ৰতিটো জীৱন্ত কোষৰ ভিত্তি। ফলত ই গোট মাৰে। গোটেই বছৰটো আকাশ ফৰকাল, বছৰি গড়ে বৃষ্টিপাত ১০০-১৫০ মি মিৰ বেছি নহয়। অথচ জলসিঞ্চনৰ ব্যৱস্থা নথকা খেতিত নাই কমেও ২১০ মি.মি বৰষুণ লাগে। এইদৰেই, যুগ যুগ ধৰি এই নিদ্ৰিত মৰুভূঁৱে শুই শুই প্ৰতীক্ষা কৰি আছিল এক যাদুস্পৰ্শ লৈ যি তাইলৈ লৈ আহিব প্ৰাণৰ প্ৰৱাহ। সেই যাদুস্পৰ্শ হ'ল এছিযাৰ আমু-দৰিয়া, চিৰ-দৰিযা, ৱাক্স আদি প্ৰাচুৰ্যপূৰ্ণ নদীসমূহৰ পানী। এই পানীযে বন্ধ্যা বালিক সাৰুৱা ভৈয়ামলৈ ৰূপান্তৰ কৰিলে।

জলসিঞ্চন হ'ল কৃষিৰ উন্নতিৰ, কৃষক তথা সমগ্ৰ জনসাধাৰণৰ ঐশ্বৰ্যৰ গুৰি। আৰু এই জলসিঞ্চন ব্যৱস্থাৰ নিৰ্মাণৰ কাৰণেই মধ্য এছিয়া আৰু কাজাখস্তানৰ যৌথ কৃষিপামবোৰে সিবোৰৰ হাতত থকা উপাযসমূহ নিযোজিত কৰিছে। ১৯৩৯ চনত জলসিঞ্চনৰ অভিযানৰ বিৰাট অগ্ৰগতি হয়, শ্ৰমিক, কৃষক আৰু বুদ্ধিজীৱীৰ মাজৰপৰা হাজাৰে হাজাৰে স্বেচ্ছাসেৱক ওলাই আহি তেওঁলোকৰ সৰ্বশক্তি এই কামত প্ৰয়োগ কৰে। যিবিলাক খাল খনা

হৈছিল তাৰ নামকৰণ কৰা হৈছিল—'জনসাধাৰণৰ নির্মাণ কেন্দ্র'। ইযাৰ ভিতৰত প্রথমটো হ'ল উজবেকিস্তানৰ ৩২ কিলোমিটাৰ দীঘল লীয়াগানস্ক্ খাল। এই খালটো খানি লৈ সময় ধৰা হৈছিল ২ বছৰ, কিন্তু খানি উলিওৱা হ'ল ১৭ দিনত। কামৰ কি বেগ! এই চমুতে কৰি উলিওৱা জলসিঞ্চন ব্যৱস্থাৰ এই প্রথম কামটোত ৩০ হেজাৰ কৃষকে যোগ দিছিল, ফলতঃ এই জনপ্রাণীহীন এলেকাটো জুৰি দেখা দিছিল এক নতুন জীৱনে।

তাৰ পিছত ফেৰঘানা খাল। ৩৩০ কিলোমিটাৰ দীঘল। এইটোত খানি উলিওৱা হৈছিল আশ্চর্য্যজনকভাৱে কম সময়ত: ৪৬ দিনত (১৯৩৯ চনৰ ১ আগষ্ট আৰু ১৫ ছেপ্টেম্বৰৰ ভিতৰত)। ২০০,০০০ স্বেচ্ছাসেৱকে ডুমা-হতকৈও কম সময়ৰ ভিতৰত যিটো জলসিঞ্চন ব্যৱস্থা নির্মাণ কৰিলে তাৰ দহভাগৰ এভাগতকৈও সৰু অর্থাৎ ৩০ কিলোমিটাৰ হাংৰি স্তেপ খালটো খানি উলিযাবলৈ জাৰ চৰকাৰৰ ১১ বছৰ কাল লাগিছিল।

প্রথম খালটোৰ খননকার্য্য সাধাৰণ আছিল। ইয়াত হাতেৰে কাম কৰা হৈছিল, প্রধান সঁজুলিৰ ভিতৰত

আছিল কোৰ, কাঠৰ দীঘল নাল লগোৱা একধৰণৰ জোঙা কোৰ আৰু ঠেলা গাড়ী। ৰাষ্ট্ৰই নিৰ্মাণকাৰী সকলৈ প্ৰচুৰ পৰিমাণে সাহায্য আগ বঢ়াইছিল আৰু পিছত জলসিঞ্চন ব্যৱস্থা গঢ়ি তোলাৰ কাম নিজেই হাতত লৈছিল। যন্ত্ৰৰ প্ৰৱৰ্তনৰ ফলত দৈহিক শ্ৰম কৰিবৰ প্ৰয়োজন নোহোৱা হৈছিল। আজি খাল খান্দোতাসকলৰ হাতত সকলো ধৰণৰ আধুনিক নিৰ্মাণ যন্ত্ৰপাতি আছে, যেনে, খনন যন্ত্ৰ, স্ক্ৰেইপাৰ, বুলডজাৰ, বোকা ছেকি অনা চাক্সন ড্ৰেজ আৰু খননযন্ত্ৰসমূহ চলোৱা স্বয়ংচালিত ইলেকট্ৰনিক যতনসমূহ। টি এন্ টি যন্ত্ৰই বিৰাট শিল আৰু পাহাৰ ভাঙি বাট উলিয়াই যাব পাৰে। ছোভিয়েত নিৰ্মাতাসকলে বহুতো মৌলিক জলযান্ত্ৰিক প্ৰকল্পৰ কাম সমাধা কৰিছে।

আমু-দৰিয়া আৰু তুৰ্কমেনিয়াৰ ৰাজধানী আশ্‌খাবাদৰ মাজৰ ৮০০ কিলোমিটাৰ দীঘল কাৰা-কুম খালটো খন্দা হৈছে মধ্য এছিয়াৰ মৰুভূমিত। এই খাল কাম্পিয়ান সাগৰ পৰ্য্যন্ত যাব; ই হব পৃথিৱীৰ ভিতৰত মানুহে সৃষ্টি কৰা দীৰ্ঘতম নদী (১,৩০০ কি. মি.) এই অঞ্চলত নিৰ্মিত অন্যান্য জল-যান্ত্ৰিক প্ৰকল্পৰ ভিতৰত নতুন ফাৰখাদ জল-

বিদ্যুৎ কেন্দ্ৰ আৰু জলাশয়, আৰু চিৰচিক নদীৰ এলানি বিদ্যুৎ কেন্দ্ৰ পৰে। তুৰেক বিদ্যুৎশক্তিৰ বাবগানা আৰু প্ৰাকৃতিক গেছ ব্যৱহাৰ কৰা উচ্চ ক্ষমতাসম্পন্ন আন আন ভালে কেইটা জল-বিদ্যুৎ আৰু তাপ বিদ্যুৎ কেন্দ্ৰ সাজি থকা হৈছে। বিদ্যুৎ ভিত্তিবোৰ অত্যন্ত ক্ষমতাসম্পন্ন আধুনিক যন্ত্ৰপাতিৰ সহায়ত শক্তিশালী কৰাৰ ফলত পাহাৰৰ নগত থকা মাটি আৰু আগেয়ে উঠিব নোৱৰা পৰ্বতৰ ওখ মালভূমিত জলসিঞ্চন ব্যৱস্থা কৰাটো সম্ভৱপৰ হৈছে। যন্ত্ৰৰদ্বাৰা পানী দিয়া ব্যৱস্থাৰ সৰ্বাধুনিক প্ৰায়োগিক কৌশল ব্যৱহাৰ কৰা হৈছে, আৰু বিভিন্ন শাখা প্ৰশাখাযুক্ত পানী-যোগান ব্যৱস্থা আৰু নলা-প্ৰণালী প্ৰৱৰ্তন কৰি পানীৰ লুণীয়া গুণ প্ৰতিৰোধ কৰা হৈছে। ক্ৰমে ব্যাপকতৰ হাৰত জলসিঞ্চন ব্যৱস্থাৰ প্ৰৱৰ্তন কৰাৰ কাৰণে কৃষি উৎপাদনৰ ক্ষেত্ৰত যন্ত্ৰৰ প্ৰয়োগৰ ফলত হোৱা নতুন সা-সুবিধাবোৰ চকুত পৰাকৈ ওলাই পৰিছে।

জলসিঞ্চন ব্যৱস্থা সমগ্ৰ দেশ জুৰি সম্প্ৰসাৰিত কৰিবলৈ লোৱা হৈছে। জলাশয় আৰু খালবোৰে মধ্য এছিয়া আৰু দক্ষিণ কাজাখস্থান ট্ৰান্সককেছাছৰ বাকৰি মাটি আৰু

ৰুছিয়া (ৰুছ ফেডাৰেছন?) আৰু উক্ৰাইনৰ ঘাঁহ তৃণাঞ্চলৰ ৰূপ সলনি কৰি পেলাইছে। ইবোৰে জন্ম দিছে নতুন নগৰ আৰু গাঁৱৰ; শতকাল পতিত হৈ থকা মাটি এই কপাহে, খাদ্যশস্যই নদনবদন হৈ উঠিছে, লাগনী গছৰ বাৰীয়ে আৰু তৰমুজৰ পথাৰে, উদ্যানে আৰু আঙুৰ বনে এই অঞ্চলবোৰক পাতিছে মৰ্ত্যৰ নন্দন কানন।

দেশৰ উত্তৰ-পশ্চিম ভাগত বীয়েলৰুছিয়া, লিথুৱানিয়া, লাৎবিয়া, এস্তোনিয়া, স্মেলেন্স্ক্ অঞ্চল আদি ৰুছিয়াৰ অন্যান্য ক'লা মাটি নথকা অংশত আৰু জৰ্জিয়া ক'লখিদা দলনি মাটিত মানুহে বিল, পিটনি, জলাহ আদিৰ বিৰুদ্ধে সংগ্ৰাম আৰম্ভ কৰি দিছে। অধিককৈ থকা পানীখিনি নলাৰে বাহিৰলৈ উলিয়াই দিলে এই অঞ্চলবোৰত বৰ বঢ়িয়া খেতি হয়—প্ৰতি হেক্তৰত ৩০-৫০ চেণ্ট্নাৰকৈ গুটি শইছ, ৩০০ চেণ্ট্নাৰকৈ আলুগুটি আৰু ৪০০ চেণ্টনাৰকৈ চেনি-বীট।

মৰুভূমি আৰু জলাহভূমি - এই দুইক জয় কৰি কামত লগোৱাৰ ফলত যৌথপামৰ কৃষকসকলৰ উন্নতিত যথেষ্ট সহায়ক হৈছে। নতুন মাটি উন্নয়নৰ কাৰণে ই হল প্ৰধান

প্ৰয়োজনীয়। এই প্ৰক্ৰিয়া ছোভিয়েত ইউনিয়নত একেৰাহে চলি আছে।

ছোভিয়েত শাসনৰ অধীনত জলসিঞ্চন প্ৰণালী প্ৰবৰ্তন কৰা মাটিৰ পৰিমাণ ৪,০০০,০০০ৰ পৰা ১০,০০০ ০০০ হেক্তাৰলৈ বাঢ়িছে। নলা খানি পানী উলিয়াই নিয়া মাটিৰ পৰিমাণ তিনিগুণ বাঢ়িছে ইয়াৰ পৰিমাণ আজি ১০,৮০০,০০০ হেক্তৰ হৈছেহি।

ই অদূৰ ভৱিষ্যতত কৰিবলৈ লোৱা সাগৰ-সংকাশ কামৰ জুৰণিহে মাত্ৰ। ১৯৮৬ চনৰ মে মাহত বহা ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ পূৰ্ণাঙ্গ অধিৱেশনত ঠিক কৰা কাৰ্যক্ৰমত অহা ১০ বছৰৰ ভিতৰত (১৯৭৫ চন মানত) খেতিৰ উপযোগীকৈ উলিওৱা মাটিৰ পৰিমাণ ২২,০০০,০০০,—২৪,০০০,০০০ হেক্তৰ অতিৰিক্তকৈ ধৰা হৈছে। এই কালছোৱাৰ ভিতৰত জলাহ আৰু মৰু অঞ্চলৰ পৰা উলিওৱা খেতিৰ মাটিৰ পৰিমাণ দেশৰ জলসিঞ্চনাধীন কৃষি ব্যৱস্থাৰ সমগ্ৰ ইতিহাসত সৰ্ববৃহৎ অগ্ৰগতিৰূপে প্ৰতীয়মান হব। বিজ্ঞানীসকলে হিছাপ কৰি পাইছে যে দেশত যিখিনি মাটি

আৰু পানী সমল আছে তাৰে ৭০,০০০,০০০—৮০,০০০ ০০০ হেক্তৰ অতিৰিক্ত মাটিত জলসিঞ্চনৰ ব্যৱস্থা কৰিব পৰা যাব। ইয়াৰ উপৰিও লাখ লাখ একৰ মাটি খেতিৰ কাৰণে, মুকলি পথাৰ হিছাপে আৰু ঘাঁহনি হিছাপে ঠিক-ঠাক কৰি লব পৰা হব। খহনীয়া বন্ধ কৰিবলৈ আৰু শুকান বতাহৰ পৰা শস্য ৰক্ষা কৰিবলৈ পথাৰ-ৰক্ষাকাৰী গছ-গছনি ৰুই অৰণ্যৰ সৃষ্টি কৰা হব।

এই সমগ্র দেশজুৰি কৰিবলৈ লোৱা কামৰ কাৰণে প্রচুৰ পৰিমাণে অর্থ, সা সঁজুলি আৰু যন্ত্রপাতিৰ যোগান ধৰা হব। ১৯৬৬-১৯৭০ চন এই বছৰ কেইটাতেই ১৫,০০০ নিযুত ৰুবল বা গড়ে বছৰি ৩,০০০ নিযুত ৰুবল নতুন মাটি উলিওৱা কার্যত ব্যয় কৰা হব। প্রযুক্তিবিজ্ঞানৰ শেহতীয়া উদ্ভাৱনসমূহ এই ক্ষেত্রত কামত লগোৱা হব। খেতিৰ উৎপাদন বঢ়োৱাৰ গুৰি কথা হিছাপে মাটি ভাঙি খেতিৰ উপযোগীকৈ উলিওৱাৰ ক্ষেত্রত ছোভিয়েত ইউনিয়নে এতিয়ালৈকে যিমান ধন ভাঙিছে, ইয়েই তাৰ ভিতৰত সর্বাধিক পৰিমাণ।

এতিয়ালৈকে জলসিঞ্চনাধীন মাটিত কপাহ আৰু তেনে

ঘনকৈ গজা শস্য বিশেষকৈ শিল্প শস্য আৰু শাক-পাচলিৰ খেতিহে কৰা হৈছিল। শিল্প-শস্যৰ কাৰণে খেতিৰ মাটি ক্ৰমে বঢ়াই নি থকা হব, লগে লগে জলসিঞ্চনাধীন মাটি আৰু খেতিৰ উপযোগীকৈ উলিওৱা আন মাটিত খাদ্য শস্য, সবাতোপৰি যৱ, ধান আৰু গোমধানৰ খেতি ক্ৰমে বেছি কৰি যোৱা হব। ১৯৬৭ চনত নতুনকৈ উলিওৱা ১,০০০, ০০ হেক্তৰৰো অধিক খেতিৰ মাটিত ঘেঁহু ধান সিঁচা হৈছিল। চলিত পাঁচ বছৰীয়া কালছোৱাৰ শেহৰ ফালে এইখিনি মাটিত ১৬ ৪০০,০০০ টন খাদ্য শস্য হব আৰু পিছৰ পাঁচ বছৰত ( ১৯৭৬ মানত ) হবগৈ ৩৪,০০০,-০০০—৩৬,০০০,০০০ টন। খেতিৰ মাটি পুনৰুদ্ধাৰ ব্যৱস্থাৰ ফলত দেশৰ খাদ্য শস্যৰ অৰ্থনীতি শক্তিশালী হৈ উঠিব। দেশ আৰু তেতিয়া বতৰে দয়া কৰালৈ বৈ থাকিব নালাগিব।

ন মাটি ভাঙি উলিওৱা আৰু মৰুভূমি আৰু জলাহ অঞ্চল খেতিৰ কাৰণে উপযোগীকৈ উদ্ধাৰ কৰাৰ ফলত কেৱল খেতিৰ মাটিয়েইহে যে বাঢ়িছে সি নহয়, ইয়াৰ ফলত বহুতো শস্যৰ খেতিৰ ভৌগোলিক বৈশিষ্ট্যসমূহৰো

পৰিবৰ্তন হৈছে। যেনে উত্তৰফালে ঘেঁহু খেতি হৈছে, ধানে মধ্য এছিয়া, দক্ষিণ কাজাগস্তান আৰু ট্ৰাস্‌ককেছাছৰ পৰা কুবান, দন, নিপাৰৰ ভাটি অঞ্চল, দ্‌নিয়েস্তাৰ আৰু উত্তৰৰ আৰু দূৰ অঞ্চললৈ গতি কৰিছে। গোমধান, চেনি-বীট, বেলি-ফুলৰ গতিও নতুন নতুন অঞ্চললৈ বিয়পিছে। পৃথিৱীৰ দূৰতম উত্তৰৰ চাহ খেতি আৰু তেঙ্গাৰিন কানন জৰ্জিয়াত অৱস্থিত। মিচুৰিনৰ অনুগামীসকলৰ যত্নত এতিয়া আমি লেনিনগ্ৰাদৰ পাৰি-পাৰ্শ্বিকতাত ফলোত্থান লাভ কৰিছো, লাভ কৰিছো ছাইবেৰিয়াতো।

ৰসায়ণ বিজ্ঞানকো কৃষিত অধিকতৰভাৱে কামত লগোৱা হৈছে। যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপামত খনিজ সাৰৰ যোগান বাঢ়িছে। ১৯৫০ চনত যোগান ধৰা হৈছিল ৫,৩৫০,০০০ টন, ১৯৬৫ চনত বাঢ়িল ২৭,০৬৬,০০০ টনলৈ আৰু ১৯৭০ চনত হৰগৈ ৫৫,০০০,০০০ টন। এইদৰে বঢ়াই দিয়া সাৰ কেৱল কপাহ আৰু তেনে শিল্প-শস্যৰ ক্ষেত্ৰতেই কামত লগা নাই খাদ্যশস্যৰ উৎপাদনতো লাগিছে। খনিজ সাৰ, ৰাসায়নিক বন-বাত আৰু

কীটনাশক দৰব আদিয়ে খেতিয়কক জলসিঞ্চনাধীন আৰু পানী উলিয়াই দি খেতি কৰা প্ৰত্যেক হেক্তৰ মাটিৰ সদ্ব্যৱহাৰ কৰাত সমৰ্থ কৰে। গছৰ ক্ষয়ৰোগ, আন বেমাৰ, গছ আৰু পশুৰ মহামাৰী আদিৰ বিৰুদ্ধে যুঁজৰ উপায়-সমূহৰ প্ৰচুৰ উন্নতি সাধিত হৈছে।

কৃষিত যন্ত্ৰৰ প্ৰয়োগ, মাটি পুনৰুদ্ধাৰ আৰু ৰসায়নবিদ্যাই কৃষিৰ বিকাশ আৰু বৃদ্ধিৰ ক্ষেত্ৰত প্ৰশস্ত পথ উন্মুক্ত কৰিছে। ৰসায়নবিজ্ঞানে কৃষিত বৈজ্ঞানিক পদ্ধতি প্ৰৱৰ্তনৰ পন্থা দাঙি ধৰিছে।

ছোভিয়েত ইউনিয়নত কৃষি-বিজ্ঞানৰ সাংগঠনিক ভিত্তি কি? ই কেনেকৈ আৰম্ভ হৈছিল আৰু সম্প্ৰতি ই কি কি ফল লাভ কৰিছে? ই কি কি সমস্যাৰ সন্মুখীন হৈছে?

১০

# বিজ্ঞান আৰু কৃষিৰ অগ্ৰগতি

মহান ৰুছ বিজ্ঞানী ক্লিমেন্ত্‌ তিমিৰিয়াজেভে লিখি গৈছে যে কৃষক মাটি খাই জীয়াই নাথাকে উদ্ভিদইহে জীয়াই থাকে। সেয়ে কৃষিৰ কলা-কৌশল নিহিত আছে উদ্ভিদক তাৰ ফলস্বৰূপে কৃষকক "মাটিৰ কবলৰ"পৰা পৰিত্ৰাণ কৰাত।

মাটিৰ খামখেয়ালীৰ পৰা ত্ৰাণ পাবলৈ কৰা মানুহৰ সংগ্ৰাম অতি পুৰণি কালতো চলিছিল। আজি ইয়াৰ ফল দেখা যায় জলাহ, পিটনি আদিৰ পৰা পানী উলিয়াই মাটি পুনৰুদ্ধাৰ কৰাৰ ক্ষেত্ৰত যাৰ ফলত মৰুভূমি আৰু জলাহ সাৰুৱা পথাৰলৈ ৰূপান্তৰিত হৈছে। আৰু দেখা যায়— কৃষিবিদ্যা, নিৰ্বাচন, মৃত্তিকা-বিজ্ঞান আৰু শাৰীৰবৃত্তিৰ অগ্ৰগতিত। ইয়াৰ অগ্ৰগতি আৰু কৃতকাৰ্য্যতা সম্ভৱ হৈছে বিজ্ঞান আৰু শ্ৰমৰ, তত্ত্ব আৰু প্ৰয়োগৰ মিলনৰ ফলত।

এই মিলনৰ বীজে বহুকালৰ পৰাই ৰুছিয়াত অনুকূল ক্ষেত্ৰ পাই আহিছে। ইয়াৰ প্ৰথম গজালিটোৱে দেখা দিয়ে কৃষকৰ স্বতঃস্ফূৰ্ত জ্ঞান-পিপাসাৰ ৰূপত। যুগ যুগ ধৰি কৃষকৰ সন্ধানী মনে প্ৰকৃতিৰ গোপন ৰহস্য অনাবৃত কাৰবলৈ, উদ্ভিদ আৰু প্ৰাণীৰ জীৱনৰ জটিল প্ৰক্ৰিয়া সম্পৰ্কে জ্ঞান লাভ কৰিবলৈ চেষ্টা কৰিছিল। যুগ যুগ ধৰি থকা অজ্ঞতা আৰু নিপীড়নেও এই চিৰ অতৃপ্ত জ্ঞান-পিপাসা নাইকিয়া কৰিব পৰা নাছিল। ৰুছিয়াৰ কৃষককুলৰ মাজৰ পৰা এনে কেইগৰাকীমান প্ৰতিভাশালী ব্যক্তিত্ব ওলাই আহিছিল যিসকলৰ অনন্যসাধাৰণ পৰিশ্ৰম আৰু মেধাশক্তি তেওঁলোকৰ সৃজনশীল কৃতিৰ চমকপ্ৰদ পৰিণতিত অভিব্যক্ত হৈছিল। ইসকলৰে এগৰাকী আছিল দানিলা বোকাৰিয়ভ। এওঁ আছিল এক ভূমিদাস; ১৯ শতিকাত ভৰনেঝ অঞ্চলৰ বিৰিউচানস্ক্ জিলাৰ আলেক্সেয়েভ্কা গাঁৱত এওঁ বাস কৰিছিল। এওঁ অনাকৰ্ষণৰ সামগ্ৰী বেলিফুলক খাদ্যশস্যত পৰিণত কৰিলে। এই বেলিফুলেই মূল্যবান উদ্ভিজ্জ তেলৰ উৎস হৈ পৰিল। সেই শতিকাৰে আগভাগত ভাছিলি শ্বিস্কিন নামৰ আন

এজন ভূমিদাসে অন্য এক উদ্ভাৱন কৰিলে যাক কে. কে. তিমিৰিয়াজেভৰ নামানুক্ৰমে প্ৰতিষ্ঠিত মস্কো কৃষি একাডেমিৰ অধ্যাপক মিখাইল তুৰ্নিনে এক প্ৰায় বৈজ্ঞানিক আশ্চৰ্য্য বুলি অভিহিত কৰিছিল: শ্বিস্কিনে অ'ৰ্লভ কদম্ নামৰ এঘাত নতুন ঘোঁৰাৰ প্ৰজনন কৰালে। অ'ৰ্লভ নামটো এই ধামাৰ ভূমিদাসজনৰ প্ৰভু, আৰু শ্বিস্কিনে পৰীক্ষা চলোৱা ঘোঁৰাশালৰ গৰাকী কাউণ্ট অ'ৰ্লভৰ নাম অনুসৰি দিয়া। কাউণ্টজনে এই নতুন উদ্ভাৱনটোৰ সকলো যশস্যা পালে আৰু শ্বিস্কিন হৈ থাকিল মাত্ৰ এটা নিমিত্ত। শোচনীয় অৱস্থাত দাস কৰা সত্ত্বেও, ক্লংকে নিৰ্বাচনৰ নতুন পদ্ধতিৰ সন্ধানত, কৃষিকৰ্মৰ উন্নততৰ পথ বিচাৰি উলিওৱাত নিয়তব্ৰতী হৈ আছিল। দুখ ইয়াতেই যে কৃষি বিজ্ঞানৰ এই অগ্ৰদূতসকলৰ নাম পাহৰণিৰ গৰ্ভত বিলীন হৈ গ'ল।

বিপ্লৱৰ আগৰ ৰুছীয় বিজ্ঞানৰ অগ্ৰগতিত অবিশেষজ্ঞ সাধাৰণৰেইহে যে অৱিহণা আছিল তেনে নহয়। ভালেমান উল্লেখযোগ্য আৱিষ্কাৰ বিশ্ববিশ্ৰুত অসাধাৰণ ৰুছ বিজ্ঞানীয়েও কৰিছে। ইয়াৰ ভিতৰত আছে মৃত্তিকা

বিজ্ঞানৰ তত্ত্ববিদ্ পাভেল কস্তীচেভ্ আৰু ভাছিলি দকুচায়েভ, আৰু আছে উদ্ভিদ শাৰীৰবৃত্তৰ ৰুছ পদ্ধতিৰ প্ৰতিষ্ঠাপক ক্লিমেন্ত্ তিমিৰিয়াজেভ। তিমিৰিয়াজেভে অক্টোবৰ বিপ্লৱৰ প্ৰতি আদৰণি জনালে আৰু তেওঁৰ কামত দেহে-কেহে লাগি গ'ল। তেতিয়াই তেওঁৰ মনত বিজ্ঞান আৰু গণতন্ত্ৰৰ মিলনৰ ধাৰণাৰ জন্ম হ'ল আৰু, দৈহিক আৰু মানসিক শ্ৰমৰ মাজৰ ব্যৱধান নাইকিয়া কৰিবৰ উদ্দেশ্যে শ্ৰমিক আৰু কৃষকৰ মাজলৈ শিক্ষাৰ বিস্তাৰ কৰিবৰ কাৰণে বিজ্ঞানীসকললৈ আহ্বান জনালে।

বিজ্ঞান আৰু ছালছিগা, অৰ্জ ৰুছ গাওঁবোৰৰ মাজত থকা ব্যৱধান সঁচাসঁচিকৈয়ে অসীম আছিল। কৃষিৰ লগত জড়িত বৈজ্ঞানিক প্ৰতিষ্ঠানসমূহৰ সংখ্যা ইমান কম আছিল যে শুনিলে হাঁহি উঠে। ২০,০০০,০০০ৰো ওপৰ কৃষক পৰিয়ালৰ এখন দেশত মাত্ৰ ৪৪টা গৱেষণাগাৰ, ১৭০টা নিৰীক্ষা কেন্দ্ৰ আৰু ৪৪০ জন কৰ্মচাৰী আছিল। আজি ছোভিয়েত ইউনিয়নত কৃষি আৰু বনপালনবিদ্যাৰ ক্ষেত্ৰত ১,৩০০ টা গৱেষণা প্ৰতিষ্ঠান আছে, ইয়াত ১৯৬৫ চনত কৃষি-বিদ্যালয়সমূহৰ কৰ্মীকে ধৰি মুঠ বিজ্ঞান-কৰ্মীৰ সংখ্যা

আছিল ৩০,০০০, অৰ্থনীতিবিদক ইয়াৰ ভিতৰত ধৰাই হোৱা নাই। তেওঁলোকৰ কামৰ পৰিচালনা আৰু সমন্বয় সাধন কৰে লেনিন নিখিল ৰুছ কৃষি-বিজ্ঞান একাডেমিয়ে।

অক্তোবৰ বিপ্লৱে কৃষি-বিজ্ঞানৰ বিকাশত এক অভিনৱ উদ্দীপনা যোগালে। আগৰ ভূ-সম্পত্তিসমূহ নিৰীক্ষা-কেন্দ্ৰলৈ ৰূপান্তৰিত কৰা হ'ল। অৰ্থনৈতিক পৰিস্থিতি সংকটপূৰ্ণ হোৱা সত্ত্বেও ছোভিয়েত চৰকাৰে কৃষিবিদ্যাৰ শিক্ষাৰ উন্নতিৰ কাৰণে বিৰাট আগ্ৰহ দেখুৱাইছিল। ১৯১৩ চনত আৰম্ভ কৰা ভ'ৰনেঝ্ কৃষি ভৱনটো সম্পূৰ্ণ কৰিবৰ কাৰণে চৰকাৰে ভালেকেইনিযুত ৰুবল মঞ্জুৰ কৰিছিল।

বিপ্লৱৰ পিছৰ বছৰবোৰত কৃষিত উৎপাদিকা শক্তিৰ বিকাশৰ কাৰণে বিজ্ঞানীসকলে প্ৰচুৰ কাম কৰিছিল। লেনিন কৃষি-বিজ্ঞান একাডেমিৰ সভাপতি পাভেল ল'বানভে লেখকক এটা সাক্ষাৎ প্ৰসঙ্গত ছোভিয়েত বাছনিৰ সফলতা সম্বন্ধে উল্লসিত হৈ কবলৈ ধৰিলে। তেওঁ নিজে কিন্তু এজন অৰ্থনীতিবিদহে। তেওঁ তেনে কৰাৰ কাৰণ হ'ল— এই বাছনিসমূহে কৃষি-বিজ্ঞানৰ ৰূপান্তৰকাৰী প্ৰকৃতিটো পৰিষ্কাৰভাৱে দাঙি ধৰে। ছোভিয়েত-বাছনিবিদ্যা তুলনা-

মূলকভাবে চালুকীয়া; ইয়াৰ ভিত্তি স্থাপন হৈছিল কঠীয়াতলিৰ উন্নয়নৰ কাৰণে কৰা লেনিনৰ ঘোষণাত : অতি ভাল জাতৰ সঁচ উৎপন্ন কৰি কৃষকসকলক দিয়া কামটো সংগঠিত কৰাত। সৰহ গুটি লগা নতুন ধৰণৰ শস্যৰ সৃষ্টি কৰি গোটেই দেশতে তাৰ প্ৰৱৰ্তন কৰা এই কামটো আছিল জটিল।

কম সময়ৰ ভিতৰতে ছোভিয়েতৰ সঁচ বাছোতাসকলে সৰহ গুটি দিয়া শস্যৰ জাত আৰু বিভিন্ন জাতৰ গুটিৰ মিলন ঘটাই নতুন গুটি সৃষ্টি কৰি দেশৰ সকলোবোৰ অঞ্চলৰ কঠীয়াতলিৰ পামত দিয়ে। কপাহ খেতিত বিভিন্ন জাতৰ কঠীয়া পেলোৱা হয়। ছোভিয়েতৰ সঁচ-বাছোতাসকলে যোৱা বছৰদিয়েকত বিভিন্ন প্ৰাকৃতিক অৱস্থা আৰু বতৰৰ উপযোগীকৈ ব্যৱহাৰ কৰিব পৰা ৪৬০ বিধৰ দানা-শস্যৰ নতুন সঁচ ১০০ বিধৰ নতুন গোমধানৰ গুটি, ১২০ বিধতকৈও বেছি মাহজাতীয় শস্য, হৰেক ৰকমৰ বেলিফুল, চেনি-বীট আৰু অন্যান্য শস্যৰ সৃষ্টি কৰিছে।

বিপ্লৱৰ আগৰ ৰুছিয়াত বিভিন্ন জাতৰ কঠীয়া বিদেশৰ পৰা কিনি অনা হৈছিল। আজি ছোভিয়েতৰ সঁচ-বাছোতা-

সকলে উলিওৱা কঠীয়া পৃথিৱীৰ বিভিন্ন দেশত জনপ্ৰিয়। ইউৰোপৰ ৫খন দেশে ৩,০০০,০০০ হেক্তৰৰ বেছি মাটিত বেজ'স্তায়া ১ জাতৰ জাৰকালি হোৱা ঘ-ধানৰ খেতি কৰিছে। ইউৰোপৰ ৬খন দেশ আৰু কানাডাই ছোভিয়েত-জাতৰ বেলিফুলৰ খেতি কৰিছে।

ছোভিয়েত সঁচ-বাছোতাসকলৰ আগৰণুৱাসকলৰ ভিতৰত আছিল ইভান মিচুৰিন আৰু লেনিন কৃষি-বিজ্ঞান একাডেমিৰ প্ৰথম সভাপতি নিক'লাই ভাভিলভৰ দৰে প্ৰখ্যাত বিজ্ঞানীসকল। মিচুৰিনে বাছনিৰ ক্ষেত্ৰত বৈজ্ঞানিক পদ্ধতি প্ৰয়োগ কৰি ৩০০ বিধ নতুন জাতৰ ফল আৰু জামুজাতীয় গছৰ সৃষ্টি কৰিলে। পৃথিৱীৰ বিভিন্ন ঠাইৰপৰা প্ৰচুৰ পৰিমাণে সমন্বয়-কৰি-গজোৱা উদ্ভিদ গোটাৱাৰ গুৰিতে হ'ল নিক'লাই ভাভিলভৰ অভূতপূৰ্ব অৱিহণা। তেওঁ ভিন ভিন প্ৰাকৃতিক পৰিবেশত বৈজ্ঞানিক পদ্ধতিৰে খেতি কৰাৰ ভিত্তি স্থাপন কৰে আৰু সদৃশবস্তুৰ ক্ৰম বিধান বোলা নিয়মটো আৱিষ্কাৰ কৰে। ভাভিলভৰ এই বিধানৰ বলত ছোভিয়েতৰ সঁচ-বাছোতাসকলে বিভিন্ন গঢ়ৰ আৰু জাতৰ সমন্বয়জনিত উদ্ভিদ বাছি উলিয়াব

পাৰিছে, সিবোৰক এটা প্ৰণালীত সজাই তাৰ ক্ৰমবিকাশ নিৰ্দ্ধাৰণ কৰিব পাৰিছে, আৰু নতুন জাতৰ সমন্বয়জনিত উদ্ভিদ সৃষ্টি কৰিবৰ কাৰণে সৰ্বাধিক উপযোগী গঢ় বাছি উলিয়াব পাৰিছে।

ভাভিলভৰ কামে প্ৰখ্যাত ছোভিয়েত শঁচ-বাছোতা আচাৰ্য পাভেল লুকিয়ানেংকোক দেশৰ খাদ্য-শস্যৰ খেতি হোৱা উত্তৰ ককেছাছৰ বিৰাট অঞ্চলটোত কৰা শীতকালৰ যব-ধানৰ শঁচটোৰ এটা আমূল ৰূপান্তৰ সাধন কৰাত সমৰ্থ কৰিলে। বিপ্লৱৰ আগতে যিবোৰ শঁচৰ হেক্তৰে পতি ৭ৰ পৰা ৯ মেট্ৰিক চেণ্ট্‌নাৰৰ ওপৰ খেতি পোৱা নগৈছিল, এতিয়া তাত পোৱা যায় ২৯-৩০ মেট্ৰিক চেণ্ট্‌নাৰ।

লুকিয়ানেংকোৰ উদ্ভাৱনসমূহৰ ভিতৰত অন্যতম হ'ল বেজস্তায়া ১ জাতৰ জাৰকালি হোৱা যব-ধানৰ শঁচ। সাধাৰণতে ইয়াৰ পৰা হেক্তৰেপতি ৫২'৬ মেট্ৰিক চেণ্ট্‌নাৰ গুটি হয়। ইয়াৰ পাওৰুটীবোৰৰ সেকটো বৰ উত্তম হয় কাৰণে গ্ৰাহকে ইয়াক বৰকৈ বিচাৰে। জাৰকালি হোৱা যব-ধানৰ আৰু এজাত শঁচ আবিষ্কৃত হৈছে ১৯৬৭ চনত। ইয়াৰ নাম অৰ'ৰা; প্ৰতি হেক্তৰত ৬০'৬ মেট্ৰিক

চেণ্ট্নাৰ গুটি হয়। ইয়াৰ ৰোগ প্ৰতিৰোধ কৰা গুণ আছে। ইয়াৰ গা-গছবোৰ টান আৰু স্থিতিস্থাপক। অৰ'ৰাৰ দৰেই অতি বেছি গুটি দিয়া আন এজাত হ'ল ককেছিয়ান সঁচ। ই জলসিঞ্চন কৰি খেতি কৰা মাটিৰ কাৰণে বিশেষভাৱে উপযোগী।

আচাৰ্য্য ফিয়'দ'ৰ কিৰিচেংকো এবিধ নতুন সঁচৰ সৃষ্টি কৰি শলাগৰ পাত্ৰ হৈছে। এই বিধ জাৰকালি হোৱা টান য-ধান। ইয়াৰ জাত তিনিটা: মিচুৰিংকা, ন'ৱায়া মিচুৰিংকা আৰু যন্তৰনায়া; প্ৰতি হেক্তৰত ৪০ মেট্ৰিক চেণ্ট্নাৰ হয়। ই বৰফতো হয়। পাওকটীৰ কাৰণে নিখুঁত। তাতকৈও ডাঙৰ কথা হ'ল জাৰকালি হোৱা কোমল বিধ য-ধানতকৈ শতকৰা ৩।৪ গুণ বেছি প্ৰোটিন থাকে ইয়াৰ।

আচাৰ্য্য ভাছিলি পুস্ত'ভইতে উলিওৱাজাতৰ নতুন বেলিফুলৰ শতকৰা ৫২ ভাগ আৰু অনুকূল অৱস্থাত শতকৰা ৫৭ ভাগ তেল থাকে। সাধাৰণ জাতৰ বেলিফুলত তেল থাকে শতকৰা ২৮-৩৩ ভাগ।

আৱেদিক্ত্ মুজলুমভ আৰু নিকোলাই চাৱচেংকো

প্ৰভৃতি ছোভিয়েত সঁচ-বাছোতাসকলে এজাত নতুন চেনি-বীট উলিয়াইছে। ইয়াত চেনিৰ পৰিমাণ শতকৰা ৪ ভাগ বেছি। এই বৃদ্ধি নগণ্য যেন লাগিব পাৰে, কিন্তু গোটেই দেশতে যদি শতকৰা ০.১ হাৰতো বৃদ্ধি হয়, তেন্তে ইয়াৰ ফলত দেশে ৫৫০,০০০ টন চেনি পাব।

আন এটা উল্লেখযোগ্য সফলতা হ'ল একবীৰ্য্যজাত চেনিবীটৰ সঁচ। এই জাতটো ওলোৱাৰ ফলত ইয়াৰ খেতি সম্পূৰ্ণভাৱে যন্ত্ৰেৰে কৰিব পাৰি। সম্প্ৰতি একাণপতীয়াকৈ লাগি বহুজাতৰ চেনি-বীট উদ্ভাৱন কৰা হৈছে, তাৰে কেই-জাতমান শস্যৰ পামত প্ৰৱৰ্তন কৰা হৈছে। ইয়াৰ পৰা হেক্টৰেপতি ৬০ চেণ্ট্নাৰ চেনি হয়। সাধাৰণ জাতৰ চেনি-বীটতকৈ এই জাতৰ শতকৰা ৮ৰ পৰা ১০ ভাগ অধিক চেনি হয়।

ছোভিয়েত সঁচ-নিৰ্বাচকসকলৰ সমুখত নিতে নতুন জটিল সমস্যা। তেওঁলোকে তাৰ সমাধান কৰি যাব লাগে। সেই বিষয়ে লিখিবলৈ গলে এখন বেলেগ কিতাপ হব। ঘন ঘনকৈ গুটি সিঁচি খেতি কৰা, খেতিৰ মাটিৰ অভূতপূৰ্ব উন্নয়ন, খনিজ সাৰৰ প্ৰচুৰ প্ৰয়োগ আৰু কৃষিকৰ্ম্মৰ উন্নত

পদ্ধতিৰ প্ৰয়োগৰ ফলত অধিক উৎপন্ন হোৱা আৰু ভৰা থোকৰ ভৰ সহিব পৰা'ক গা-গছ থকা নতুন শস্যৰ (বিশেষকৈ ঘ-ধানৰ) কাৰণে দিনে দিনে চাহিদা বাঢ়ি গৈছে।

খেতি কৰাৰ ক্ষেত্ৰত অনেক নতুন সমস্যাই দেখা দিছে। এইবোৰ সমস্যা ছোভিয়েত বিজ্ঞানীসকলৰ গভীৰ অনুসন্ধানৰ বিষয় হৈ পৰিছে। তেওঁলোকৰ কামৰ ফল দৈনন্দিন জীৱনত প্ৰয়োগ কৰা হৈছে। চাৰিওফালে বিয়পি পৰাত কঠীয়াতলিৰ পামৰ শাখা-প্ৰশাখাবোৰে যৌথ আৰু ৰাষ্ট্ৰীয় কৃষি পামক ন ন জাতৰ শস্য যোগাব লাগিছে। বিৰাট খেতিৰ পথাৰ আৰু কৃষিত উচ্চপৰ্য্যায়ৰ যন্ত্ৰৰ প্ৰয়োগৰ কাৰণে ৰাষ্ট্ৰীয় আৰু যৌথ কৃষিপামবোৰে এইবোৰৰ পৰা ভাল খেতি পোৱাত অকণো অসুবিধা পোৱা নাই।

কৃষি উৎপাদনত বাছনিৰ তাৎপৰ্য্য সমধিক হোৱা সত্বেও, ইয়াৰ পূৰ্ণতম সুযোগ উলিয়াই লবলৈ কিছু চৰ্ত মানি চলিব লাগিব। সমগ্ৰ নিৰ্বাচন প্ৰক্ৰিয়াৰ লগত নিবিড়ভাৱে জড়িত কৃষি-বৈজ্ঞানিক, অৰ্থনৈতিক আৰু সাংগঠনিক ব্যৱস্থাই এইবোৰৰ সৃষ্টি কৰে। এই চৰ্তসমূহে কৃষি-উৎপাদনৰ বৈজ্ঞানিক কলাকৌশলৰ সৃষ্টি কৰিছে।

প্ৰত্যেক মণ্ডলৰ ছোভিয়েত বিজ্ঞানী আৰু বিশেষজ্ঞ সকলে বহুদিনৰ আগতে এই কলাকৌশলৰ ভিত্তি প্ৰস্তুত কৰিছে।—ই হ'ল দেশৰ ৩৫টা স্বাভাৱিক আৰু আৰ্থিক মণ্ডলৰ কাৰণে বৈজ্ঞানিকভাৱে প্ৰস্তুত কৰা কৃষিকৰ্মৰ আঁচনি। এইবিলাকত অৱস্থাৰ লগত সম্পূৰ্ণভাৱে খাপখোৱা অত্যন্ত যুক্তিযুক্ত, নিবিড় অৰ্থনৈতিকভাৱে প্ৰমাণিত কৃষিকৰ্মৰ পদ্ধতিৰ বিষয়ে অনুমোদন আছে।

কৃষিৰ ক্ষেত্ৰত কাম কৰি থকাসকলৰ লগত ঘনিষ্ঠ সহযোগিতাৰ মাজেদি বৈজ্ঞানিক অনুমোদনসমূহ ৰচনা কৰা হয়। এইবোৰ প্ৰতিখন কৃষিপামত অনাদিকাললৈ প্ৰয়োগ কৰি থাকিবৰ কাৰণে আগ বঢ়োৱা ধৰাবন্ধা নিৰ্দেশ নহয়; বিজ্ঞান আৰু শেহতীয়া অভিজ্ঞতাত হোৱা সৰ্বাধুনিক অগ্ৰগতিৰ লগত ইবোৰ সদায় শাৰীপাতি আগবাঢ়ি যায়; ইবোৰৰ উদ্দেশ্য হ'ল কৃষি-উৎপাদনৰ প্ৰতি মূল নিৰ্দেশ দিয়া। এই নিৰ্দেশ প্ৰতিখন কৃষিপামে নিজ নিজ স্বকীয়া অৱস্থা অনুসৰি অনুসৰণ কৰে।

আচাৰ্য্য কনস্তান্তিন স্ক্ৰিয়াবিনৰ নেতৃত্বত এদল ছোভিয়েত বিজ্ঞানীয়ে এই কীটনাশক বিজ্ঞানৰ এটা নতুন

শাখাৰ সৃষ্টি কৰিছে। ইয়াৰ পৰা লাভ কৰা ফলসমূহ দৰৱ, পশুচিকিৎসাবিজ্ঞান আৰু কৃষিত ব্যাপকভাৱে প্ৰয়োগ কৰা হৈছে। পশুপালনৰ ক্ষেত্ৰত অনেক মৌলিক সমস্যাৰ সমাধান কৰা হৈছে। আন্তঃপ্ৰজননৰ যোগেদি গবাদি পশুৰ জন্ম বৃদ্ধি কৰাত প্ৰচুৰ সফলতা লাভ কৰা হৈছে। কৃষিত যন্ত্ৰৰ প্ৰবৰ্তন কৰাৰ ক্ষেত্ৰত কাম কৰা বিজ্ঞানীসকলে কৃষি উৎপাদনত ব্যাপকভাৱে যন্ত্ৰৰ ব্যৱহাৰ কৰিবৰ উদ্দেশ্যে নতুন ধৰণৰ এলানি যন্ত্ৰৰ আঁচনি প্ৰস্তুত কৰিছে। বৈজ্ঞানিক অনুসন্ধানৰ ফলত খেতিৰ মাটিৰ উন্নয়ন দ্ৰুতগতিত আগ বাঢ়িছে।

অৰ্থনৈতিক সমস্যাৰ প্ৰতি দিনে দিনে অধিক মনোযোগ দিয়া হৈছে। মূল্য, লাভ, দক্ষতা আৰু সমাজতান্ত্ৰিক কৃষিত সিবোৰৰ তাৎপৰ্য আদিৰ দৰে অৰ্থনৈতিক ভাগ-বোৰৰ কৰ্মকৌশল বিজ্ঞানীসকলে পোহৰলৈ আনিছে।

কৃষিৰ ক্ষেত্ৰত বিৰাট আকাৰৰ সমবায় অৰ্থনৈতিক পৰিচালনা আৰু ব্যাপক তত্ত্বগত অধ্যয়নৰপৰা লাভ কৰা প্ৰচুৰ অভিজ্ঞতাৰ ফলত কৃষি উৎপাদনত আধুনিক বিজ্ঞানৰ সফলতাসমূহ আৰু উন্নত বাস্তৱ অভিজ্ঞতাৰ প্ৰয়োগৰ ক্ষেত্ৰত

আৰু ইয়াক বৈজ্ঞানিক ভিত্তিত স্থাপন কৰাৰ ক্ষেত্ৰত নতুন নতুন বাট মুকলি হৈছে। আৰু এই কাৰ্য সম্পাদন কৰাৰ কাৰণে আটাইতকৈ প্ৰয়োজনীয় কথা হ'ল, তত্ত্ব আৰু কামৰ মাজত ঘনিষ্ঠ মিলন।

বহুতো ৰাষ্ট্ৰীয় আৰু যৌথ কৃষিপামৰ নিৰীক্ষাকেন্দ্ৰ আছে। তাত বিজ্ঞানী, স্থানীয় বিশেষজ্ঞ আৰু কৃষকসকলে একেলগে কাম কৰি বিভিন্ন তাত্ত্বিক সমস্যাৰ সমাধান কৰে আৰু কৃষিত বৈজ্ঞানিক পদ্ধতিৰ প্ৰৱৰ্তন কৰে।

বিজ্ঞানীসকলে দৈনন্দিন সমস্যাবোৰৰ ক্ষেত্ৰত কাম কৰি যোৱাৰ উপৰিও কৃষি উৎপাদনৰ মৌলিকতৰ দিশবোৰৰো গৱেষণা কৰে। কৃষি উৎপাদন আৰু শ্ৰমৰ উৎপাদিকা শক্তি বৃদ্ধি কৰাৰ কাৰণে ঘাইকৈ নতুন উপায় আৰু পদ্ধতি উদ্ভাৱন কৰাৰ উদ্দেশ্যে তেওঁলোকে তত্ত্বগত আৰু বাস্তৱ অনুসন্ধান পৰিচালনা কৰে। অধ্যয়ন কৰা সমস্যাসমূহৰ ভিতৰত পৰে আলোকসংশ্লেষণ (ইয়াৰ তাত্ত্বিক ভিত্তি ক্লিমেন্ত্ তিমিৰিয়াজেভে দি গৈছে) বা সৌৰ শক্তিক জৈৱিক পদাৰ্থৰ মূল উৎস হিছাপে কেনেকৈ সৰ্বোৎকৃষ্টভাৱে ব্যৱহাৰ কৰিব পাৰি; হেটেৰছিছ'ৰ সমস্যা, ইয়াৰ দ্বাৰা

ন্যূনতম শ্ৰম আৰু অৰ্থেৰে কৃষিৰ উৎপাদন ক্ষমতা বঢ়াব পাৰি আৰু ইয়াৰ মান বৃদ্ধি কৰিব পাৰি ; বৰফ আৰু খৰাং বতৰ সহ্য কৰিব পৰা বিভিন্ন শস্য উৎপাদন কৰিবলৈ মাটিৰ উৰ্বৰতা বৃদ্ধি কৰা আৰু উন্নত সঁচ বাছি উলিওৱা আৰু জলসিঞ্চনাধীন কৃষিৰ কাৰণে বিশেষজাতৰ সঁচ বছা ; কৃষিজাত দ্ৰব্যৰ জাত উন্নত কৰি এনে এটা সময় ওচৰ চপাই অনা যিদিনা প্ৰতি হেক্তৰত উৎপন্ন হোৱা খাদ্যশস্য, বেলিফুল চেনি-বীটত যি পৰিমাণে প্ৰ'টিন, তেল, চেনি ইত্যাদি থাকে সেই পৰিমাণৰ ভিত্তিত তাৰ মূল্য নিৰ্দ্ধাৰণ কৰা হব।

সম্প্ৰতি প্ৰজননবিজ্ঞানৰ মূল সমস্যাসমূহত গভীৰতৰ অন্তৰ্দৃষ্টি লাভ কৰা হৈছে। আধুনিক পদাৰ্থবিজ্ঞান আৰু ৰসায়ন বিজ্ঞানৰ ক্ষেত্ৰত লাভ কৰা সফলতাসমূহৰ ফলত জীৱন্ত কোষৰ গুণবিলাকৰ বিষয়ে নতুন গৱেষণা কৰাটো সম্ভৱপৰ হৈ উঠিছে। বিজ্ঞানীসকলে এতিয়া কোষৰ গাঁথনিত ঘটা প্ৰক্ৰিয়াসমূহৰ নিয়ন্ত্ৰণৰ যোগেদি ইয়াৰ পৃথক পৃথক গাঁথনিৰ ভূমিকা সম্বন্ধে আগতকৈ ভালধৰণে বুজাৰ সম্ভাৱনা দেখা দিছে। প্ৰজননবিজ্ঞান অধ্যয়নৰ ক্ষেত্ৰত

আগৰ ভুল ধাৰণাৰ কাৰণে বাছনি আৰু পশু-প্ৰজননৰ ক্ষেত্ৰত বৈজ্ঞানিক আৰু বাস্তৱ কামকাজ ব্যাহত হৈছিল। আজি জীৱবিজ্ঞানৰ সকলো স্তৰতে গৱেষণাৰ কামে ব্যাপ্তি লাভ কৰিছে ; ক্লিস্তে, তিমিৰিয়াজেভ, নিক'লাই ভাভিলভ আৰু ইভান মিচুৰিনৰ দৰে প্ৰখ্যাত বিজ্ঞানীসকলে দি থোৱা সমৃদ্ধ পৰম্পৰাৰ উত্তৰোত্তৰ বিকাশৰ ক্ষেত্ৰত অধিক মনোযোগ দিয়া হৈছে।

বাস্তৱ কামৰ লগত বিজ্ঞানৰ সংযোগে লেনিনে প্ৰথমে আঙুলিয়াই থোৱা এটা সমস্যাৰ সমাধান কাষ চপাই আনিছে ঃ স্বতঃস্ফূৰ্ততাৰে মাটিৰ খেতি কৰাৰ ঠাইত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সফলতাসমূহৰ প্ৰয়োগৰ ভিত্তিত খেতি কৰা।

বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ ফলত বেছি মাটিত কম খেতি কৰাৰ ঠাইত কম মাটিতে বেছি উৎপন্ন কৰাৰ কাৰণে অনুকূল অৱস্থাৰ সৃষ্টি হৈছে। কম মাটিতে সৰহ উৎপন্ন কৰাৰ কথাটো বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাসন্মত প্ৰক্ৰিয়াতো হয়েই, লগে লগে আৰু সকলোৰে উপৰি ই এটা সামাজিক-অৰ্থনৈতিক প্ৰক্ৰিয়াও। ই মূলতঃ মাটিৰ সম্পৰ্কত

জনসংখ্যাৰ আধিক্যৰ সমস্যাৰ লগত জড়িত। ছোভিয়েত ইউনিয়নৰ কৃষি অৰ্থনীতি পৰিকল্পিতভাৱে অগ্ৰগতি লাভ কৰাৰ কাৰণে কম মাটিত বেছি খেতিকৰাৰ ক্ষতিকৰ পৰিণামবপৰা নিৰাপদ, কাৰণ এই অৰ্থনীতি প্ৰতিজন কৃষক আৰু সমগ্ৰ সমাজৰ স্বাৰ্থত বিকশিত কৰা হৈছে। ছোভিয়েত ইউনিয়নত কৃষি-পৰিকল্পনা কেনেকৈ কাৰ্য্যকৰী কৰা হয়?

১১

# পৰিকল্পিত বিকাশ নে স্বতঃস্ফূৰ্ত বিকাশ

গাঁওঅঞ্চলৰ সমাজতান্ত্ৰিক পুনৰগঠনৰ কাৰণে লেনিনে কৰা পৰিকল্পনাৰ বিৰোধিতা কৰা এন. লিতোশেংকোৱে গাওঁবোৰে "স্বতঃস্ফূৰ্ততাৰ বাটতে দপদপাই ফুৰিব আৰু মুৰকত এনে এক কৃষি ব্যৱস্থাৰ সৃষ্টি হ'বগৈ যি সকলো সমাজতান্ত্ৰিক আলাসত-চাংপতা কল্পনাৰপৰা সাত হাত আঁতৰতে থাকি যাব" বুলি অভিযোগ কৰিছিল।

এতিয়াও এই লেখাৰ ৫০ বছৰ বয়স হোৱা অভিযোগ সমসাময়িক পাশ্চাত্য লেখকৰ কলমত ওলোৱা দেখিবলৈ পোৱা যায়।

ৰুছিয়াৰ গাঁৱৰ কাৰণে আটাইতকৈ শ্ৰেষ্ঠ ভবিষ্যতত কোনটো বাটেদি গলে ওলাবগৈ পাৰি—পৰিকল্পনাৰ বাটেদি নে স্বতঃস্ফূৰ্ততাৰ বাটেদি—তাক জানিব লাগিলে আমি ইতিহাসলৈ, প্ৰকৃত অভিজ্ঞতালৈ উভতি চাব লাগিব।

ৰুছিয়াৰ গ্ৰাম্য অৰ্থনীতি গঠিত হৈছিল অলেখ সৰু সৰু বিক্ষিপ্ত খেতিৰ পথাৰেৰে। এটা মাত্ৰ জাতীয় অৰ্থ নৈতিক বিকাশৰ পৰিকল্পনাৰে কৃষি উৎপাদন পৰিচালনা কৰাটো অসম্ভৱ আছিল, আৰু ছোভিয়েত ৰাষ্ট্ৰয়ো এই কামটো তপতে তপতে কৰিবলগীয়া কাম বুলি ভবা নাছিল। এই উদ্দেশ্যে পণ্য-অৰ্থ সম্পৰ্কৰ ব্যৱহাৰ কৰি গ্ৰাম্য অৰ্থনীতিৰ ওপৰত ই এক প্ৰণালীবদ্ধ প্ৰভাব বিস্তাৰ কৰিছিল। শিল্প পৰিকল্পনাসমূহত কৃষিৰ যন্ত্ৰ আৰু সা-সঁজুলি, কাপোৰকানি, সাজপাৰ, জোতা আৰু গঞাৰাইজৰ অন্যান্য পণ্যদ্ৰব্যৰ উৎপাদনত এটা স্থিৰ-নিশ্চিত অগ্ৰগতিৰ কথা বিবেচনা কৰা হৈছিল। এই পণ্যদ্ৰব্যসমূহ সৰবৰাহৰ ফলত নগৰৰ কাৰণে খাদ্যদ্ৰব্যৰ বৃদ্ধি একেৰাহে হবলৈ ধৰিছিল। অৰ্থসাহায্য আৰু ঋণদানৰ ৰাষ্ট্ৰীয় ব্যৱস্থাই খেতিয়কসকলক ভোগ্যপণ্যৰ (গ্ৰাহক) সমবায় আৰু পণ্যদ্ৰব্য ক্ৰয়-বিক্ৰয় সমবায়সমূহ প্ৰতিষ্ঠা কৰাত সহায় কৰিছিল। ইয়াৰ ফলত কৃষকসকলে লাভখোৰ আৰু সুদখোৰৰ হাতৰপৰা ৰক্ষা পাইছিল। কৃষক আৰু খাদ্য সৰবৰাহৰ ভাৰপ্ৰাপ্ত চৰকাৰী সংগঠনৰ মাজত হোৱা চুক্তিৰ ফলত কৃষিপামত হোৱা উৎপন্নৰ লাভজনক

ক্রয়-বিক্রয় নিশ্চিত হৈছিল। ৰাষ্ট্ৰই কিছুমান কেন্দ্ৰ পাতি দিছিল। তাৰপৰা কৃষিৰ মেছিন আদি ভাড়াত দিয়া হৈছিল। ই গাঁৱত ক্ৰমে বেছিকৈ যন্ত্ৰপাতিৰ যোগান ধৰিছিল, উন্নত বীচ দিছিল আৰু গাওঁ অঞ্চলত উন্নত কৃষি-সংক্ৰান্ত সেৱা আগ বঢ়াইছিল। এই কামবিলাকৰ গঞ্জা ৰাইজে শলাগ লৈছিল।

কৃষি উৎপাদনৰ লগত প্ৰত্যক্ষ সম্পৰ্ক থকা ৰাষ্ট্ৰীয় প্ৰকল্পসমূহ বিপ্লৱৰ ঠিক পিছমুহূৰ্ততেই প্ৰসাৰণ কৰা হয়। ১৯১৮ চনত চৰকাৰে তুৰ্কিস্তানত কৃষিৰ যন্ত্ৰ নিৰ্মাণ আৰু জলসিঞ্চন ব্যৱস্থা নিৰ্মাণৰ বিকাশৰ কাৰণে পৰিকল্পনা ৰচনা কৰে। ১৯২০ চনত নিখিল ৰুছ ছোভিয়েতসমূহৰ ৮ম মহাসভাত বৈদ্যুতীকৰণৰ (গোৱেল্ৰ' আঁচনি) ভিত্তিত জাতীয় অৰ্থনীতিৰ পুনৰ্বাসন আৰু পুনৰগঠনৰ আঁচনি এখন গ্ৰহণ কৰা হয়। এই আঁচনিত শিল্প-বিকাশৰ লগে লগে কৃষি পদ্ধতিৰ বিকাশ, জলসিঞ্চন আৰু নলা ব্যৱস্থাৰ নিৰ্মাণ, খেতিৰ পথাৰৰ সম্প্ৰসাৰণ আৰু বিৰাট আকাৰত যন্ত্ৰ-প্ৰৱৰ্তিত যৌথ কৃষিপাম প্ৰতিষ্ঠা কৰাৰ কাৰণে প্ৰস্তুতি আদিৰ কথা ধৰা হৈছিল।

প্ৰথম পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ কালছোৱাত (১৯২৮/২৯-১৯৩২/৩৩) যৌথ ভিত্তিত গাঁও পুনৰ্গঠন কৰিবৰ কাৰণে এক ব্যাপক কাৰ্য্যসূচী গ্ৰহণ কৰা হয়। ব্যাপক হাৰত যৌথীকৰণ হোৱাৰ ফলত গ্ৰাম্য অৰ্থনীতিত আমুল পৰিবৰ্তন হয়। এতিয়া আৰু ইয়াৰ ভিত্তি ব্যক্তিগত মালিকানা আৰু ব্যক্তিগত শ্ৰম নহয়—ইয়াৰ ভিত্তি হ'ল ৰাজহুৱা মালিকানা আৰু যৌথ শ্ৰম। সমাজতান্ত্ৰিক শিল্প আৰু ব্যক্তিগত কৃষিৰ মাজৰ ব্যৱধান মৰি গ'ল। সমাজতান্ত্ৰিক কৃষি সমগ্ৰ সমাজতান্ত্ৰিক অৰ্থনীতিৰ অচ্ছেদ্য অঙ্গ হৈ পৰিল। এই ৰূপান্তৰৰ ফলত কৃষিৰ বিকাশত প্ৰত্যক্ষ পৰিকল্পনা সম্ভৱ হ'ল।

কৃষি উৎপাদনৰ পৰিকল্পিত পৰিচালনাৰ ভিত্তি হ'ল যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপামৰ স্থানীয় উদ্যমৰ লগত, সকলো অৰ্থনৈতিক ক্ৰিয়াকলাপৰ ব্যাপক গণতন্ত্ৰীকৰণৰ লগত কেন্দ্ৰীভূত ৰাষ্ট্ৰীয় পৰিকল্পনাৰ সংযোগসাধন। এই গণতন্ত্ৰীকৰণৰ আত্মপ্ৰকাশ স্পষ্ট হৈ উঠিছিল জাতীয় অৰ্থনৈতিক পৰিকল্পনাৰ সম্প্ৰসাৰণৰ সময়ত। এই জাতীয় অৰ্থনৈতিক পৰিকল্পনাৰ ভিত্তি সকলোবোৰ যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপামে প্ৰতিষ্ঠা কৰিছিল। ৰাষ্ট্ৰই চৰকাৰী ক্ৰয়ৰ

পৰিমাণ নিৰ্দ্ধাৰণ কৰাৰ কাম নিজৰ হাতত লৈ কৃষি উৎপাদনৰ বিক্ৰীৰ নিশ্চয়তা প্ৰদান কৰে। কৃষি উৎপাদনৰ পৰিকল্পনাৰ ক্ষেত্ৰত কিমান আৰু কি জাতৰ শস্য সিঁচিব লাগিব, বিভিন্ন উদ্দেশ্যত কি কি বিশেষ ধৰণৰ মাটি ঠিক কৰিব লাগিব, কিমান পশু পালন কৰিব লাগিব—এইবিলাক সকলো ঠিক কৰিব কৃষি পামবোৰে।

পৰিকল্পনা পূৰ্ণভাৱে কাৰ্য্যকৰী হলে ৰাষ্ট্ৰ, যৌথ কৃষিপাম আৰু ব্যক্তিগত কৃষকৰ লাভ হয়। যৌথ কৃষিপামে কৃষিপামৰ মুঠ উৎপাদন বৃদ্ধি কৰি দেশৰ খাদ্যসম্পদ বৃদ্ধি কৰে আৰু, কৃষিপাম আৰু খেতিয়কৰো আয় বঢ়ায়।

অৰ্থনৈতিক স্বাৰ্থয়ো ৰাষ্ট্ৰীয় কৃষিপামৰ পৰিকল্পনাত ক্ৰমবৰ্দ্ধমান ভূমিকা গ্ৰহণ কৰিছে। ইয়াতো শ্ৰমিকৰ আয়ৰ লগত কৃষিপামৰ দক্ষতা আৰু লাভজনকতাৰ প্ৰত্যক্ষ সম্বন্ধ আছে। ৰাষ্ট্ৰীয় পামত কাম কৰা শ্ৰমিকসকল ভাড়াটীয়া শ্ৰমিক মাত্ৰ নহয়, কৃষিপামৰ লগত তেওঁলোকৰ সম্পৰ্ক কেৱল মজুৰিয়েই নহয়। তেওঁলোক ৰাইজৰ সম্পত্তিৰো সহ-অধিকাৰী, বিশেষকৈ ৰাষ্ট্ৰীয় কৃষিপামৰ—য'ত তেওঁলোকে কাম কৰে।

অধিকাৰিত্বৰ এই ভাব পৰিলক্ষিত হয় শ্ৰমিকসকলে কৃষি পামৰ সভাসমিতিবোৰত কৃষিপামৰ উৎপাদনৰ বিশদ ব্যাখ্যা কৰাৰ সময়ত আৰু পৰিকল্পনা সম্পূৰ্ণ কৰা আৰু নিৰ্দ্ধাৰিত সময়ৰ আগতেই সম্পূৰ্ণ কৰাৰ প্ৰতিযোগিতাবোৰত।

যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপামৰ উৎপাদন পৰিকল্পনা ৰচনা কৰাৰ ক্ষেত্ৰত কৃষিপামৰ কৃষক আৰু শ্ৰমিকসকলৰ ব্যাপক অংশগ্ৰহণেই পৰিকল্পনাসমূহৰ অসাধাৰণ প্ৰাণশক্তিৰ কাৰণ। প্ৰত্যেকেই পৰিকল্পনা একোটাক নিজ নিজ সামূহিক সৃজনশীল প্ৰচেষ্টাৰ পৰিণতি বুলি ভাবে; ই যেন তেওঁলোকৰ কিবা এটা অতি আপোন বস্তু, ইয়াক কামত পৰিণত কৰিব পাৰিলে যেন অত্যন্ত গুৰুত্বপূৰ্ণ কাম কৰা হয়।

যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপামৰ পৰিকল্পনাবোৰে জাতীয় কৃষি উন্নয়ন পৰিকল্পনা ৰচনাৰ জন্ম দিয়ে। ইবোৰৰ সমন্বয় আৰম্ভ হয় কৃষিপাম-জিলাত তাৰ পিছত এই সমন্বয় আঞ্চলিক আৰু ৰাজ্যিক সংগঠনবোৰৰ জৰিয়তে প্ৰজাতন্ত্ৰ বোৰৰ পৰিকল্পনা সংস্থাবোৰ পৰ্য্যন্ত যায়। এই সংস্থাবোৰে অঙ্গ প্ৰজাতন্ত্ৰবোৰৰ কাৰণে বিস্তৃত খচৰা আঁচনি প্ৰস্তুত

কৰে। এই খচৰা আঁচনিবোৰ তেতিয়া ৰাষ্ট্ৰীয় পৰিকল্পনা সংস্থাত দাখিল কৰা হয়। ছোভিয়েত ইউনিয়নৰ ৰাষ্ট্ৰীয় পৰিকল্পনা আয়োগে অঙ্গপ্ৰজাতন্ত্ৰ বিভিন্ন মন্ত্ৰীদপ্তৰ আৰু বিভাগবোৰে বিশদভাবে প্ৰস্তুত কৰা খছৰা আঁচনিসমূহৰ লগত আন অৰ্থনৈতিক শাখাৰ কাৰণে ৰচা পৰিকল্পনাৰ সমন্বয় সাধন কৰি সমগ্ৰ দেশজুৰি কৃষিৰ উন্নয়নৰ কাৰণে এখন খছৰা আঁচনি প্ৰস্তুত কৰে। এই খছৰা আঁচনিখনৰ সমন্ধে তেতিয়া ছোভিয়েত ইউনিয়নৰ মন্ত্ৰীপৰিষদে বিবেচনা কৰে।

প্ৰত্যেকখন কৃষিপামৰ বিকাশকে ধৰি দেশৰ অৰ্থনৈতিক বাৰ্ষিক আৰু দীঘম্যাদী (পঞ্চ বাৰ্ষিক) পৰিকল্পনাই নিৰ্দ্দিষ্ট কৰি দিয়া বাটেদি আগ বাঢ়ে। এই পৰিকল্পনাবোৰ বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু অৰ্থনীতিৰ সৰ্বাধুনিক উদ্ভাৱনসমূহৰ ভিত্তিত খৰচি মাৰি প্ৰস্তুত কৰা হয়। পৰিকল্পনাৰ বৈজ্ঞানিক ভেটিটোৱে সামাজিক উৎপাদনৰ নিয়ত বিকাশ আৰু ৰাইজৰ জীৱনধাৰণৰ মানৰ উন্নয়ন নিশ্চিত কৰে।

পৰিকল্পনাৰ মুখ্য কাম হল জাতীয় অৰ্থনীতিৰ কাৰণে সৰ্বশ্ৰেষ্ঠ দক্ষতাসম্পন্ন সুষমতা আৰু গাঁথনি, আৰু অৰ্থনীতিৰ

বিকাশত অৰ্থনৈতিক আগলৈ লৈ যোৱা শক্তিসমূহৰ আটাইতকৈ সুবিধাজনক নিযুক্তি নিৰ্দ্ধাৰণ কৰে। এনে লক্ষণ থকা এটা উদাহৰণ হ'ল—১৯৬৬-৭০ চনৰ কাৰণে লোৱা অষ্টম পঞ্চবাৰ্ষিকী অৰ্থ নৈতিক উন্নয়ন পৰিকল্পনাটো। এই পৰিকল্পনাত যিটো কাম অৰ্থনৈতিকভাৱে সমাধা কৰিবলৈ লোৱা হৈছে সি হ'ল—শিল্পৰ ক্ষেত্ৰত বিৰাট অভ্যুত্থান আৰু কৃষিৰ অগ্ৰগতিত উচ্চ আৰু স্থিৰ হাৰ এটা নিশ্চিত কৰা। ইয়াৰ কাৰণে বৈজ্ঞানিক আৰু প্ৰযুক্তিবিদ্যাৰ সফলতাসমূহৰ আৰু দেশৰ সমূহ শিল্প-সম্ভাৱনাৰ পূৰ্ণতম সদ্ব্যৱহাৰ কৰি প্ৰাপ্তজন ছোভিয়েত নাগৰিকৰ বৈষয়িক আৰু সাংস্কৃতিক প্ৰযোজনসমূহ সম্পূৰ্ণভাৱে পূৰণ কৰিবৰ কাৰণে অনুকূল অৱস্থাৰ সৃষ্টি কৰিব লাগিব।

ছোভিয়েত অৰ্থনীতিৰ অগ্ৰগতিয়ে যি পৰ্য্যায় লাভ কৰিছে তাৰ ফলত কৃষিৰ অগ্ৰগতিৰ হাৰ বৃদ্ধি কৰি, সেই হাৰক শিল্পৰ অগ্ৰগতিৰ হাৰৰ ওচৰ পোওৱাৰ প্ৰচুৰ সম্ভাৱনা সৃষ্টি কৰিছে। ই অষ্টম পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ অন্যতম লক্ষ্য। এই সম্পৰ্কত, কৃষিৰ অনুকূলে জাতীয় অৰ্থনীতিৰ পুনৰ্বণ্টন হৈছে। আনহাতে, উৎপাদনৰ উপকৰণ

উৎপাদন কৰিবৰ কাৰণে থকা অগ্ৰাধিকাৰ অব্যাহত ৰখা হৈছে। দেশৰ মূল উৎপাদন সম্পদসমূহ মুঠতে শতকৰা ৫০ ভাগলৈ উধাব; ইয়াৰ ভিতৰত থাকিব শিল্পত শতকৰা ৬০ ভাগ আৰু কৃষিত শতকৰা ৯০ ভাগ বৃদ্ধি। শিল্পসংক্ৰান্ত নিৰ্মাণ আৰু কৃষিৰ ক্ষেত্ৰত যন্ত্ৰপাতিৰ যোগানতেই অকল ৰাষ্ট্ৰীয় মঞ্জুৰী হ'ল ৪১,০০০ নিযুত ৰুবল; এই ধন আগৰ পঞ্চবাৰ্ষিক পৰিকল্পনাত ব্যয় কৰা ধনৰ দুগুণ। ইয়াৰ উপৰিও, যৌথ কৃষিপামে নিজৰ অৰ্থনৈতিক সম্প্ৰসাৰণৰ কাৰণে ধন খটাইছে—যাৰ পৰিমাণ ৩০,০০০ নিযুত ৰুবল। যৌথ কৃষিপামৰ অৰ্থনীতিয়ে কৃষিপামৰ উৎপাদিত দ্ৰব্য সমূহৰ কিনা দাম বৃদ্ধি আৰু ৰাষ্ট্ৰীয় ক্ৰয়-ব্যৱস্থাৰ উন্নতি, গাঁৱৰ কাৰণে থোৰা শিল্পজাত দ্ৰব্যৰ মূল্য হ্ৰাস আৰু যৌথ কৃষিপামৰ কাৰণে দিয়া ঋণ-ব্যৱস্থাৰ সংশোধন, যৌথ কৃষিপামৰ কৃষকসকলৰ কাৰণে নিশ্চিত মজুৰি প্ৰৱৰ্তন আৰু যৌথ আৰু ৰাষ্ট্ৰীয়পামৰ উৎপাদন বৃদ্ধিৰ কাৰণে বৈষয়িক উদ্দীপনা দিয়াৰ অন্যান্য উপায় আদিৰ দৰে ৰাষ্ট্ৰীয় ব্যৱস্থাসমূহেৰে যৌথ পামসমূহৰ অৰ্থনীতি লেথতলবলগীয়াকৈ শক্তিশালী কৰা হৈছে।

পাশ্চাত্যৰ লেখকসকলে প্ৰায়েই জোৰকৈ কয় যে পৰিকল্পনাবোৰত মানুহে কোনো উদ্যম নাপায়, বিশেষকৈ কৃষকসকলে ; সেইবোৰ ওপৰৰপৰা অহা প্ৰশাসনীয় নিৰ্দেশ মাথোন। কিন্তু নিৰ্মাণৰ নক্সা আঁকি দিয়া কাগজখনে নিৰ্মাণকাৰীসকলৰ কামত বাধাৰ সৃষ্টি কৰে নে? নে, সঙ্গীতৰ স্বৰগ্ৰাম নোহোৱাকৈয়ে সঙ্গীতকাৰে চলিব পাৰে? কৃষিৰ ক্ষেত্ৰতো কথা একেটাই: যিটো কাম অৰ্থনৈতিক ক্ষেত্ৰত কৰিব লাগিব তাৰ বিষয়ে ভাবি-চিন্তি আগতেই আঁচনি কৰি লোৱা বেছি ভাল নহয় জানো?

সকলোবোৰ নতুন কামৰ ক্ষেত্ৰতে হোৱাৰ দৰে পৰিকল্পনাৰ ভিত্তিত হোৱা ছোভিয়েত অৰ্থনীতিৰ অগ্ৰগতিৰ ক্ষেত্ৰতো ভুল-ভ্ৰান্তি হয়। অৰ্থনৈতিক পৰিকল্পনা এটা কামত প্ৰয়োগ কৰাৰ সময়ত বৈজ্ঞানিক বিচাৰবুদ্ধিৰ ঠাইত গাইগোটভাৱে আৰু যি যেনেকৈ মন যায় তেনেকৈ কাম কৰাৰ মনোবৃত্তিকে কেতিয়াবা কেতিয়াবা স্থান দিয়া হয়, জাতীয় অগ্ৰগতিৰ অৰ্থনৈতিক পদ্ধতি অনুসৰণ নকৰি মাজে মাজে একমাত্ৰ প্ৰশাসনীয় পদ্ধতি অনুসৰণ কৰা হয়। এই ক্ৰটীবোৰ সামাজিক

অগ্ৰগতিৰ বাস্তৱ প্ৰয়োজনীয়তা আৰু সম্ভাৱনাৰপৰা জন্ম হোৱা পৰিকল্পনাৰ বৈজ্ঞানিক ভিত্তিৰ প্ৰতিকূলে যায়।

ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিয়ে কৃষি অৰ্থনীতিৰ পৰিকল্পনা আৰু পৰিচালনাত দেখা দিয়া এই ভুল ত্ৰুটীবোৰৰ কঠোৰ সমালোচনা কৰি কৃষি পৰিকল্পনাৰ বৈজ্ঞানিক পৰ্য্যায় উন্নীত কৰিবৰ কাৰণে ব্যৱস্থা লয়।

পৰিকল্পনাৰ ব্যৱস্থা একেটাই হোৱাৰ কাৰণে কৃষিৰ অগ্ৰগতি সমগ্ৰ জাতীয় অৰ্থনীতিৰ বিকাশৰ লগতে ঘনিষ্ঠভাৱে জড়িত। শিল্প আৰু পৰিবহনৰ দ্ৰুত অগ্ৰগতিৰ ফলত অতিৰিক্ত লোকবলৰ প্ৰয়োজন হয়। দেশৰ শ্ৰমিক আৰু কৰ্মচাৰীৰ সংখ্যা বিপ্লৱৰ আগতে ১৩ নিযুত আছিল: সি বাঢ়ি ১৯৩২ চনত ২৪ নিযুত, ১৯৪০ৰ প্ৰাক-যুদ্ধৰ কালছোৱাত ৩৩.৯ নিযুত আৰু ১৯৬৭ চনত ৮৩ নিযুত হৈছে। দেশত দ্ৰুতগতিত শিল্পায়ন হোৱাৰ কাৰণে আৰু কৃষি-কৰ্মত যন্ত্ৰপাতিৰ প্ৰয়োগ সফল হৈ উঠাৰ কাৰণে আগৰ লাখ লাখ কৃষকে এতিয়া শিল্পত যোগ দিছে। কলকাৰখানা আৰু নিৰ্মাণ কেন্দ্ৰৰ প্ৰশাসনে কৰ্মী বিচৰাই গাঁও অঞ্চলৈ লোক পঠায়। নতুন সকলক বিনামূলীয়াকৈ শিল্পৰ

বিভিন্ন ভাগৰ কাম শিকায়। প্ৰত্যেকেই জীৱনৰ খোজত খোজ মিলাই যায়; প্ৰবল বেগেৰে আগুৱাই যোৱা বিৰাট সমাজতান্ত্ৰিক অৰ্থনীতিত সকলোৰে কাৰণে কাম আছে।

গাঁৱে স্বতঃস্ফূৰ্ত বিকাশৰ পথেদি আগ বাঢ়ি যাব নে পৰিকল্পিত পথেদি যাব—সেই সম্বন্ধে থকা সকলো সন্দেহ প্ৰকৃত অভিজ্ঞতাই ধুই নাইকিয়া কৰি পেলালে। অলপ দিনৰ ভিতৰতে পৰিকল্পিত ব্যৱস্থাই গাওঁ অঞ্চলত এটা আমূল পৰিৱৰ্তন সাধন কৰিলে; ছোভিয়েত ইউনিয়নত কৃষি উৎপাদনৰ ভেটি হৈ উঠিল ব্যাপকহাৰত যন্ত্ৰ-প্ৰৱৰ্তিত যৌথ কৃষি পামসমূহ।

যন্ত্ৰৰ সহায়েৰে খেতি কৰাটো কৃষি উৎপাদনৰ অগ্ৰগতিৰ কাৰণে প্ৰধান গুৰুত্বপূৰ্ণ কথা। কিন্তু ইয়াৰ উপৰিও আন এটা কথা আছে: কৃষকসকলৰ নিজৰ শ্ৰমৰ ফলৰ প্ৰতি থকা বাস্তৱ আগ্ৰহ।

১২

# উদ্দীপনা ঃ ছোভিয়েত কৃষকৰ কাৰণে ইয়াৰ অৰ্থ আছে নে ?

এই প্ৰশ্নটোৱে পাশ্চাত্যৰ অৰ্থনীতিবিদসকলৰ মাজত প্ৰচুৰ বাক-বিতণ্ডাৰ সৃষ্টি কৰিছে। কিছুমানে কয় ছোভিয়েতৰ কৃষকৰ যৌথ কৃষিপামত কাম কৰিবলৈ কোনো আগ্ৰহ নাই, আন কিছুমানে আকৌ সেই কথাষাৰ মানি নলয়।

কাৰ কথা ঠিক সেইটো বুজিবলৈ এই সংক্ৰান্তত এটা বস্তুৰ লগত আমাৰ পৰিচয় থাকিব লাগিব ; সেই বস্তুটো হ'ল যৌথ কৃষিপামৰ জীৱন ; তাতকৈও এখন বিশেষ যৌথ কৃষিপামৰ জীৱন।

এই অধ্যায়ত যিখন কৃষিপামৰ বিবৰণ দিবলৈ লোৱা হৈছে তাক গঢ়ি তোলাত এই লেখকেও ভাগ লৈছিল। প'বেদা কৃষিপামখন দনপৰীয়া ৰ'স্তভ নামৰ দক্ষিণৰ বৃহৎ

মহানগৰীৰ আৱেষ্টনীৰ মাজত অৱস্থিত। ১৯৩০ চনত কৃষিপামৰ ২০টা শ্ৰমিক পৰিয়াল, ৬৯টা দুখীয়া কৃষক পৰিয়াল আৰু ২০৮টা মজলীয়া তৰপৰ কৃষক পৰিয়ালৰ সমূহীয়া প্ৰচেষ্টাত এই পামখন গঢ়ি উঠে। ৰাষ্ট্ৰই কোনো দাম নোলোৱাকৈ নিগাজীভাৱে ৩,২২২ হেক্টৰ মাটি এই কৃষকসকলক দি দিয়ে। এই মাটিখিনি ধনী খেতিয়কৰপৰা বাজেয়াপ্ত কৰি অনা ৩খন ট্ৰেক্টৰ, ১১৯টা বলধ আৰু ৩০৯টা ঘোঁৰাৰ সহায়ত চহোৱা হয়। জহি-খহি যোৱা জুপুৰীবোৰ গো-পালন কেন্দ্ৰ হিচাপে ব্যৱহাৰ কৰি গাই আৰু দমৰা ২৭টি আৰু গাহৰি ১১টা ৰখা হয়।

অলপ দিনৰ ভিতৰতে চৰকাৰে এটা মেচিন আৰু ট্ৰেক্টৰ কেন্দ্ৰ প্ৰতিষ্ঠা কৰে আৰু ইয়াৰ দ্বাৰাই চহোৱা, গুটি সিঁচা আৰু শস্য দোৱা—সকলো কাম কৰা হয়। এই কেন্দ্ৰবোৰ ১৯৫৮ চনত পুনৰসংগঠিত কৰাৰ লগে লগে কৃষিপামখনে ইয়াৰ আহিলা-পাতি আৰু মেৰামতি কাৰখানাবোৰ কিনি লয়। ১৯৬৬ চনত কৃষিপামখনৰ ৬০ টাতকৈও বেছি ট্ৰেক্টৰ, ৭টা কম্বাইন প্ৰায় ৪০ খন মটৰ কাৰ আৰু অজস্ৰ বৈদ্যুতিক 'মটৰ' হয়। আৰম্ভণিতে এই কৃষিপামৰ

বৈদ্যুতিক ক্ষমতা কৃষকে পতি ০.৫ অশ্বশক্তি আছিল। ৩০ বছৰৰ পিছত ই বাঢ়ি হয়গৈ ১০ অশ্বশক্তি। পৰিয়ালৰ সংখ্যা দুগুণ হয় (২৯৭ ৰপৰা ৬০০) খেতিৰ মাটি ৫ গুণ বাঢ়ে (৩,২২২ৰপৰা ১৫০০০ হেক্তৰ) আৰু মাটি অধিক সাৰুৱা হয়। যৌথ কৃষিপাম হোৱাৰ আগতে হেক্তৰে পতি ৭।৮ মেট্রিক চেণ্ট্নাৰ য-ধান হলেই বহুত আছিল। আজি প্রতি হেক্তৰত ২৩—২৫ চেণ্ট্নাৰকৈ হয়। ১৯৩০ চনত হেক্তৰে পতি প্রতি কৃষকে ১৮ মেট্রিক চেণ্টনাৰকৈ খাদ্যশস্য উৎপাদন কৰিছিল, ১৯৫৭ চনত হয় প্রায় ১৫০ মেট্রিক চেণ্ট্নাৰ। সকলোফালে পূৰ গোপালন কেন্দ্রত গৰু-গাই, ভেৰা-গাহৰিৰ সংখ্যা আছিল ২ ০০০ ৰো বেছি।

তিতালতাই (সোমৰাজ) ছাটি থকা পতিত মাটি-বোৰত কোনো খেতি নহয় বুলি আগতে ভবা হৈছিল, তাত এতিয়া ফলোদ্যান আৰু আঙুৰবন জকমকাই আছে। কৃষিপামত এচাহী মাটিও পেলনি যোৱা নাই।

এই পামথনত ৭ জন কৃষিবিজ্ঞানী আৰু আন বহু বিশেষজ্ঞই কাম কৰে। শই শই কৃষকে এতিয়া কৃষি-প্রযুক্তিবিজ্ঞানৰ বিদ্যালয়ত পঢ়িবলৈ গৈছে।

১৯৬৬ চনত যিখিনি খাদ্যশস্য, মাংস, গাখীৰ, শাক-পাচলি, ফল, আৰু আঙুৰ উৎপাদিত হৈছিল তাৰ মূল্য ৫,০০০,০০০ ৰুবলতকৈও বেছি আছিল। ই ১৯৩০ চনৰ খিনিতকৈ ১৬ গুণ বেছি।

সামাজিক উৎপাদন বৃদ্ধিৰ লগে লগে কৃষকৰ জীৱন ধাৰণৰ মানো বাঢ়ি যায়। যোৱা বছৰ-সাতোটাতেই কৃষকৰ ব্যক্তিগত আয় দুগুণতকৈ বেছি বাঢ়ে।

কৃষকৰ ব্যক্তিগত আয় তেওঁৰ শ্ৰমৰ বিনিময়ত পোৱা পাৰিশ্ৰমিকখিনিয়েই নহয়। কৃষকসকলৰ বিভিন্ন ব্যক্তিগত অভাৱ পূৰ কৰিবলৈ কৃষিপামবিলাকে ইয়াৰ ৰাজহুৱা ভোগ্যপুঁজি ব্যৱহাৰ কৰে। এই পুঁজিৰ ধন ব্যৱহাৰ কৰা হয় শিশু-লালনপালন কেন্দ্ৰ আৰু শিশু-উদ্যানসমূহ পৰিচালনা কৰাত, ছুটীৰ দিনৰ মজুৰিৰ কাৰণে, স্বাস্থ্যনিবাস আৰু জিৰণি ঘৰৰ যোগান ধৰাৰ কাৰণে নিখিল ৰুছ পেন্সন পুঁজিলৈ অৰিহণা দিবৰ কাৰণে আৰু কৃষিপামৰ ক্লাব আৰু পুথিভঁড়াল পৰিচালনাৰ কাৰণে। যৌথ কৃষিপামবোৰৰ এইবোৰ উদ্দেশ্যত বছৰি ১০০,০০০ ৰুবল ব্যয় কৰা হয়। সদৌ ছোভিয়েত নাগৰিকৰ দৰেই যৌথপামৰ কৃষকসকলেও

পঢ়াশুনা, ডাক্তৰ আৰু দৰৱপাতিৰ কাৰণে ধন ভৰিব নালাগে।

সামাজিক উৎপাদনত ভাগ লোৱাৰপৰা কৃষিপামৰ কৃষক আৰু তেওঁলোকৰ পৰিয়ালবোৰৰ কি লাভ হয়? এই লেখকৰে গঞা আন্দ্ৰেই মুখাস্কোৰ ওচৰলৈ পাক এটা মাৰিলেই ইয়াৰ সমিধান পোৱা হ'ব। মুখাস্কো এজন বুঢ়া খেতিয়ক, আগতে তেওঁ দুখীয়া খেতিয়ক আছিল। আগৰ দিনৰ লোকসকলৰ তেওঁৰ হামখুৰি খাই থকা খেৰৰ পঁজাটোৰ কথা এতিয়াও মনত আছে।

পৰিয়ালটোত ৭ জন লোক মুখাস্কো, তেওঁৰ ঘৈণীয়েক পুতেক, বোৱাৰীয়েক আৰু তিনিটা নাতিলৰা। তাৰে তিনিজনে কাম কৰে: মুখাস্কো হ'ল সহকাৰী পৰিচালক, পুতেক ভাছিলি বোজাইৱালা, বোৱাৰীয়েক গোৱালিনী। তেওঁলোকৰ তিনিওৰে কৃষিপামৰপৰা হোৱা বছৰেকীয়া আয় ২,৫০০ ৰুবল; তাৰে ১,৯০০ ৰুবল নগদ ধন, বাকী ৬০০ ৰুবল পামৰ বাজহুৱা ভোগ্য পুঁজিৰপৰা অহা বিভিন্ন ধৰণৰ সা-সুবিধা। এই সা-সুবিধাবিলাক ১৯৬৭ চনত যিদৰে পোৱা হৈছিল সি হ'ল—মুখাস্কোৰ বিনামূলীয়াকৈ

স্বাস্থ্যনিবাসত বাস, পুতেকৰ স্তিৰণিঘৰত বাস, বোৱা-বীয়েকৰ মাতৃত্বলাভৰ কাৰণে দৰমহাসহ ছুটী, ডাছিলিৰ বেমাৰৰ কাৰণে দৰমহাসহ ছুটী, নাতিয়েকৰ শিশু-পালন কেন্দ্ৰত এবছৰ বিনামূলীয়াকৈ কটোৱা আৰু বৰ নাতিয়েকৰ এমাহ পায়নিয়াৰ শিবিৰত থকা।

ইয়াৰ উপৰিও সম্পূৰক কৃষিপামৰপৰা পোৱা পৰিয়াল-টোৰ আয় আছেই। এনে কৃষিপাম প্ৰত্যেক কৃষকৰে থকাটো। এটা অধিকাৰ আৰু এই অধিকাৰ ছোভিয়েত গঠনতন্ত্ৰত বিধিবদ্ধ।

সুথাঙ্কোৰ ব্যক্তিগত কৃষিপামৰ মাটিত এখন ফলৰ বাগিচা আৰু এখন ঘৰুৱা শাক-পাচলিৰ বাৰী আছে। কুকুৰা আদি চৰাই, এটা গাহৰি আৰু এজনী গাইৰ কাৰণেও ঠাই আছে। পৰিয়ালৰ প্ৰত্যেকেই বাগিচাত অলপ-অচৰপ কাম কৰিবলৈ ভাল পায়। কিন্তু পৰিয়ালটোৱে বেছিভাগ সময় দিয়ে যৌথ কৃষিপামখনত। ইয়াক তেওঁলোকে আৰ্জনৰ ঘাই থলী হিছাপে গণ্য কৰে। সম্পূৰক মাটিডৰাৰপৰা হোৱা নগদ ধন মুঠ উপাৰ্জনৰ শতকৰা ১০ ভাগতকৈ বেছি নহয়; বাকী শতকৰা ৯০

ভাগ আয় সামাজিক উৎপাদন ক্ষেত্ৰত কাম কৰাৰপৰা হয়। আহাৰৰ সৰহভাগেই সম্পূৰক মাটিডোখৰৰপৰা আহে আৰু ইয়াৰ ফলত তেওঁলোকে আন ফালে খৰচ কৰিব পৰা হয়। কটী মূলদামতে কৃষিপামৰপৰা কিনে।

পৰিয়ালৰ উপাৰ্জনৰপৰা দিনে লগা সকলোখিনি খৰচ কৰিও সাঁচিব পাৰে। এনেকৈয়ে সুখাঙ্কো পৰিয়ালে ইটাৰে এটা আহলবহল ঘৰ সাজি আধুনিক সা-সৰঞ্জামেৰে সজাই লব পাৰিছে।

সুখাঙ্কোৰ পৰিয়ালটোৱেইহে যে কেৱল এনেকৈ আছে তেনে নহয়। আগৰ দিনৰ খেত মজুৰ, ছুখীয়া আৰু মজলীয়া তৰপৰ খেতিয়কক ধৰি কৃষিপামৰ সকলোৱেই আঢ্যৱন্ত হৈ উঠিছে।

কৃষিপামৰ কৃষকৰ আয়ৰ পৰিমাণ পামৰ আৰ্থিক উন্নতি আৰু সামগ্ৰিকভাৱে জাতীয় অৰ্থনীতিৰ অগ্ৰগতিৰ ওপৰত নিৰ্ভৰ কৰে। কৃষিপাম যিমানেই সমৃদ্ধিশালী হব, দেশ হব সিমানেই সম্পদশালী, লগে লগে বাঢ়ি যাব কৃষকৰ উপাৰ্জন। সেই কাৰণেই যৌথপামৰ কৃষকসকলৰ তেওঁ-লোকৰ পামৰ সামূহিক সম্পদ তথা নিজৰ দেশৰ সম্পদ

বৃদ্ধিত গাইগুটীয়াভাৱে ইমান আগ্ৰহ। সমাজৰ স্বাৰ্থৰ লগত ব্যক্তিগত স্বাৰ্থ মিলাই এক কৰি লব পৰাটো যৌথ কৃষিপাম ব্যৱস্থাৰ হকে থকা আটাইতকৈ শক্তিশালী কামবোৰৰ এটা। পৰেদা যৌথ কৃষিপামৰ জীৱনত এই কথাটো ফটফটীয়াকৈ দেখি।

ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিয়ে কৃষকসকলৰ তেওঁলোকৰ নিজৰ শ্ৰমৰ ফলৰ প্ৰতি থকা বাস্তৱ আগ্ৰহ বৃদ্ধি কৰাত বিশেষ জোৰ দিয়ে। ই কেৱল সময়ৰ দাস হৈ কৰা কাম নহয়, বৰং ই ছোভিয়েত সমাজৰ বিকাশৰ বাবে লগা প্ৰয়োজনীয়তাসমূহ আৰু তাৰ বিধান সম্পৰ্কে এক গভীৰ জ্ঞানৰ পৰিচায়ক। সামাজিক সমস্যাৰ সমাধানৰ ক্ষেত্ৰত বাস্তৱবাদী দৃষ্টিভঙ্গী গ্ৰহণৰ কথাটো পাৰ্টিক লেনিনেই শিকাই গৈছে। ১৯২১ চনত বহা পাৰ্টিৰ দশম মহাসভাত লোৱা কাৰ্য্যক্ৰমৰ অন্যতম প্ৰধান বিষয় আছিল কৃষিৰ পৰিস্থিতি। সেই মহাসভাত লেনিনে কৈছিল; “গুৰি কথা হ'ল কৃষকসকলক আৰ্থিকভাৱে উদ্দীপনা দিয়া।

৫০ বছৰৰ পূৰ্বে ঘোষণা কৰা এই নীতি আজিও

ৰজিয়ে আছে আৰু নতুন সমাজতান্ত্রিক গাঁৱৰ জীৱনৰ ই হৈ আছে এটা লাই খুটা। ছোভিয়েত কমিউনিষ্ট পাৰ্টিৰ মাৰ্চত বহা ( ১৯৫৫ ) পূৰ্ণাঙ্গ অধিৱেশনত আৰু ২৩তম পাৰ্টি কংগ্রেছত ( মহাসভা ) গ্রহণ কৰা প্রস্তাৱসমূহৰ ভিত্তি ৰচনা কৰিছিল লেনিনৰ প্ৰতিপাদ্য বিষয়সমূহে। এই প্রতিপাদ্য বিষয়ত কৃষি উৎপাদনৰ ক্ষেত্ৰত এটা আলোড়নৰ সৃষ্টি কৰিবৰ কাৰণে এটা দৃঢ় অৰ্থনৈতিক ভিত্তি উদ্ভাৱন কৰিব লাগিলে শ্ৰমৰ ক্ষেত্ৰত বৈষয়িক উদ্দীপনাৰ ওপৰত বিশেষ জোৰ দিব লাগিব বুলি কোৱা হৈছিল।

মাৰ্চৰ পূৰ্ণাঙ্গ অধিৱেশনৰ সন্দৰ্ভত মন্তব্য কৰি ছোভিয়েত কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটিৰ প্ৰথম সম্পাদক লিয়নিদ ব্ৰেঝনেভে কৈছিল: “কৃষি উৎপাদনৰ ক্ষেত্ৰত আৰু অধিক অগ্রগতি লাভ কৰাৰ কথাটো কৃষকৰ উন্নতিৰ লগত মৰ্মে মৰ্মে বান্ধ খাই আছে বুলি পাৰ্টিয়ে ভাবে। তেওঁ লোকৰ আয়, জীৱন-ধাৰণৰ মান আৰু সাংস্কৃতিক স্তৰ উন্নীত কৰিলেহে কৃষি-উৎপাদনত আৰু বেছি দক্ষতা লাভ কৰিব পৰা যাব।”

এই নীতি কাৰ্য্যত কেনেকৈ খটুওৱা হৈছে? যৌথ

আৰু ৰাষ্ট্ৰীয় কৃষিপামলৈ ই কি কি সুবিধা আনিছে? কিহে ইয়াক এটা অস্তিত্বপূৰ্ণ নীতিৰূপে প্ৰতীয়মান কৰিছে।

প্ৰথমতে, খাদ্যশস্য ক্ৰয়ৰ কাৰণে লোৱা পৰিকল্পনাৰ কথাকে ধৰা হওক। এযাৰ কথা লক্ষ্য কৰিব লাগিব, আগতে উৎপাদন চলি গৈ থাকোতে এই পৰিকল্পনাবোৰৰ প্ৰায়ে সাল-সলনি কৰা হৈছিল। এতিয়া এনে পৰিকল্পনা ভালেমান বছৰৰ আগতেই লোৱা হয় আৰু পৰিকল্পনাৰ কালছোৱাৰ ভিতৰত ইয়াৰ কোনো সাল-সলনি হব নোৱাৰে। যৌথ আৰু ৰাষ্ট্ৰীয় কৃষি পামবোৰে চৰকাৰক কিমান শস্য বিক্ৰী কৰিব লাগিব তাৰ পূৰা হিছাপ তেওঁলোকে জানে। কাৰণ আঁচনিত ধৰা পৰিমাণতকৈ যিখিনি খাদ্যশস্য অতিৰিক্ত উৎপন্ন হয়, তাৰ কাৰণে চৰকাৰে চলন্তি দামতকৈ শতকৰা ৫০ ভাগ অধিক দাম দিয়ে। চলন্তি দামো এতিয়া লৰিছে। ঘেঁহু আৰু ৰাই-ধাঁহৰ দাম কোনো কোনো অঞ্চলত শতকৰা ১৫—২০ ভাগ, কোনো কোনো অঞ্চলত ৫০—১০০ ভাগ বাঢ়িছে। অন্যান্য খাদ্যশস্যবো কিনা দাম বৃদ্ধি পাইছে। যেনে,

১ টন পৰলিওৱা চাউলৰ দাম ২২০ ৰুবলৰপৰা ৩০০ ৰুবললৈ বাঢ়িছে। গৰু আদি পশুৰ দাম শতকৰা ১৮ৰ পৰা শতকৰা ৭০ লৈ বৃদ্ধি পাইছে। গাখীৰৰ কিনা দামো বঢ়োৱা হৈছে। এইবোৰৰ ফলত বস্তু-বেহানিৰ খুচুৰা দামত কোনো হীন-দেঢ়ি হোৱা নাই।

কৃষিপামৰ বিভিন্ন খৰচপাতি বাদে যিখিনি আয় হয় (নীট আয়) তাৰ ওপৰত কৰ ধাৰ্য্য কৰা হয়, আগৰ দৰে সৰ্বমুঠ আয়ৰ ওপৰত কৰা নহয়। ইয়াৰ ফলত কৃষকৰ অন্যান্য বহু সুবিধা আহি পৰিছে। ইয়াৰ ফলত কৰৰ ৰাজহ আগৰ আধা হৈছে অৰ্থাৎ, প্ৰায় ৫০০,০০০,০০০ ৰুবল হৈছে।

কৃষিপামৰ কাৰণে এটা নতুন ঋণব্যৱস্থাৰ প্ৰবৰ্তন কৰা হৈছে। এই ব্যৱস্থাত মঞ্জুৰীৰ পৰিমাণৰ সকলো সীমা (আগতে উৎপাদন ব্যয়ৰ ২০-২৫ শতাংশত সীমাবদ্ধ কৰা হৈছিল) উঠাই দিয়া হৈছে। এই কামৰ অৰ্থনৈতিক তাৎপৰ্য্য সমধিক। ঋণ যেতিয়া সীমাবদ্ধ আছিল. তেতিয়া কৃষিপামবিলাকে বেংকত এটা বৃহৎ পৰিমাণৰ ধন জমা হব লাগিছিল। এই ধন আচলতে পৰোক্ষ

( পেছিভ ) মূলধনেই আছিল। উদাহৰণ স্বৰূপ, পস্কভ্ অঞ্চলত উৎপাদনত কৃষিপামে নিয়োগ কৰা প্ৰতিটো ৰুবলত ৪৬ কোপেক লাভ হৈছিল, অথচ বেংকত থোৱা ৰুবলটোত লাভ হৈছিল আধা কোপেক।

মটৰকাৰ, ট্ৰেক্টৰ, কৃষিপামৰ যন্ত্ৰপাতি আৰু স্পেয়াৰ পাৰ্ট্ছৰ মূল্য আৰু উৎপাদনৰ কাৰণে লগা বিজুলী শক্তিৰ ব্যয় হ্ৰাস কৰাৰ ফলত কৃষিপামৰ আয় প্ৰায় ৫১০,০০০,০০০ ৰুবল বাঢ়ে।

কৃষি উৎপাদন বৃদ্ধি কৃষিপামৰ উৎপাদন আৰু পশুজাত উৎপাদন ৰাষ্ট্ৰই বেছি দামত কিনা, আৰু আয়কৰ আৰু শিল্পজাত দ্ৰব্যৰ মূল্য হ্ৰাসে যৌথ কৃষিপামৰ অৰ্থনীতি শক্তিশালী কৰি তুলিছে। ১৯৬৫ চনত বতৰে বেয়াকৈ খৰ মৰাৰ ফলত দেশৰ ঘাই ঘাই খাদ্যশস্য উৎপাদন হোৱা অঞ্চলবোৰ ক্ষতিগ্ৰস্ত হোৱা সত্ত্বেও, কৃষিপামৰ আয় শতকৰা ১৬ গুণ বাঢ়ে। একেদৰেই ধনেৰে আৰু বস্তু বেহানিৰে দিয়া কৃষিপামৰ কৃষকসকলৰ শ্ৰমৰ পাৰিশ্ৰমিকৰ ক্ষেত্ৰতো বৃদ্ধি লক্ষ্য কৰা হৈছে। ১৯৬৬ আৰু ১৯৬৭ চনত কৃষি-পাম আৰু কৃষকৰ আয় আৰু ২০ শতাংশ বাঢ়ে।

বাজহুৱা সম্পদৰ বিকাশ আৰু ব্যক্তিগত উন্নতিৰ পাৰস্পৰিক নির্ভৰশীলতাৰ ফলত বৈষয়িক শ্রম উদ্দীপনা বৃদ্ধি পায় আৰু কৃষকৰ ব্যক্তিগত স্বার্থ আৰু সামাজিক উৎপাদনৰ স্বার্থৰ মাজৰ বান্ধোন নিকপকপীয়া হয়। যৌথ-পামৰ কৃষকসকলে জানে যে তেওঁলোক নিজৰ উন্নতিৰ প্রতি সজাগ; কিন্তু এই সজাগতা কেবল তেওঁলোকৰ যৌথ পামৰ ক্ষেত্রতে নহয়—সমগ্র সমাজ, সমগ্র ৰাষ্ট্রখনৰ ক্ষেত্রতে তেওঁলোকৰ এই সজাগতা।

ছোভিয়েত ৰাষ্ট্রখন অধিক ঐশ্বর্য্যশালী হোৱাৰ কাৰণে মানুহৰ কল্যাণৰ কাৰণে বেছিকৈ কাম কৰাটো সম্ভৱপৰ হৈছে। ১৯৬৫ চনৰ ১ জানুৱাৰী তাৰিখে বলবৎ হোৱা যৌথপামৰ কৃষকসকলৰ পেন্সন আৰু আর্থিক সাহায্য লাভ সংক্রান্ত আইনখনৰ ফলত ৯০,০০,০০০ জনতকৈও অধিক কৃষক লাভবান হৈছে। পেন্সন দিয়া হয় ৰাষ্ট্রৰ মঞ্জুৰী আৰু যৌথ কৃষিপামৰ আছুতীয়াকৈ থোৱা ধনেৰে গঢ়ি তোলা পেন্সন-নিধিৰপৰা। প্রায় ৫ লাখ মহিলা খেতিয়কক দৰমহাসহ মাতৃত্ব লাভৰ ছুটী দিয়া হয়। আকৌ, যৌথপামৰ কৃষকসকল ৰাষ্ট্রীয়পামৰ কৃষকসকলে

পোৱাৰ সমান পাৰিশ্ৰমিক দিবলৈ লোৱা সিদ্ধান্তটোও (১৯৬৬ চনৰ ১ জুলাইৰ) কম গুৰুত্বপূৰ্ণ কথা নহয়। যিবিলাক যৌথ কৃষিপাম কৃষকৰ উপাৰ্জনৰ এটা নিৰ্দিষ্ট স্তৰ নিশ্চিত কৰাত সমৰ্থ নহয়, তাত ৰাষ্ট্ৰই ঋণৰ যোগান ধৰে।

কৃষি উংপাদন বৃদ্ধিৰ ক্ষেত্ৰত আন এটা গুৰুত্বপূৰ্ণ কথা হ'ল কৃষকৰ নৈতিক প্ৰেৰণা, বিপ্লৱজাত উদ্দীপনা, সমাজৰ প্ৰতি উচ্চ কৰ্তব্যবোধ আৰু কমিউনিজম গঢ়ি তোলাত তেওঁলোকে যে এক গুৰুত্বপূৰ্ণ ভাগ লৈছে সেই সম্বন্ধে চেতনা। এই ক্ষেত্ৰত, দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰথম দিনটোৰ কথা মনত পেলালেই যথেষ্ট। সেইদিনা হাজাৰে হাজাৰে কৃষকে তেওঁলোকৰ ব্যক্তিগত সম্পূৰক শাক-পাচলি, ফল আদিৰ বাৰীবোৰ এৰি থৈ তেওঁলোকৰ আটাইবে গৰু আদি পশু আৰু যৌথ কৃষিপামৰ অন্যান্য সামূহিক সম্পত্তি ৰক্ষা কৰাত লাগি গৈছিল।

**কুবান** অঞ্চলৰ **লেনিনৰ পথ** নামৰ এখন যৌথ কৃষি-পামত **কমছমলস্কায়া প্ৰাভ্‌দাই** সংগঠিত কৰা এক আলোচনা সভাত উদ্দীপনাৰ প্ৰশ্নটো কেন্দ্ৰ কৰি আলচ

চলে। আলোচনা আৰম্ভ কৰে মেচিন অপাৰেটৰ ভ্লাদিমৰ পাৰভিংস্কিয়ে।

"ব্যক্তিৰ কাৰণে সমষ্টি আৰু সমষ্টিৰ কাৰণে ব্যক্তি— এই ধৰণৰ কথা লৈ আন্দোলন চলোৱাৰ কোনো প্ৰয়োজন নাই আমাৰ। এইবোৰ আমাৰলৈ স্বাভাৱিক পথেৰেই আহে।"

তেওঁনো দৰমহা কিমান পায় সোধাত কলে, "গড়ে মাহিলি ২০০ ৰুবল।" কোনোবা এজনে মন্তব্য কৰিলে, "আপুনি ভাল দৰমহাৰ লগত থাপ খুৱাই কৰ্তব্যবোধটো জগাই তোলা নাইনে বাৰু?"

"কথাবোৰ সেইধৰণে সহজ কৰি পেলালেতো নহব। আপুনি হয়তো ইয়াৰ পিছতে কব দৰ্মাহা নোলোৱাটোৱেই কৰ্তব্যবোধ। আমি ধনৰ থকুৱা নহওঁ, আমি ধনৰ দোল বান্ধিবও খোজা নাই, আমি যিকণ খাটো তাৰ বাবেই বানচ পাওঁ। আমাৰ কৃষিপাম আত্ম-নিৰ্ভৰশীল হৈ চলি আছে: আমি সমাজৰ কাৰণে যিমান সৰহকৈ উৎপাদন কৰিব পাৰোঁ, সিমান সৰহ আমি ভাগত পাওঁ। ইয়াকে আমি শ্ৰমৰ পৰিমাণ অনুযায়ী পাৰিশ্ৰমিক লাভ কৰাৰ সমাজ-তান্ত্ৰিক নীতি বোলোঁহক; ই সাম্যবাদী চেতনাৰ পৰিপন্থী

নহয়—এই চেতনা বিকশিত কৰি তোলাত ই সহায় হে কৰে।”—পাৰভিংস্কিয়ে উত্তৰ দিলে।

সমাজৰ কাৰণে কাম কঁৰা মানেই নিজৰ কাৰণে কাম কৰা—এয়েই আছিল পাৰভিংস্কিৰ কথাৰ সাৰমৰ্ম। ই গাইগুটীয়া শ্ৰম আৰু সমাজৰ, সমূহৰ স্বাৰ্থৰ মাজত থকা প্ৰথক্ষ সম্পৰ্ক সম্বন্ধে গভীৰ জ্ঞানৰ চিনাকি।

যৌথ কৃষিপামে ব্যক্তিস্বাৰ্থক সামাজিক স্বাৰ্থৰ বিৰোধী নকৰে; দুয়োৰে লগত দুয়োৰে নলে গলে লগাকৈ মিল। ভালেকেইজন পছিমীয়া অৰ্থনীতিবিদে ৰস পোৱা বিষয় ৰুছ কৃষকৰ “ৰহস্যজনক আত্মা” সম্বন্ধে কব পাৰি, সম্প্ৰতি ভালেই চলিছে। যুগ যুগ ধৰি আলফুলে গঢ়ি তোলা ইয়াৰ মহত্তম গুণাৱলী, যথা, অৰ্থনৈতিক প্ৰজ্ঞা, বাস্তৱ বুদ্ধিৰ বিচক্ষণতা, উৎসাহ আদি, যৌথ কৃষিপামে পূৰ্ণভাৱে বিকশিত কৰি তুলিছে। যৌথ কৃষিপামে মানুহৰ প্ৰাণবল আৰু জ্ঞান প্ৰয়োগৰ কাৰণে অফুৰন্ত সুযোগ দিছে। ইয়াত মানুহে মানুহৰ সৃজনশীল সামৰ্থ্য প্ৰকাশ কৰিবলৈ, মেধাৰ স্ফুৰণৰ কাৰণে আৰু, বৈষয়িক আৰু নৈতিক সন্তুষ্টি দিয়া শ্ৰমত অংশ গ্ৰহণ কৰিবলৈ পূৰ্ণ সুযোগ পায়।

উৎপাদন আৰু শ্ৰম সংগঠনৰ অধিকতৰ দক্ষতাপূৰ্ণ ৰূপ বিচাৰি উলিওৱাত বৈষয়িক আৰু নৈতিক প্ৰেৰণা এক গুৰুত্বপূৰ্ণ বিষয়। ইয়াৰ সন্ধানত ব্ৰতী বিজ্ঞানী আৰু কৃষি কৰ্মীসকলে আওপুৰণি অপ্ৰচলিত পৰিকল্পনাসমূহ গুচাই তাৰ ঠাইত ন ন উদ্ভাৱনৰ প্ৰবৰ্তন কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিছে; আৰু বহু সময়ত দেখা যায়, হাতে কামে লাগি থকা কৰ্মীসকলে এই ক্ষেত্ৰত তত্ত্ববিদসকলক চেৰাই যায়।

১৩

# উৎপাদন আৰু শ্ৰমঃ সমস্যা আৰু তাৰ সমাধান

কৃষকসকলে প্ৰথম প্ৰথম যৌথ কৃষিপাম পাতোতে লগত আনিছিল মান্ধাতাকলীয়া খেতিৰ-সঁজুলি আৰু আনিছিল উৎপাদনৰ আওপুৰণি ৰূপটো। সেইবোৰ ক্ষুদ্ৰ ক্ষুদ্ৰ গাইগুটীয়া খেতিৰ পথাৰত খেতি কৰাৰ ধৰণ। সম্পূৰক খেতিৰ বাৰী শস্য বা চলোৱাৰ কোনো অভিজ্ঞতা তেওঁলোকৰ নাছিল; আৰু ৰাষ্ট্ৰীয় কৃষিপাম স্থাপন কৰাৰ ভাৰ থকা লোকসকলৰো তেনে একো অভিজ্ঞতা নাছিল।

ৰাষ্ট্ৰীয় আৰু যৌথ কৃষিপামত উৎপাদন আৰু শ্ৰমৰ পাৰিশ্ৰমিকৰ সংগঠন কৰাৰ ক্ষেত্ৰত যে ইয়াৰ সাঁচ পৰিব তাত আশ্চৰ্য্য একো নাই। অলপ দিনলৈ তেওঁলোকৰ উৎপাদনৰ গাঁথনিটো বিচ্ছিন্ন, অবিশেষজ্ঞ প্ৰকৃতিৰ চৰিত্ৰ থকা কৃষি-অৰ্থনীতিৰে সাধাৰণভাৱে পৰিবৰ্ত্তিত আৰু

বিস্তাৰিত তাণ্ডৱণ আছিল মাথোন। অৱস্থাৰ পাকত পৰিয়েই কৃষকসকলে খেতিৰ মাটিত কাম কৰি নিজৰ বাৰীতো খাটি পৰিয়াল ভৰণপোষণ কৰিবলগীয়াত পৰিছিল। যৌথীকৰণৰ আৰম্ভণিতে এই অবিশেষজ্ঞ-প্ৰকৃতিটো মানি লোৱা হৈছিল যদিও, পিছলৈ পৰিষ্কাৰ হৈ আহিল যে যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপামৰ আচল প্ৰকৃতিৰ লগতেই ইয়াৰ বিৰোধ। কাৰণ যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপামৰ উৎপাদনৰ কাৰণে যন্ত্ৰৰ ব্যাপক প্ৰয়োগৰ প্ৰয়োজন—যাৰ স্পষ্ট লক্ষণ হ'ল বিশেষজ্ঞৰ জ্ঞানেৰে কাম কৰা। আৰু এই বিশেষজ্ঞৰ জ্ঞানেৰে কৰা কামৰ যোগেদিয়েইহে কেৱল কৃষিপামৰ উৎপাদনত সৰ্বাধিক ফল লাভ কৰিব পাৰি।

যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপাম ব্যৱস্থা গঢ়োতাসকল হ'ল এভোখৰ অচিন ঠাইৰ বাটকটীয়া। তেওঁলোক বৈজ্ঞানিক ভাৱে বিশেষজ্ঞীকৰণ কৰা প্ৰত্যেক অঞ্চল আৰু প্ৰতিখন গাইগুটীয়া কৃষিপামৰ বিশাল কামৰ সমুখীন হৈছিল। আগৰ অধ্যায় কেইটাত উল্লেখ কৰাই হৈছে যে এই বিৰাট কামটো ছোভিয়েত বিজ্ঞানীসকলে প্ৰায় সম্পূৰ্ণ কৰি

তুলিলে। এই বিজ্ঞানীসকলে মূলতঃ উচ্চস্তৰৰ বিশিষ্ট অৰ্থনীতিসম্পন্ন ৰাষ্ট্ৰীয় কৃষিপামৰ অভিজ্ঞতাৰপৰা বিৰাট সহায় পাইছিল।

সিবোৰৰ বিশিষ্টতা প্ৰাকৃতিক-জলবায়ৱীয় আৰু অৰ্থনৈতিক লক্ষণৰদ্বাৰা নিৰ্ণীত। এইদৰে, খাদ্যশস্য উৎপাদনকাৰী কৃষিপামবোৰৰ সৰহভাগেই ৰুছ-ফেডাৰেছন, কাজাখস্থান আৰু উক্ৰাইনত অৱস্থিত। এই ঠাইবোৰত এইধৰণৰ খাদ্যশস্যৰ খেতিৰ কাৰণে অতি অনুকূল পৰিৱেশ বৰ্তমান। কপাহ খেতিৰ ৰাষ্ট্ৰীয় কৃষিপামবিলাকৰ সৰহভাগ অৱস্থিত উজবেকিস্তান আৰু মধ্য এছিয়াৰ আন আন অঙ্গৰাজ্যবোৰত। আকৌ দুগ্ধজাত আৰু মাংসজাত উৎপন্নসমূহত বিশিষ্টতা লাভ কৰা পামবোৰ অৱস্থিত কাজাখস্তান, ৰুছ-ফেডাৰেছন, উক্ৰাইন, বাল্টিক অঙ্গৰাজ্য-সমূহ আৰু বিয়েলোৰুছিয়াত আৰু চাহ-উৎপাদনৰ কৃষিপামবোৰ মূলতঃ আছে জৰ্জিয়াত।

যৌথ কৃষিপামবোৰ বিশিষ্টতা লাভ কৰাত লেহেম। মাত্ৰ চাহ, কপাহ আৰু আঙুৰৰ খেতিহোৱা এনে কৃষিপামৰ সংখ্যা অধিক।

উৎপাদনত বিশিষ্টতা লাভ কৰাৰ ক্ষেত্ৰত উত্তৰোত্তৰ বিকাশ আৰু অগ্ৰগতি ১৯৬৬-৭০ চনৰ পঞ্চবাৰ্ষিকী উন্নয়ন পৰিকল্পনাৰ মূল কাম।

সম্প্ৰতি, কৃষিপামৰ উৎপাদনত বিশিষ্টতা লাভ কেৱল পৰিম'ণগতভাৱেই বঢ়া নাই, ই নিয়াৰি আৰু ব্যাপকো হৈছে। এই কথাষাৰ বিশেষকৈ খাটে পশুপালনৰ ক্ষেত্ৰত। কৃষিৰ এই শাখাটো ধন খটুৱাই আৰু পুনৰসজ্জিত কৰি প্ৰাণবান কৰি তোলা হৈছে।

পশুপালনৰ প্ৰতি মনোনিৱেশ কৰাৰ কেইবাটাও কাৰণ আছে।

খেতিত যৌথ কৃষিপাম পদ্ধতি প্ৰৱৰ্তনৰ সময়ত মুকলি পথাৰত খেতি কৰাৰ, বিশেষকৈ গুটিশস্যৰ খেতি কৰাৰ ওপৰত জোৰ দিয়া হৈছিল। কাৰণ গুটিশস্যৰ উৎপাদন সকলো কৃষি সমস্যা সমাধানৰ চাবি-কাঠী আছিল। গতিকে সেই সময়ত কৃষিৰ কাৰণে লোৱা ধন আৰু যন্ত্ৰপাতিৰ সৰহভাগেই ই গ্ৰাস কৰিছিল, বাকী যিকণ বৈছিলগৈ তাক পশু-পালনৰ কাৰণে খৰচ হৈছিল। পশুপালন কেন্দ্ৰবোৰ সক আৰু যন্ত্ৰপাতিৰ ক্ষাণপৰা বৰ ছালছিগা বিধৰ আছিল।

পশুৰ আৰু বাৰে-মিহলি আছিল। ইয়াত মঙহৰ উপযুক্ত পশু আছিল আৰু গাখীৰ দিব পৰা পশুও আছিল, ভেৰাও আছিল গাহৰিও আছিল। এই ব্যৱস্থাত মাংস আৰু গাখীৰৰ উৎপাদন-মূল্য ম'হতকৈ শিং চৰা বিধৰ আছিল।

উপায় এটাই আছিল: পশু-পালনত বিশিষ্ট শিক্ষা লাভ কৰি এই শাখাটোক শিল্পৰ ভিত্তিত উন্নত কৰি তোলা।

আগতে ঘাইকৈ ৰাষ্ট্ৰৰ খৰচত বিশিষ্টভাৱে আৰু যন্ত্ৰপাতি প্ৰয়োগৰ যোগেদি পশুপালন কৰাৰ পদ্ধতিৰ সহায়ত নগৰ আৰু বিৰাট বিৰাট শিল্পকেন্দ্ৰৰ চাৰিসীমাৰ ভিতৰত গাখীৰ, মঙহ উৎপাদন কৰা, শাকপাচলিৰ খেতি কৰা আৰু কুকুৰা আদি চৰাই পোহা ৰাষ্ট্ৰীয় পামবোৰ পতা হৈছিল। এতিয়া তাৰ ঠাইত সমগ্ৰ জিলা আৰু মণ্ডলবোৰত যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপামবোৰত বিশেষজ্ঞৰ জ্ঞান প্ৰয়োগ কৰি কাম কৰা হৈছে।

কামটো আৰম্ভ কৰা হৈছিল কছ ফেডাৰেছনৰ কেন্দ্ৰস্থলৰ বেলগৰ'দ অঞ্চলত। ই খাদ্যশস্যৰ খেতিত উল্লেখযোগ্য সফলতা লাভ কৰিছে, কিন্তু পিছ পৰি আছে

পশুপালনত। ইয়াৰ কাৰণ নিহিত আছে যান্ত্ৰিক পদ্ধতিৰে কাম কৰাত। সেই অঞ্চলৰ কৰ্তৃপক্ষই কৃষকসকলেৰে সভা এখন পাতে আৰু নিবিড় বিশেষজ্ঞীকৰণ প্ৰৱৰ্তন কৰিবৰ বাবে যুটীয়াভাৱে আন্দোলন আৰম্ভ কৰে। ৩৭খন যৌথ কৃষিপামে এই কাম প্ৰথমতে আৰম্ভ কৰিবলৈ লয়। কামবোৰ এইদৰে ভগাই লোৱা হয়ঃ ১০খন পামে দীঘল-শিঙীয়া গৰু-ছাগলিৰ প্ৰজননত বিশেষ শিক্ষা লাভ কৰিব, ১৯খনে গাহৰি প্ৰজননত আৰু দহখনে কণী উৎপাদনত।

এই পামবোৰে নিজৰ সমবায় ৰূপ আৰু যৌথ-কৃষিপামৰ গণতান্ত্ৰিক নীতি অব্যাহত ৰাখি বিশেষ কৃষিপাম নাম লাভ কৰিছে। অৱশ্যে ইবোৰক স গঠিত কৰোঁতে প্ৰচুৰ ধন খটাবলগীয়া হৈছিল। ৰাষ্ট্ৰীয় বেংকে এই পামবোৰক ধাৰলৈ ধন দিয়ে। কিন্তু ইয়াত বিশেষ শিক্ষাৰে উৎপাদন কৰাৰ ফলত উল্লেখযোগ্য অৰ্থনৈতিক ফল লাভ হৈছে। গাহৰিৰ মঙহৰ মূল্য তিনিভাগৰ এভাগলৈ কমিল, গৰুৰ মঙহৰো কমিল। পশুপ্ৰজনন অত্যন্ত লাভজনক কাম হৈ পৰিল।

বিশেষজ্ঞীকৰণ বিশেষ ব্যাপক হাৰত প্ৰৱৰ্তন কৰা হৈছে পেঞ্জা অঞ্চল, উত্তৰ ককেছাছ আৰু স্তাভ্ৰপ'লত। ই উৎপাদনৰ যুক্তিপূৰ্ণ, অৰ্থনৈতিকভাৱে লাভজনক অৱস্থা নিশ্চিত কৰে আৰু ইয়াৰ প্ৰচলন আঞ্চলিক বা জিলা ভিত্তিতেই যে হৈছে এনে নহয় যৌথ কৃষিপামৰ গাঁথনিৰ ভিতৰতো হৈছে। ইয়াৰ এটা উদাহৰণ হ'ল স্তাভ্ৰপ'ল প্ৰদেশৰ পেত্ৰভ জিলাৰ কিৰভ যৌথ কৃষিপাম। বিশেষজ্ঞীকৰণৰ আগতে প্ৰত্যেকটো দলেই প্ৰায় সকলোবিলাক খেতি কৰিবলৈকে হাতত লৈছিল আৰু পশুপালনৰ সকলোবোৰ শাখাৰ ভাৰ তেওঁলোকৰ কান্ধত আছিল। এই পদ্ধতি কাম কৰাৰ কাৰণে কৃষিপামজ দ্ৰব্যৰ মূল্য বৃদ্ধি হৈছিল। পুনৰসংগঠিত হোৱাৰ লগে লগে কৃষি উৎপাদনৰ ভাগ কৰা হয়: ১১টা বিশেষজ্ঞীকৃত শাখা খাদ্য-শস্য, দুগ্ধজাত আৰু মাংসজাত দ্ৰব্য, শাকপাচলি আৰু ফল উৎপাদন কৰিবৰ কাৰণে স্থাপন কৰা হৈছিল। ইয়াৰ ফলত কৃষিপামৰ দক্ষতা বাঢ়ে। বজাৰত বেচিব পৰাকৈ উৎপাদন প্ৰচুৰ পৰিমাণে বাঢ়ে আৰু উৎপাদনৰ ব্যয় হ্ৰাস হয়। ১৯৬৩ চনত কৃষিপামে ৫,১৩০ চেন্টনাৰ মাংস বেচে, ১৯৬৬ চনত

৮,০০০ চেণ্টনাৰতকৈও অধিক আৰু ১৯৬৭ চনত তাতকৈও অধিক চেণ্টনাৰ বেচে।

কৃষিপামৰ অভ্যন্তৰীণ বিশেষজ্ঞীকৰণ কৃষিজাত উৎপাদনক বিভিন্ন শাখাত ভাগ কৰিয়েই যে প্ৰচলন কৰা হৈছে এনে নহয়, উৎপাদনৰ প্ৰত্যেক শাখাৰ ভিতৰতেই বিশেষজ্ঞীকৰণ কৰিও কৰা হৈছে। যেনে, খাদ্যশস্যৰ খেতিকয়সকলে বিভিন্ন শস্য অনুসৰি তেওঁলোকৰ কাম ভগাই লৈছে, চেনি-বীট, গোমধান, আলু আৰু ঘাঁহখেতিৰ লগত জড়িত শাখা আছে।

উৎপাদনৰ বিকাশ আৰু অগ্ৰগতি শ্ৰমৰ সংগঠন আৰু পাৰিশ্ৰমিকৰ লগত ঘনিষ্ঠভাৱে জড়িত। শ্ৰমৰ সংগঠন আৰু পাৰিশ্ৰমিকৰ প্ৰশ্নটোৱে কৃষক আৰু বিজ্ঞানীসকলৰ দৃষ্টি বহুদিনৰপৰাই আকৰ্ষণ কৰি আহিছে। এই প্ৰশ্নটোৰ লগত প্ৰত্যক্ষ সম্বন্ধ থকা কৃষকসকলৰপৰা এটা পৰামৰ্শ আহিছিল। ক্ৰাস্নোদাৰ প্ৰদেশৰ কুৰ্গানিনস্ক্ জিলাৰ ককেছাছ যৌথ কৃষিপামৰ দলনেত্ৰী আন্না চেৰেপোভাই প্ৰস্তাৱ কৰিছে তেওঁৰ দলৰ কৃষকসকলে ঠিকা-কাম এৰি যিমান উৎপাদন হয় সেই অনুপাতে পাৰিশ্ৰমিক পোৱাৰ

কাৰণে কাম কৰাৰ নীতি প্ৰবৰ্তন কৰিব লাগে। ঠিকা-কামত যিমান হেক্তাৰ মাটি চাহ কৰি গুটি সিঁচা আৰু শস্য দোৱা হয় সেই অনুযায়ী পাৰিশ্ৰমিক দিয়া হয়, কিন্তু পিছৰটোৰ উৎপাদন আগৰ সকলোকেইটা গুৰৰ শ্ৰমৰ ফল। দলটো এই কথাত মান্তি হয়।

এই পদ্ধতিয়ে নিজৰ শ্ৰমৰ প্ৰতি, খেতি কৰাৰ প্ৰতি কৃষকৰ সৃজনশীল দৃষ্টিভঙ্গী উন্নত কৰিলে। ফল পাবলৈ সৰহ দিন নালাগিল। ৪ বছৰৰ ভিতৰত ঘেঁহু খেতি প্ৰতি হেক্তৰত আগৰ ৩১'৫ মেট্ৰিক চেণ্টনাৰৰ ঠাইত এতিয়া ৪৩'৫ মে. চেণ্টনাৰ, বাৰ্লি ২১'১ৰ ঠাইত ৪৮'৭ মে. চে, গোমধান ২৭'৯ৰ ঠাইত ৩৯'৭ মে. চে. হ'ল। ১৯৬৭ চনত বতৰ বেয়া হোৱা সত্বেও এই দলটোৱে হেক্তৰে পতি ৪০ চেণ্টনাৰতকৈ অধিক ঘেঁহুৰ খেতি পায়—৫০তম বাৰ্ষিকীৰ আগ মুহূৰ্তত চোভিয়েত জনসাধাৰণলৈ ই এটা যোগ্য উপহাৰ।

উত্তৰ কাজাখস্তানৰ সুদূৰ তৃণাঞ্চলত হাজাৰ হাজাৰ কিলোমিটাৰ জুৰি 'এৰ্থ্যজিয়াণ্ট' ৰাষ্ট্ৰীয় কৃষিপামৰ কৃষক-সকলেও শ্ৰমসংগঠনৰ সমস্যাবোৰ লৈ গুণাগঁথা কৰি অতি

উচ্চপৰ্য্যায়ৰ যন্ত্ৰ প্ৰয়োগৰদ্বাৰা কৰা উৎপাদনৰ কাৰণে প্ৰয়োজনীয় অৱস্থা আৰু আহিলাপাতিৰ লগত কি পদ্ধতি আটাইতকৈ অধিকভাৱে খাপ খায় তাৰ বিষয়ে অনুসন্ধান চলাব লাগিছে। এই সমস্যাৰ বিচাৰ বিবেচনা কৰিবলৈ তেওঁলোকক ওপৰমহলৰপৰা কোনো নিৰ্দেশ বা উপদেশ দিয়া হোৱা নাই; এই বিষয়ত তেওঁলোকেই আগভাগ লৈছে। তেওঁলোকেও কৃষিৰ উৎপাদন অনুযায়ী পাৰি-শ্ৰমিক দিব লাগে বুলি সিদ্ধান্ত কৰিছে। ১৯৬৩ চনত এই পামখনতে নতুন পদ্ধতিৰ পাৰিশ্ৰমিকৰ প্ৰৱৰ্ত্তন কৰা হয়, পোনপ্ৰথম এই পাৰিশ্ৰমিক দিয়া হয় ৫ম দলটোৰ কৰ্মীসকলক। এই দলটোৰ নেতা আছিল এজন কৃষিবিদ সংগঠক আৰু যন্ত্ৰপাতি চলোৱা লোকসকলৰদ্বাৰা নিৰ্বাচিত এখন পৰিষদ। ইয়াৰ ফলত প্ৰতিজন কৰ্মীৰ দায়িত্ব বৃদ্ধি পায় আৰু প্ৰতিজন কৃষকৰ অৰ্থনৈতিক মেধাৰ স্ফুৰণ হয়। দলটোৱে কিছুমান কথা গণনা কৰি চাই আগৰ ২৭টা ট্ৰেক্টৰৰ ঠাইত ১৩টা ৰাখে। প্ৰথমটো বছৰত তেওঁ-লোকৰ উৎপাদন অন্যান্য দলতকৈ ১-১.৫ চেণ্টনাৰ বেছি হয়। দলটোৰ উপাৰ্জনো বাঢ়ে। দ্বিতীয় বছৰ আন এটা

দলে তেওঁলোকৰ লগত যোগ দিয়েহি, আৰু ১৯৬৬ চনৰ বসন্তকালি বাকী আটাইবোৰ দলেই আহি লগ লাগেহি। কৃষিৰ ক্ষেত্ৰত নিয়োগ কৰা ট্ৰেক্টৰৰ সংখ্যা ২৮৬ৰ পৰা কমি ১৮৪ হয়। কম্বাইন যন্ত্ৰৰ সংখ্যাও কমি যায়। ১৯৬৫ চনক সীমা ধৰিলে, প্ৰত্যেকটো ট্ৰেক্টৰেৰে ১০০ হেক্টৰ বেছি মাটি চহাব পৰা হয়। খেতিও বাঢ়ে। যেঁহু উৎপাদন ব্যয় নমোৱা হয়, ইফালে ৰাষ্ট্ৰীয় পামৰ উপাৰ্জন প্ৰচুৰ পৰিমাণে বৃদ্ধি পায়। শ্ৰমিকৰ মজুৰি খেতিৰ সময়ত মাহিলি গড়ে ২২০ ২৯০ ৰুবল হয়।

শ্ৰম সংগঠন আৰু পাৰিশ্ৰমিকৰ নতুন ধৰণৰ সন্ধানটো আপোনা-আপুনি হোৱা নাই ; যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপামৰ উৎপাদনৰ প্ৰয়োজনীয়তা পূৰণৰ কাৰণে দেখা দিয়া প্ৰয়োজন আৰু বিশাল বাস্তৱ সম্ভাৱনা অত্যন্ত নিপুণভাৱে প্ৰয়োগৰ প্ৰয়োজনৰ পৰাই ইয়াৰ জন্ম হৈছে।

ছোভিয়েত শাসনকালত, বিপ্লৱৰ আগৰ ৰুছিয়াৰ কৃষকৰ সৰু সৰু মাটিৰ ডবা আৰু জমিদাৰী ভূ-সম্পত্তিৰ লগত তুলনা কৰিলে যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপামৰ শ্ৰমৰ উৎপাদিকা শক্তিৰ বৃদ্ধি পাঁচ গুণ হৈছে। ই এটা উল্লেখ-

যোগ্য সফলতা ; কিন্তু ইয়াতকৈও অধিকতৰ সফলতা লাভ কৰাৰ সম্ভাৱনা আছে। শ্ৰম-সংগঠন আৰু পাৰি-শ্ৰমিকৰ নতুন ৰূপসমূহৰ এই সম্ভাৱনাসমূহ ব্যাখ্যা কৰি সমাজৰ মঙ্গলৰ কাৰণে সিবোৰৰ প্ৰয়োগ কৰাত সহায়ক হ'ব। এই ক্ষেত্ৰত কৰিবলগীয়া বহু বাকী।

১৪

# আজিৰ যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপাম

পঞ্চাছ বছৰৰ আগতে প্ৰথম যৌথ আৰু ৰাষ্ট্ৰীয় কৃষি-পামে ব্যাপক হাৰত যৌথ কৃষিব্যৱস্থা প্ৰৱৰ্তনৰ কাৰণে যিটো ভেটি তুলিলে সিয়েই পিছৰ দহোটা বছৰত গোটেই দেশ ছাটি ধৰিলে। সেই সময়ত সাংগঠনিক আৰু অৰ্থনৈতিক দৃষ্টিভঙ্গীৰপৰা কৃষিপামৰ সৰ্বাধিক কৰ্মকুশল আকাৰৰ কথাটো বৰ এটা চিন্তা কৰি চোৱাই হোৱা নাছিল। কৃষিপাম এখনৰ আকাৰ সাধাৰণতে নিৰ্ভৰ কৰিছিল গাওঁখনৰ আকাৰ বা ইচ্ছামতে সং পাতি থাকিবলৈ লোৱা কৃষক পৰিয়ালৰ সংখ্যাৰ ওপৰত। অথবা, তৃণাঞ্চলৰ ন মাটিবোৰৰ যি কোনো এটুকুৰা ঠাই ভেটিকুটি এনে পাম পতা হৈছিল। এনে কৰাৰপৰা পোনতে কোনো ক্ষতি হোৱা যেন নালাগিছিল। কিন্তু কৃষিৰ মান উন্নয়ন কৰা, এই উদ্দেশ্য পূৰণৰ অৰ্থকৰী উৎস বিচাৰি উলিওৱা, যন্ত্ৰপাতিৰ প্ৰয়োগ, অৰ্থনৈতিক আৰু সাংস্কৃতিক

বিকাশ আদিৰ দৰে নতুন নতুন সমস্যাবোৰ যেতিয়া গা দাঙি উঠিল, তেতিয়া সৰু আকাৰৰ কৃষিপামে যে ফেৰ মাৰিব নোৱাৰে সেই কথা স্পষ্ট হৈ পৰিল। সেই কাম কৰিব লাগিলে সৰু পামবোৰ লগ লাগি একোটা ডাঙৰ অৰ্থনৈতিক গোট বান্ধিব লাগিব আৰু পৰিচালনাৰ ক্ষেত্ৰত যুক্তিপূৰ্ণ, বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰিব লাগিব।

যুদ্ধৰ পিছত এই ব্যৱস্থাসমূহ গ্ৰহণ কৰা হৈছে। ফলত, কৃষিপামৰ অৰ্থনীতি ভালধৰণে টনকিয়াল হৈ উঠিছে। তলত তাৰে এটা আভাস দিয়া হ'ল :

| যৌথ কৃষিপামৰ অগ্ৰগতিৰ মৌল সূচক | ১৯৪০ | ১৯৫৮ | ১৯৬০ | ১৯৬৮ |
|---|---|---|---|---|
| যৌথ কৃষিপামৰ সংখ্যা | | | | |
| ( হেজাৰৰ হিচাপত )* | ২৩৬.৯ | ৬৭.৭ | ৩৭.১ | ৩৪.০ |
| **যৌথপামে প্ৰতি গড় হিচাপ :** | | | | |
| (ক) ঘৰ ( পৰিয়াল ) | ৮১ | ২০৫ | ৪১৮ | |

* বিভিন্ন পাম লগ লগোৱা আৰু তাৰে ধনদিয়েক কৃষকসকলৰ সাধাৰণ সভাৰ সিদ্ধান্ত অনুযায়ী ৰাষ্ট্ৰীয় পামলৈ ৰূপান্তৰিত কৰাৰ কাৰণে কৃষি পামৰ সংখ্যা কমিছে।

| যৌথ কৃষিপামৰ অগ্ৰগতিৰ মৌল সূচক | ১৯৪০ | ১৯৫৮ | ১৯৬৬ | ১৯৬৮ |
|---|---|---|---|---|
| (খ) খেতিৰ উপযোগী মাটি ( হেক্তৰ ) | ১,৪২৯ | ৪,৫০১ | ৬,০০২ | |
| (গ) ট্ৰেক্টৰ ( ১৫ অশ্ব শক্তিৰ )** | ২'৪ | ১৬ | ৪১ | |
| (ঘ) সামূহিক অধিকাৰত থকা সকলো ধৰণৰ গৰু-ঘোঁৰা আদি | ২৯৭ | ১,৮৮০ | ৩,১৮৩ | |
| অ-বিতৰণযোগ্য সম্পত্তি (হেজাৰ ৰুবলৰ হিছাপত) | ১১'৮ | ৩৫৮ | ১,০১৮ | |
| নগদ উপাৰ্জন ( হেজাৰ ৰুবলৰ হিছাপত ) | ৮'৮ | ১৯৫ | ৬৩৬ | |

ওপৰৰ তালিকাখনৰপৰা দেখা গ'ল, কৃষিপামৰ অ-বিতৰণযোগ্য সম্পত্তিৰ বৃদ্ধি চকুত লগা ধৰণে হৈছে।

** ১৯৬০ চনৰ আগৰ হিছাপত এম. টি. এছৰ ট্ৰেক্টৰ, আৰু মেষামন্ত্ৰী কেন্দ্ৰ ধৰা হৈছে।

ই পামৰ ক্ৰমবৰ্দ্ধমান সমৃদ্ধিকেই সূচায়। কাৰণ, এই সম্পত্তিসমূহে যৌথ কৃষিপামৰ অৰ্থনৈতিক, বৈষয়িক আৰু কাৰুকৌশলগত ভিত্তিৰ সৃষ্টি কৰে। ইবোৰে উৎপাদনৰ নিৰৱচ্ছিন্ন সম্প্ৰসাৰণ আৰু কৃষকৰ জীৱনধাৰণৰ মানৰ স্থিৰনিশ্চিত উন্নতিৰ বাট বান্ধে। অ-বিতৰণযোগ্য সম্পত্তিৰ ভিতৰত পৰে কৃষকৰ সম্পত্তিৰ যিটো অংশ যৌথ কৃষিপাম গঠিত হওঁতে পামৰ সম্পত্তি হৈ পৰিছিল, ভৰ্তি মাচুল, কৃষিপামৰ নগদ আয়ৰপৰা বছৰি কাটি লোৱাখিনি, কৃষকে দৃষ্টি কৰা বৈষয়িক সম্পদ যি পুঁজি আৰু শাঁ-সজুলি ৰাষ্ট্ৰই বিনামূলীয়াকৈ দিয়ে। আজি এই সম্পত্তিসমূহ ৰাষ্ট্ৰৰ সহায়ত কৃষকৰ শ্ৰমেৰে যিখিনি উৎপাদিত হৈছে তাৰে সৃষ্টি কৰা হৈছে - যৌথ কৃষিপামত যোগ দিওঁতে দিয়া কৃষকৰ বৰঙণিৰপৰা নহয়। দেখা যায়, ১৯৩২ চনত যৌথ কৃষিপামৰ অ-বিতৰণযোগ্য সম্পত্তিৰ মূল্য আছিল ৪৭০,০০০,০০০ ৰুবল, ১৯৬৬ চনত সি হৈছে ৩৭,০০০ নিযুত ৰুবল—৭৫ গুণতকৈও বেছি বৃদ্ধি।

আগতে, দৰিদ্ৰৰ জীৱনযাপন কৰা নিপীড়িত কৃষক সকল এতিয়া হ'ল বিৰাট সমৃদ্ধিশালী কৃষিপামৰ সহযোগী

গৰাকী। যোৱা ছয় বছৰত কৃষিপামৰ আয় প্ৰায় দুগুণ বাঢ়ে; ১৯৬৬ চনত ই ২৩,১০০ নিযুত ৰুবল হয়; ইহাতে কৃষিপামৰ গড় আয় দুগুণতকৈও বেছি বাঢ়ি ৩০৫,০০০ ৰপৰা ৬৩৬,০০০ ৰুবল হয়। ভালেকেইখন কৃষিপামৰ উপাৰ্জন এক নিযুত ৰুবলতকৈ ভালেমান বেছি। উদাহৰণ স্বৰূপে ক্ৰাস্নোদৰ প্ৰদেশৰ কৰেনভ্স্কি জিলাৰ, লেনিন যৌথ কৃষিপামৰ নগদ আয় এতিয়া ৪,০০০,০০০ ৰুবল পাৰ হৈ গৈছে।

ছোভিয়েত জীৱন-পদ্ধতিৰ সমালোচক জনদিয়েকে ছোভিয়েতৰ গাঁৱৰ নিতে বাঢ়ি অহা নদন-বদন অৱস্থাটোৰ বিষয়ে কবলৈ গৈ কয় যে ই ধনতান্ত্ৰিক ব্যৱস্থাত পৰিণত হৈছে। ধনিকশ্ৰেণী যে আনৰ শ্ৰমৰ ফল ভোগ কৰি জীয়াই থাকে অথচ, যৌথ কৃষিপামৰ কৃষকসকলে যে তেওঁলোকৰ সম্প্ৰদায়ৰ সম্পদ বৃদ্ধি কৰিছে নিজে খাটি আৰু এই সম্পদ যিমানেই বাঢ়িব, কৃষকৰ জীৱনো সিমানেই উন্নত হব তালৈ আঙুলিয়াই দিবৰ বিশেষ প্ৰয়োজন নাই। সাম্যবাদৰ লক্ষ্য যে সকলোৰে কাৰণে মানুহৰ যোগ্য জীৱন এটাৰ সৃষ্টি কৰা তাক আটায়ে জানে; মাৰ্ক্সৰ মতে,

সমূহীয়া সম্পদৰ সকলোবোৰ উৎসৰ পৰা যেতিয়া সম্পদৰ অবিৰাম সোঁত ববলৈ ধৰিব তেতিয়াই সাম্যবাদৰ ধল উঠিব।

যৌথ কৃষিপামৰ সাংগঠনিক গাঁথনি বিশেষভাৱে নিৰ্দ্ধাৰিত কৰা হৈছে ১৯৩৫ চনত নিখিল ৰুছ যৌথ কৃষিপাম তড়িৎ-কৰ্মীসকলৰ দ্বিতীয় মহাসভাত গৃহীত হোৱা কৃষিসংক্ৰান্ত সম্বাৰ কাৰণে আদৰ্শস্থানীয় নিয়মাৱলীমতে। . এই নিয়মাৱলীয়ে যৌথ কৃষিপামসমূহক সাংগঠনিক আৰু অৰ্থনৈতিকভাৱে শক্তিশালী কৰিলে; এই নিয়মসমূহে শ্ৰমৰ প্ৰতি কৃষকসকলৰ এটা নতুন দৃষ্টিভঙ্গী গঢ়ি উঠাত আৰু কৃষকৰ ব্যক্তিগত স্বাৰ্থ সমগ্ৰ যৌথ ব্যৱহাৰ স্বাৰ্থৰ লগত জড়িত কৰি এটা সামূহিকতাৰ অনুভূতি বিকশিত কৰি তোলাত সহায় কৰিছিল। এই নিয়মাৱলীয়ে যৌথ কৃষিপাম ব্যৱস্থাৰ গণতান্ত্ৰিক ভিত্তিৰ ব্যাখ্যা প্ৰদান কৰে আৰু এই ভিত্তিৰ এটা আইনগত প্ৰকাশ ৰচনা কৰে।

এই নিয়মাৱলী অনুসৰি "আৰ্তেলৰ কাম-কাজবোৰ পৰিচালিত হয় উক্ত সংস্থাৰ সদস্যসকলৰ সাধাৰণ সভাৰ

দ্বাৰা, আৰু এই সাধাৰণ সভাবোৰ বহাৰ মাজৰ সময়ত সাধাৰণ সভাই নিৰ্বাচিত কৰা পৰিচালকমণ্ডলীৰদ্বাৰা।"

কৃষিপামৰ পৰিচালনাৰ ক্ষেত্ৰত সাধাৰণ সভাই হল সৰ্বোচ্চ সংস্থা। ই পৰিচালক-মণ্ডলী নিৰ্বাচন কৰে, নতুন সভ্য ভৰ্তি কৰে আৰু সভ্য বহিষ্কাৰ কৰিবৰ অধিকাৰ ৰাখে। ই বাৰ্ষিক উৎপাদন পৰিকল্পনা গ্ৰহণ কৰে আৰু আয়-ব্যয়ৰ তহবিলৰ খছৰা কৰে। ই কৃষি-কৰ্মৰ কাৰণে আঁচনি প্ৰস্তুত কৰে আৰু বিভিন্ন সম্পত্তিৰ পৰিমাণ নিৰ্ণয় কৰে।

১৯৩৫ চনত এই আদৰ্শস্থানীয় নিয়মাৱলী গৃহীত হোৱাৰ দিন ধৰি, যৌথ কৃষিপামবোৰত প্ৰকৃতপক্ষে বিৰাট পৰিবৰ্তনে দেখা দিছে। ইবোৰ বিৰাট আৰু উচ্চস্তৰৰ যন্ত্ৰকৌশলেৰে পৰিচালিত কৃষিপামত পৰিণত হৈছে। কৃষকসকলৰ সাংস্কৃতিক আৰু প্ৰায়োগিক স্তৰৰো উৎকৰ্ষ সাধন হৈছে। সম্প্ৰতি নগৰ আৰু গাঁৱৰ মাজত অৰ্থ-নৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত যি ব্যৱধান বৰ্তি আছে তাক দূৰ কৰাৰ উদ্দেশ্যে গাঁও অঞ্চলৰ সামগ্ৰিক জীৱনৰ এটা নতুন ৰূপ দিবলৈ ধৰা হৈছে।

কৃষি-উৎপাদনৰ ৰাষ্ট্ৰায়ত্ত খণ্ডত, বিশেষকৈ, ৰাষ্ট্ৰীয় কৃষি-পামত বিৰাট অগ্ৰগতি লাভ কৰা হৈছে।

| ৰাষ্ট্ৰীয় কৃষিপামৰ অগ্ৰগতিৰ মৌল সূচক | ১৯৪০ | ১৯৪৫ | ১৯৫৬ | ১৯৬৪ | ১৯৬৬ | ১৯৬৮ |
|---|---|---|---|---|---|---|
| ৰাষ্ট্ৰীয় কৃষিপামৰ সংখ্যা | ৪,১৫৯ | ৩,৯৩৩ | ৫,০৯৮ | ১০,০৭৮ | ১২,১৯৬ | ১৪,০০০ |
| ট্ৰেক্টৰ ( ১৫ আশ্বশক্তিৰ, হেজাৰৰ হিছাপত ) | ১০০ | ৫৮ | ৩১১ | ১,২০৯ | ১,৩২৫ | |
| খেতিকৰা অঞ্চল (হেজাৰ হেক্তৰৰ হিছাপত ) | ১১,৬০০ | ৬,৬০০ | ৩১,৫০০ | ৮৭,৩০১ | ৮৯,০৬২ | |
| সকলো ধৰণৰ পশু ( হেজাৰৰ হিছাপত ) | ১০,২৮০ | ৬,৫৪০ | ২১,৭৯৪, | ৭৭,৮৮৭ | ৮৩,৪৬৭ | |

ন মাটি ভাঙি উলিওৱাৰ দিনৰপৰা ৰাষ্ট্ৰীয় কৃষিপামৰ সংখ্যা চকুত লগাকৈ বাঢ়িছে। পৰিমাণগত অগ্ৰগতিৰ ফলত গুণগত পৰিবৰ্তনে দেখা দিছে। ৰাষ্ট্ৰীয় কৃষিপামবোৰ সৰু আৰু অনুষ্টুপীয়াকৈ আহিলাপাতি থকাৰ অৱস্থাৰপৰা এতিয়া বিৰাট সুনিপুণ উদ্যোগত পৰিণত হৈ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সফলতাসমূহৰ পূৰ্ণতম সুযোগ গ্ৰহণ কৰিছে। এষাৰ কথা কলেই যথেষ্ট: ১৯৪০ চনত ৰাষ্ট্ৰীয় কৃষিপামত

দেশৰ গুটিশস্য উৎপাদনৰ শতকৰা ৮ ভাগ উৎপন্ন হৈছিল আৰু ১৯৬৬ চনত হয় শতকৰা ৪৭ ভাগ।

কৃষিপামৰ বিক্ৰয়যোগ্য উৎপাদনৰ ক্ষেত্ৰতো উল্লেখযোগ্য বৃদ্ধি হৈছে। ১৯৬৬ চনত ৰাষ্ট্ৰীয় কৃষিপামত বিক্ৰয়যোগ্য গুটিশস্যৰ মুঠ পৰিমাণৰ শতকৰা ৫৪ ভাগ উৎপন্ন হয়, ১৯৪০ চনত হৈছিল শতকৰা ১০ ভাগ। অন্যান্য দ্ৰব্যৰ ভিতৰত আলু, শাকপাচলি, মঙহ, গাখীৰ আৰু কণীৰ বিক্ৰয়যোগ্য উৎপাদন বেছিকৈ বৃদ্ধি পাইছে।

ৰাষ্ট্ৰীয় কৃষিপামৰ উত্তৰোত্তৰ উন্নতি বৃদ্ধি পাইছে ৰাষ্ট্ৰীয় কৃষিপাম আৰু অন্যান্য ৰাষ্ট্ৰায়ত্ত কৃষিসংক্ৰান্ত উদ্যোগসমূহত কষ্ট্-একাউন্টিঙ প্ৰবৰ্তন কৰাৰ বিষয়ে ছোভিয়েত ইউনিয়নৰ কমিউনিষ্ট পাৰ্টিৰ কেন্দ্ৰীয় কমিটি আৰু ছোভিয়েত মন্ত্ৰী পৰিষদৰ সিদ্ধান্তৰ ফলত।

সমাজতান্ত্ৰিক ব্যৱস্থাত কষ্ট্-একাউন্টিঙৰ ভিত্তিত চলা উদ্যোগসমূহে ৰাষ্ট্ৰৰ পৰিকল্পিত পথ নিৰ্দেশৰ সৈতে স্বতন্ত্ৰ অৰ্থনৈতিক পৰিচালনাৰ মিলন ঘটায়। এই পদ্ধতিমতে চলা প্ৰত্যেকটো উদ্যোগৰেই কাম হ'ল ৰাষ্ট্ৰই জাতীয় সম্পদ বৃদ্ধি কৰিবৰ কাৰণে মঞ্জুৰী কৰা পুঁজি অত্যন্ত নিপুণভাৱে

পৰিমাণৰ আঁচনি কৰিবলৈ, শ্ৰমৰ উৎপাদিকা শক্তি আৰু উৎপাদনৰ ব্যয় নিৰ্দ্ধাৰণ কৰিবলৈ দিয়ে।

আজি যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপাম ব্যৱস্থাৰ প্ৰাণশক্তি সম্পূৰ্ণভাৱে প্ৰদৰ্শিত হৈছে। ইয়াৰ শক্তি আৰু প্ৰাণবন্তাই আহিবলৈ ধৰা বছৰবোৰত এক উজ্জ্বল ভবিষ্যতৰ ইঙ্গিত দিয়ে।

# ১৫
# আমাৰ দৈনন্দিন আহাৰ

ছোভিয়েত ইউনিয়নৰ খাদ্যৰ প্ৰশ্নটো লৈ লিখা পছিমীয়া পুথি-পাঁজিবোৰ দেখিলে ইতালিৰ ফঁকৰা এফাকিলৈ মনত পৰে: "চকুৱে যিহকে চাব খোজে তিহকে দেখে।" উদাহৰণস্বৰূপে চ লভ্‌জিনস্কি বোলা ফৰাছী ইতিহাসবিদ-জনে দাবী কৰে, বলছেভিকবোৰে শাসনভাৰ লোৱাৰ আগতে ৰুছিয়াত খাদ্যৰ নাটনি নাছিল, যৌথ কৃষিপামৰ ব্যৱস্থা প্ৰবৰ্তন কৰাৰ ফলতেই খাদ্য সংকটে দেখা দিলে। আচলতে কিন্তু প্ৰথম বিশ্বযুদ্ধৰ আৰম্ভণিতে খাদ্য সমস্যাই গুৰুতৰ আকাৰ ধাৰণ কৰে আৰু অক্টোবৰ বিপ্লৱৰ বহু আগতেই সংকটৰ সূত্ৰলৈ উঠে। অস্থায়ী চৰকাৰৰ কৃষিমন্ত্ৰী আন্দ্ৰেই শ্বিংগাৰিয়েভৰ মতে ১৯১৭ চনৰ আগতেই ৰাষ্ট্ৰত কটীৰ ভঁড়াল উদং হৈছিল।

১৯০৯ আৰু ১৯১৩ চনৰ ভিতৰত দেশৰ খাদ্যশস্যৰ

বছৰি গড়ে মুঠ উৎপাদন হ'ল ৭২'৫ নিযুত টন। ১৯১৩ চনৰ খেতি ভাল হোৱা বছৰটোত ই ৮৬ নিযুত টনলৈ উঠিছিল। ১৯৬১—১৯৬৫ চনৰ কালছোৱাত গড়ে বছৰি ১৩০'৩ নিযুত টন আৰু ১৯৬৬ চনত ১৭২'২ নিযুত টন হৈছিল। হেক্তৰে প্ৰতি খাদ্যশস্য ১৯১৬ চনত ৮২ মেট্ৰিক চেণ্টনাৰ আছিল। ১৯৬৬ চনত ১৩'৭ মেট্ৰিক চেণ্টনাৰ হৈছে।

পৰিমাণগত বৃদ্ধিৰ লগতে গুণগত উৎকৰ্ষও হৈছে। খেতিৰ মাটি বেছি হোৱাত আৰু খেতি বঢ়াত আটাইতকৈ মূল্যবান খাদ্যশস্য য-ধানৰ খেতি বৃদ্ধি পাইছে। ১৯১৩ চনৰ খেতি ভাল হোৱা বছৰটোত ইয়াৰ খেতি ২৬'৩ নিযুত টন হৈছিল। ই উৎপাদিত মুঠ খাদ্যশস্যৰ শতকৰা ৩০ ভাগৰ অলপ বেছি। ১৯৬৬ চনত যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপামসমূহত ১০০'৫ নিযুত টন য-ধান হয়। ই দেশৰ উৎপাদিত মুঠ খাদ্যশস্যৰ শতকৰা প্ৰায় ৫৯ ভাগ।

খাদ্যশস্যৰ খেতি কৰা মাটি বঢ়াৰ লগে লগে এই শস্য গুণগতভাৱেও উন্নততৰ হৈছে। এই উৎকৰ্ষ সাধন

ছোভিয়েত সঁচ-বাছনি আৰু সঁচ উৎপাদনে প্ৰচুৰ পৰিমাণে বৃদ্ধি কৰিছে।

ছোভিয়েত বিজ্ঞানীসকলে ৬০ প্ৰকাৰৰ য-ধান, বাই, বাৰ্লি আৰু অ'ট উৎপাদন কৰিছে। ইয়াৰ ফলত ছোভিয়েত খাদ্যশস্য উৎপাদনকাৰীসকলে তেওঁলোকৰ কামকাজ উন্নত পদ্ধতিত কৰি প্ৰচুৰ শস্য উৎপাদন কৰিব পাৰিছে।

পশ্চিমৰ কেতবোৰ অৰ্থনীতিবিদৰ অভিযোগ সত্বেও, ছোভিয়েত কৃষিৰ অগ্ৰগতিত সংকটতো দূৰৈৰ কথা, আনকি, হেজাৰ চেষ্টা কৰিলেও অচলাৱস্থাৰ ছাঁটো পৰ্য্যন্ত কোনেও উলিয়াই দিব নোৱাৰিব। খাদ্যশস্য আৰু অন্যান্য উৎপাদিত দ্ৰব্যৰ উৎপাদন বাঢ়িয়েই আছে। এই সন্দৰ্ভত তলত বাৰ্ষিক গড় উৎপাদনৰ তথ্য দাঙি ধৰা হ'ল :

| | ১৯২৪-২৮ | ১৯৩৬-৪০ | ১৯৪৬-৫০ | ১৯৫৬-৬০ | ১৯৬৪-৬৬ | ১৯৬৫ | ১৯৬৮ |
|---|---|---|---|---|---|---|---|
| **কৃষিৰ মুঠ উৎপাদন :** ( তুলনামূলক মূল্যত, এহেজাৰ নিযুত ৰুবলৰ হিচাপত ) | ২২·০ | ২৩·৫ | ২৭·৩ | ৪৬·৭ | ৫২·৩ | ৬১·৫ | ৮১·০ |

| | ১৯২৪-২৮ | ১৯৩৬-৪০ | ১৯৪৬-৫০ | ১৯৫৬-৬০ | ১৯৬৪-৬৫ | ১৯৬৬ | ১৯৬৮ |
|---|---|---|---|---|---|---|---|
| **প্ৰধান উৎপাদিত দ্ৰব্যৰ মুঠ উৎপাদন ঃ** | | | | | | | |
| খাদ্য গুটি শস্য ( নিঃ টন ) | ৬৯·৩ | ৭৭·৪ | ৬৪·৮ | ১২১·৫ | ১৩০ ২ | ১৭১·২ | ১৬৯·২ |
| কেঁচা কপাহ ( নিঃ টন ) | ০·৬ | ২·৫ | ২·৩ | ৪·৪ | ৫·০ | ৬·০ | ৬·০ |
| কাটি বেচা মঙহ ( নিঃ টন ) | ৪·২ | ৪·৮ | ৩·৫ | ৭·৯ | ৯·৩ | ১০·৮ | ১১·৬ |
| গাখীৰ ( নিঃ টন ) | ২৯·৩ | ২৬·৫ | ৩২·৩ | ৫৭·২ | ৬৪·৭ | ৭৬·১ | ৮২·১ |
| কণী ( এহেজাৰ নিঃ ) | ৯·২ | ৯·৬ | ৭·৫ | ২৩·৬ | ২৮·৭ | ৩১·৪ | ৩৫·৫ |
| উন ( হেজাৰ টন ) | ১৫৭·০ | ১২৯·০ | ১৪৭·০ | ৩১৭·০ | ৩৬১·০ | ৩৭১·০ | ৪১৩·০ |

ওপৰৰ তথ্যসমূহে অতিবিক্তভাৱে প্ৰমাণ কৰিছে, ছোভিয়েত ইউনিয়নৰ কৃষিৰ প্ৰণালীবদ্ধ বিকাশৰ লগত যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপাম ব্যৱস্থাৰ প্ৰতিষ্ঠা আৰু সফলতাৰ প্ৰত্যক্ষ সম্পৰ্ক বিদ্যমান।

মঙহ, গাখীৰ আৰু কণীৰ উৎপাদন বৃদ্ধি কৰাৰ কামটো অত্যন্ত জটিল হৈ পৰিছিল। কৃষিত যৌথ ব্যৱস্থা প্ৰবৰ্ত্তনৰ

আৰম্ভণিতে পশুপালনৰ ক্ষেত্ৰত এটা অত্যন্ত নিম্নগামী গতি পৰিলক্ষিত হয়। কাৰণ গৰু আদি পশু ৰাষ্ট্ৰই বাজেয়াপ্ত কৰিব বুলি উলিয়াই দিয়া এটা উৰা বাতৰিত এভাগ খেতিয়কে ভুল বিশ্বাস কৰাৰ ফলত তেওঁলোকৰ যিমান গৰু, গাহৰি, ভেৰা আছিল মথাকে কাটিবলৈ আৰম্ভ কৰিলে। ১৯২৯ৰ পৰা ১৯৩২—এই ৪ বছৰৰ ভিতৰত গৰু আদি পশু ১০০,০০০,০০০ হ্ৰাস হ'ল। হিটলাৰৰ আক্ৰমণৰ সময়ত দেশৰ আৰু ৭০,০০০,০০০ পশু হানি হ'ল। এই দাৰুণ ক্ষতি পূৰাওঁতে প্ৰচুৰ সময় আৰু প্ৰয়াসৰ প্ৰয়োজন হ'ল। ষষ্ঠদশকৰ আৰম্ভণিতহে আহি গৰু আদি পশুৰ সংখ্যা ১৯১৬ চনৰ সংখ্যাৰ সমান হ'ল। ১৯৫৭ আৰু ১৯৬৮ চনৰ ভিতৰত ই ৭০ নিযুত বাঢ়ি মুঠ ২৯৭'৬ নিযুত হয়। ১৯১৬ চনৰ সংখ্যাতকৈ ই ১১৩'০ নিযুত বাঢ়ে।

পশুৰ সংখ্যা বঢ়াত আৰু ইয়াৰ উৎপাদন ক্ষমতা বৃদ্ধি পোৱাত ৰাইজে পশুজাত দ্ৰব্যৰ সৰবৰাহ ভালদৰে পাবলৈ ধৰিলে।

পশুৰ ঘাই উৎপাদক হ'ল যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপাম-সমূহ। ১৯৬৮ চনত ইয়াৰ সংখ্যা সমগ্ৰ দেশৰ সংখ্যাৰ

শতকৰা ৭৪ ভাগ (২১৬,৪০০,০০০টা) হয়; বাকী ২৫ ৪ ভাগ (৭৪,৩০০,০০০টা) যৌথপামৰ কৃষক, শ্ৰমিক আৰু কৰ্মচাৰীসকলে ব্যক্তিগতভাৱে ৰখা। ছোভিয়েত আমোলত দেশত চেনি-বীট, আলু, শাকপাচলি, ফলমূল আৰু অন্যান্য খাদ্যৰ উৎপাদন প্ৰচুৰ পৰিমাণে বাঢ়িছে।

শিল্পৰ ধৰণে চাহ খেতি আৰু টেঙা ফলৰ খেতি আদি নতুন নতুন কৃষিৰ শাখাই অগ্ৰগতি লাভ কৰিছে।

কৃষিপাম আৰু পশুপালন সংস্থাত উৎপাদিত দ্ৰব্য কেনেকৈ পোৱা হয়?

১৬

# উদ্বৃত্ত আত্মসাৎকৰণ ব্যৱস্থাৰপৰা চুক্তিবদ্ধ ব্যৱস্থালৈ

১৯১৯ চনৰ জানুৱাৰী মাহত যেতিয়া চালুকীয়া ছোভিয়েত ৰাষ্ট্ৰখনে অভ্যন্তৰীণ প্ৰতি-বিপ্লৱ আৰু বিদেশী হস্তক্ষেপৰ বিৰুদ্ধে একেলগে সংগ্ৰাম চলাই গৈছিল, তেতিয়া ছোভিয়েত চৰকাৰে ভালেমান সাধৰণতে নোলোৱা ৰাজনৈতিক আৰু অৰ্থনৈতিক ব্যৱস্থা লৈছিল। চৰকাৰৰ লক্ষ্য আছিল বল পৰি-যোৱা শিল্পক সবল কৰি তোলা আৰু কৃষকৰ মাটিত অধিকাৰকে ধৰি জনসাধাৰণে লাভ কৰা ফলবোৰ ৰক্ষা কৰিবলৈ যুদ্ধ কৰা সৈন্যবাহিনীৰ অভাব পূৰণ কৰা। এই ব্যৱস্থাবিলাকৰ ভিতৰত আছিল কটা বিক্ৰীৰ ক্ষেত্ৰত ৰাষ্ট্ৰৰ একচেটিয়া অধিকাৰ প্ৰৱৰ্তন, সকলোবোৰ উদ্বৃত্ত খাদ্যশস্য আৰু ঘাঁহ, পিছলৈ মাংস, মাখন, আলু আদি অন্যান্য খাদ্যদ্ৰব্য ৰাষ্ট্ৰক হস্তান্তৰ কৰিবলৈ বাধ্যকৰণ।

ব্যক্তিগত ব্যৱসায় নিষেধ কৰি দিয়া হৈছিল। উদ্বৃত্ত আত্মসাৎকৰণ ব্যৱস্থা নামে খ্যাত হোৱা এই নীতি পৰিচালনাত কৃষকৰ সক্ৰিয় সমৰ্থন পোৱা গৈছিল। শ্ৰমিক আৰু কৃষকৰ মাজত সামৰিক আৰু ৰাজনৈতিক মিত্ৰতাৰ ই এক গুৰুত্বপূৰ্ণ অভিব্যক্তি। এই ব্যৱস্থাসমূহত নিহিত থকা আৰ্থিক বোজা বেছিৰভাগ বহন কৰিছিল ধনী খেতিয়কসকলে আৰু অলপ কৰিছিল মজলীয়া-ধনী কৃষকে। দুখীয়া কৃষকসকলক এনে বৰঙণিৰপৰা ৰেহাই দিয়াতো হৈছিলেই, তাৰ উপৰিও ৰাষ্ট্ৰই তেওঁলোকক খাদ্যৰ যোগানহে ধৰিছিল।

যুদ্ধৰ কঠিন পৰিৱেশত জন্ম হোৱা উদ্বৃত্ত-আত্মসাৎকৰণ ব্যৱস্থাই কৃষকৰ মাজত তেওঁলোকৰ কামকাজত কোনো বাস্তৱ আগ্ৰহ ওপজাব নোৱাৰিলে। গৃহযুদ্ধ শেষ হোৱাৰ লগে লগে এই ব্যৱস্থা কৃষিৰ অগ্ৰগতিত বাধা হৈ পৰিল।

১৯২১ চনৰ মাৰ্চ মাহত বাধ্যতামূলকভাৱে উদ্বৃত্ত হস্তান্তৰকৰণৰ ঠাইত বস্তু-বেহানিৰে কৰ দিয়াৰ পদ্ধতি গ্ৰহণ কৰিলে। আত্মসাতৰ হাৰতকৈ কৰৰ হাৰ বহু কম আছিল, কাৰণ নতুন ব্যৱস্থাৰ লক্ষ্য আছিল ৰুটী আৰু

অন্যান্য খাদ্যবস্তুৰ ক্ষেত্ৰত দেশৰ সৰ্বনিম্ন প্ৰয়োজনীয়তা পুৰণ কৰা আৰু উদ্বৃত্তখিনি বজাৰত বেচিবলৈ কৃষকসকলক অনুমতি দিয়া। ইয়াৰ ফলত কৃষকে তেওঁলোকৰ কামত বেছি মনোনিবেশ কৰিবলৈ ললে। ফলস্বৰূপে, খেতিৰ মাটি বাঢ়িল আৰু গৰু আদি পশুৰো সংখ্যা বৃদ্ধি পালে। নগৰ আৰু গাঁৱৰ মাজত পণ্যদ্ৰব্যৰ আদান প্ৰদান দ্ৰুত-গতিত আগ বাঢ়িল।

শিল্পৰ পুনৰ্বাসন কৰা আৰু শিল্পই কৃষিজাত উৎপাদনলৈ জোখাৰে শিল্পজাত পণ্যদ্ৰব্য সলাবৰ কাৰণে উৎপাদন কৰাৰ লগে লগেই ছোভিয়েত ৰাষ্ট্ৰই ১৯২৩ চনত লোৱা এটা সিদ্ধান্তযোগে আংশিকভাৱে, বস্তুৰে দাম দিয়াৰ ঠাইত ধনেৰে দাম দিবলৈ সিদ্ধান্ত কৰে। পিছত, বস্তুৰে কৰ দিয়াৰ ঠাইত কৃষিপামৰ উৎপাদন সংগ্ৰহ কৰি সৰবৰাহ কৰাৰ ব্যৱস্থা কৰে। গৃহযুদ্ধৰ পিছতেই কৃষিপাম আৰু ৰাষ্ট্ৰৰ মাজত এটা চুক্তি হয়—প্ৰথমতে কাৰিকৰী শস্যৰ কাৰণে আৰু ১৯২৯ চনৰপৰা খাদ্য শস্যৰ কাৰণে।

কৃষিত যৌথ ব্যৱস্থাৰ প্ৰৱৰ্তনৰ লগে লগে ৰাষ্ট্ৰলৈ বাধ্যতামূলকভাৱে হস্তান্তৰকৰণ আৰু 'এম. টি. এছ'লৈ বস্তুৰে

দাম দিয়াৰ ব্যৱস্থা প্ৰবৰ্তন কৰা হয়। ইয়েই শেষত ৰাষ্ট্ৰই বেছি দাম দি বস্তু, বিশেষকৈ মাংস, কিনি লোৱাৰ ব্যৱস্থাৰ ৰূপ লয়গৈ। কাৰিকৰী শস্য ইতিমধ্যেই প্ৰতিষ্ঠা লাভ কৰা চুক্তিবদ্ধতাৰ ভিত্তিত বিক্ৰী কৰা হয়।

১৯৫৮ চনত 'এম. টি. এছ' পুনৰ সংগঠিত হোৱাত, ৰাষ্ট্ৰই বেছি দাম দি বস্তু কিনাৰ ব্যৱস্থা পূৰাপূৰি গ্ৰহণ কৰে। ১৯৬১ চনৰ পৰাই খাদ্যশস্য, মাংস, গাখীৰ, ফল আৰু শাক-পাচলি চুক্তিবদ্ধতাৰ ভিত্তিত কিনিবলৈ লোৱা হয়।

ছোভিয়েত আমোলত নগৰ আৰু গাঁৱৰ মাজত পণ্য-দ্ৰব্যৰ আদান প্ৰদানৰ এই সাধাৰণ পৰ্য্যালোচনাৰ ৰূপ দেখা যায়, কৃষিজাত বস্তু সংগ্ৰহ কৰি সৰবৰাহ কৰাৰ ব্যৱস্থাই ধীৰে ধীৰে কিন্তু অৱধাৰিতভাৱে বিকাশ লাভ কৰে আৰু ইয়াত অৰ্থ নৈতিক পদ্ধতিয়ে ক্ৰমবৰ্দ্ধমান ভূমিকা গ্ৰহণ কৰে।

নগৰ আৰু গাঁৱৰ মাজত পণ্যদ্ৰব্যৰ আদান-প্ৰদান উন্নত কৰিবলৈ আৰু ইয়াৰ অৰ্থনৈতিক ভিত্তি সম্প্ৰসাৰিত আৰু শক্তিশালী কৰিবলৈ সাম্প্ৰতিক কালত প্ৰচুৰ চেষ্টা কৰা হৈছে। কৃষিৰ উত্তৰোত্তৰ বিকাশৰ কাৰণে বিৰাট

আঁচনি ৰচনা কৰা মাৰ্চৰ পূৰ্ণাঙ্গ অধিৱেশনে (১৯৬৫) ৰাষ্ট্ৰৰদ্বাৰা ক্ৰয়ৰ পদ্ধতি উন্নত কৰিবলৈ কি পথ লোৱা যায় সেই বিষয়ে প্ৰচুৰ মনোযোগ দিয়ে।

১৯৬৫ চনৰ পৰা সকলোবোৰ ৰাষ্ট্ৰীয় আৰু যৌথ কৃষিপামক আগতেই ভালেকেইবছৰলৈ খাদ্যশস্য আৰু অন্যান্য কৃষিপামজ উৎপাদনৰ কাৰণে বস্তু সংগ্ৰহ কৰি সৰবৰাহ কৰাৰ স্থায়ী পৰিকল্পনা দিয়া হয়। কিনাদাম বৃদ্ধি কৰা হয়।

এই পৰিকল্পনাবোৰৰ উদ্দেশ্য হ'ল উৎপাদনকাৰীসকলক তেওঁলোকৰ উৎপাদনসমূহ এনে এটা দামত বেচাটো নিশ্চিত কৰা যি তেওঁলোকৰ আয় একেৰাহে বঢ়াই নিয়েই থাকিব আৰু ফলত উৎপাদনৰ অবধাৰিত সম্প্ৰসাৰণ হব আৰু শ্ৰমৰ কাৰণে দিয়া মজুৰি বৃদ্ধি হব। ১৯৫৮-১৯৬৭ চনৰ ভিতৰত যৌথ কৃষিপামৰ মুঠ আয়[১] ৭,৪০০ নিযুত ৰুবল বাঢ়ে আৰু ১৯৬৭ চনত ২১,০০০ নিযুত ৰুবল চেৰাই যায়।

---

১ মুঠ আয় হ'ল কৃষিপামৰ সৰ্বমুঠ উৎপাদনৰ মূল্য আৰু উৎপাদনত কৰা ব্যয়ৰ মাজৰ পাৰ্থক্য।

যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপামসমূহে সিবোৰৰ উৎপাদিত বস্তু সংগ্ৰহ কৰি সৰবৰাহ কৰা সংগঠনৰ জৰিয়তে বা পোনে পোনে কৃষিজাত দ্ৰব্য খাদ্যোপযোগী কৰা উদ্যোগসমূহক আৰু কাৰখানাসমূহক, বিশেষকৈ সোনকালে নষ্ট হোৱা খাদ্যদ্ৰব্যৰ ক্ষেত্ৰত, বিক্ৰী কৰে। এনেকৈয়ে শাক-পাচলি আৰু ফল কৃষিপামৰপৰা প্ৰায়েই পোনে পোনে বেচা ঠাইলৈ লৈ অহা হয়।

উদ্বৃত্ত দ্ৰব্য সাধাৰণতে যৌথ কৃষিপামৰ বজাৰলৈ নি বজাৰদামত বিক্ৰী কৰা হয়। বজাৰত ৰাষ্ট্ৰীয় আৰু যৌথ কৃষিপাম উভয়ৰে পৰা আৰু কৃষক আৰু শ্ৰমিকৰ ব্যক্তিগত সম্পূৰক বাৰীৰ পৰা দ্ৰব্য কিনিব পাৰি। দেশত মুঠতে ৭,২৬০ খন বজাৰ আছে। সেইবোৰ বজাৰত ৰেফ্ৰিজাৰেটৰ, বাণিজ্যৰ সা-সঁজুলি আৰু হোটেল আছে। কিনোতাৰ স্বাৰ্থলৈও চোৱা হয়; বেচা ঠাই পোৱাৰ আগতে সকলোবোৰ খাদ্যবস্তুকে স্বাস্থ্যৰ উপযোগী হয়নে নহয় পৰীক্ষা কৰা হয়।

পৰম্পৰা অনুসৰি মেলাবোৰ বিৰাট বিৰাট শিল্পাঞ্চলত আৰু সৰু সৰু নগৰত নিয়মিতভাৱে বহে।

পণ্যদ্ৰব্যৰ আদান-প্ৰদানৰ যি ধৰণ নগৰ আৰু গাঁৱৰ মাজত ইতিমধ্যে প্ৰতিষ্ঠিত হৈ গৈছে তাৰ লগত ছোভিয়েত পৰিকল্পিত অৰ্থনৈতিক ব্যৱস্থাৰ কোনো বিৰোধ নাই। সিবোৰ এই ব্যৱস্থাৰ অবিচ্ছেদ্য অংগহে হৈ উঠিছে। ৰাষ্ট্ৰয়ো সিবোৰৰ প্ৰতি পূৰ্ণ সমৰ্থন জনাইছে। ছোভিয়েতৰ মন্ত্ৰী-পৰিষদৰ সিদ্ধান্ত অনুসৰি যৌথ কৃষিপামৰ বজাৰৰ আয় তাৰ বৈষয়িক আৰু প্ৰায়োগিক ভিত্তি উন্নত আৰু বিকশিত কৰি তুলিবলৈ ব্যৱহাৰ কৰা হয়।

কিন্তু দেশৰ মুখ্য সৰবৰাহকাৰী কোন? পছিমৰ কেতবোৰ ছোভিয়েতবিদে প্ৰায়ে কয়, ছোভিয়েতৰ ৰাইজে তেওঁলোকৰ প্ৰায়বোৰ খাদ্যবস্তুৱেই বজাৰৰ পৰা পায় আৰু মঙহ, গাখীৰ, কণী আৰু আলুগুটিৰ আধাভাগেই আহে যৌথপামৰ কৃষকসকলৰ ব্যক্তিগত সম্পূৰক বাৰীৰ পৰা। কথাষাৰ সঁচানে? মিছা, ই সঁচাৰ সাত ঢাপৰ বাজ।

ভালেমান দিন ধৰি যৌথ আৰু কৃষিপামৰ সামাজিকীকৃত অৰ্থনীতি বিক্ৰয়যোগ্য কৃষিজাত দ্ৰব্যৰ মৌলিক আৰু সৰ্বাধিক নিৰ্ভৰযোগ্য উৎস—বছৰে বছৰে এই উৎস শক্তিশালী হৈ গৈ আছে। যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপামে

উৎপাদিত দ্ৰব্যৰ সৰহখিনিয়েই বেচে ৰাষ্ট্ৰ আৰু বস্তু সংগ্ৰহ কৰি সৰবৰাহ কৰা সমবায় সংগঠনবোৰক। এই দ্ৰব্য বোৰৰ ক্ৰমাগত বিকাশৰ ফলত ছোভিয়েত গ্ৰাহকসকলৰ প্ৰয়োজনসমূহ বেছি ভালদৰে পূৰণ হয়।

যোৱা ২৫ বছৰত দেশৰ খুচুৰা ব্যৱসায় ৫ গুণ বাঢ়ে। এই সময়ছোৱাত চৰকাৰী আৰু সমবায় দোকানবোৰত ই ৬ গুণ বাঢ়ে আৰু যৌথ কৃষিপামৰ বজাৰত সম্প্ৰসাৰিত হয় শতকৰা ৭০ গুণ।

যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপাম ব্যৱস্থাৰ ফলত ছোভিয়েত-বাসীক কৃষিজাত দ্ৰব্যৰ যোগান ধৰাৰ এটা সুপ্ৰতিষ্ঠিত ভিত্তি স্থাপন কৰে।

যৌথ আৰু কৃষিপামবোৰৰ উৎপাদন ক্ৰমাগত বৃদ্ধি হৈ থাকিলেও বস্তু বেচাত তেওঁলোকে কোনো অসুবিধা পোৱা নাই। ইয়াৰ কাৰণ হল ছোভিয়েত ইউনিয়নত উৎপাদন বৃদ্ধি হোৱা মানেই শ্ৰমিকৰ মজুৰি বৃদ্ধি হোৱা, তেওঁলোকৰ কিনাৰ ক্ষমতা বাঢ়ি যোৱা। ১৯৬৬ চনত শ্ৰমিক আৰু কৰ্মচাৰীৰ আচল জনমূৰি আয় ১৯৪০ চনতকৈ শতকৰা ১৪০ গুণ চৰে।

তেনেহলে, যেতিয়া যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপামবোৰৰ উৎপাদনক্ষমতা ক্রমাগত বাঢ়ি গৈছে আৰু যেতিয়া জনসাধাৰণক বেছি পৰিমাণে ভাল খাদ্যৰ যোগান ধৰি থকা হৈছে, তেতিযা উচ্চতম পার্টি আৰু ৰাষ্ট্ৰীয় সংগঠনে আৰু ছোভিয়েত বাতৰিকাকতবিলাকে ছোভিয়েত কৃষিৰ ক্রটী-বিচ্যুতিৰ কথা কিয় কয়? ছোভিয়েত ইউনিয়নে আন দেশৰপৰা কিয় খাদ্যশস্য কিনে?

১৭

# সময়ৰ পৰীক্ষা

সমবায় ভিত্তিত ছোভিয়েতৰ গাঁৱৰ অগ্ৰগতিৰ অৰ্থ হ'ল উন্নততৰ সাংগঠনিক ৰূপৰ অনুসন্ধান আৰু এনে অনুসন্ধানৰ ক্ষেত্ৰত অবধাৰিতভাৱে দেখা দিয়া বাধা-বিঘিনিবোৰ অতিক্ৰম কৰিবৰ কাৰণে উপায় বিচৰা। সি যি কি নহওক পছিমৰ ভালেমান ছোভিয়েতবিদে কয় বোলে কৃষিত যৌথ ব্যৱস্থাৰ আক্ৰমণ হোৱাৰ আগলৈকে ৰুছিয়াৰ গাঁৱৰ কোনো সমস্যাই নাছিল।

আমি ওপৰত কৃষিৰ অভ্যুত্থান আৰু যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপাম ব্যৱস্থাৰ অভ্যুদয়ৰ পিছে পিছে কৃষকৰ জীৱনত হোৱা আমূল পৰিবৰ্তনৰ কথা আলোচনা কৰিছো। কৃষিজাত দ্ৰব্যৰ কাৰণে জনসাধাৰণৰ ক্ৰমবৰ্দ্ধমান চাহিদাৰ খোজত কৃষিপামে খোজ মিলাই যাব নোৱাৰাটোত কোনো বিৰোধ নাই। এই অক্ষমতাৰ কাৰণে কিছুমান নিৰ্দিষ্ট

বাস্তৱ আৰু ব্যক্তিগত কাৰণ আছে। কমিউনিষ্ট পাৰ্টিয়ে এই কাৰণবোৰ পোহৰলৈ আনিছে।

অক্টোবৰ বিপ্লৱৰ পিছৰ প্ৰথম কেইবছৰত ছোভিয়েত ৰাষ্ট্ৰই শিল্প আৰু কৃষিৰ বিকাশ একেটা দ্ৰুত গতিতে কৰিব পৰা নাছিল। গৃহযুদ্ধৰ পিছৰ প্ৰথম পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ বছৰ কেইটা গধুৰ শিল্প গঢ়ি তোলাত নিয়োজিত কৰা হৈছিল—যি গধুৰ শিল্প কৃষিকে ধৰি সমগ্ৰ ছোভিয়েত অৰ্থনীতিৰ ভেটি। আধুনিক শিল্পবিনে ৰাষ্ট্ৰই কৃষিত কাৰুকৌশলগত বিপ্লৱ কাৰ্য্যকৰী কৰিব নোৱাৰিলে- হেতেন যি বিপ্লৱে কৃষকৰ শ্ৰম সহজতৰ কৰিলে আৰু বঢ়াই তুলিলে ইয়াৰ উৎপাদনক্ষমতা।

ব্যাপক হাৰত যৌথ কৃষি ব্যৱস্থা প্ৰৱৰ্ত্তন কৰাৰ দহ বছৰৰ পিছত ফেছিষ্ট জাৰ্মানীয়ে ছোভিয়েত ইউনিয়ন আক্ৰমণ কৰে। শত্ৰুৱে দেশৰ প্ৰচুৰ হানি কৰে। দেশৰ গাঁৱৰ অৰ্থনীতি গুৰুতৰভাৱে ক্ষতিগ্ৰস্ত হয়: ৯৮,০০০ যৌথ কৃষিপাম, ১,৯০০ ৰাষ্ট্ৰীয় কৃষিপাম, প্ৰায় ৩,০০০ এম. টি এছ সংস্থা আৰু ৭০,০০০ গাঁও লুটি পুটি ধ্বংস কৰি পেলোৱা হ'ল।

ছোভিয়েত কৃষকে ছোভিয়েতৰ সমগ্ৰ জনসাধাৰণৰ লগত লগ লাগি অতুলনীয় বীৰত্বেৰে এই অগ্নিপৰীক্ষাৰ সম্মুখীন হ'ল আৰু ছোভিয়েত জনসাধাৰণৰ তথা সমগ্ৰ প্ৰগতিশীল মানৱজাতিৰ এই বিশ্বাসঘাতক আৰু মাৰাত্মক শত্ৰুটোক পৰাজয় কৰাত অৰিহণা যোগালে। আগৰণুৱা আৰু গুৰিৰণুৱা সেনাবাহিনীৰ এই দুয়ো ভাগকে যৌথ কৃষিপামে খাদ্যৰ যোগান ধৰিলে আৰু লক্ষ লক্ষ কৃষকে নিজ মাতৃভূমিৰ স্বাধীনতাৰ কাৰণে যুদ্ধক্ষেত্ৰত গৈ অসাধাৰণ সাহসিকতাপূৰ্ণ কাম কৰিলেগৈ।

ছোভিয়েত সেনাবাহিনীৰ কাৰণে অতিৰিক্ত অস্ত্ৰশস্ত্ৰ সৰবৰাহ কৰিবৰ বাবে কৃষকসকলে ধনেৰে প্ৰচুৰ পৰিমাণে বৰঙণি আগ বঢ়ালে। এই আন্দোলন আৰম্ভ কৰে তাম্বোভ অঞ্চলৰ ক্ৰাস্নি দ'ব্ৰ'ভ'লেৎছ যৌথ কৃষিপামে। দু সপ্তাহৰ ভিতৰত এই অঞ্চলটোত ৪০,০০০,০০০ ৰুবল সংগ্ৰহ কৰা হ'ল আৰু তাৰে এলানি, 'টেংক্' সাজি নাম দিয়া হ'ল: 'তাম্বোভ যৌথ কৃষক'। দেশপ্ৰেমিক আন্দোলনে সমগ্ৰ দেশ সাবটি ললে। ১৯৪২ চনৰ ডিচেম্বৰ আৰু ১৯৪৩ চনৰ ৩১ মাৰ্চৰ ভিতৰত লাল ফৌজক ৭,০৪১,৩২০

হেজাৰ ৰুবল দিয়া হয় আৰু যুদ্ধৰ চাৰি বছৰৰ ভিতৰত দিয়া দানৰ পৰিমাণ হয় ৯৪,৫০০ নিযুত ৰুবল।

ছোভিয়েত ৰাষ্ট্ৰৰ প্ৰতি জনসাধাৰণে আগবঢ়োৱা এই দৃঢ় সমৰ্থন ছোভিয়েত ব্যৱস্থাৰ প্ৰতি তেওঁলোকৰ সীমাহীন আনুগত্যৰ স্পষ্ট পৰিচয়। এই যুদ্ধ যৌথ কৃষিপাম ব্যৱস্থাৰ কাৰণে এক কঠোৰ পৰীক্ষা আছিল; বিৰাটভাৱে ক্ষতিগ্ৰস্ত হোৱা কৃষিপামবোৰে আপ্ৰাণ প্ৰচেষ্টা চলাবলগীয়া হৈছিল। কৃষিৰ ক্ষেত্ৰত দেখা দিয়া ধীৰগতিৰ গুৰিতে যিবোৰ ঘাই ঘাই বাস্তৱ কাৰণ আছিল তাৰ ভিতৰত যুদ্ধও এটা। তাৰ পিছত ১৯৪৬ চনত আটাইতকৈ গুৰুত্বপূৰ্ণ কৃষিপাম থকা জিলাবোৰত পানীৰ অভাৱ গুৰুতৰভাৱে দেখা দিয়ে।

এতিয়া আমি ছোভিয়েত ইউনিয়নে নো কিয় বিদেশৰ-পৰা খাদ্যশস্য কিনে তাৰ কাৰণবোৰ বিবেচনা কৰি চাওঁ।

এই ক্ৰয় সম্পৰ্কে পছিমীয়া বাতৰিকাকতত স্থিৰভাৱে মন্তব্য কৰি থকা হৈছিল। এইবোৰ বাতৰি কাকতৰ মতে ই হ'ল যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপাম ব্যৱস্থাৰ দুৰ্বলতা,' আৰু "অন্তৰ্নিহিত ক্ৰটী'ৰ সাক্ষী। এই ব্যৱস্থাই বোলে ছোভিয়েত ইউনিয়নৰ খাদ্যসমস্যা দূৰ কৰিব নোৱাৰে।

পিছে, প্ৰাকৃতিক দুৰ্যোগ আৰু কৃষি উৎপাদনত তাৰ প্ৰভাৱ সম্বন্ধে এষাৰো কথা তাত নাছিল। আমি আটায়ে জানো প্ৰকৃতিক মানুহে এতিয়াও জয় কৰিব পৰা নাই। খৰাং বতৰ পৰিলে যি কোনো পথাৰতে পানী নাইকিয়া হব সেই পথাৰ যৌথ কৃষিপামৰে হওক, বা গাইগুটীয়া কৃষকৰে হওক, সৰু খেতিয়কৰে হওক বা বিৰাট পুঁজি-তান্ত্ৰিক ব্যৱস্থাৰ পৰিচালনাৰেই হওক। কিন্তু মানুহ আৰু আগৰ দৰে এতিয়া প্ৰকৃতিৰ ধ্বংসকাৰী শক্তিসমূহৰ সন্মুখত সিমান অসহায় নহয়। উৎপাদনৰ সংগঠন যিমানেই উন্নত হয়, এই শক্তিসমূহ নিয়ন্ত্ৰণ কৰাৰ সম্ভাৱনা সিমানেই বাঢ়িব।

ছোভিয়েত চৰকাৰে কৃষি পদ্ধতিৰ উন্নয়ন, গছ-গছনি কই খেতি ৰক্ষা কৰা আৰু জলসিঞ্চন ব্যৱস্থাৰ ব্যাপকহাৰত অগ্ৰগতি সাধন কৰা আদি ব্যৱস্থা লৈ প্ৰকৃতিৰ অনিষ্টকৰ প্ৰভাৱৰ বিৰুদ্ধে কেনেকৈ যুঁজিছে সেই কথা আমি আগতেই আলচ কৰিছোঁক। কিন্তু তথাপিও ছোভিয়েত কৃষকে অত্যন্ত কঠোৰ প্ৰাকৃতিক পৰিৱেশৰ মাজত কাম কৰিব লগীয়া হৈছে। এবাৰ কথা কলেই হয় যে মোৰা ৬৫

বছৰৰ ভিতৰত দেশৰ বহু অংশত ২২ বাৰ বতৰ শুকান হৈছে। ১৯৬৩ আৰু ১৯৬৫ চনৰ খৰাং বতৰ বিশেষভাৱে ভয়ানক আছিল।

৯৬৩ চনত হোৱা খাদ্যশস্যৰ মুঠ উৎপাদন তাৰ আগৰ বছৰতকৈ ৩২ ৭ নিযুত টন কম, ৰাষ্ট্ৰই কিনি লোৱা খাদ্যশস্যৰ পৰিমাণ ১১ ৮ নিযুত টন কমিছিল। ১৯৬৫ চনত এই পৰিমাণ আগৰ বাৰতকৈ ক্ৰমে ৩১ নিযুত আৰু ৩২ নিযুত টন কম আছিল।

ঠিক এই কাৰণতেই ছোভিয়েত চৰকাৰে ১৯৬৩ আৰু তাৰ পিছৰ বছৰবোৰত বিদেশৰপৰা কিনা খাদ্যশস্যৰ পৰিমাণ বঢাইছিল। পছিমৰ বাতৰি কাকতবোৰে এই তিনটোকে লৈ ডাঙৰ কৰি ঢোল ফুটালে, অথচ খাদ্যশস্যৰ বেচা-কিনাটো দেশৰ বেহাবাণিজ্যৰ এটা চলন্তি প্ৰথা। ছোভিয়েত পৰিসংখ্যানৰপৰা দেখা যাব, ১৯৬৩ চনৰ বেয়া বতৰৰ বছৰটোতো ছোভিয়েত ইউনিয়নে ৬৩ [illegible] খাদ্যশস্য ৰপ্তানি কৰিছে, ১৯৬৫ চনত কৰিছে, [illegible] নিযুত টন আৰু ১৯৬৬ চনত ৩'৫ নিযুত টন।

ছোভিয়েত অৰ্থনীতিত খাদ্যশস্য ক্ৰয়ৰ প্ৰত্যক্ষ প্ৰভাৱ

কোনেও দুই কৰিব নোৱাৰে। সি যি কি নহওক, এষাৰ কথা চাব লাগিব; দেশত ব্যৱহৃত হোৱা খাদ্যশস্যৰ সৰহ ভাগটো দেশৰ শস্যৰ ভঁড়ালৰপৰাই যায়। ১৯৬৩ চনত বাহিৰৰপৰা অনা খাদ্যশস্যৰ পৰিমাণ দেশত উৎপন্ন হোৱা পৰিমাণৰ তিনি শতাংশতকৈও কম; ১৯৬৫ চনত ৫ শতাংশ আৰু ১৯৬৬ চনত ৪·৫ শতাংশতকৈ সামান্য অধিক। আজি ছোভিয়েত ৰপ্তানি তালিকাত খাদ্যশস্য এটা গুৰুত্বপূৰ্ণ বিষয়;

বিপ্লৱৰ আগৰ ৰুছিয়াত বতৰ খৰ মাৰিলে গোটেই দেশতে দুৰ্যোগে দেখা দিয়ে। অধিকাংশ কৃষকৰ ভাগ্যলৈ নামি আহে আকাল-অনাটন। নগৰত খাদ্যাভাৱে দেখা দিয়ে, ইফালে 'ফটকাবাজ'বোৰৰ ৰামৰাজ্য হয় আৰু বস্তুৰ দাম চৰি যায়। ১৯৬৩ আৰু ১৯৬৫ চনত এই ধৰণৰ ঘটনা মুঠেও ঘটা নাই। এখন পামো আৰু এজন খেতিয়কো ধ্বংস হোৱা নাই বা দৰিদ্ৰ হোৱা নাই। কটীৰ খুচুৰা দাম আগৰদৰেই আছিল।

ছোভিয়েত ৰাষ্ট্ৰ আৰু যৌথ-কৃষিপাম ব্যৱস্থাত প্ৰত্যেকখন কৃষিপামে আৰু প্ৰতিটো পৰিয়ালে প্ৰকৃতিৰ

অন্ধ ধ্বংসলীলাৰ বিৰুদ্ধে নিৰ্ভৰযোগ্য নিৰাপত্তা লাভ কৰে। বতৰে সৃষ্টি কৰা বিপদ জয় কৰিবলৈ ছোভিয়েত ৰাষ্ট্ৰই কৃষিপামবোৰক সহায় কৰিলে। ৰাষ্ট্ৰই খাদ্যশস্যৰ যোগান ধৰিলে, যন্ত্ৰপাতি আৰু সাৰ অধিকহাৰত সৰবৰাহ কৰিলে, কৃষিৰ উন্নয়নৰ কাৰণে অধিক ধন মঞ্জুৰ কৰিলে। গাঁৱৰ অৰ্থনীতি পৰি যাবলৈ ৰাষ্ট্ৰই নিদিলে, এই অৰ্থনীতিয়ে যাতে আৰু বেছি, আৰু দ্ৰুতগতিত বিকাশ লাভ কৰিব পাৰে তাৰ দিহা কৰিলে। এই ব্যৱস্থাসমূহৰ ফল ১৯৬৬ চনত হোৱা খেতিতেই পোৱা যায়—যাক আন কি **দি নিউ ইয়ৰ্ক্ টাইম্‌ছ্** কাকতেও "উল্লেখযোগ্য জয়লাভ" বুলি অভিহিত কৰিবলৈ বাধ্য হৈছে।

এই সফলতাসমূহৰ মূল কাৰণ হ'ল—সম্প্ৰতি ৰাষ্ট্ৰই যৌথ আৰু ৰাষ্ট্ৰীয় পামসমূহৰ বৈষয়িক আৰু কাৰিকৰী ভিত্তি শক্তিশালী কৰি সিবোৰৰ উন্নয়নৰ কাৰণে অনুকূল অৰ্থনৈতিক সংস্থাৰ সৃষ্টি কৰিবলৈ লোৱা ব্যৱস্থাসমূহ। ৰাষ্ট্ৰই কৃষিৰ দ্ৰুত উন্নতিৰ কাৰণে প্ৰচুৰ সম্পদৰ ভঁৰাল বান্ধি সমাজবাদী অৰ্থনীতিৰ এই ঘাই শাখাটোত ধীৰে ধীৰে অথচ নিশ্চিতভাৱে ক্ৰমবৰ্দ্ধমান হাৰত ধন দি গৈ আছে।

১৯৬৬ চনত যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিজাত উৎপাদনত খটুওৱা ধনৰ পৰিমাণ হৈছিল ১২,০০০ নিযুত ৰুবল ; ই ১৯৬৫ চনৰ ধনতকৈ ১৩৮২ নিযুত বেছি আৰু ১৯৬৭ চনতকৈ ৭,৩৩৮ নিযুত ৰুবল বেছি। ১৯৬৬ আৰু ১৯৬৭ চনত গাঁৱৰ অৰ্থনীতি ব্যৱস্থাত যিমান যন্ত্ৰপাতি আৰু সাৰৰ যোগান ধৰা হৈছে সি আগৰ সকলোবোৰ বছৰতকৈ বেছি।

আগৰ সমাজব্যৱস্থাৰপৰা লাগি অহা অৰ্থনৈতিক দৰিদ্ৰ্য নিৰসন কৰাত, ফেছিবাদী আক্ৰমণ পৰাভূত কৰি ইয়াৰ ভয়ানক পৰিণতিসমূহ নাইকিয়া কৰাত, আৰু প্ৰকৃতিৰ অনিষ্টকাৰী প্ৰভাৱবোৰ নিৰ্মূল কৰিবলৈ কৰা সাৰ্থক সংগ্ৰামত, যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপাম ব্যৱস্থাই তাৰ শক্তি আৰু প্ৰাণবত্তাৰ পূৰ্ণ পৰিচয় দিয়ে। এই গুণাৱলীয়ে দেশৰ গাঁৱলীয়া অৰ্থনীতি-ব্যৱস্থাৰ দ্ৰুত আৰু স্থায়ী উন্নতিৰ পথ সুগম কৰে। চলন্ত পঞ্চবাৰ্ষিকী পৰিকল্পনাৰ ১৯৬৬-১৯৬৭ এই দুবছৰত কৃষিজাত দ্ৰব্যৰ পৰিবৃদ্ধিৰ গড়ে বাৰ্ষিক আয় আগৰ পাঁচ বছৰৰ গড় আয়তকৈ শতকৰা প্ৰায় ৮০ ভাগ বেছি।

## ৮
# ছোভিয়েত গাঁও ঃ কালি আৰু আজি

ৰুছিয়ালৈ অক্টোবৰ বিপ্লৱে যি সুদূৰপ্ৰসাৰী পৰিৱৰ্তন আনিলে তাৰ ফল ছোভিয়েত গাঁৱতেই বোধ কৰো আটাইতকৈ ভালকৈ পোৱা যায়। কৃষিৰ যৌথ ব্যৱস্থাই গাঁৱৰ অৰ্থনীতিতো আমূল পৰিবৰ্তন সাধিলে ই কৃষক-সকলৰ জীৱনৰ সমগ্ৰ ধাৰাটোৰো পৰিবৰ্তন সাধিলে।

বিপ্লৱৰ আগতে, হেজাৰত ৭৬০ জন কৃষকে লিখিবও নাজানিছিল, পঢ়িবও নাজানিছিল। মধ্য এছিয়া আৰু উত্তৰাঞ্চলৰ গাঁওবাসীসকলৰ মাজত লেখা-পঢ়া জনা মানুহ এজনো নাছিল বুলিব লাগে। ১৯১৩ চনত লেনিনে লিখিছিল: ইমান পাশৱ এখন দেশ, এনে এখন দেশ য'ত সমগ্ৰ অধিবাসীক শিক্ষা, পোহৰ আৰু জ্ঞানৰ পৰা ইমান বেছিকৈ বঞ্চিত কৰা হৈছে, ইউৰোপৰ ক'তোৱেই

নাই। ৰুছিয়া একমাত্র ব্যতিক্রম। গাঁৱত এক নতুন জীৱন গঢ়ি তোলা আৰু যৌথ ব্যৱস্থাৰ প্ৰৱৰ্তন কৰি কৃষকৰ জীৱনলৈ সাক্ষৰতা আৰু সংস্কৃতিৰ ধল নমোৱা লেনিনৰ সমবায়ৰ পৰিকল্পনাৰ অবিচ্ছেদ্য অঙ্গ।

নিৰক্ষৰতাৰ বিৰুদ্ধে জুৰণিৰ পৰাই এক অভূতপূৰ্ব ব্যাপক হাৰত অভিযান চলোৱা হৈছিল। লাখে লাখে প্ৰাপ্তবয়স্ক কৃষকে স্কুলত নাম লগালে। তেওঁলোকক লিখা-পঢ়া শিকালে গাঁৱৰ শিক্ষকে, স্কুলৰ ছাত্ৰই, শ্ৰমিকে আৰু নগৰবপৰা যোৱা বুদ্ধিজীৱীসকলে। ১৯২৬ চনত হেজাৰজন কৃষকৰ ৫১০ জনে লিখা-পঢ়া কৰিব পৰা হ'ল, ১৯৩৯ চনত ৮৪০ জনে। আজি গাঁৱত নিৰক্ষৰ লোক একেবাৰেই নাই। নগৰ আৰু গাঁও—উভয়তে বাধ্যতা-মূলক ৮ বছৰীয়া শিক্ষা প্ৰৱৰ্তিত হৈছে। জিলা-কেন্দ্ৰ আৰু ডাঙৰ ডাঙৰ গাঁওবোৰত মাধ্যমিক (১০ বছৰীয়া) আবাসিক বিদ্যালয় আছে তাত দূৰৈৰ গাঁৱৰ লৰা-ছোৱালীয়ে আহি পঢ়ে। বহুতো খেতিয়কৰ লৰাই বিশেষ (স্পেচিয়েলাইজ্‌ড্‌) মাধ্যমিক বিদ্যালয়, প্ৰতিষ্ঠান আৰু বিশ্ববিদ্যালয়ত অধ্যয়ন কৰে। মাধ্যমিক আৰু উচ্চতৰ

শিক্ষাপ্ৰাপ্ত কৃষকৰ সংখ্যা দিনে দিনে বাঢ়ি গৈছে। এহেজাৰজন যৌথপামৰ কৃষকৰ ১৯১৯ চনত ১৮ জনে, ১৯৫৯ চনত ২২৬ জনে আৰু ১৯৬৭ চনত ৩৩০ জনে উচ্চতৰ আৰু মাধ্যমিক শিক্ষা লাভ কৰিছে।

দক্ষ কৰ্মী আৰু বিশেষজ্ঞ নোহোৱাকৈ যৌথ উৎপাদনত ব্যাপক হাৰত যন্ত্ৰপ্ৰয়োগৰ কথাটো ভাবিবই নোৱাৰি। বিশেষকৈ লাগিব মেচিন-অপাৰেটৰ। ইয়াৰ সংখ্যা সেইকাৰণে ১৫ বছৰত দুগুণ হৈছে আৰু ১৯৬৭ চনত ৩,২৯৩,০০০ জনলৈ উঠিছে। ইলেক্ট্ৰিচিয়ান, ৰেডিঅ' অপাৰেটৰ আৰু গাঁওমঙ্গলৰ উদ্যোগসেৱী কৰ্মীৰ সংখ্যাও বাঢ়িছে।

মাধ্যমিক বা উচ্চতৰ শিক্ষাপ্ৰাপ্ত বিশেষজ্ঞসকলে কৃষি উৎপাদনৰ ক্ষেত্ৰত ক্ৰমবৰ্দ্ধমান ভূমিকা পালন কৰিছে। ১৯২৮ চনত তেওঁলোকৰ সংখ্যা আছিল ৫৮,০০০ জন; ১৯৬৬ চনত হৈছেহি ৭৪৫,০০০ জন।

১৯৫৮ চনত একোখন যৌথ বা ৰাষ্ট্ৰীয় কৃষিপামত গড়ে ৪ জন মাত্ৰ মাধ্যমিক বা উচ্চতৰ শিক্ষাপ্ৰাপ্ত বিশেষজ্ঞ আছিল। ১৯৬৬ চনত ১০ জনৰ ওপৰ হৈছিল। এতিয়া

বহুতো বৰ বৰ ৰাষ্ট্ৰীয় আৰু যৌথ-কৃষিপামত মাধ্যমিক আৰু উচ্চশিক্ষা পোৱা বিশেষজ্ঞৰ সংখ্যা ৪০-৫০ আনকি ১০০-ও হৈছে।

গাঁৱৰ বিশেষজ্ঞসকল সৰহ ভাগেই খেতিয়কৰ পৰিয়ালৰ লোক। সকলোবোৰ ছোভিয়েত ছাত্ৰৰ দৰেই এওঁলোকেও প্ৰাথমিক স্তৰৰপৰা উচ্চতৰ স্তৰলৈ বিনামূল্যে শিক্ষা গ্ৰহণ কৰে।

দাৰিদ্ৰ্য আৰু অজ্ঞতা এতিয়া অতীতৰহে কথা। এতিয়া আৰু গাওঁ অঞ্চলক "সংস্কৃতিত পিছপৰা" বুলি কব নোৱাৰি। ছোভিয়েত ক্ষমতাৰ বিজয়ে আৰু বিশেষকৈ, সামূহিক শ্ৰমৰ ব্যৱস্থালৈ উত্তৰণৰ ফলত কৃষকসকল সাক্ষৰতা, বিজ্ঞান আৰু মানৱজাতিৰ সকলোবোৰ আত্মিক ঐশ্বৰ্য্যৰ দেউলত সোমাব পাৰিছে।

কিতাপৰ কথা। ১৯১৪ চনত দেশত ১১,০০০ গাঁৱৰ পুথিভঁড়াল আছিল। ১৯৬৭ চনত ৮৬,০০০ হ'ল। সেই একেছোৱা সময়তে এই পুথিভঁড়ালবোৰত কিতাপৰ সংখ্যা ৪,০০০,০০০ৰ পৰা ৫০৬,০০০,০০০ লৈ বাঢ়িল—১২০ গুণৰো অধিক বৃদ্ধি। জনমূৰি হিচাপত এই পাৰ্থক্য আৰু

চকুত-লগা। বিপ্লৱৰ আগতে প্ৰতি এশজন কৃষকৰ ভাগত এখন কিতাপ পৰিছিল; ছোভিয়েত গাঁৱত ১০০ জন লোকৰ ভাগত ৪৭৫ খন কিতাপ পৰিল। এসময়ত কৃষকৰ ঘৰত কিতাপ পৰ্বতত কাছকণীৰ লিখীয়া আছিল। আজি এনে এটা কৃষক পৰিয়াল নাই বুলিলেই হয় যাৰ ঘৰত এটা ঘৰুৱা পুথিভঁড়াল নাই। ৰাজহুৱা পুথিভঁড়াল-বোৰত ৰাষ্ট্ৰ, যৌথ কৃষিপাম আৰু ট্ৰেড্-ইউনিয়ন সংগঠন-বোৰে ধনৰ যোগান ধৰে। পুথিভঁড়ালৰ কিতাপ পঢ়িবলৈ ধন ভৰিব নালাগে।

গঞা ৰাইজ ভালেমান আলোচনী-বাতৰি কাকতৰ গ্ৰাহক হয়। ১৯৬৭ চনত কৃষক, ৰাষ্ট্ৰীয়পামৰ কৰ্মী আৰু গাঁৱৰ বুদ্ধিজীৱীৰ মাজত প্ৰায় ৯০,০০০,০০০ বাতৰিকাকত আৰু আলোচনী বিলি কৰা হয়। গাঁৱৰ সাংস্কৃতিক জীৱন বহুমুখী। গাঁৱৰ চুকে-কোণে ভৰভৰকৈ গঢ়ি উঠা গাঁৱৰ ক্লাববোৰ ইয়াৰ কেন্দ্ৰ। ১৯১৩ চনত এনে ক্লাবৰ সংখ্যা আছিল ১০০, ১৯৩৭ চনত ই বাঢ়ি ১১২,০০০ হৈছেহি।

আত্ম-বিনোদনমূলক কলা গঞা ৰাইজৰ মাজত বিশেষভাৱে প্ৰিয় হৈ উঠিছে। গাঁৱৰ ক্লাবৰোৰত আজি

১৬০,০০০টা নাটক, সংগীত, গীত আৰু নৃত্যৰ দল গঢ়ি উঠিছে। ইয়াত ২,০০০,০০০ গঞাই যোগ দিয়ে।

গাওঁবাসীৰ জীৱনত কথাছবিয়ে বিশেষ স্থান পাইছে। ১৯৬৬ চনত দেশৰ মুঠ ১৪৯,৭০০ কনছার্ট ঘৰৰ ভিতৰত ১২৭,০০০ টাই হ'ল গাঁৱত; ইয়াত যোগ দিয়া লোকৰ সংখ্যা আকাশৰ তৰাৰ লেখৰ—১,৭৬১ নিযুত।

গুৰুত্ব আৰু স্থানৰ ফালৰপৰা বিবেচনা কৰিলে, ছোভিয়েত গাঁৱৰ আত্মিক জীৱনত দেখা দিয়া পৰিবর্তনসমূহ সাংস্কৃতিক বিপ্লৱৰ সমপর্য্যায়ৰ।

গাঁও অঞ্চলৰ প্ৰায় সকলোবোৰ ঘৰেই ছোভিয়েত শাসনকালত সজা। ১৯১৮ আৰু ১৯৬৭ চনৰ ভিতৰত যৌথপামৰ কৃষক আৰু গাঁৱৰ বুদ্ধিজীৱীৰ সঞ্চিত ধন আৰু ৰাষ্ট্ৰৰ অনুদানেৰে ২১,০০০,০০০টা ঘৰ সাজি উলিওৱা হয়। এসময়ত গাঁৱে গাঁৱে চকুত পৰা খেৰ আৰু মাটিৰ পঁজাবোৰ এতিয়া অন্তৰ্দ্ধান হ'ল। আজিৰ গাঁৱত চকুত পৰিব আহল-বহল ঘৰবোৰ, বিদ্যালয়, শিশু-উদ্যান, শিশু-পালনকেন্দ্ৰ, ক্লাব, সংস্কৃতি-প্ৰাসাদ, আস্পতাল আৰু ক্লিনিক, বিভাগীয় খাদ্যভাণ্ডাৰ, হোটেল, ৰেস্তোৰাঁ আৰু কাফে।

আধুনিক সুখ-সুবিধা আৰু গাঁৱৰ জীৱনৰ প্ৰয়োজনীয়তাৰ সমন্বয়ত ৰচনা কৰা স্থাপত্য-পৰিকল্পনা অনুসৰি গাঁওবোৰ নতুনকৈ নিৰ্মাণ কৰা হৈছে। যৌথ কৃষিপামবোৰে প্ৰায়েই উপায় উলিয়াই স্বাস্থ্যনিবাস, জিৰণি ঘৰ আৰু ইয়ং পায়নিয়াৰ শিবিৰ সাজে।

গাঁৱৰ সমসাময়িক নিৰ্মাণকাৰ্য্যৰ সুযোগ আৰু জটিল চৰিত্ৰৰ কাৰণে শিল্প-নিৰ্মাণ-পদ্ধতিৰ প্ৰয়োজন হয়। ৰাষ্ট্ৰই এতিয়া গাঁৱৰ নিৰ্মাণকাৰ্য্যৰ কাৰণে বিশেষ যন্ত্ৰীকৃত দল পঠাবলৈ ঠিক কৰিছে। কৃষিপামৰ কৃষকসকলে প্ৰায়ে ইখন সিখন পামৰ মাজত নিৰ্মাণ-সমবায় গঢ়ি তুলিছে; ইয়াৰ ধনৰ যোগান ধৰে প্ৰতিষ্ঠাপকসকলে আৰু নিৰ্বাচিত সংস্থাই পৰিচালনা কৰে। তেওঁলোকৰ সম্পত্তি উচ্চতৰ পৰ্য্যায়ৰ সামাজিকীকৃত একধৰণৰ সমবায় আৰু যৌথ-কৃষিপামৰ সম্পত্তি।

আন্ত-কৃষিপাম নিৰ্মাণ সমবায়বোৰ কৃষকসকলৰ মাজত ব্যাপকভাৱে জনপ্ৰিয় হৈ উঠিছে। সৰ্বাধুনিক নিৰ্মাণ-কৌশল, কাঠ আৰু বিভিন্ন অংশ জোৰা লগোৱা কাৰখানা, ইটা ভাটা আৰু বিলাতীমাটিৰ কাৰখানা, আৰু নক্সাকাৰক

সংগঠনবোৰ তেওঁলোকৰ অধীনত। গাঁও পুনৰ্নিৰ্মাণৰ কামত ৰাষ্ট্ৰই বিৰাট গুৰুত্ব আৰোপ কৰে। অঙ্গৰাজ্য আৰু নিখিল-ৰুছ গ্ৰাম নিৰ্মাণ মন্ত্ৰীদপ্তৰ এই উদ্দেশ্যেই স্থাপন কৰা হৈছে।

চহৰ আৰু গাঁৱত সাংস্কৃতিক আৰু দৈনন্দিন জীৱনৰ অৱস্থাৰ মাজত থকা পাৰ্থক্যবোৰৰ অৱসান—এইটো আমাৰ কালৰ অন্যতম প্ৰধান সমস্যা। ইয়াৰ সমাধানৰ কাৰণে সমগ্ৰ দেশে অংশগ্ৰহণ কৰিছে।

ছোভিয়েত ৰাষ্ট্ৰক্ষমতা আৰু যৌথ কৃষিপাম ব্যৱস্থাই কৃষকসকলৰ বৈষয়িক আৰু সাংস্কৃতিক উৎকৰ্ষ লাভ কৰিবলৈ সমৰ্থবান কৰি তুলিছে। আৰু এই কাম কৰা হৈছে শ্ৰমিকশ্ৰেণীৰ লগত ঘনিষ্ঠ সহযোগিতা কৰি আৰু শ্ৰমিক-শ্ৰেণীৰ নেতৃত্বত।

শ্ৰমিকশ্ৰেণী আৰু কৃষকসকলৰ মাজৰ মৈত্ৰীৰ জন্ম জীৱনৰ পৰাই, ঐতিহাসিক বিকাশৰ অপৰিহাৰ্য্য দাবীৰ পৰাই হৈছে। ইয়াৰ সফল পৰিণতি দেখা যায় যৌথ কৃষিপাম ব্যৱস্থাৰ অগ্ৰগতিত।

পশ্চিমৰ লিখকসকলে ছোভিয়েত শ্ৰমিক আৰু

ছোভিয়েত কৃষকৰ স্বাৰ্থ আৰু লক্ষ্যৰ কোনো মিল নাই, ইটোৰ লগত সিটোৰ ভীষণ বিৰোধ বুলি প্ৰায়ে পতিয়ন নিয়াব খোজে। হাৰৱাৰ্ড বিশ্ববিদ্যালয়ৰ প্ৰফেছৰ ডি. মিট্ৰানিয়ে ছোভিয়েত শ্ৰমিক আৰু কৃষকৰ মাজত মিত্ৰতা স্থাপন কৰিবলৈ "প্ৰচুৰ চেষ্টা কৰিও কমিউনিষ্টবোৰ সফলকাম হব পৰা নাই" বুলিও দাবী কৰিছে।

পিছে আচল কথাটো কি ?

১৭
# চহৰ আৰু গাঁও

চহৰ আৰু গাঁৱৰ মাজৰ সম্পৰ্কৰ কথাটো বহুদিন ধৰি আলোচনা আৰু তৰ্কৰ বিষয় হৈ আছে।

কমিউনিষ্ট পাৰ্টিৰ প্ৰতিষ্ঠাতা লেনিনে ১৯১০ চনত লিখি গৈছে—চহৰ আৰু গাঁৱৰ মাজৰ পাৰ্থক্য দূৰ কৰাটো ছোচিয়েল-ডেমোক্ৰেটসকলৰ আদৰ্শ (আৰু কাৰ্য্যক্ৰম)। লেনিনৰ প্ৰতিপক্ষই এই আদৰ্শক “আলাসৰ চাং” বুলি কৈছিল; তেওঁলোকে তৰ্ক কৰি কৈছিল, এই আদৰ্শক বাস্তৱত ৰূপায়ণ কৰাৰ অৰ্থ হ'ল ক্ষমতা আৰু সংস্কৃতিৰ কেন্দ্ৰস্থল ডাঙৰ ডাঙৰ চহৰবোৰৰ ধ্বংস সাধন কৰা। লেনিনে তাৰ উত্তৰত কৈছিল, ছোচিয়েল-ডেমোক্ৰেটসকলে এই ক্ষমতা আৰু সংস্কৃতিৰ কেন্দ্ৰসমূহৰ মোল বঢ়িয়াকৈ পায়; চহৰ আৰু গাঁৱৰ মাজৰ পাৰ্থক্য দূৰ কৰা মানে এই কেন্দ্ৰবোৰত গঢ়ি তোলা কলা আৰু বিজ্ঞানৰ ঐশ্বৰ্য্যৰাজিক

দলিয়াই পেলোৱা নহয়। লেনিনে কৈছিল, বিপৰীতপক্ষে এই পাৰ্থক্য দূৰ কৰাটোহে প্ৰয়োজন "কাৰণ তেতিয়াহে এই ঐশ্বৰ্য্যৰাজি সমগ্ৰজাতিয়ে ঢুকি পোৱাৰ ভিতৰলৈ আনিব পৰা হব কাৰণ, তেতিয়াহে লাখ লাখ গাঁওবাসীৰ জীৱনত যে সংস্কৃতি এটা আচহুৱা বস্তু হৈ পৰিছে—সেইটো নোহোৱা কৰিব পৰা হব।"

চহৰ আৰু গাঁৱৰ মাজৰ বৈষম্যৰ জন্ম হৈছে শ্ৰমৰ সামাজিক বিভাজনৰ প্ৰক্ৰিয়াৰ ফলত। সময়ৰ লগে লগে ই বেছি তীব্ৰ হৈ আহিছে; গাঁওবোৰ অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিকভাৱে নগৰতকৈ ক্ৰমে বেছিকৈ পিছ পৰি গৈ আছে। এমিলি ৱেৰ্‌হিৰেন নামৰ বেলজিয়ামৰ কবি এজনে এসময়ত অক্টোপাছ নগৰ এখনৰ এটা ভাৱমূৰ্তিৰ সৃষ্টি কৰিছিল। ইয়াৰ সৰ্বগ্ৰাসী হাঁতোৰা-বোৰে চৌপাশৰ পথাৰ আৰু খেতিৰ মাটিবোৰৰ নেলুত চেপা দি যি জীৱন্ত, যি সুন্দৰ সেই সকলোবোৰ পংগু কৰি ধ্বংস কৰি পেলাইছে, কৃষকসকলক দাৰিদ্ৰ্য আৰু ধ্বংসৰ স্তূপত নিক্ষেপ কৰিছে।

সি যি কি নহওক, চহৰবপৰা এটা শক্তিৰ উত্তৱ হ'ল

যি কৃষকসকলৰ লগত বন্ধুত্ব স্থাপন কৰিব পাৰে। এই শক্তিটো হ'ল সৰ্বহাৰা যাৰ সামাজিক অবস্থানে, অৰ্থ নৈতিক আৰু ৰাজনৈতিক লক্ষ্যই ( শোষণ আৰু দাৰিদ্ৰ্যৰ বিৰুদ্ধে, নাগৰিক অধিকাৰ আৰু মুক্তিৰ কাৰণে সংগ্ৰাম ) ইয়াক কৃষকৰ স্বাভাৱিক মিত্ৰ কৰি তুলিছে। এই মিত্ৰতাৰ জন্ম দিয়া ঐতিহাসিক অৱস্থাসমূহেও ইয়াক শক্তিশালী কৰিছে। এই মিত্ৰতাৰ নেতৃত্বৰ ভাৰ সৰ্বহাৰা শ্ৰেণীৰ ওপৰতে পৰিল। সৰ্বহাৰাশ্ৰেণী অধিক ঐক্যৱদ্ধ আৰু বেছি ভাল ধৰণে সংগঠিত শ্ৰেণী, এওঁলোকৰ এটা উন্নততৰ ভবিষ্যতৰ কাৰণে কৰিব লগা সংগ্ৰামত সমস্যা আৰু লক্ষ্য সম্বন্ধে সুস্পষ্ট ধাৰণা আছে। এই মিত্ৰতাৰ নেতৃত্বৰ ভাৰ আৰু পৰিল এই সৰ্বহাৰাশ্ৰেণীৰ অগ্ৰণী-বাহিনী লেনিনে সৃষ্টি কৰা পাৰ্টিৰ ওপৰত।

বৈপ্লৱিক সংগ্ৰামৰ সামগ্ৰিক বিকাশ আৰু ৰুছিয়াত এক অভিনৱ জীৱন সংগঠন চহৰ আৰু গাঁও অঞ্চলৰ শ্ৰমজীৱীসকলৰ মাজত থকা বন্ধুত্ব আৰু সহযোগিতাৰ সন্দেহাতীত প্ৰমাণ। ৰাজনৈতিকভাৱে তেওঁলোকৰ মিত্ৰতা পুৰণি ব্যৱস্থাৰ বিৰুদ্ধে, অক্টোবৰ বিপ্লৱৰ বিজয়

আৰু তাৰ লাভসমূহ সুৰক্ষিত কৰিবৰ কাৰণে, কৃষকৰ মাটিৰ কাৰণে আৰু গাঁৱৰ সমাজতান্ত্রিক পুনৰ-সংগঠনৰ কাৰণে হোৱা সংগ্রামৰ জুইত গঢ় লৈ উঠিছে। ছোভিয়েত ইউনিয়নত সমাজতন্ত্ৰৰ সফল নির্মাণত আৰু সাম্যবাদ গঢ়ি তোলাত ইয়াৰ ভূমিকা চূড়ান্ত।

ছোভিয়েত ৰাষ্ট্ৰই কৃষকক মাটি দি সৰু-সুৰা খেতি-খোলাৰ উৎপাদন তৎমুহূর্তে বৃদ্ধি কৰে আৰু ইয়াৰ উত্তৰোত্তৰ বিকাশৰ ভেটি বান্ধে। খেতিৰ উৎপাদন ক্রয়-বিক্রয়ৰ চলি অহা প্রথাসমূহকে ৰখা হয়। চহৰ আৰু নগৰৰ মাজৰ যোগাযোগ বজাৰৰ যোগেদি আৰু কিনা-বেচা প্ৰথাৰদ্বাৰা আগৰদৰেই ৰখা হয়। অভ্যন্তৰীণ প্রতিবিপ্লৱে আৰু সামৰিক হস্তক্ষেপে দেশৰ ওপৰত যি গৃহযুদ্ধ জাপি দিলে তাৰে পৰাই জন্ম হ'ল যুদ্ধকালীন সাম্যবাদ-নীতিৰ আৰু, উদ্ভৱ হ'ল স্বাধীন ব্যৱসায়ৰ ঠাইত উদ্বৃত্ত-আত্মসাৎ ব্যৱস্থা, যাৰ কথা আমি আগতেই উল্লেখ কৰিছো।

তর্কেৰে বিচাৰি চোৱা ঐতিহাসিকসকলে লক্ষ্য নকৰি নোৱাৰিব যে, এই অর্থনৈতিক ব্যৱস্থা গ্রহণ কৰাৰ (১৯১৮) লগে লগেই কৃষক-সাধাৰণ আৰু ছোভিয়েত

ৰাষ্ট্ৰৰ মাজৰ সম্পৰ্ক তৎক্ষণাৎ সলনি হয়। ১৯১৮ চনৰ প্ৰথমাৰ্দ্ধত মজলীয়া ধনী কৃষকসকলৰ সৰহ ভাগেই নতুন চৰকাৰলৈ সমৰ্থন আগ বঢ়াব নে পুৰণি চৰকাৰলৈ আগ বঢ়াব—সেই বিষয়ে একো স্থিৰ কৰিব পৰা নাছিল। কিন্তু যেতিয়া তেওঁলোকে দেখিলে হোৱাইট্ গাৰ্ড আৰু হস্তক্ষেপ-কাৰীইঁতৰ শাসনে মাটিৰ ওপৰত পুনৰ জমিদাৰৰ অধিকাৰ প্ৰৱৰ্তন কৰাৰ ফলত ছোভিয়েত শাসনে দিয়া মাটিৰপৰা কৃষকসকল বঞ্চিত হৈছে আৰু এক অধিকাৰহীন দাৰিদ্ৰ্য-গ্ৰস্ত জীৱনলৈ তেওঁলোকক পেলাই দিছে তেতিয়াই তেওঁলোকে ছোভিয়েতৰ পক্ষ ললে। শ্ৰমিকশ্ৰেণীৰ লগতে কৃষকসকলো যুদ্ধক্ষেত্ৰলৈ গ'ল, অক্টোবৰ বিপ্লৱৰপৰা পোৱা লাভসমূহ ৰক্ষা কৰাটো তেওঁলোকৰো পবিত্ৰ কৰ্তব্যৰূপে জ্ঞান কৰিলে। কৃষকৰ মাজৰপৰা ভালেমান অসাধাৰণ সামৰিক নেতা ওলাল। ইসকলৰ ভিতৰত আছিল ভাছিলি ব্লুখেৰ, ছেমিয়ন বুদেন্নি আৰু ভাছিলি চাপায়েভ। এই যুটীয়া সংগ্ৰামে শ্ৰমিক আৰু কৃষকৰ উমৈহতীয়া স্বাৰ্থ চকুৰ আগত দাঙি ধৰিলে আৰু তেওঁলোকৰ বন্ধুত্ব বিকশিত আৰু শক্তিশালী কৰি তুলিলে।

ছোভিয়েত ৰাষ্ট্ৰৰ শত্ৰুবিলাকে এই মিত্ৰতা ভাঙিবৰ কাৰণে দেশৰ আৰ্থিক দুৰৱস্থাৰ সুযোগ গ্ৰহণ কৰি ভালে-কেইটা বিদ্ৰোহৰ উচটনি দিলে। কমিউনিষ্ট পাৰ্টিয়ে এই ভয়াবহ পৰিস্থিতিৰ কথা স্পষ্টভাৱে উপলব্ধি কৰি **নতুন অৰ্থনৈতিক নীতিৰ** প্ৰৱৰ্তন কৰিলে। এই নীতিত কৃষকৰ কাৰণে বহুতো সুযোগ-সুবিধা দিয়া হৈছিল। ইয়াৰ ভিতৰত আছিল বাধ্যতামূলকভাৱে উদ্ধৃত্ত দিয়াৰ ঠাইত বস্তুৰে কৰ দিয়াৰ নিয়ম প্ৰৱৰ্তন। এই নীতিৰ সাৰ কথা শ্ৰমিকশ্ৰেণী আৰু কৃষকৰ মাজৰ মিত্ৰতাৰ কাৰণে এটা দৃঢ় অৰ্থনৈতিক ভিত্তি ৰচনা কৰাতে নিহিত আছে বুলি লেনিনে জোৰ দি কৈছে।

কৃষক আৰু শ্ৰমিকৰ মাজৰ বন্ধুত্ব নিৰ্মূল কৰিবলৈ ছোভিয়েত শাসনক্ষমতাৰ শত্ৰুবিলাকে কৰা চেষ্টা সম্পূৰ্ণৰূপে বিফল হ'ল।

১৯২১ চনৰ শেহৰ ফালে কুলাকৰ দলবোৰ সম্পূৰ্ণৰূপে নিঃশ্চিহ্ন হ'ল। কৃষকসকলৰপৰা তেওঁলোকে কোনো সঁহাৰি নাপালে। কৃষকসকলে এক অবিশ্বাস্যভাৱে কম সময়ৰ ভিতৰতে বিপৰ্যস্ত কৃষি-অৰ্থনীতি ব্যৱস্থাৰ পুনৰ্বাসন কৰি

আৰু চহৰত খাদ্যৰ যোগান ধৰি সৰ্বহাৰা-ৰাষ্ট্ৰৰ প্ৰতি আৰু শ্ৰমিকশ্ৰেণীৰ লগত মিত্ৰতাৱদ্ধ হোৱাৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিলে। শ্ৰমিকসকলেও ইয়াৰ প্ৰতিদানত গাওঁ অঞ্চলত কৃষি-যন্ত্ৰপাতি আৰু শিল্প-পণ্যৰ যোগান ধৰিলে; নিৰক্ষৰতা দূৰীকৰণৰ কাৰণে গাৱঁলৈ সহায়ৰ হাত আগ বঢ়ালে আৰু জ্ঞান আৰু সংস্কৃতিলৈ কৃষকসকলৰ কাৰণে বাট উলিয়ালে।

এইবিলাকেই শ্ৰমিকশ্ৰেণী আৰু কৃষকসকলৰ মাজৰ সম্পৰ্কৰ উন্নতিৰ ক্ষেত্ৰত আমাৰ তথ্য। পশ্চিমৰ ভালে-কেইজন ছোভিয়েতবিদে যি হওক শ্ৰমিক আৰু কৃষকৰ স্বাৰ্থসমূহ অক্টোবৰ বিপ্লৱৰ পিছে পিছে আৰু বিশেষকৈ; যৌথীকৰণৰ হেতুকে, পৰস্পৰ-বিৰোধী হৈ উঠিছে বুলি ঠাৱৰাব খোজে।

যৌথীকৰণৰ সন্দৰ্ভত কমিউনিষ্ট পাৰ্টি আৰু ছোভিয়েত চৰকাৰে প্ৰকাশ কৰা দলিলসমূহ আনকি ওপৰে ওপৰে চকু ফুৰাই চালেও এনে সিদ্ধান্তৰ অন্তঃসাৰশূন্যতা ধৰিব পাৰি। উদাহৰণস্বৰূপে, লেনিনৰ সমবায় পৰিকল্পনাৰ মূল ধাৰাবিলাকৰ এটা হ'ল—যৌথ কৃষিপামত নিজৰ ইচ্ছাৰে

সোমোৱাৰ নীতিটো কঠোৰভাৱে পালন কৰিব লাগিব। বাস্তৱ অভিজ্ঞতাৰপৰাও গাঁও অঞ্চল পুনৰগঠনত শ্ৰমিক আৰু কৃষকৰ মাজৰ সহযোগিতা আৰু পাৰস্পৰিক বন্ধুত্বপূৰ্ণ সহায় সাৰথিৰ সন্দেহাতীত দৃষ্টান্ত পোৱা হয়।

যৌথীকৰণ-ব্যৱস্থা পূৰ্ণোদ্যমে আগ বঢ়াৰ সময়ত কেন্দ্ৰীয় পাৰ্টি আৰু চৰকাৰী সংস্থাবোৰে কৃষকসকলৰপৰা যৌথ কৃষিপাম স্থাপনৰ কাৰণে শ্ৰমিকৰ সহায় বিচাৰি লিখা অসংখ্য চিঠিপত্ৰ পাবলৈ ধৰে। ইয়াৰে এখন চিঠি ১৯৩০ চনৰ জানুৱাৰীমাহত প্ৰাভ্‌দা কাকতত ওলাইছিল। চিঠিখন আহিছিল মধ্য ভল্‌গা প্ৰদেশৰ ব'ৰস্ক'য়ে গাঁৱৰ কৃষকসকলৰপৰা। চিঠিখন এই: "ৰঙা ৰাজধানীৰ কমৰেড-সৰ্বহাৰাসকল! গাইগুটীয়াভাৱে খেতি কৰাটো এৰি বিৰাট আকাৰত সামাজিকভাৱে খেতি কৰা পদ্ধতি লবলৈ যাওঁতে আটাইতকৈ ভাল বাট বিচাৰি উলিয়াবলৈ চেষ্টা কৰাত আমাৰ সাংগঠনিক আৰু কাৰিকৰী বিষয়ত বাট দেখুৱাবৰ জোখাৰে অভিজ্ঞতা থকা নেতাৰ অভাৱ আমি প্ৰায়েই বোধ কৰিছো। কৃষিসংগঠনৰ এই পৰ্বত-

প্ৰমাণ কামত আপোনালোকৰ পোনপটীয়া সহযোগিতা শীঘ্ৰে কামনা কৰা হ'ল।"

এই ধৰণৰ চিঠি ছাইবেৰিয়া, উত্তৰ ককেছাছ, উক্ৰাইন, বীয়েল'ৰুছিয়া, কাজাখস্তান, একেষাৰতে ছোভিয়েত ইউনিয়নৰ সকলোবোৰ অঞ্চলৰপৰাই পোৱা গৈছিল। চিঠিবোৰ শ্ৰমিকসকলে সাবধানেৰে বিবেচনা কৰিছিল। মস্কো, লেনিনগ্ৰাদ, ইভান'ভ'—ভ'জনেছেন্স্ক, কিয়েভ আৰু অন্যান্য চহৰৰ বিভিন্ন শিল্পোদ্যোগসমূহৰপৰা গাঁও অঞ্চলত সাংস্কৃতিক কাম আৰম্ভ কৰিবলৈ, কৃষিপাম যন্ত্ৰপাতি মেৰামতি কৰিবলৈ, যৌথ কৃষিপামৰ উৎপাদন সংগঠিত কৰিবৰ কাৰণে গাঁৱত স্থায়ীভাৱে কাম কৰিবলৈ শ্ৰমিক-বাহিনী পঠোৱা হৈছিল।

১৯২৮ চনৰ পৰা ১৯৩১ চনৰ ভিতৰত প্ৰায় ২৫০,০০০ জন কাৰখানাৰ শ্ৰমিক আৰু বিশেষজ্ঞ গাঁও পুনৰ্গঠনত অংশ গ্ৰহণ কৰাৰ উদ্দেশ্যেৰে গাঁও অঞ্চললৈ যায়। তাৰে ভালেমান গাঁৱতে বৈয়েই যায় আৰু তাত স্থায়ীভাৱে কাম কৰিবলৈ লয়। গাঁও পুনৰগঠনত এক বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা লয় গাঁৱলৈ নতুন সমাজতান্ত্ৰিক কৃষি পদ্ধতি সংগঠন

কৰিবৰ কাৰণে পঠোৱা বাছকবনীয়া কৰ্মীৰ ভিতৰত ২৫,০০০ জনে।

পশ্চিমৰ প্ৰচাৰকুশলীসকলে শ্ৰমিকৰ প্ৰতি কৃষক সাধাৰণৰ মনোভাবৰ লগত কুলাক ( ধনী-খেতিয়ক ) সকলৰ মনোভাব সানিস্থতকি এটা খেলিমেলিৰ সৃষ্টি কৰি কয় যে, চহৰৰপৰা প্ৰেৰিত লোকসকলৰ প্ৰতি গাঁওবোৰ বৈৰীভাৱাপন্ন। আচলতে শ্ৰমিকৰ প্ৰতিনিধিসকলৰ প্ৰতি বৈৰীভাৱাপন্ন হ'ল কুলাকসকলহে। ধনী খেতিয়ক বিলাকে এই শ্ৰমিকৰ প্ৰতিনিধিসকলক সততে আক্ৰমণ কৰিছিল আৰু কেতিয়াবা কেতিয়াবা প্ৰাণেও মাৰিছিল। আনহাতে কৃষক সাধাৰণে শ্ৰমিকসকলক তেওঁলোকৰ প্ৰকৃত আৰু পৰীক্ষিত বন্ধু জ্ঞান কৰি গাঁৱলৈ আদৰিহে নিছিল।

উদাহৰণ স্বৰূপে, কাজাখ প্ৰজাতন্ত্ৰৰ পেত্ৰোপাভলভ্স্ক অঞ্চলৰ যৌথ কৃষিপামৰ কৃষকসকলৰ আঞ্চলিক সভাই ঘোষণা কৰিছিল, "পেত্ৰোপাভ্লভ্স্ক অঞ্চলত যৌথ কৃষিপামৰ কামৰ কাৰণে অহা ২৫,০০০ কৰ্মীৰ মাজৰপৰা বাছি অনা শ্ৰমিকসকলে তেওঁলোকৰ যোগ্যতাৰ প্ৰমাণ

সম্পূৰ্ণৰূপে দিছে। তেওঁলোকে গঞাৰ সমুখত শ্ৰম-বীৰত্ব, শ্ৰম-শৃঙ্খলা, বৈপ্লৱিক কষ্ট-সহিষ্ণুতা আৰু প্ৰকৃত বলছেভিক মনোবল সহকাৰে গাঁও অঞ্চলত সমাজতান্ত্ৰিক নিৰ্মাণকাৰ্য্য পৰিচালনা কৰাৰ উদাহৰণ দাঙি ধৰিছে।"

এয়েই আছিল যৌথীকৰণৰ কালছোৱাত শ্ৰমিকশ্ৰেণীৰ প্ৰতি কৃষকসকলে দেখুওৱা সাধাৰণ মনোভাৱ।

যৌথীকৰণৰ যোগেদি গাঁও অঞ্চলত সমাজতন্ত্ৰৰ অৰ্থনৈতিক ভিত্তি প্ৰতিষ্ঠা কৰা হ'ল। ইয়াৰ উপৰিও ই শ্ৰমিকশ্ৰেণী আৰু কৃষককুলৰ মৈত্ৰী সুদৃঢ় কৰিলে।

শ্ৰমিকশ্ৰেণীৰ চহৰে ধীৰে ধীৰে অথচ নিশ্চিতভাৱে গাঁৱৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক বিকাশ বৰ্দ্ধিত কৰিলে। ই কৃষকসকলক যন্ত্ৰৰ যোগান ধৰিলে, শিল্পৰ বিভিন্ন বৃত্তিত তেওঁলোকক প্ৰশিক্ষিত কৰিলে আৰু গাঁও অঞ্চলত দিলে শিক্ষক, ডাক্তৰ আৰু সংস্কৃতি-কৰ্মী।

এয়েই শ্ৰমিক আৰু কৃষকৰ মৈত্ৰীৰ সু-পৰিণতি। এই মৈত্ৰীকেই পশ্চিমৰ প্ৰচাৰকুশলীসকলে একেবাৰে অগ্ৰাহ্য কৰি আহিছে। সঁচা, এনে লোকো আছে যি এনে মিত্ৰতা আছে বুলি গ্ৰাহ্য কৰে; কিন্তু লগতে এইবাবো

কৰলৈ নাপাহৰে যে এনে মিত্ৰতাত শ্ৰমিকে নেতাৰ ভূমিকা লয় আৰু কৃষক তেওঁলোকৰ তলতীয়া হৈ চলে। পিছে তেওঁলোকৰ এনে যুক্তিৰ লগত শ্ৰমিকশ্ৰেণী আৰু কৃষককুলৰ মাজৰ মিত্ৰতাৰ সন্দৰ্ভত মাৰ্ক্সীয় তাত্ত্বিক সিদ্ধান্তৰ সম্ভৱতঃ বিকৃত অৰ্থত মিল দেখা যায়। মাৰ্ক্সৰ মতে শ্ৰমিক-কৃষক মৈত্ৰীৰ নেতৃত্ব বহন কৰে শ্ৰমিক শ্ৰেণীয়ে।

যি হওক, মাৰ্ক্সীয় তাত্ত্বিক সিদ্ধান্ত এটা ইচ্ছামতে ধৰি লোৱা কথা নহয়; ইয়াত ইচ্ছা-নিৰপেক্ষ ঐতিহাসিক বাস্তৱতাৰ প্ৰতিফলন আছে। শ্ৰমিকশ্ৰেণী যে আটাইতকৈ বেছি অগ্ৰগামী, ঐক্যবদ্ধ আৰু সংগঠিত শ্ৰেণী সি প্ৰচুৰ পৰিমাণে স্পষ্ট। শ্ৰমিকশ্ৰেণীত কৃষকে এক নিৰ্ভৰযোগ্য নেতাক পায়—যাৰ নিজৰ অত্যাৱশ্যকীয় স্বাৰ্থসমূহ সম্বন্ধে গভীৰ জ্ঞান আছে, যি এই স্বাৰ্থসমূহৰ হকে কাম কৰি তাক ৰক্ষা কৰিব জানে। এয়েই হ'ল শ্ৰমিকশ্ৰেণীৰ অগ্ৰণী ভূমিকাৰ সাৰ কথা; ইয়াৰ লগত এটা শ্ৰেণী আন এটা শ্ৰেণীৰ তলতীয়া হৈ চলাৰ কোনো সম্পৰ্ক নাই। কৃষকসকল সমান অধিকাৰেৰে শ্ৰমিক শ্ৰেণীৰ মিত্ৰ, আৰু কৃষকসকলে শ্ৰমিকশ্ৰেণীৰ অগ্ৰণী ভূমিকাৰ কথা সম্পূৰ্ণে উপলব্ধি কৰে।

ৰুছিয়াৰ শ্ৰমিকশ্ৰেণীয়ে আগৰ নিপীড়িত, বিভিন্ন জাতি-অধ্যুষিত সীমান্তৱৰ্তী অঞ্চলসমূহৰ জীৱন আমূলভাৱে নকৈ ঢালি গঢ়িবলৈ হোৱা সংগ্ৰামত এক চূড়ান্ত ভূমিকা পালন কৰিলে। শ্ৰমিকশ্ৰেণীৰ ৰাষ্ট্ৰখনৰ সমুখত জাতি সমস্যাই এক অত্যন্ত তীব্ৰ আৰু জটিল ৰূপ লৈ দেখা দিছিল। আচলতে ই এটা কৃষক-সমস্যা আছিল, কাৰণ জাৰশাসিত ৰুছিয়াৰ এই পিছপৰা সীমান্তবৰ্তী অঞ্চলসমূহৰ অধিবাসী সকল মূলতঃ কৃষক। সেই কাৰণে প্ৰধান কাম হ'ল—পূৰ্বৰ শাসক জাতিৰ শ্ৰমিকশ্ৰেণী আৰু পূৰ্বৰ জাৰতন্ত্ৰী উপনিৱেশ সমূহৰ কৃষকসকলৰ মাজত সঠিক সম্পৰ্ক স্থাপন কৰা। জাৰতন্ত্ৰী চৰকাৰে এই অঞ্চলবোৰৰ লোকসকলক অজ্ঞতা আৰু দাৰিদ্ৰ্যৰ মাজত তল নিয়াই থৈছিল, যুগ যুগ ধৰি চলি অহা সামন্ততান্ত্ৰিক, আনকি ট্ৰাইবেল সমাজ-ব্যৱস্থা জীয়াই ৰাখিবলৈ সেই চৰকাৰে অহোপুৰুষাৰ্থ কৰিছিল। মধ্য এছিয়া আৰু কাজাখস্তানৰ জাতিসমূহে পাম পাতি খেতি-বাতি কৰা সম্বন্ধে একোকে নাজানিছিল। তেওঁলোকৰ লিখিত ভাষা নাছিল। লেনিনে নিপীড়িত আৰু পশ্চাৎপদ জাতিসমূহৰ জীৱন আলোচনা কৰি ১৯১৬ চনত

ঘোষণা কৰিছিল, বিজয়ী ৰুছ সৰ্বহাৰাশ্ৰেণীৰ ৰাষ্ট্ৰই এই জাতিসমূহক শিল্পায়ন, গণতন্ত্ৰ আৰু সমাজতন্ত্ৰ লাভ কৰাত সহায় কৰিব।

ৰুছ সৰ্বহাৰাশ্ৰেণীয়ে লেনিনৰ এই প্ৰতিশ্ৰুতি পালন কৰিছে।

ছোভিয়েত জনসাধাৰণৰ ভ্ৰাতৃত্বমূলক সহায়ে আৰু সকলোৰে উপৰি, ৰুছিয়াৰ শ্ৰমিকশ্ৰেণীৰ সহায়ে মধ্য এছিয়া, কাজাখস্তান আৰু জাৰতন্ত্ৰী ৰুছিয়াৰ পূৰ্বৰ অন্যান্য উপনিৱেশ সমূহৰ জাতিসমূহক এক অবিশ্বাস্যভাৱে কম সময়ৰ ভিতৰতে আৰ্থিক আৰু সাংস্কৃতিক পশ্চাৎপদতা অতিক্ৰম কৰাত সমৰ্থবান কৰি তুলিছে। তেওঁলোক স্বাধীন জাতি হ'ল আৰু নিজ নিজ ৰাজ্য পাতি ললে। আজি তাত আধুনিক শিল্প, যন্ত্ৰচালিত বিৰাট বিৰাট কৃষিপাম আৰু সাংস্কৃতিক বিকাশৰ উচ্চমান বিৰাজ কৰিছে। এদিন য'ত এজন মাথো শিক্ষিত মানুহ মৰুভূমিত পানীৰ দৰে বিৰল আছিল, আজি তাত স্কুলে, বিশ্ববিদ্যালয়ে, জাতীয় একাডেমিয়ে ছাটি খাছে। পূৰ্বৰ নিপীড়িত জনতাৰ মাজৰপৰা আজি ওলাই আহিছে অগণন বিজ্ঞানী, অলেখ পণ্ডিত।

মহান অক্টোবৰ সমাজতান্ত্রিক বিপ্লৱে চহৰ আৰু গ্রামা-অঞ্চলৰ মাজত বৰ্তি থকা ঐতিহাসিক পাৰ্থক্যৰ অৰ্থনৈতিক আৰু সামাজিক ভেটিটো খহাই দিলে। ই গাঁও অঞ্চলত কৰা নগৰৰ শোষণৰ মূৰ মাৰিলে আৰু উভয়ৰে মাজত থকা বিৰোধমূলক দ্বন্দ্বসমূহৰ অৱসান সাধিলে। সমাজতন্ত্রৰ আমোলত যিবোৰ পাৰ্থক্য বৰ্তি আছে তাৰ উদয় হয় দুই ধৰণৰ সমাজতান্ত্রিক সম্পত্তিৰ পৰা: ৰাষ্ট্রীয় সম্পত্তি আৰু যৌথ-কৃষিপামৰ সম্পত্তি। ৰাষ্ট্রীয় সম্পত্তি হ'ল সামাজিকীকৰণৰ সৰ্বোচ্চ ৰূপ, এই সম্পত্তি সমগ্র দেশবাসীৰ। যৌথ-কৃষিপামৰ সম্পত্তি হ'ল দলৰ সম্পত্তি, ইয়াৰ ওপৰত অধিকাৰ যৌথ কৃষিপামৰ। সম্পত্তিৰ এই দুয়োটা ৰূপেই প্রকৃতিগতভাৱেই সমাজতান্ত্রিক আৰু এখন নতুন সমাজ গঢ়ি তোলাত এই দুই বন্ধুতাপূৰ্ণ শ্রেণীৰ সহযোগিতাৰ কাৰণে ই ব্যাপক সুযোগ প্রদান কৰিছে।

শ্রমিক শ্রেণীয়ে ছোভিয়েত সমাজত নেতাৰ ঠাই ললেও সি কোনো বিশেষ সুবিধা বিচৰা নাই, আৰু তেনে কোনো সুবিধা নায়ো। ইতিহাসত এইটোৱে মাত্র শ্রেণী—যি তাৰ ৰাষ্ট্রক্ষমতা চিৰকাললৈ অব্যাহত ৰাখিব নোখোজে। দেশজ

সমাজতন্ত্রৰ সম্পূৰ্ণ আৰু চূড়ান্ত বিজয় লাভ কৰি আৰু ছোভিয়েত সমাজক সম্পূৰ্ণভাৱে সাম্যবাদ নিৰ্মাণলৈ বাট উলিয়াই দি সৰ্বহাৰাৰ একনায়কত্বই তাৰ ঐতিহাসিক কৰ্তব্য পালন কৰে; আৰু দেশখনৰ ভিতৰৰ উত্তৰোত্তৰ সমাজ বিকাশৰ দৃষ্টিকোণৰপৰা, ইয়াৰ প্ৰয়োজনীয়তাৰ ওৰ পৰিছে। ছোভিয়েত ইউনিয়নত সমাজতন্ত্ৰৰ বিজয়ৰ লগে লগে শ্ৰমিকশ্ৰেণীৰ একনায়কত্বৰ ৰাষ্ট্ৰখন বিকশিত হৈ সমগ্ৰ জনসাধাৰণৰ ৰাষ্ট্ৰলৈ ৰূপান্তৰিত হৈছে। এই ৰাষ্ট্ৰখনত শ্ৰমিকশ্ৰেণীয়ে তাৰ অগ্ৰণী ভূমিকা অটুট ৰাখিছে।

সমগ্ৰ জনসাধাৰণৰ ৰাষ্ট্ৰ শ্ৰমিকশ্ৰেণী আৰু যৌথ কৃষি-পামৰ কৃষকসকলৰ মাজৰ শ্ৰেণীমৈত্ৰীৰ উচ্চতম ৰূপ।

ছোভিয়েত ইউনিয়নত কৃষকসম্প্ৰদায়টোক নিঃশ্চিহ্ন কৰি পেলোৱা হৈছে—এই সুৰৰ কথা পশ্চিমত অজস্ৰ লিখা হৈছে। দেশত যে আগৰ অৰ্থত কৃষক বুলিবলৈ কোনো নাই সেই কথা সঁচা; দুখীয়া কৃষক, মজলীয়া-ধনী কৃষক, খেতমজুৰ বা ধনী কৃষক—তাত নাই। তাত যৌথপামৰ কৃষক আছে—যি ধ্বংস হৈ যোৱাৰ, দাৰিদ্ৰ্যৰ আৰু শোষণৰ বিভীষিকাৰপৰা চিৰদিনলৈ মুক্তি পাইছে আৰু যাৰ নিজৰে

সম্পত্তি যৌথ অর্থনীতিৰ ভিত্তি হ'ল যুটীয়া শ্ৰম আৰু উমৈহতীয়া অধিকাৰ।

গাঁও অঞ্চলত থকা উৎপাদন সম্পৰ্কৰ সাম্প্ৰতিক কালত হোৱা অগ্ৰগতি যৌথ আৰু ৰাষ্ট্ৰীয় কৃষি পাম সুসংহত কৰাৰ পথেদি আগ বাঢ়িছে। কমিউনিষ্ট পাৰ্টিয়ে শ্ৰমিকশ্ৰেণী আৰু যৌথপামৰ কৃষকৰ মাজত এতিয়াও বাকী থকা পাৰ্থক্যক কৃত্ৰিমভাৱে দূৰ কৰিবলৈ কৰা প্ৰচেষ্টাক তীব্ৰভাৱে সমালোচনা কৰিছে আৰু সম্পূৰ্ণৰূপে অগ্ৰাহ্য কৰিছে। যৌথ কৃষিপামৰ সম্পত্তিয়ে সামাজিকীকৰণৰ উচ্চতৰ পৰ্য্যায়লৈ উন্নীত হৈ যেতিয়া ৰাজহুৱা সম্পত্তিৰ ৰূপ পৰিগ্ৰহ কৰিব, তেতিয়া এই পাৰ্থক্যসমূহ আপোনা-আপুনিয়েই নাইকিয়া হব। ফলত, দলৰ সম্পত্তি আৰু ৰাষ্ট্ৰৰ সম্পত্তি —সম্পত্তিৰ এই দুই ৰূপ একত বিলীন হৈ কমিউনিষ্ট সম্পত্তি হৈ পৰিব। কিন্তু ইয়াৰ মানে ছোভিয়েতবিদ্ জনচেৰেকে চোৱাৰ দৰে যে শ্ৰমিকশ্ৰেণীয়ে কৃষকসকলক ধ্বংস কৰি পেলাব, সেইটো নহয়; বৰং ইয়াৰ মানে সমাজে এটা এক হোৱাৰ চৰিত্ৰ লোৱা, আচল কথাত, সমাজ শ্ৰেণীহীন কমিউনিষ্ট সমাজ হব – যি সমাজত

সকলোৰে বৈষয়িক আৰু আত্মিক প্ৰয়োজনসমূহ পূৰ হব।

হেজাৰ চেষ্টা কৰিলেও কোনেও চহৰ আৰু গাঁৱৰ মাজত শক্ৰতাৰ এটা তিলমান চিনো উলিয়াব নোৱাৰিব। দুয়ো পক্ষই মিলি যি যুদ্ধ চলাইছিল—সি আছিল পুৰণি ব্যৱস্থাৰ ভয়ানক অৱশিষ্টবোৰৰ বিৰুদ্ধে কৰা উমৈহতীয়া যুদ্ধ, আৰু এই যুদ্ধৰ জুইত এই দুই শ্ৰেণীৰ বন্ধুত্ব গঢ় লৈ মজবুত হৈ পৰিছিল।

২০

# সমাজ, ৰাষ্ট্ৰ আৰু কৃষক

কৃষককুল আছিল বিপ্লৱৰ আগৰ ৰুছিয়াৰ আটাইতকৈ সংখ্যাধিক আৰু আটাইতকৈ বেছি নিপীড়িত শ্ৰেণী। কৃষকসকলৰ সৰহভাগেই চূড়ান্ত দাৰিদ্ৰ্যত চেপেটা লাগিছিল আৰু বিশ্বাস কৰিব নোৱাৰাকৈ জীয়াতু ভুগিছিল। ৰাজনৈতিক অধিকাৰ নথকাৰ কাৰণে তেওঁলোকৰ দাৰিদ্ৰ্য অধিক কঠোৰ হৈছিল। সমাজখন ধনিকশ্ৰেণী আৰু ভূম্যধিপতিসকলৰ কবলত থকাৰ কাৰণে কৃষকৰ কোনো মাত নাছিল। এই সমাজে আৰু জাৰতন্ত্ৰী চৰকাৰে সাধাৰণভাৱে জনসাধাৰণৰ অৱস্থালৈ আওকাণ কৰাৰ দৰে কৃষকৰ অৱস্থালৈও আওকাণ কৰিছিল।

বাৰে বাৰে দেশ কঁপাই থৈ যোৱা যুদ্ধ আৰু বিদ্ৰোহে মাটিৰ সমস্যা সমাধান কৰা নাছিল। শ্ৰমিকশ্ৰেণীৰ নেতৃত্বতহে কৃষকসকলৰ সংগ্ৰাম সফল হয়; দাৰিদ্ৰ্য আৰু

ৰাজনৈতিক নিপীড়নৰ অৱসান কৰি তেওঁলোকে এক অভিনৱ আৰু উন্নততৰ জীৱন গঢ়ি তুলিবলৈ আৰম্ভ কৰে।

শিল্পায়ন আৰু যৌথীকৰণে দেশৰ অৰ্থনীতিৰ মিশ্ৰিত প্ৰকৃতিটো দূৰ কৰে। ৰাজহুৱা সমাজতান্ত্ৰিক সম্পত্তি দেশত পূৰ্ণভাৱে বিৰাজ কৰে। আমূল অৰ্থনৈতিক পুনৰ্নিৰ্মাণে সমাজৰ সামাজিক গাঁথনিটোৰ পৰিবৰ্তনসাধন কৰে।

সকলোবোৰ শোষকশ্ৰেণীৰ অৱসান কৰা হয়। ছোভিয়েত সমাজ বন্ধুত্বপূৰ্ণ দুটা শ্ৰেণীৰে গঠিত; সি হ'ল শ্ৰমিক আৰু কৃষক। ইসকল গণ-বুদ্ধিজীৱীসকলৰ লগত ঘনিষ্ঠভাৱে জড়িত। সমাজৰ আটাইতকৈ সংখ্যাধিক অংশ হ'ল শ্ৰমিক। ১৯৬৬ চনত শ্ৰমিক আৰু কৰ্মচাৰী মিলি দেশবাসীৰ শতকৰা ৭৬ ভাগ হয়; ১৯১৩ চনত আছিল শতকৰা ১৭ ভাগ। এনে হোৱাৰ কাৰণ হ'ল দেশৰ দ্ৰুত শিল্পায়ন। ইয়েই পশ্চাদ্‌পদতা অতিক্ৰম কৰাৰ প্ৰধান সম্বল। এই শিল্পায়নৰ ফলত মানুহৰ (কৃষককো ধৰি) শ্ৰম লাঘৱ হৈছে আৰু উৎপাদনক্ষমতা বৃদ্ধি পাইছে। এই শক্তিয়ে দেশৰ শিল্পক পুনৰসংগঠিত কৰিছে আৰু গ্ৰাম্যক প্ৰগতিৰ পথলৈ লৈ গৈছে।

কৃষিত যন্ত্রপাতিৰ প্ৰয়োগ হোৱাৰ কাৰণে লোকবলৰ চাহিদা হ্রাস পাইছে; এই লোকবল বৰ্দ্ধমান শিল্পত সহজেই নিয়োজিত হৈছে। যোৱা ত্ৰকুৰি বছৰত শ্ৰমিক আৰু কৰ্মচাৰীৰ সংখ্যা থূলমূলভাৱে ১২,০০০,০০০ বাঢ়িছে আৰু ১৯৬৭ চনত ই প্ৰায় ৮৩,০০০,০০০ লৈ উঠিছে।

গাঁৱৰ জীৱনৰ আৰু গাঁৱৰ অধিবাসীৰ গঠনত আমূল পৰিবৰ্ত্তনে দেখা দিছে। বিপ্লৱৰ আগৰ গাঁৱত শিক্ষক বুলিলে বিচাৰি পাবলৈ নাছিল; ডাক্তৰতো আৰু চাৰ। কৃষিবিদ উকমুকৰ পোৱালিহে যেনিবা, ইনজিনিয়াৰ বা স্থাপত্যাদিতো দূৰৈৰ কথা। শোকৰ বোজা বোৱা কৃষকে কোনোমতে হাড়ৰ মাজত জীয়টো লৈ আছিল। সঁহাৰি অকণ পাবলৈ বুলি চাবলৈ কেও নাছিল, সহায় বিচাৰিবলৈকো কেও নাছিল।

বিপ্লৱে গাঁৱৰ জীৱন সলাই পেলালে; গাঁৱৰ জীৱন উন্নতিমুখে তৎক্ষণাৎ ঘূৰি প'ল।

আজি কৃষকৰ চুবুৰীয়াৰ মাজত পোৱা যাব সেইসকলক যি যন্ত্ৰচালিত বিৰাট-আকাৰৰ কৃষিপাম পৰিচালনাত কৃষকক সহায় কৰে, যি কৃষকৰ পো-পোৱালি পঢ়ায় আৰু তাঙৰ-

দীঘল কৰে, যি কৃষকৰ স্বাস্থ্যৰ যতন লয় আৰু আজৰি সময়ৰ সদ্ব্যৱহাৰ কৰাত সহায় কৰে। প্ৰায় ৪,৫০০,০০০ গৰাকী গণ-শিক্ষা, গণ-স্বাস্থ্যৰ ক্ষেত্ৰত আৰু বৈজ্ঞানিক কৃষি প্ৰতিষ্ঠানসমূহত কাম কৰে। ১,৫০০,০০০-ৰো অধিকে বিভিন্ন ক্ষেত্ৰত কাম কৰে। ৰাষ্ট্ৰীয় আৰু যৌথ-কৃষিপামত প্ৰায় ৫০০,০০০ জন কৃষিবিদ, পশু-পক্ষী বিশেষজ্ঞ, ইঞ্জিনিয়াৰ আৰু অন্যান্য বিশেষজ্ঞ আছে।

কৃষকৰ জীৱনক এতিয়া আৰু ঠেক বা সীমাৱদ্ধ বুলি কোনেও কব নোৱাৰে। কৃষক আৰু এতিয়া গাইগুটীয়া শ্ৰমজীৱী নহয়; কৃষক এতিয়া বিৰাট যৌথ সমাজৰসদস্য— বিশাল বন্ধুত্বপূৰ্ণ সমাজত এজন মানুহৰ কাম গোটেই দেশ-খনৰ মানুহৰ সৃষ্টিশীল শ্ৰমৰ অবিচ্ছেদ্য অঙ্গ।

সমগ্ৰ সমাজৰ লগত এই বান্ধোনৰ কাৰণে আৰু সমাজৰ সমৰ্থনৰ কাৰণে কৃষি উৎপাদনৰ বৈষয়িক আৰু প্ৰায়োগিক ভিত্তি শক্তিশালী হৈছে। গাওঁ অঞ্চললৈ বৈজ্ঞানিক আৰু সাংস্কৃতিক সাহায্য বঢ়াই নিয়া হৈছে, আৰু যৌথ পামৰ কৃষকসকলৰ পেঞ্চন আৰু নিশ্চিত পাৰিশ্ৰমিকৰ ব্যৱস্থা প্ৰতিষ্ঠিত কৰা হৈছে। প্ৰাকৃতিক দুৰ্য্যোগ হ'লে কৃষক-

সকলে ৰাষ্ট্ৰৰূপৰা ঋণ, সঁচ আৰু খাদ্যৰ যোগান পোৱাৰ ওপৰত নিশ্চিন্তে নিৰ্ভৰ কৰিব পাৰে।

বাস্তৱ অভিজ্ঞতা আৰু সমাজতান্ত্ৰিক নিৰ্মাণত সহযোগিতা কৰি কৃষকসকলে নিঃসন্দেহে বুজিব পাৰিছে যে তেওঁলোকৰ উন্নতি সমগ্ৰ দেশৰ উন্নতিৰ লগত এৰাব নোৱাৰাকৈ বান্ধ খাই আছে। ইয়েই সমাজৰ স্বাৰ্থৰ লগত কৃষকৰ ব্যক্তিগত স্বাৰ্থৰ মিলনৰ ভেটি ৰচনা কৰে। বুদ্ধি-গতভাৱে বিকাশ লাভ কৰাৰ লগে লগে কৃষকে তেওঁৰ শ্ৰমৰ সামাজিক তাৎপৰ্য আৰু বেছি ভালদৰে বুজিব পৰা হয়। বিপ্লৱে কৃষকৰ মনস্তত্ত্বৰ আমূল পৰিৱৰ্তন সাধিলে। ই মূল সফলতাবোৰৰ ভিতৰৰ এটা। লাখ লাখ কৃষকক যি নিৰস আৰু কঠিন জীৱনে মানৱ মৰ্য্যাদাৰপৰা বঞ্চিত কৰি থৈছিল, ই তেওঁলোকক তাৰপৰা মুক্তি দিলে। ই তেওঁলোকৰ সন্মুখত উন্মুক্ত কৰি দিলে মুক্ত শ্ৰম আৰু সৃজনশীল কৰ্মৰ জগত—যিখন মানুহৰ নিভীকতম আশা-আকাংক্ষা লাভ কৰাৰ কাৰণে, সকলোৰে বাবে এক উন্নততৰ জীৱন গঢ়ি তোলাৰ কাৰণে দুঃসাহসিক অনুসন্ধান আৰু নিঃস্বাৰ্থ সংগ্ৰামত ৰত হোৱাৰ জগত।

ছোভিয়েত কৃষকে কমিউনিজমৰ ভাৱাদৰ্শৰ প্ৰতি তেওঁলোকৰ আনুগত্য বাৰম্বাৰ প্ৰদৰ্শন কৰিছে; গৃহযুদ্ধ আৰু দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত আৰু কৃষিপামত কৰা শান্তি-পূৰ্ণ শ্ৰমৰ ক্ষেত্ৰত দেখুওৱা তেওঁলোকৰ সাহসিকতাপূৰ্ণ চমকপ্ৰদ কাৰ্য্যবোৰলৈ মনত পেলালেই ইয়াৰ সত্যতা বুজিব পাৰি।

যৌথ শ্ৰমে ছোভিয়েত কৃষকক ভাল আয় দিয়াৰ উপৰিও দিছে সাধাৰণ সন্মান আৰু যশস্যা। ভালকৈ কাম কৰাসকলক ৰাষ্ট্ৰীয় পুৰস্কাৰ আৰু পদক দিয়া হয়, অসাধাৰণ কাম কৰাসকলক সমাজতান্ত্ৰিক শ্ৰমবীৰ উপাধিৰে সন্মান প্ৰদৰ্শন কৰা হয়। এই উপাধি যি দুবাৰ পায় তেওঁৰ সন্মানাৰ্থে ব্ৰঞ্জৰ এটি আৱক্ষমূৰ্তি তেওঁৰ ওপজা গাঁৱত স্থাপন কৰা হয়।

সমগ্ৰ দেশে উদযাপন কৰা এটা গুৰুত্বপূৰ্ণ দিৱস হ'ল কৃষি-শ্ৰমিক দিৱস।

ছোভিয়েত সমাজত কৃষকৰ ভূমিকা মাটিত শ্ৰমিকৰ ভূমিকাই কেৱল নহয়; তেওঁ সক্ৰিয় ৰাজহুৱা বা ৰাষ্ট্ৰীয় ব্যক্তি হোৱাৰো সকলো সুযোগ পায়। ছোভিয়েত ৰাষ্ট্ৰ

হ'ল গণতন্ত্ৰৰ ব্যাপকতম আৰু সৰ্বাধিক প্ৰতিনিধিত্বমূলক ৰূপৰ মূৰ্ত প্ৰতীক। ছোভিয়েত ইউনিয়নৰ শাসনতন্ত্ৰত আছে, নগৰ আৰু গাঁৱৰ শ্ৰমজীৱী জনসাধাৰণতে দেশৰ সকলো ক্ষমতা ন্যস্ত হৈছে। এই শ্ৰমজীৱী জনতাৰ প্ৰতিনিধিত্ব কৰে শ্ৰমজীৱী জনতাৰ প্ৰতিনিধিসকলৰ (ডেপুটি) ছোভিয়েতসমূহে।

ছোভিয়েতবিলাকৰ সামাজিক গঠন কেনে ?

মুঠতে ১,৫৭৭ জন প্ৰতিনিধি ছোভিয়েত ইউনিয়নৰ সপ্তম সমাৱৰ্তনৰ (১৯৬৬) উচ্চতম ছোভিয়েতলৈ নিৰ্বাচিত হয়। তাৰে ১,১৩০ জন জন্মগতভাৱে বা সমাজত লাভ কৰা স্থান অনুযায়ী শ্ৰমিক শ্ৰেণী বা কৃষকসম্প্ৰদায়ৰপৰা অহা। নিৰ্বাচনৰ সময়ত ইয়াৰে ৬৯৮ জন শিল্প-উদ্যোগ বা কৃষি-উৎপাদনক্ষেত্ৰত কাম কৰি থকা লোক ; ৪০৯ জনে কাম কৰি আছিল কল-কাৰখানা আৰু ৰাষ্ট্ৰীয় কৃষিপামৰ আৰু ২৯৪ জন আছিল যৌথ কৃষিপামৰ। অঙ্গ প্ৰজাতন্ত্ৰ, স্বশাসিত প্ৰজাতন্ত্ৰ আৰু স্থানীয় ছোভিয়েতসমূহৰ উচ্চতম ছোভিয়েতৰ বেলিকাও প্ৰতিনিধিসকলৰ এই ভাগবোৰ প্ৰায় একেধৰণৰেই : স্থানীয় ছোভিয়েতৰ ২,০০০,০০০বো ওপৰ

প্ৰতিনিধিৰ ভিতৰত প্ৰায় ৫৮০,০০০ জন শ্ৰমিক আৰু ৬৭০,০০০ জন কৃষক।

ছোভিয়েত কৃষক সম্পৰ্কে গোটাদিয়েক তথ্য দাঙি ধৰা হ'ল।

২১

# ঘটনাৰ গঢ়

কৃষকৰ ভাগ্য সম্বন্ধে এতিয়ালৈকে যিমানবোৰ ভবিষ্য-দ্বাণী কৰা হৈছে আৰু তত্ত্ব ওলাইছে, তাৰ ভিতৰত একমাত্র মাৰ্ক্সীয়-লেনিনীয় তত্ত্বই কালৰ পৰীক্ষাত উত্তীর্ণ হৈছে। ই শ্রমিকশ্রেণী আৰু কৃষকসম্প্রদায়ৰ মৈত্রীৰ আৰু গাঁৱত সমবায় স্থাপনৰ বাস্তৱ প্রয়োজনীয়তা আৱিষ্কাৰ কৰিছে আৰু বিভিন্ন বাস্তৱ ঘটনাৰে তাৰ সত্যতা প্রমাণ কৰিছে। এই সমবায় কৃষকৰ অপৰিহার্য্য স্বাৰ্থ আৰু সামাজিক বিকাশৰ চাহিদাৰ লৈতে সঙ্গতিপূর্ণ। আগৰ সৰুসুৰা খেতিখোলাৰ ঠাইত ডাঙৰ ডাঙৰ উচ্চপর্য্যায়ৰ যান্ত্রিকীকৃত যৌথ আৰু ৰাষ্ট্রীয় কৃষিপামৰ প্ৰতিষ্ঠাৰ ফলত অৰ্থনৈতিক সাংস্কৃতিক আৰু গাৰ্হস্থ্য—গাঁৱৰ কামৰ এই সকলোবোৰ স্তৰৰে সমাজতান্ত্রিক পুনৰগঠন সম্ভৱপৰ হৈছে।

সৰু কৃষিপামৰপৰা বিৰাট আকাৰৰ কৃষিউৎপাদনৰ পৰ্য্যায়লৈ যোৱাটোত নতুনত্ব একো নাই। বহু শতিকাৰ আগতে আৰম্ভ হোৱা প্ৰক্ৰিয়াৰ ই এটা অংশ। বৃহৎ কৃষিপাম আজি বহু দেশতেই হব লাগিছে। প্ৰশ্ন হৈছে: হানি কৰি খেতিৰ মাটি বঢ়োৱা হৈছে, কাৰ স্বাৰ্থত মাটিত কাম কৰা হৈছে আৰু যন্ত্ৰপাতি প্ৰয়োগ কৰা হৈছে। ১৯১০ চনত লেনিনে লিখিছিল পুঁজিবাদে কৃষিৰ কাৰুকৌশলগত স্তৰ উন্নত কৰিলে, কিন্তু তাক কৰিলে সৰু-সুৰা উৎপাদন-কাৰীবোৰক ধ্বংস কৰিহে। এই কথাকেইষাৰ লিখাৰ দিনৰপৰা পাৰ হৈ যোৱা এই প্ৰায় ষাঠিটা বছৰে সেই কেইষাৰ কথাৰ অখণ্ডনীয় সত্যতা আথৰে আথৰে প্ৰমাণ কৰিছে।

আমেৰিকা যুক্তৰাজ্যৰ দৰে এখন ঐশ্বৰ্য্যশালী পুঁজিবাদী দেশ—য'ত কৃষি উৎপাদন তড়িৎগতিত যন্ত্ৰীকৃত হৈছে আৰু কৃষি নিবিড়কৰণ কৰা হৈছে তাতো সৰু আৰু মজলীয়া কৃষিপামৰ অৱস্থা অত্যন্ত উদ্বেগজনক। কাৰিকৰী অগ্ৰগতিৰ পূৰ্ণভাৱে সদ্ব্যৱহাৰ কৰিব পৰা অৱস্থা এই পামবোৰৰ নাই, সেয়ে সিবোৰে বিৰাট যন্ত্ৰীকৃত পুঁজিবাদী

কৃষিপামবোৰৰ লগত ফেৰ মাৰিব নোৱাৰে আৰু ফলত ডাঙৰ পুঁজিবাদী কৃষিপামৰ লগত হোৱা সংগ্ৰামত সিহঁত অৱধাৰিতভাৱেই ক্ষতিগ্ৰস্ত হয়।

১৯৬৮ চনৰ ফেব্ৰুৱাৰী মাহত প্ৰেছিডেণ্ট লিণ্ডন জনছনে দেশবাসীৰ প্ৰতি দিয়া বাণীত আমেৰিকা যুক্তৰাজ্যৰ কৃষিৰ এটা ভয়াবহ ছবি ফুটি উঠিছিল। সৰু আৰু মজলীয়া তৰপৰ খেতিয়ক যে ধ্বংস হৈ গৈছে তাক তেওঁ স্বীকাৰ কৰিছে। ১৯৫০—১৯৬৭ চনৰ ভিতৰত কৃষি-উৎপাদনৰ নিয়োগ শতকৰা ৪৬ ভাগ হ্ৰাস পাইছে। ১,৫০০,০০০ জন খেতিয়কৰ ভাগ্য যমে চুলিত ধৰি থকাৰ দৰে হৈছে। কাৰণ, দুৰ্দশাগ্ৰস্ত আৰ্থিক অৱস্থাই তেওঁলোকৰ ভাল বেচা-কিনাত বাধা দিছে। ১০ নিযুত গাঁওবাসী ( ৫ জনত ১ জন ) জীয়াই থাকিবৰ কাৰণে যিথিনি খাব-ব'ব লাগে তাতকৈও কমত চলি থাকিব লগা অৱস্থাত। নাৱং নবস্তং হৈ পৰা খেতিয়কে ভাগ্যৰ অন্বেষণত চহৰ পাইছেগৈ ; তাত তেওঁলোকে দাৰিদ্ৰ্য, নিবহুৱা সমস্যা আৰু মানুহে জীয়াতু ভুগি থকা অৱস্থা এটা পাইছেহি বুলি প্ৰেছিডেণ্ট জনছনে কৈছে।

এহাতে হাজাৰে হাজাৰে সৰু আৰু মজলীয়া কৃষিপাম ধ্বংসৰ মুখত পতিত হৈছে আৰু আনফালে বৃহৎ কৃষিপাম-বোৰ আকাৰ, সংখ্যা দুয়োফালৰপৰাই বাঢ়ি গৈছে আৰু লাভে দৌল বান্ধিছে।

আমেৰিকা যুক্তৰাজ্যত কৃষিৰ ক্ষেত্ৰত যি পৰিস্থিতিয়ে দেখা দিছে সি পুঁজিবাদী জগতৰ বাকী ঠাইবোৰৰ পৰিস্থিতিৰো ছবি। গ্ৰেট ব্ৰিটেন, ফ্ৰান্স, পশ্চিম জাৰ্মানি আদি পুজিতান্ত্ৰিক দেশবোৰত কাৰুকৌশলগত অগ্ৰগতি আৰু কৃষি উৎপাদনৰ দ্ৰুত উন্নতিৰ লগত লাগি আছে এহাতে সৰু আৰু মজলীয়া কৃষিপামৰ অৱনতি আৰু আন-হাতে, বৃহৎ কৃষিপামৰ উন্নতি আৰু ক্ৰমবৰ্দ্ধমান সমৃদ্ধি। 'উমৈহতীয়া বজাৰ' (কমন মাৰ্কেট) দেশবোৰৰ কাৰণে প্ৰকাশ কৰা চৰকাৰী তথ্যৰপৰা দেখা যায় যে প্ৰায় ৮,০০০,০০০ কৃষকে অদূৰভৱিষ্যতত খেতিৰ কাম এৰি দিবলৈ বাধ্য হব।

ইতিহাসে কয় পুঁজিবাদৰ আমোলত কৃষি উৎপাদনৰ প্ৰধান প্ৰৱণতা হ'ল সৰু-সুৰা খেতিয়কক ধ্বংস কৰি তাৰ ঠাইত বৃহৎ পুজিবাদী উৎপাদনকাৰীৰ আবিৰ্ভাৱ হোৱা।

সমাজতান্ত্রিক আমোলত দেখা দিয়া প্ৰৱণতাটো ইয়াৰ ঠিক বিপৰীত। কৃষিৰ সমাজতান্ত্রিক পুনৰসংগঠনৰ ফলত সৰু-সুৰা কৃষিপামবোৰ বৃহৎ যৌথ অৰ্থ নৈতিক পৰিচালনাৰ লগত লগ লাগে। এই প্ৰক্ৰিয়াটো ৰাষ্ট্ৰীয় কৃষিপামসমূহে প্ৰচুৰভাৱে সহজতৰ কৰি তুলিছে। শ্ৰমজীৱী কৃষকক বলি নিদিয়াকৈয়ে এই প্ৰক্ৰিয়া সংঘটিত হোৱা পৃথিবীৰ ভিতৰত প্ৰথম দেশখন হ'ল ছোভিয়েত ইউনিয়ন। বৃহৎ যন্ত্ৰীকৃত কৃষি উদ্যোগ ৰাষ্ট্ৰীয় আৰু যৌথ কৃষিপামবোৰৰ আৱিৰ্ভাৱে কৃষকৰ কামৰ ভাৰ পাতলাই উৎপাদনক্ষমতা বৃদ্ধি কৰিলে আৰু এনেকৈয়ে তেওঁলোকৰ উন্নতিৰ বাট প্ৰশস্ত কৰিবৰ কাৰণে এটা দৃঢ়ভিত্তি ৰচনা কৰিলে। শ্ৰমেই উন্নতিৰ একমাত্ৰ উৎস আৰু মানদণ্ড হৈ পৰিল: কৃষকে তেওঁৰ কামৰ যোগেদি সামাজিকীকৃত অৰ্থনীতিলৈ যিমানেই অৰিহণা আগ বঢ়াব, সিমানেই তেওঁৰ আয় আৰু জীৱনধাৰণৰ মানো বৃদ্ধি পাব। যৌথ কৃষিপামে দাৰিদ্ৰ্য আৰু ধ্বংসৰ বিভীষিকাৰ ওৰ পেলালে, অৱসান কৰিলে কৃষকৰ অনিশ্চয়তাৰ ভীতি আৰু ভৱিষ্যতৰ প্ৰতি তেওঁলোকক দৃঢ় আত্মপ্ৰত্যয় আনি দিলে। এযাৰ কথা

মনত ৰাখিব লাগিব : ছোভিয়েত কৃষকৰ আয় বিপ্লৱৰ আগৰ ৰুছিয়াৰ লগত তুলনা কৰিলে এতিয়া ১০ গুণবো অধিক বৃদ্ধি পাইছে। প্ৰত্যেক খেতিয়কৰে পেন্সন পোৱাৰ অধিকাৰ আছে আৰু তেওঁলোকৰ মজুৰি সুনিশ্চিত-ভাৱে বন্ধা আছে। কৃষকৰ শিক্ষা, সাংস্কৃতি আৰু প্ৰযুক্তিবিদ্যাৰ স্তৰৰ তড়িৎগতিত উন্নতি হৈছে। নগৰ আৰু গাওঁ অঞ্চলৰ মাজৰ সামাজিক-অৰ্থনৈতিক আৰু সাংস্কৃতিক মূল পাৰ্থক্যসমূহৰ অৱসান কৰাৰ পথত আগবঢ়া হৈছে।

যৌথ শ্ৰমে সকলো কৃষকক একেটা মাত্ৰ মৈত্ৰীপূৰ্ণ পৰিয়ালত আঁকোৱালি লৈছে। ই শ্ৰমিকশ্ৰেণীৰ লগত তেওঁলোকৰ মিত্ৰতা বহু পৰিমাণে শক্তিশালী কৰিছে। ব্যক্তিগত স্বাৰ্থৰ ক্ষুদ্ৰ জগতখনৰপৰা গুলাই তেওঁলোকে ভৰি দিছে সমাজজীৱন আৰু ৰাজনৈতিক প্ৰজ্ঞাৰ জগতত। তেওঁলোকৰ শ্ৰম হৈ পৰিছে এটা সামাজিক বিষয়, ই দেশ-জোৰা তাৎপৰ্য্য লাভ কৰিছে। ই গাঁৱত ব্যাপক সমাজ-তান্ত্ৰিক প্ৰতিযোগিতাৰ জন্ম দিছে ; ই হ'ল এক দেশাত্ম-বোধক অভিযান ; অধিক সুফল আৰু শ্ৰমৰ অধিক

উৎপাদিকাশক্তি লাভ কৰিবৰ কাৰণে লাখে লাখে খেতিয়কে এই অভিযানত যোগ দিছে।

যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপামৰ উৎপাদন অবিৰাম গতিত বাঢ়ি গৈছে। চলিত পাঁচ বছৰীয়া পৰিকল্পনাত (১৯৬৬-৭০) কৰিবলৈ ই এটা বিৰাট কাম লৈছে, এইমতে সৰ্বমুঠ উৎপাদন শতকৰা ২৫ ভাগ আৰু খাদ্যশস্যৰ উৎপাদন শতকৰা ৩০ ভাগ বৃদ্ধি পোৱাৰ কথা। এই অপৰিহাৰ্য্য বৃহৎ কামটো সমাধা কৰিবলৈ কৃষকৰ হাতত আছে দেশৰ আৰ্থিক, শিল্পগত আৰু বৈজ্ঞানিক সম্পদৰাজি। আগৰ পাঁচ বছৰীয়া পৰিকল্পনাৰ তুলনাত ৰাষ্ট্ৰই কৃষিত পুঁজি-বিনিয়োগ দুগুণলৈ তুলিছে, অৰ্থাৎ ৪১,০০০ নিযুত ৰুবল পোৱাইছেনি। আৰু ৩০ হেজাৰ নিযুত ৰুবল আগ বঢ়াইছে যৌথ কৃষিপামে। যৌথ আৰু ৰাষ্ট্ৰীয় কৃষিপামৰ বৈষয়িক আৰু প্ৰায়োগিক ভিত্তিৰ উত্তৰোত্তৰ সংহতি আৰু বিকাশৰ কাৰণে বিস্তৃত আৰু বহুমুখী কাৰ্য্যক্ৰম গ্ৰহণ কৰা হৈছে। ইয়াৰ ভিতৰত পৰিছে বৃহৎ-হাৰত যান্ত্ৰিকীকৰণ, খেতিৰ মাটিৰ উন্নয়নমূলক ব্যৱস্থা আৰু কৃষি উৎপাদনত ৰসায়নৰ ব্যাপক প্ৰয়োগ।

ছোভিয়েত সঁচ-বাছোঁতাসকলে এক গুৰুত্বপূৰ্ণ অৱদান যোগাব লাগিছে। এওঁলোকে বিভিন্ন সঁচ মিলাই বিভিন্ন জাতৰ নতুন সঁচ উলিয়াইছে আৰু তাৰ গৱেষণা চলাই আছে।

এই ব্যৱস্থাবোৰে এটা স্থায়ী আৰু দ্ৰুত কৃষি-বিকাশৰ কাৰণে প্ৰয়োজনীয় বাস্তৱ ভিত্তি ৰচনাৰ ক্ষেত্ৰত অৱদান যোগাইছে। ইয়াৰ ফলত, দেশ আহাৰ আৰু কেঁচা সামগ্ৰীৰে উভৈনদী হৈ পৰিব।

এই কাৰ্য্যসূচীৰ বাস্তৱ-ৰূপায়ণ কৃষকৰ জীৱনধাৰণৰ মানৰ উত্তৰোত্তৰ উন্নতিৰ লগত বান্ধ খাই আছে। এই পাঁচ বছৰীয়া পৰিকল্পনাত থকা ঘৰ, স্কুল, হস্পিটাল, ক্লাব, চিনেমাঘৰ নিৰ্মাণকৰা আৰু গাঁৱলৈ গেছ-লাইন সম্প্ৰসাৰণ কৰাৰ ক্ষেত্ৰত প্ৰচুৰ অগ্ৰগতি লাভ কৰাৰ কাম লোৱা হৈছে। সমাজতান্ত্ৰিক নীতি অনুসাৰে পৰিচালিত অৰ্থ-নীতিৰপৰা কৃষকৰ আয় ৩৫-৪০ শতাংশ বাঢ়িব।

ইতিমধ্যে উল্লেখযোগ্য ফল লাভ কৰা হৈছেই। পৰিকল্পনাৰ কালছোৱাৰ প্ৰথম দুবছৰত আগৰ পাঁচ বছৰৰ তুলনাত কৃষিপামৰ উৎপাদন গড়ে বছৰি ৮০ শতাংশ

বাঢ়িছে ; যৌথ-কৃষিপামৰ উৎপাদনৰপৰা কৃষকৰ আয় বস্তু আৰু নগদ ধনৰ হিছাপত শতকৰা প্ৰায় ২০ ভাগ বাঢ়িছে। এই কালছোৱাত হাজাৰ হাজাৰ কৃষক নতুন ঘৰলৈ উঠি গৈছে। গাঁও অঞ্চলত নতুন নতুন স্কুল, ক্লাব, পুথিভঁড়াল, বিভাগীয় ভঁড়াল, হস্পিটাল আৰু চিকিৎসালয় সজা হৈছে ; কৃষিপামবোৰে সমবায় ভিত্তিত নতুন স্বাস্থ্যনিবাস আৰু জিবণি ঘৰ সাজি দিছে। নগৰ আৰু গাঁও অঞ্চলৰ মাজৰ মূল পাৰ্থক্যসমূহৰ সুসমঞ্জসভাৱে বিলোপ সাধন কৰি যোৱা হৈছে।

* * *

কৃষকসকলে বাছি লবৰ কাৰণে দুটা পথ আছিল ; কৃষি বিকাশৰ পুঁজিবাদী পথ বা সমাজবাদী পথ। প্ৰথমটো পথ সৰহভাগ কৃষকৰ কাৰণে নিপীড়ন আৰু দাৰিদ্ৰ্যৰ, ধ্বংস আৰু ক্ষুধাৰ পথ ; দ্বিতীয়টো পথ আৰ্থিক দাসত্ব, ধ্বংস আৰু দাৰিদ্ৰ্যৰপৰা তেওঁলোকক মুক্তি দিয়াৰ পথ। এই পথে নিজৰ ভৱিষ্যতৰ ওপৰত তেওঁলোকক আস্থাশীল কৰি তোলে, তেওঁলোকৰ বৈষয়িক আৰু আত্মিক চাহিদা পূৰণৰ কাৰণে সকলো সুযোগ প্ৰদান কৰে। সমাজতান্ত্ৰিক

নীতিৰ ভিত্তিত প্ৰতিষ্ঠিত যৌথ কৃষিপাম ব্যৱস্থাত কৃষক-সকলে নিজৰ উন্নতিৰ কাৰণে আৰু মানুহৰ উপযোগী জীৱন এটা গঢ়ি তুলিবলৈ নিখুঁত ভিত্তি এটা পায়। সমাজতন্ত্ৰত কৃষকসকলে এনে এক শক্তি বিচাৰি পায়—যি শক্তিয়ে তেওঁলোকৰ আৰ্থিক দাৰিদ্ৰ্যৰ বিলোপ সাধন কৰাত, ৰাজ-নৈতিক অধিকাৰ আৰু নিভাজ স্বাধীনতা লাভ কৰাত, আৰু সমাজত যোগ্য স্থান অধিকাৰ কৰাত সহায় কৰে। সেই কাৰণেই খেতিয়কসকলে শ্ৰমিকশ্ৰেণীৰে মিলি আৰু শ্ৰমিকশ্ৰেণীৰ নেতৃত্বত সমাজতান্ত্ৰিক বিপ্লৱৰ বিজয়ৰ কাৰণে সংগ্ৰাম কৰিছিল আৰু সমাজতন্ত্ৰ গঢ়ি তোলাত সক্ৰিয় অংশ গ্ৰহণ কৰিছিল। সেই কাৰণেই আজি তেওঁলোকে মনে-প্ৰাণে চেষ্টা কৰিছে সাম্যবাদৰ চূড়ান্ত বিজয় লাভ কৰিবৰ কাৰণে—যিথন সমাজ হব প্ৰতিজন মানুহৰ কাৰণে বৈষয়িক আৰু আত্মিক ঐশ্বৰ্য্যেৰে উভৈনদী।